● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

মানুহৰ সবাতোকৈ ডাঙৰ ভুল— নিজকে দুৰ্বল, পাপী হতভাগ্য জীৱন বুলি ভবাটো আৰু নিজৰ কোনো শক্তি নাই বুলি ভবাটো।

স্বামী বিবেকানন্দ



www.dainikagradoot.in

৭ উদ্বেগজনক দেশৰ পাঁচ ৰাজ্যৰ ক'ভিড পৰিস্থিতি
১৫ প্ৰথম ইনিংছত ভাৰতৰ বেটিং ব্যৰ্থতা
৪ জনজীৱনত ৰাষ্ট্ৰৰ শেনচকু গণতন্ত্ৰলৈ প্ৰত্যাহ্বান

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৯৭তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২৭ পুহ ১৪২৮ ভাস্কৰাব্দ ১২ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 12 January 2022 মূল্য ঃ ৯.০০ টকা

■ আমেৰিকাৰ মেৰীলেণ্ডত সৃষ্টি হ'ল চিকিৎসা বিজ্ঞানৰ নতুন ইতিহাস ■ মানৱ অংগ দানৰ অভাৱ দূৰ কৰাৰ ক্ষেত্ৰত ন-দিগন্তৰ সূচনা হোৱাৰ দাবী চিকিৎসকৰ ■ সম্পূৰ্ণ সুস্থ হৈছে ৰোগী

# মানৱ শৰীৰত গাহৰিৰ হৃদপিণ্ড সংৰোপণ

■ অৱশেষত বাস্তৱ হ'ল ডাঃ ধনীৰাম বৰুৱাৰ অপূৰ্ণ স্বপ্ন



■ নিউজ ব্যুৰ'
**ৱাশ্বিংটন, ১১ জানুৱাৰী ঃ** অৱশেষত বিশ্বৰ চিকিৎসা বিজ্ঞানত নতুন দিগন্তৰ সূচনা হ'ল। মানৱ শৰীৰত সফলভাৱে গাহৰিৰ হৃদপিণ্ড সংৰোপণ কৰিলে আমেৰিকাৰ এদল চিকিৎসকে। প্ৰথমবাৰলৈ হোৱা এই সফল অস্ত্ৰোপচাৰৰ অন্তত মানৱ অংগ দানৰ অভাৱ দূৰ হোৱাৰ সম্ভাৱনা প্ৰকট হ'ল ১০ পৃষ্ঠাত চাওক




দুই-এদিনতে ৰাজধানীত সংক্ৰমণ শীৰ্ষত উঠাৰ শংকা স্বাস্থ্যমন্ত্ৰীৰ

ঘৰৰ পৰাই কাম-কাজ কৰিবলৈ নিৰ্দেশ দিলে কেজৰিৱাল চৰকাৰে

# ক'ভিড পৰিস্থিতি জটিল ঃ সকলো বেচৰকাৰী কাৰ্যালয় বন্ধ দিলে দিল্লীত

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১১ জানুৱাৰী ঃ** দেশৰ ৰাজধানীত প্ৰতিদিনেই বৃদ্ধি পাইছে কৰ'নাৰ সংক্ৰমণ। এনে পৰিস্থিতিত সামগ্ৰিক তলাবন্ধৰ পথ গ্ৰহণ নকৰিলেও ক্ৰমাৎ কঠোৰ হোৱাৰ দিশে অগ্ৰসৰ হৈছে অৰৱিন্দ কেজৰিৱাল চৰকাৰ। দিল্লী চৰকাৰে ইতিমধ্যে হোটেল, ৰেস্তোৰাঁ, পানশালা



আদিত বহি মদ্যপান বা আহাৰ গ্ৰহণ বন্ধ কৰিছিল। এইবাৰ সাময়িকভাৱে বন্ধ হ'ব দিল্লীৰ সকলোবোৰ বেচৰকাৰী কাৰ্যালয়। কৰ্মচাৰীসকলে ঘৰৰ পৰাই কৰিব লাগিব অফিচৰ কাম। আজি এই নিৰ্দেশনা জাৰি কৰে দিল্লী চৰকাৰে। অৱশ্যে নিৰ্দেশনা জাৰি কৰা 'দিল্লী ডিজেষ্টাৰ মেনেজমেণ্ট ১০ পৃষ্ঠাত চাওক

## অভিযোগনামা দাখিলত ব্যৰ্থ এন আই এ, মুক্তিলাভ জীৱন মৰাণৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জানুৱাৰী ঃ** স্বাস্থ্যজনিত কাৰণত আলফা (স্বাধীন)ই অব্যাহতি দিয়া সংগঠনটোৰ স্বয়ম্ভু মেজৰ জেনেৰেল জীৱন মৰাণ ওৰফে পোনাকান্ত ডাঙৰীয়াই আজি কাৰাগাৰৰ পৰা মুক্তি লাভ কৰে। ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এন আই এ)ৰ আদালতে ১০ পৃষ্ঠাত চাওক

## তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক বিকাশ মৰাণৰ আত্মহত্যা

ব্যক্তিগত পিষ্টলেৰে নিজ গৃহতে হ'ল আত্মঘাতী



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ১১ জানুৱাৰী ঃ** তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক বিকাশ মৰাণে যোৱা নিশা আত্মহত্যা কৰা ঘটনাই জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে। তিনিচুকীয়া ১০ পৃষ্ঠাত চাওক

■ জাতীয় উৎসৱত আত্মনিৰ্ভৰ অসমৰ এক নগ্ন ছবি ■ বাংলাদেশৰ ইলিছ-ম্যানমাৰৰ ভকুৱা-বাহুৰে উৰুকাৰ বজাৰ ■ অন্ধ্ৰৰ পৰা ট্ৰাকে ট্ৰাকে ৰৌ, বিহাৰৰ পৰা আহিছে বৰালি-চিতল

# বাংলাদেশ-ম্যানমাৰৰ পৰাও আহিল মাছ



ভোগালী বিহুৰ বাবে গুৱা খুন্দি পিঠা-পনা প্ৰস্তুত কৰিছে বোৱাৰীসকলে, শিৱসাগৰত মঙলবাৰে।

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জানুৱাৰী ঃ** 'যি জাতিয়ে নিজৰ পথাৰ আৰু বজাৰ দখল কৰিব নোৱাৰে সেই জাতিয়ে নিজকো ৰক্ষা কৰিব নোৱাৰে।' অম্বিকাগিৰী ৰায়চৌধুৰীৰ এই সকীয়নিৰ তাৎপৰ্যৰ সমান্তৰালভাৱে 'আত্মনিৰ্ভৰ অসম' শ্ল'গানতে আবদ্ধ ৰাখি এইবাৰো বহিঃৰাষ্ট্ৰ আৰু বহিঃৰাজ্যৰ মাছেৰে ভোগালীৰ উৰুকাত উদৰ পূৰাই খাবলৈ সাজু হৈছে অসমবাসী। নঙলা মুখত ভৰি দিয়া অসমীয়াৰ কৃষিজীৱী চহা জীৱনৰ দাপোণস্বৰূপ হেঁপাহৰ ভোগালী বিহুটিক কেন্দ্ৰ কৰি ৰাজ্যৰ বজাৰসমূহত উখল-মাখল পৰিৱেশ। গ্ৰামাঞ্চলৰ সমান্তৰালভাৱে নগৰ অঞ্চলসমূহতো ভোগালীক আদৰাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাজধানী মহানগৰীতো ভোগালীক কেন্দ্ৰ কৰি উথপ্‌থপ পৰিৱেশৰ সৃষ্টি হৈছে। তাৰ মাজতে উৰুকাৰ দিনা মহানগৰবাসীৰ মাছৰ চাহিদা পূৰণ কৰিবলৈ বহিঃৰাষ্ট্ৰ আৰু বহিঃৰাজ্যৰ পৰা আহিছে পাঁচ হেজাৰ কুইণ্টলৰো অধিক মাছ। উল্লেখ্য যে উৰুকাৰ বাবে বাংলাদেশৰ ইলিছ আৰু ম্যানমাৰৰ ভকুৱা-বাহুৰে ভৰি পৰিছে মহানগৰীৰ বজাৰ। সমান্তৰালভাৱে উৰুকাৰ বাবে অন্ধ্ৰপ্ৰদেশ, বিহাৰৰ পৰাও ট্ৰাকে ট্ৰাকে আহিছে ৰৌ-বৰালি-আৰি-চিতল আদি মাছ। পাঁচৰ পৰা আঠ-১০ কিলোগ্ৰাম ১০ পৃষ্ঠাত চাওক

## আয়কৰ পৰিশোধৰ সময়সীমা ১৫ মাৰ্চলৈ বৃদ্ধি

■ নিউজ ব্যুৰ'
**নতুন দিল্লী ঃ** ক'ভিডৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত আয়কৰ পৰিশোধৰ সময়সীমা বৃদ্ধি কৰা হৈছে। এই সীমা পূৰ্বে যোৱা ৩১ ডিচেম্বৰ ধাৰ্য কৰা হৈছিল। নতুন নিৰ্দেশনা অনুসৰি অহা ১৫ মাৰ্চলৈ এই সময়সীমা বৃদ্ধি কৰা হৈছে। অৱশ্যে অন্যান্য জমা খৰচৰ প্ৰতিবেদন দাখিলৰ অন্তিম দিন ১৫ ফেব্ৰুৱাৰী।


## পথালিপাহাৰত হাতত মাৰণাস্ত্ৰ লৈ হাবি-বন কাটি বেদখলৰ অপচেষ্টা

**অগ্ৰদূত বাৰ্তা**
**বান্দৰদেৱা, ১১ জানুৱাৰী ঃ** অসম চৰকাৰ আৰু লখিমপুৰ জিলা প্ৰশাসনে অসমৰ ভূমি সংৰক্ষণ আৰু সীমান্তৱৰ্তী অসমীয়া ৰাইজক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত চূড়ান্তৰূপে ব্যৰ্থ হৈছে। বান্দৰদেৱাৰ সীমান্তৱৰ্তী মইনাজুলি দখলৰ পাছত এইবাৰ পথালিপাহাৰ ১০ পৃষ্ঠাত চাওক

■ তিনিটাকৈ বিভাগত ৫৪৬জনক নিযুক্তিপত্ৰ প্ৰদান ড° শৰ্মাৰ

# চৰকাৰী ব্যৱস্থাত নতুন কৰ্মসংস্কৃতিৰ সূচনা কৰিবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ২১৮জন সহকাৰী অভিযন্তা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ১৫৫ জন কাৰিকৰী বিষয়া আৰু সাধাৰণ প্ৰশাসন বিভাগৰ ১৭৩ জন কনিষ্ঠ প্ৰশাসনীয় সহায়কক নিযুক্তিপত্ৰ প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে নৱনিযুক্ত বিষয়া-কৰ্মচাৰীসকলক চৰকাৰী ব্যৱস্থাত নতুন ১০ পৃষ্ঠাত চাওক



■ ৪৫ দিনলৈ তৃতীয় ঢৌ বাহাল থকাৰ সম্ভাৱনা ■ তলাবন্ধ নিদিয়াকৈ জীৱন-জীৱিকা পাৰ্যমানে চলাই নিয়াৰ চেষ্টা চৰকাৰৰ ঃ মুখ্যমন্ত্ৰী

# ৰাজ্যত দৈনিক ১৪ হেজাৰলৈ বৃদ্ধি পাব ক'ভিডৰ সংক্ৰমণ ঃ সকীয়নি ড°শৰ্মাৰ

বিহুৰ নীতি-নিৰ্দেশনাক সমালোচনা কৰা সকল অসমীয়া বিৰোধী বুলি কটাক্ষ ■ এদিনত আক্ৰান্ত ২,৮৩৭জন ■ প্ৰতিষেধকক আওকাণ কৰিলে নহয় চিকিৎসা বিনামূলীয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জানুৱাৰী ঃ** অসমতো ক'ভিডৰ তৃতীয় ঢৌত দৈনিক আক্ৰান্তৰ সংখ্যা দ্ৰুতগতিত উৰ্ধ্বমুখী হোৱাৰ সময়তে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আন এক ঘোষণাই উদ্বেগৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি ইয়াত অসমত আগন্তুক ৪৫ দিন ধৰি ক'ভিডৰ তেনে পৰিৱেশ অব্যাহত থাকিব বুলি কয়। আক্ৰান্তৰ সংখ্যাই সৰ্বোচ্চ শিখৰ স্পৰ্শ কৰিব। তেওঁ কয় যে এদিনত অসমৰ ১২ৰ পৰা ১৪ হেজাৰ লোক আক্ৰান্ত হ'ব পাৰে। তেতিয়া নিষেধাজ্ঞাবোৰ কি ধৰণৰ হ'ব এতিয়াই ক'ব নোৱাৰি যদিও তলাবন্ধ নকৰাকৈ চৰকাৰে জীৱন আৰু জীৱিকা পাৰ্যমানে চলাই নিয়াৰ চেষ্টা কৰিব। অৱশ্যে তলাবন্ধৰ পৰিৱেশ অহা-নহাটো ৰাইজৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সম্প্ৰতি পৰিৱেশ অসমত নিয়ন্ত্ৰণত থকা বুলি উল্লেখ কৰি ১০ পৃষ্ঠাত চাওক

## অভিযানকাৰী আৰক্ষীৰ দলক যাঠি-জোং লৈ আক্ৰমণ দুৰ্বৃত্তৰ

আৰক্ষীৰ বাহন ক্ষতিগ্ৰস্ত শূন্যলৈ গুলিচালনা

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/ৰূপহীহাট, ১১ জানুৱাৰী ঃ** নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত বৰপেটাত এটা জুৱাৰ ঘাটি উৎখাত কৰিবলৈ যোৱা নগাঁও আৰক্ষীৰ এন্টি-নাৰ্কটিক স্কোৱাডৰ এটা ১০ পৃষ্ঠাত চাওক



মায়ামৰা ধৰ্মীয় ৰীতিৰে মুকলি নিৰ্মাণ


## দেশৰ দ্বিতীয়খন ক্ৰীড়া বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন মন্ত্ৰী সোণোৱালৰ

**অগ্ৰদূত বাৰ্তা**
**চাবুৱা, ১১ জানুৱাৰী ঃ** 'ক্ৰীড়া সংগঠকসকলক উদগনি দিবৰ বাবে নতুন নতুন ক্ৰীড়া আঁচনি গ্ৰহণ কৰা হেতুকে ক্ৰীড়া ক্ষেত্ৰখনে প্ৰাণ পাই উঠিছে।' এই মন্তব্য কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ। মায়ামৰা ধৰ্মৰ প্ৰতিষ্ঠাপক মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ ১০ পৃষ্ঠাত চাওক

## মৃত্যুৰ প্ৰমাণপত্ৰৰ বিনিময়ত ঘোচ লৈ গ্ৰেপ্তাৰ স্বাস্থ্য বিষয়া



**অগ্ৰদূত বাৰ্তা**
**পলাশবাৰী, ১১ জানুৱাৰী ঃ** 'দুৰ্নীতিমুক্ত অসম'ত এতিয়া জীৱিত লোকৰ কথা বাদেই, মৃত লোকৰ প্ৰমাণ পত্ৰৰ বাবেও দিব লগা হৈছে উৎকোচ। এই উৎকোচ আদায় কৰি থকা সময়ত ৰাজ্যত দুৰ্নীতি নিবাৰক শাখাই গোপন অভিযান চলাই বিভিন্ন বিষয়াক উৎকোচ লৈ থকা অৱস্থাত হাতে-লোটে ধৰা পেলাই আহিছে। এইবাৰ জালত পৰিল কামৰূপৰ ৰাণী সামূহিক স্বাস্থ্য কেন্দ্ৰৰ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১৬° |
| ডিব্ৰুগড় | ২৬° | ১৪° |
| দিল্লী | ১৬° | ০৯° |
| কলকাতা | ২৮° | ১৮° |
| মুম্বাই | ২৬° | ১৮° |
| চেন্নাই | ৩১° | ২৪° |
| বাংগালুৰু | ২৮° | ১৮° |
| শ্বিলং | ১৭° | ০৯° |

১১ জানুৱাৰী, ২০২২

## চেঙা তেল



কোনোবাই দৈনিক ৯০ কোটি ঘটে আৰু কোনোবাই ৯০ পইচা... এয়াই গণতন্ত্ৰ, আৰুনো কি!

সংকটৰ মাজতো চলিছে উদ্‌যাপনৰ তৎপৰতা

## কাইলৈ উৰুকা ঃ ভোগালীৰ খাদ্য-সামগ্ৰীৰে ভৰি পৰিছে মহানগৰীৰ প্ৰতিখন বজাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জানুৱাৰী ঃ** ক'ভিডৰ তৃতীয় ঢৌৰ সমান্তৰালভাৱে অসমীয়াৰ বাপতি সাহোন বিহুটি আদৰিবলৈ প্ৰস্তুতি চলাইছে ৰাজ্যবাসীয়ে। ভোগালীৰ উৰুকাক কেন্দ্ৰ গুৱাহাটী মহানগৰীৰ বজাৰসমূহ প্ৰতিবছৰৰ দৰে শিৱসাগৰ, যোৰহাট, বৰপেটা, মঙলদৈ, দৰং, তিনিচুকীয়া, ১০ পৃষ্ঠাত চাওক



## ভুৱা সংঘৰ্ষ ঃ গৃহ বিভাগক প্ৰতিবেদন দাখিলৰ নিৰ্দেশ উচ্চ ন্যায়ালয়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জানুৱাৰী ঃ** বিগত বৰ্ষৰ মে'ৰ পৰা ৰাজ্যত ৮০টা ভুৱা সংঘৰ্ষ সংঘটিত হোৱা বুলি উচ্চ ন্যায়ালয়ত দাখিল ১০ পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰীলৈ উৰুকাৰ উপহাৰ ১০ কিলো ওজনৰ চিতল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জানুৱাৰী ঃ** আজি বৃহত্তৰ উজানবজাৰ নিবনুৱা মৎস্য ব্যৱসায়ী সন্থাৰ বিষয়ববীয়াসকলে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক তেওঁৰ চৰকাৰী বাসগৃহত সাক্ষাৎ কৰি ১০ কিলো ১০ পৃষ্ঠাত চাওক

তিনি সহযোগীও আৰক্ষীৰ জালত ঃ নগদ চাৰে ছয় লাখ টকা জব্দ

## গাড়ীৰ ফিটনেছ চাৰ্টিফিকেটৰ নামত উৎকোচ লৈ গ্ৰেপ্তাৰ নগাঁৱৰ এমভিআই

**বিশেষ সংবাদদাতা**
**নগাঁও, ১১ জানুৱাৰী ঃ** 'এশ গৰু মাৰিলে বাঘৰো মৰণ।' এই আপ্তবাক্যশাৰী আজি আখৰে আখৰে ফলিয়ালে নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ ঘোচখোৰ এমভিআই হোমেন দাসৰ ক্ষেত্ৰত। এই এমভিআইজনে কাৰ্যালয়টোৰ দুজনমান কৰ্মচাৰী আৰু এক দালাল চক্ৰৰ সহযোগত নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত যান-বাহনৰ চালকৰ অনুজ্ঞাপত্ৰ, ১০ পৃষ্ঠাত চাওক



গণৰাজ্য দিৱসত প্ৰতীকপট নাই অসমৰ ■ মুখ্যমন্ত্ৰী-সাংস্কৃতিক মন্ত্ৰীৰ বক্তব্যতো অমিল

# ব্যৰ্থতাক থাপি-থুপি থোৱাৰ চেষ্টাহে চলিল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জানুৱাৰী ঃ** পুঁজিৰ অভাৱত গণৰাজ্য দিৱসৰ নতুন দিল্লীৰ কেন্দ্ৰীয় কাৰ্যসূচীত প্ৰতীকপট প্ৰদৰ্শনত অসম এইবাৰ ব্যৰ্থ হ'ল। এনে ব্যৰ্থতাৰ বাবেই সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালকক শাস্তিমূলক বদলি কৰা হয়। ইয়াকে লৈ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত প্ৰতিবেদনে দিছপুৰৰ লগতে ৰাইজৰ মাজতো ব্যাপক চৰ্চা লাভ কৰিছে। ইয়াৰ লগে লগে এই ব্যৰ্থতাক থাপি-থুপি থোৱাৰ চেষ্টাত লিপ্ত হৈছে দিছপুৰ। কিন্তু চৰকাৰৰ মুৰব্বীসকলৰ মন্তব্যৰ অমিলে সেই কথা অধিক স্পষ্ট কৰিছে। 'দৈনিক অগ্ৰদূত'ৰ বাতৰিক লৈ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি একাংশ সংবাদ মাধ্যমৰ আগত কয় যে বীৰাংগনা কনকলতাক লৈ অসমে এইবাৰ দিল্লীত প্ৰতীকপট প্ৰদৰ্শনৰ বাবে সাজু হৈছে। এতিয়া কেৱল প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ অনুমতিৰ বাবেহে অপেক্ষা কৰি থকা হৈছে। ইয়াৰ বিপৰীতে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহানগৰীত সাংবাদিকৰ আগত ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

*গুৱাহাটী বুধবাৰ ২৭ পুহ ১৪২৮ ভাস্কৰাব্দ ১২ জানুৱাৰী ২০২২*



# আফস্পা আইন বিতৰ্ক

**নগালেণ্ড,** মণিপুৰ তথা অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতেই যেতিয়া সেনাবাহিনী (বিশেষ ক্ষমতা) আইন অথবা সংক্ষেপে আফস্পাৰ বিৰুদ্ধে জনসাধাৰণ সৰৱ হৈ উঠিছে তেতিয়া কেন্দ্ৰীয় চৰকাৰে দুখন ৰাজ্য নগালেণ্ড আৰু মণিপুৰত এই আইন পুনৰ আৰোপ কৰিছে। নগালেণ্ডত এইখন ক'লা আইনৰ বিৰুদ্ধে ৭০ কিলোমিটাৰ জোৰা এক পদযাত্ৰা ওলাইছে।

উল্লেখ্য যে নগালেণ্ডত এই আইনৰ ক্ষমতাৰ বলত অসম ৰাইফলছে ১৩জনকৈ অসামৰিক লোকক হত্যা কৰিছিল যোৱা ডিচেম্বৰৰ প্ৰথম ভাগত। এই ঘটনাত এজন সেনা জোৱানেও প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। নগালেণ্ডত এই আইনৰ প্ৰয়োগ যোৱা ৩০ ডিচেম্বৰৰ পৰা আৰু ছমাহলৈ বৃদ্ধি কৰা হৈছে। একেদৰে মণিপুৰতো আৰু ছমাহৰ বাবে এই আইনৰ প্ৰয়োগ সম্প্ৰসাৰণ কৰা হৈছে। নগালেণ্ড আৰু মণিপুৰ উপদ্ৰুত অঞ্চল হিচাপে চিনাক্ত কৰি এই আইনৰ প্ৰয়োগ পুনৰ সম্প্ৰসাৰণ কৰা হৈছে।

সমগ্ৰ উত্তৰ-পূৰ্বৰ জনসাধাৰণৰ ইচ্ছাৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে এই ক'লা আইন পুনৰ প্ৰয়োগ কৰা ঘটনাই ইয়াকে প্ৰমাণ কৰিছে যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বৰ জনসাধাৰণক তথা জনসাধাৰণৰ মতামতক গুৰুত্ব নিদিয়ে। এই আফস্পা আইনৰ তিনি নম্বৰ অনুচ্ছেদ অনুসৰি কেন্দ্ৰীয় চৰকাৰে কোনো অঞ্চলক উপদ্ৰুত বুলি ঘোষণা কৰিব পাৰে আৰু যিকোনো লোকক কাৰণ প্ৰদৰ্শন অবিহনেই সেনা বাহিনীয়ে গ্ৰেপ্তাৰ কৰিব পাৰে।

উল্লেখ কৰিব পাৰি অলপতে মণিপুৰলৈ আহি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে উত্তৰ-পূৰ্বাঞ্চল দেশখনৰ উন্নয়নৰ ইঞ্জিনত পৰিণত হ'ব। প্ৰধানমন্ত্ৰীৰ কথা যদি সত্য হয় তেনেহ'লে প্ৰশ্ন উত্থাপিত হয় যে উপদ্ৰুত অঞ্চলত উন্নয়ন কেনেকৈ সম্ভৱ। যদিহে জনসাধাৰণৰ তথা নাগৰিকৰ অধিকাৰ সংকুচিত কৰাৰ বাবে সেনাবাহিনীক অধিকাৰ দিয়ে তেনেহ'লে তেনে পৰিৱেশত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন কেনেদৰে সম্ভৱ হ'ব পাৰে। গতিকে চৰকাৰৰ তৰফৰ পৰা কোৱা এনে ধৰণৰ দুমুখীয়া কথাই স্বাভাৱিকভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ মনত আঘাত দিব। এইটো সত্য যে লুক ইষ্ট পলিচী বা পূবলৈ চোৱা নীতিৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ ডাঙৰ ডাঙৰ কথা কংগ্ৰেছ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ দিনত কোৱা হৈছিল; কিন্তু উত্তৰ-পূবৰ উন্নয়ন কংগ্ৰেছে পূবলৈ চোৱা নীতি লোৱাৰ পাছতো নহ'ল। উত্তৰ-পূৰ্বাঞ্চল পিছ পৰিয়েই থাকিল। কংগ্ৰেছক বিজেপিয়ে শাসনলৈ অহাৰ পাছত উত্তৰ-পূবক উন্নয়নৰ দিশে আগবঢ়াই নিব নোৱৰা বুলি অভিযোগ কৰি তীব্ৰ সমালোচনা কৰিছিল। পূবলৈ চোৱা কংগ্ৰেছৰ নীতিৰ নাম সলাই এক্ট ইষ্ট পলিচী দিছিল কেন্দ্ৰীয় বিজেপি চৰকাৰে; কিন্তু বিজেপি চৰকাৰৰ সাত বছৰীয়া শাসনকালতো উত্তৰ-পূবৰ বিশেষ উন্নয়ন হ'ল বুলি ক'ব নোৱাৰি।

বৰঞ্চ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলকে উপদ্ৰুত অঞ্চল ঘোষণা কৰি বিজেপি চৰকাৰে উত্তৰ-পূবৰ জনসাধাৰণৰ আশাত চেঁচাপানী ঢালিলে। যদিহে চৰকাৰে সঁচাকৈয়ে উত্তৰ-পূবৰ উন্নয়ন বিচাৰে তেনেহ'লে পোনতে আফস্পা আইন বাতিলৰ সম্পৰ্কত ইতিবাচকভাৱে বিবেচনা কৰা উচিত। এই কথাত সন্দেহ নাই যে উগ্ৰপন্থা দমনৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবই লাগিব; কিন্তু শেহতীয়াভাৱে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত শান্তি বিৰাজ কৰিছে বুলি দাবী কৰি আহিছে। যদি শান্তি বিৰাজ কৰিছেই তেন্তে এনে ধৰণৰ ক'লা আইন এখন বাহাল ৰখাৰ যুক্তি ক'ত?

## নাগৰিক বুদ্ধিজীৱী নিৰীক্ষণত প্ৰযুক্তি

# জনজীৱনত ৰাষ্ট্ৰৰ শেনচকু গণতন্ত্ৰলৈ প্ৰত্যাহ্বান

**বিজ্ঞানে** উদ্ভাৱন কৰা নতুন নতুন তথ্য-প্ৰযুক্তিসমূহক শাসকসকলে ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে তথা ক্ষমতাত অনন্তকাল বহি থাকিবৰ বাবে ব্যৱহাৰ কৰিবলৈ ধৰিছে তাৰ শেহতীয়া কেতবোৰ বাতৰিয়ে সচেতন মহলক চিন্তিত কৰি তুলিছে।

সমাজকৰ্মী, চৰকাৰৰ সমালোচক, ৰাজনৈতিক প্ৰতিদ্বন্দ্বী তথা সাংবাদিকসকলৰ বিৰুদ্ধে চোৰাংচোৱাগিৰি কৰিবলৈ ব্যৱহাৰ কৰা ইজৰাইলী স্পাইৱেৰ মেগাচাছৰ পাছত এইবাৰ ৱেবচাইট তথা ৱাটছএপ হেকিং কৰি সঁচা বাতৰিক মিছা সজোৱা, লোকৰ ৱাটছএপ একাউণ্ট ব্যৱহাৰ কৰি শাসক দলৰ সপক্ষে কৰা প্ৰচাৰৰ বিষয়টো পোহৰলৈ আহিছে। টেগ ফগ নামৰ এপ ব্যৱহাৰ কৰি মিডিয়া প্ৰেটকৰ্ম অপহৰণ কৰা বাতৰি নিউজপৰ্টেল দি ৱেইৰড প্ৰকাশ পোৱাৰ পাছত ৰাজনৈতিক মহলত বিষয়টো সমালোচিত



নিউজ স্কেন

গীতাৰ্থ পাঠক

হ'বলৈ ধৰিছে। আনৰ মিডিয়া একাউণ্ট ব্যৱহাৰ কৰি অপপ্ৰচাৰ তথা মিথ্যাচাৰ চলোৱা, চৰকাৰৰ সমালোচকসকলক আক্ৰমণ কৰা তথা তেওঁলোকৰ বিৰুদ্ধে কুৎসা ৰটনা কৰাৰ ঘটনাই সকলোকে হতভম্বিত কৰি তুলিছে।

কিছু দিন আগেয়ে বুল্লি বাই এপৰ জৰিয়তে প্ৰথিতযশা মুছলমান মহিলাসকলক অনলাইন নিলাম কৰাৰ বাতৰিয়ে দেশখনত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। দেশখনত মুছলমানসকলক খলনায়ক তথা আসুৰিক ৰূপত দেখুৱাবলৈ হিন্দুত্বপন্থী উগ্ৰবাদী সংগঠন কেতবোৰে প্ৰচেষ্টা চলাই আহিছে। হৰিদ্বাৰত ধৰ্ম সংসদত মুছলমানসকলক গণহত্যা কৰিবলৈ মুক্ত আহ্বান জনোৱা ঘটনা তথা দিল্লীত ৰাজহুৱাভাৱে প্ৰয়োজন হ'লে মুছলমানসকলক সমূলে হত্যা কৰি ভাৰতত হিন্দু ৰাষ্ট্ৰ স্থাপনৰ অংগীকাৰ লোৱা ঘটনাই বহুতকে উদ্বিগ্ন কৰি তুলিছে। আনকি এইসকল ধৰ্মীয় নেতাই ভাৰতীয় সেনা বাহিনীকো মুছলমানক হত্যা কৰিবলৈ ওলাই আহিবলৈ আহ্বান জনাইছিল। কে'বাগৰাকীও ভূতপূৰ্ব উচ্চ সেনা বিষয়াৰ পৰা আৰম্ভ কৰি প্ৰখ্যাত ব্যক্তিয়ে সম্প্ৰতি ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীকে ধৰি বিভিন্ন নেতালৈ চিঠি এখন লিখিছে এই গণহত্যাৰ মাৰাত্মক আহ্বানৰ বিৰুদ্ধে মাত মাতিবলৈ। উল্লেখ্য যে বিজেপিৰ নেতাসকলে হৰিদ্বাৰত ধৰ্ম সংসদত জনোৱা এই গণহত্যাৰ আহ্বানৰ বিৰুদ্ধে এতিয়ালৈকে মাত নমতাত এইসকল লোকে উদ্বিগ্নতা প্ৰকাশ কৰিছে।

সমাজখনক বিভাজিত কৰি এজনীয়া শাসনভাৰ চলাবলৈ তথা চিৰকাল ক্ষমতাত বহি থাকিবলৈ গণহত্যাৰ দৰে মাৰাত্মক আঁচনি প্ৰচাৰক আখৈ দিয়া ঘটনা অতিশয় চিন্তনীয়। প্ৰযুক্তিবিদ্যা তথা বিজ্ঞানকো ব্যৱহাৰ কৰা হ'ব ধৰিছে সমাজখনক উলম্বভাৱে বিভাজিত কৰাৰ বিৰুদ্ধে। বিজ্ঞান আৰু বুৰঞ্জীৰ অপব্যাখ্যা তথা নৱনিৰ্মাণৰ প্ৰচেষ্টাৰ জৰিয়তে দেশখনত সংকীৰ্ণ হিন্দুত্ববাদী জাতীয়তাবাদৰ উদ্‌গীৰণ আনিবলৈ প্ৰচেষ্টা চলোৱা দেখা গৈছে আমাৰ দেশত। ভাৰতবৰ্ষতেই অংক শাস্ত্ৰৰ পৰা জ্যোতিষবিদ্যা, ৰসায়ণ তথা পদাৰ্থ বিজ্ঞানৰ চৰ্চা পোনতে হোৱা বুলি ভাৰতবৰ্ষৰ হিন্দুত্বৰ শ্ৰেষ্ঠতা প্ৰমাণ কৰিবলৈ যোৱা ঘটনা আমি দেখিছো। বিজ্ঞানীসকলৰ সভাত মহাকাব্যিক যুগতেই ভাৰতবৰ্ষত প্লাষ্টিক চাৰ্জাৰি সফলভাৱে কৰা হৈছিল আৰু তাৰ প্ৰমাণ গণেশৰ মূৰতো কাটি হাতীৰ মূৰ সংযোজিত কৰাটো বুলি দাবী কৰা হৈছিল। আশ্চৰ্যজনকভাৱে সেই সভাত উপস্থিত থকা বিজ্ঞানীসকলে তেনে উদ্ভট কথা সত্য নহয় বুলি কোৱাৰ পৰিৱৰ্তে জাউৰিয়ে জাউৰিয়ে হাত চাপৰি বজাইছিল। একেদৰে ভাৰতত মোগল সাম্ৰাজ্যক আসুৰিক ৰূপত দেখুৱাবলৈ বুৰঞ্জীৰ সংশোধন কৰিবলৈ চেষ্টা চলোৱা হৈছে। আনহে নালাগে এই ক্ষেত্ৰত ৰাম জনমভূমি সম্পৰ্কত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়েও ইতিহাস ধূসৰ কৰিছে বুলি বহুতেই সমালোচনা কৰিছে। বিতৰ্কিত ভূখণ্ডত ৰামৰ জন্মৰ কোনো প্ৰত্নতাত্ত্বিক প্ৰমাণ নোহোৱা বুলি কৈও আদালতে সেই ভূমি হিন্দুত্ববাদীসকলক গটোৱা ৰায় আমাৰ




**আমাৰ দেশত সৰহভাগ ধৰ্ম জড়িত অপৰাধৰ ঘটনা মোদীৰ শাসনকালত সংঘটিত হৈছে। আৰু সৰহভাগ ক্ষেত্ৰতেই মুছলমানক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে। মুছলমানসকলৰ মাজত ধৰ্মীয় অপৰাধৰ ঘটনা নোহোৱা নহয়, কাৰণ সদায় এটা সম্প্ৰদায় আক্ৰমণৰ সন্মুখীন হৈ থাকিলে প্ৰতিশোধৰ মনোভাৱ গঢ়ি উঠা অস্বাভাৱিক নহয়।**

দেশৰ বিচাৰ ব্যৱস্থাত সদায়েই চৰ্চিত হৈ ৰ'ব। আইন, বিজ্ঞান, তথ্য প্ৰযুক্তি সকলো সত্যতাৰ উপাদানবোৰ সমাজখনক বিভাজন কৰাৰ বাবে ব্যৱহাৰ কৰা হ'ব ধৰিছে। ভাৰতীয় সৈন্য বাহিনীত হিন্দু, মুছলমান, খ্ৰীষ্টান ধৰ্মাৱলম্বী সকলো লোক আছে। সেই সেনা বাহিনীক মুছলমানসকলক হত্যা কৰিবলৈ জনোৱা আহ্বানে আমাৰ দেশৰ নিৰাপত্তা ব্যৱস্থাতো বিৰূপ প্ৰভাৱ পেলাব। হিন্দু ৰক্ষা সেনাৰ স্বামী প্ৰবোধানন্দই কৈছে যে ম্যানমাৰত ৰোহিংগীয়াসকলক সেনা তথা পুলিচে আৰু স্থানীয় লোকসকলে হত্যা কৰাৰ দৰে আমাৰ দেশতো সকলোৱে মুছলমানসকলক নিঃশেষ কৰাৰ বাবে হাতত অস্ত্ৰ তুলি ল'ব লাগে। সাধ্বী অন্নপূৰ্ণা ওৰফে পূজা শকুন পাণ্ডেই কৈছে যে আমাৰ এশজন মানুহ সিহঁতৰ ২০ লাখ লোকক হত্যা কৰিবলৈ সক্ষম হ'লে আমি জয়ী হোৱা বুলি ধৰি ল'ম। যোৱা ১৯ ডিচেম্বৰত দিল্লীত হিন্দু যুৱ বাহিনীয়ে ৰাজহুৱাভাৱে হিন্দু ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে মৰিবলৈ আৰু মাৰিবলৈ সাজু হোৱাৰ শপত খাইছিল। সুদৰ্শন নিউজৰ এডিটৰ ইন-চীফ সুৰেশ চাৱাংকেই সমবেতসকলক শপত নিয়াইছিল হিন্দুৰাষ্ট্ৰ নিৰ্মাণৰ বাবে মুছলমানসকলক হত্যা কৰিবলৈ। এখন গণতান্ত্ৰিক তথা ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰত এনেদৰে গণহত্যাৰ বাবে ৰাজহুৱা আহ্বান জনোৱাৰ পাছতো চৰকাৰ তথা আমাৰ নেতাসকলে কোনো প্ৰতিক্ৰিয়া প্ৰদৰ্শন নকৰাটো উল্লেখযোগ্য ঘটনা।

আমাৰ গণতান্ত্ৰিকভাৱে নিৰ্বাচিত আৰু ভাৰতীয় সংবিধানৰ শপত খাই পদত অধিষ্ঠিত হোৱা মুখ্যমন্ত্ৰী আৰু অন্যান্য মন্ত্ৰীসকলেও খোলোচাভাৱে ভাৰতবৰ্ষ হিন্দু ৰাষ্ট্ৰ আছিল আৰু হিন্দু ৰাষ্ট্ৰ হৈয়েই থাকিব বুলি হুংকাৰ দিয়া আমি দেখিছো।

হেট ক্ৰাইম ৱাটছ নামৰ সংস্থাটোৱে যুগুতোৱা পৰিসংখ্যা অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ পাছত আমাৰ দেশত ঘৃণাই সৃষ্টি কৰা অপৰাধৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছে। যোৱা দশকটোত সংঘটিত এনে অপৰাধৰ ৯১ শতাংশ মোদীৰ কাৰ্যকালতেই সংঘটিত হৈছে। এই সংস্থাটোৱে আগবঢ়োৱা হিচাপ অনুসৰি যোৱা ২০০৯ৰ জানুৱাৰীৰ পৰা ২০১৯ৰ এপ্ৰিললৈকে ধৰ্মীয় ঘৃণাই সৃষ্টি কৰা ২৮৭টা অপৰাধৰ ২৬২টা অপৰাধ ২০১৪-২০১৯ৰ ভিতৰত সংঘটিত হৈছে। ২৩ খন ৰাজ্যত সংঘটিত এনে অপৰাধত ৯৯ গৰাকী লোক নিহত হৈছে আৰু ৭০৩ গৰাকী লোক আহত হৈছে। এনে সংঘটিত ৭৩২ শতাংশ অথবা ২৬৩ টা ঘটনা মুছলমান লোকৰ বিৰুদ্ধে, ১৬০টা (৬১ শতাংশ) আক্ৰমণ খ্ৰীষ্টানৰ বিৰুদ্ধে ২৭ (১১ শতাংশ), হিন্দুৰ বিৰুদ্ধে ৩৭ (১৪ শতাংশ) সংঘটিত হৈছে। ১৮২টা এনে ধৰণৰ অপৰাধ সংঘটিত কৰা অপৰাধীৰ ১৪৮টাত হিন্দু অপৰাধী জড়িত, ৩৩টাত মুছলমান অপৰাধী জড়িত আৰু এটা অপৰাধত শিখ অপৰাধী জড়িত বুলি কোৱা হৈছে।

ওপৰত উল্লেখ কৰা পৰিসংখ্যাৰ পৰা সহজেই বুজি পাব পাৰি যে আমাৰ দেশত সৰহভাগ ধৰ্ম জড়িত অপৰাধৰ ঘটনা মোদীৰ শাসনকালত সংঘটিত হৈছে। আৰু সৰহভাগ ক্ষেত্ৰতেই মুছলমানক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে। মুছলমানসকলৰ মাজত ধৰ্মীয় অপৰাধৰ ঘটনা নোহোৱা নহয়, কাৰণ সদায় এটা সম্প্ৰদায় আক্ৰমণৰ সন্মুখীন হৈ থাকিলে প্ৰতিশোধৰ মনোভাৱ গঢ়ি উঠা অস্বাভাৱিক নহয়। তথাপি মুছলমানসকলৰ মাজত এনে অপৰাধীৰ সংখ্যা নগণ্য। ঘৃণা সম্বলিত অপৰাধীৰ আটাইতকৈ অধিক অপৰাধ গো-ৰক্ষকসকলেই সংঘটিত কৰিছে। এই সময়ছোৱাত ১২৪টা গো-ৰক্ষকৰ দ্বাৰা অপৰাধৰ ঘটনা সংঘটিত হৈছে।

সি যি কি নহওক, এনেদৰে ধৰ্মীয় সামাজিক বিভাজনে আমাৰ দেশৰ গণতন্ত্ৰলৈ বিপদ মাতি আনিছে। নিৰ্বাচন মেনিপুলেছন, ৰাজকোষৰ ধনেৰে সামাজিক কল্যাণমূলক আঁচনিৰ নামত ভোট ক্ৰয়ৰ বেহা তথা গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ ওপৰত শাসক দলৰ হেঁচাই এক ফেচিবাদী প্ৰৱণতাৰ সৃষ্টি কৰিছে। ক'ভিড-১৯ৰ সুবিধা লৈ বিভিন্ন ৰাজ্যত পুলিচী সন্ত্ৰাসৰ সৃষ্টি কৰা হৈছে। আমি কেতিয়া শুব লাগিব, বিহু কেইবজালৈ উদ্‌যাপিত কৰিব পাৰিম, ঘৰত কেতিয়া সোমাব লাগিব—ওলাব লাগিব সকলোৱে ওপৰত এতিয়া নিয়ন্ত্ৰণৰ প্ৰৱণতা আমি দেখিছো। যিটো ফেচীবাদৰ পূৰ্বাভাসত বাদে আন একো নহয়। জনজীৱনৰ প্ৰতিটো পদক্ষেপত ৰাষ্ট্ৰৰ হস্তক্ষেপ গণতন্ত্ৰত কাম্য নহয়।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*



'গুজৰাটত সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত, দিল্লীৰ শিখ হত্যাৰ সময়ত এই আইনখন প্ৰণয়ন কৰা হোৱা নাছিল; কিন্তু উত্তৰ-পূবত ন্যায় আৰু সমতাৰ বাবে সৃষ্টি হোৱা জনজাগৰণ বন্ধ কৰিবলৈহে 'আফছা'ৰ দৰে বিতৰ্কিত আইনখন প্ৰণয়ন কৰা হৈছে। কাৰণ সামৰিক বাহিনীৰ জৰিয়তে জনতাৰ কণ্ঠৰুদ্ধ কৰিব পাৰিলেই নেতাসকলে অনায়াসে তেওঁলোকৰ ভ্ৰষ্টাচাৰ চলাই যাব পাৰে।

# সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন ১৯৫৮ খন বাতিল হ'বনে?

**প্ৰাঞ্জল বৰা**

**পুনৰ** সশস্ত্ৰ বাহিনীৰ দ্বাৰা নিৰীহক হত্যা, পুনৰ ভাৰত ৰাষ্ট্ৰই কাঢ়ি নিলে উত্তৰ-পূববাসীৰ জীয়াই থকাৰ অধিকাৰক। নগালেণ্ডৰ মন জিলাত উগ্ৰপন্থীৰ সন্দেহত ভাৰতীয় সেনাই হত্যা কৰিলে ১৩ জনকৈ নিৰীহ শ্ৰমিকক। এই ঘটনাই মনত পেলাই দিলে ২০০০ৰ মণিপুৰৰ মালম বাছ আস্থানত অসম ৰাইফলছৰ জোৱানে বিনা বিচাৰে গুলিচালনা কৰি বহুজন নিৰীহ লোকক হত্যা কৰাৰ ঘটনালৈ। যি হত্যাৰ প্ৰতিবাদত ইৰম শানু শৰ্মিলাই মণিপুৰৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনখন প্ৰত্যাহাৰ কৰাৰ দাবীত প্ৰায় ১৬ বছৰ কাল আমৰণ অনশন কৰিছিল যদিও ভাৰত চৰকাৰে ইৰম শানুৰ এই প্ৰতিবাদক বুঢ়া আঙুলি দেখুৱাই এই আইনখন প্ৰত্যাহাৰ নতুবা সংশোধনৰো কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। ভাৰত ৰাষ্ট্ৰৰ ওচৰত যে উত্তৰ-পূবৰ নাগৰিকৰ জীৱনৰ মূল্য নাই ইয়াতকৈ আৰু কি ডাঙৰ উদাহৰণ থাকিব পাৰে।

সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন (AFSPA) খন ভাৰত চৰকাৰে ১১ ছেপ্টেম্বৰ, ১৯৫৮ত উত্তৰ-পূৰ্বাঞ্চলৰ 'অশান্ত অঞ্চল' (disturbed areas) সমূহৰ ক্ষেত্ৰত সেনা বাহিনীক বিশেষ ক্ষমতা প্ৰদান কৰাৰ বাবে গ্ৰহণ কৰিছিল। এই আইনৰ অনুচ্ছেদ ৪ (ক)ত উল্লেখ কৰা মতে, এগৰাকী সামৰিক বিষয়াই পাঁচজন বা ততোধিক ব্যক্তি সন্মিলিত হ'লে আৰু কোনো অস্ত্ৰ বা তেনে সামগ্ৰী কঢ়িয়াই নিয়াটো সন্দেহ কৰিলে সেনা বিষয়াজনে নিজ ইচ্ছামতে মাৰণাস্ত্ৰ প্ৰয়োগ কৰিব পাৰে অৰ্থাৎ মাৰণাস্ত্ৰ প্ৰয়োগ কৰাটো বা নকৰাটো সম্পূৰ্ণ সেনা বিষয়াজনৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল। অনুচ্ছেদ ৪ (গ) মতে, এগৰাকী সামৰিক বিষয়াই কোনো ব্যক্তিক ধৰ্তব্য অপৰাধ (Cognizable offence) সংঘটিত কৰাৰ সন্দেহত কোনো গ্ৰেপ্তাৰী পৰোৱানা (Warrant) অবিহনে গ্ৰেপ্তাৰ কৰিব পাৰে আৰু এনে গ্ৰেপ্তাৰ সংঘটিত কৰিবলৈ শক্তি প্ৰয়োগ কৰিব পাৰে। এই আইনৰ আটাইতকৈ অগণতান্ত্ৰিক অনুচ্ছেদটো হৈছে অনুচ্ছেদ ৬ য'ত উল্লেখ আছে এইদৰে— 'No prosecution, suit or legal proceedings shall be instituted, except with the previous sanction of the central government, against any person in respect of anything done or purported to be done in the exercise of the powers conferred by this Act'. অৰ্থাৎ এই আইনৰ অধীনত সংঘটিত কৰা যিকোনো কাৰ্যৰ বাবেই আদালতৰ দ্বাৰস্থ কৰিব নোৱাৰিব। এই আইনে প্ৰদান কৰা ক্ষমতাৰে বলীয়ান হৈ ভাৰতীয় সেনা বাহিনীয়ে এই আইনখন বলৱৎ হোৱা দিন ধৰি আজিলৈকে উত্তৰ-পূবৰ কত নিৰীহ নাগৰিকক হত্যা কৰিলে, কত যুৱকক পংগু কৰিলে, কিমানজনী ধৰ্ষিতা হ'ল তাৰ সীমা সংখ্যা নাই।

এনে এখন অগণতান্ত্ৰিক, নিষ্ঠুৰ তথা ক'লা আইন সংশোধন নতুবা বাতিলকৰণৰ বাবে উত্তৰ-পূবৰ বিভিন্ন ব্যক্তি, তথা দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে যদিও অদ্যাপি কেন্দ্ৰীয় চৰকাৰৰ গা লৰা নাই। ভাৰত চৰকাৰে ২০০৪ত উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ জীৱন ৰেড্ডীক অধ্যক্ষ হিচাপে লৈ গঠন কৰা পাঁচজনীয়া কমিটীয়ে ২০০৫ তেই দাখিল কৰা 'পৰামৰ্শপত্ৰ (recommendation) ত উল্লেখ কৰা মতে ভাৰত চৰকাৰে এই আইনখনৰ সংশোধনৰ কোনো ব্যৱস্থা হাতত নল'লে। সেই সময়ৰ ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰী প্ৰণৱ মুখাৰ্জীয়ে এই আইনখন একেদৰে বাহাল ৰখাৰ সপক্ষে যুক্তি দৰ্শাই কৈছিল যে 'উত্তৰ-পূৰ্বাঞ্চলৰ দৰে অশান্ত অঞ্চলসমূহত এই আইনখনৰ অবিহনে ভাৰতীয় সেনাই ইয়াৰ দায়িত্ব সুকলমে পালন কৰাত অসুবিধা হ'ব।'

ৰাষ্ট্ৰসংঘকে ধৰি পৃথিৱীৰ বিভিন্ন সংস্থাসমূহে এই আইনখন সংশোধন নাইবা বাতিল কৰাৰ বাবে ভাৰত চৰকাৰক বিভিন্ন সময়ত পৰামৰ্শ দি আহিছে। ৰাষ্ট্ৰসংঘৰ 'মানৱাধিকাৰ সমিতি' (UNHRC) য়ে ১৯৯১ তে ভাৰত চৰকাৰক এই আইনখনৰ ন্যায্যতা সম্পৰ্কে প্ৰশ্নৰ অৱতাৰণা কৰিছিল। এই মানৱাধিকাৰ সমিতিয়ে এই আইনখনে 'International Covenant on Civil and Political rights' ৰ অন্তৰ্গত 'Freedom from inhuman and degrading treatment আৰু 'Rights to liberty from arbitrary arrest and detention' এই মানৱাধিকাৰ ভংগ কৰিছে বুলি চৰকাৰক আঙুলিয়াই দিয়ে। সেই সময়ৰ ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ আয়ুক্ত Naventhem pillayয়ে এই আইনখনক এই বুলি আখ্যা দিছে— 'dated and colonial era law that breach contemproary international human rights standard' ৰাষ্ট্ৰসংঘৰ এই অভিমতৰ বিৰুদ্ধে ক'বলৈ গৈ ভাৰতৰ তদানীন্তন এটৰ্নী জেনেৰেলগৰাকীয়ে মত পোষণ কৰিছে যে 'AFSPA is recessary measure to prevent the secession of NE states from India ।' তেওঁৰ এই মন্তব্যৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে উত্তৰ-পূৰ্বাঞ্চলৰ নাগৰিকক সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰা সুৰক্ষা দিয়াতকৈ উত্তৰ-পূবৰ সাধাৰণ জনগণে যাতে নিজৰ অধিকাৰ তথা ন্যায়প্ৰাপ্তিত মাত মাতিব নোৱাৰে আৰু ভাৰত ৰাষ্ট্ৰৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে বিক্ষোভ কৰিব নোৱাৰে তাৰ বাবেহে এই আইনখন জোৰ-জবৰদস্তি উত্তৰ-পূৰ্বাঞ্চলত প্ৰয়োগ কৰা হৈছে। এই প্ৰসংগত তথ্যজনাৰ অধিকাৰ আইনক সমগ্ৰ দেশতে প্ৰণয়ন কৰাৰ দাবীত সবল আন্দোলন গঢ়ি তোলা সমাজকৰ্মী অৰুণা ৰায়ে দিয়া মন্তব্য প্ৰণিধানযোগ্য। তেওঁ কৈছে, 'গুজৰাটত সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত, দিল্লীৰ শিখ হত্যাৰ সময়ত এই আইনখন প্ৰণয়ন কৰা হোৱা নাছিল; কিন্তু উত্তৰ-পূবত ন্যায় আৰু সমতাৰ বাবে সৃষ্টি হোৱা জনজাগৰণ বন্ধ কৰিবলৈহে 'আফছা'ৰ দৰে বিতৰ্কিত আইনখন প্ৰণয়ন কৰা হৈছে। কাৰণ সামৰিক বাহিনীৰ জৰিয়তে জনতাৰ কণ্ঠৰুদ্ধ কৰিব পাৰিলেই নেতাসকলে অনায়াসে তেওঁলোকৰ ভ্ৰষ্টাচাৰ চলাই যাব পাৰে। 'Human Right watch' নামৰ সংস্থাটোৱে এই একেটা কথাকে কৈছে। এই সংস্থাৰ মতে 'AFSPA is a fool of state abuse, Oppression and discrimination সংস্থাটোৱে উত্তৰ-পূবৰ জনসাধাৰণৰ মানৱাধিকাৰৰ প্ৰতি দৃষ্টি ৰাখি এই আইনখন বাতিল কৰাৰ বাবে ভাৰত চৰকাৰক অনুৰোধ জনায়।

এইদৰে আজি অত বছৰ ধৰি বিভিন্ন ব্যক্তি, দল-সংগঠন তথা সংস্থাসমূহৰ অহৰহ প্ৰতিবাদ সত্ত্বেও আৰু বাৰে বাৰে উত্তৰ-পূবৰ জনসাধাৰণৰ মানৱাধিকাৰ ভংগ হোৱা সত্ত্বেও এই আইনখন কি কাৰণে বাহাল ৰখা হৈছে এই কথা উত্তৰ-পূবৰ জনসাধাৰণৰ বুজিবলৈ বাকী নাই। যেতিয়ালৈকে এই আইনখন বাহাল থাকিব তেতিয়ালৈ ইয়াৰ অপ্ৰয়োগ হৈ থাকিব আৰু ভুক্তভোগী হ'ব উত্তৰ-পূবৰ নিৰীহ নাগৰিকসকল।

*ফোন ঃ ৮৬৩৮৮-১২১০১*

## খোলা মঞ্চ

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে?



**অসমীয়া** ভাষাৰ অস্তিত্বৰ সংকট আছে। বৰঞ্চ সেই ছাটি বতাহ আগতকৈ প্ৰৱল বেগত বলিছে বুলি ক'ব লাগিব। সেই তাহানি ব্ৰিটিছৰ দিনত, ব্ৰিটিছৰ নেগুৰত ধৰি অহা সকলে অসমীয়া ভাষাটো লুপ্ত কৰিলে। অঃ ভাঃ উঃ সাঃৰ প্ৰচেষ্টাত, আমাৰ দূৰদৰ্শী সাহিত্যিক, চিন্তাবিদসকলৰ শক্তিশালী হস্তক্ষেপত সেইবাৰলৈ ভাষাটো ৰ'ল। তাৰ পাছতো নিজৰ ওপজা ভূমিতে মাতৃভাষাৰ মাধ্যম হ'ব লাগে বুলি মাধ্যম আন্দোলন হ'ল। অসমীয়াৰ দৰে প্ৰাচীন আৰু সম্ভ্ৰান্ত, মৰ্যাদাপূৰ্ণ ভাষা এটা বাৰে বাৰে নিজৰ ৰাজ্যতে এনেদৰে দুৰ্দশাৰ মুখামুখি হোৱাটোৱে প্ৰমাণ কৰে আমি কিমান দুৰ্ভগীয়া। অসমীয়া ভাষা উত্তৰ-পূৰ্বাঞ্চলৰে সংযোগী ভাষা। আমি যদি আজি নগালেণ্ডলৈ যাওঁ তাত নাগামিজত, বহুতে অসমীয়াত কথা কয়। অৰুণাচলৰ ভালেমান স্কুলত অসমীয়া ভাষা দ্বিতীয় ভাষা হিচাপে আছে। অথচ অসমৰ বৰাকত অসমীয়া ভাষাৰ অৱস্থাৰ কথা সকলোৱে জানে। কিয়, বৰাকখন অসমত নাই নেকি? চৰকাৰখনৰ অসমীয়া ভাষাৰ প্ৰতি কোনো প্ৰেম নাই। দিছপুৰীয়া চৰকাৰখনে জাতিৰ কথা কয়। ভাষা নাথাকিলে জাতি ক'ত থাকিব? অসমতে যদি অসমীয়া নচলে তেনেহ'লে ক'ত চলিব? অসমৰ থলুৱা লোকসকলে ভাষাৰ অস্তিত্বলৈ সংকট আহিব কাৰণেই 'কা'খনৰ বিৰোধ কৰিছিল। এতিয়া চৰকাৰে বিধানসভাত প্ৰস্তাৱ লৈছে—অসমত ইংৰাজী মাধ্যমৰ আদৰ্শ স্কুল স্থাপন কৰিব। এনেয়ে বুঢ়ী নাচনী তাতে নাতিয়েকৰ বিয়া। ইংৰাজী মাধ্যমত সন্তানক পঢ়ুৱাবৰ বাবে অভিভাৱক এনেয়েও উদ্বাউল। এতিয়া চৰকাৰে ইংৰাজী স্কুল খোলাৰ পাছত অসমীয়া মাধ্যমটো এনেয়ে মৰিব। নিজৰ ৰাজ্যত, নিজৰ এটা শক্তিশালী ভাষা থকাৰ পাছতো আনৰ ভাষাক ৰঙা শৰাই দি আদৰি কোনটো সভ্যতা, সংস্কৃতি, ভাষা ৰক্ষাৰ বাবে চৰকাৰে প্ৰচেষ্টা লৈছে সেই কথা আমাৰ দৰে সাধাৰণ মানুহে বুজি নাপাওঁ। বিধানসভাত ১২৬ জন বিধায়কৰ এজনেও প্ৰতিবাদ নকৰিলে। অৱশ্যে জনপ্ৰতিনিধিসকল আজিকালি বেতনভোগী। চাকৰিয়ালৰ দৰে পেঞ্চন পায়। কোটি কোটি সম্পত্তিৰ মালিক। বিদেশত বা বাহিৰৰ নামী-দামী স্কুলত নিজৰ ল'ৰা-ছোৱালী পঢ়ুৱায়। গতিকে অসমীয়া ভাষা মৰে জীয়ে তেওঁলোকৰ কাঁহি পাতে গা নাকাটে। আমাৰ দৰে সাধাৰণ মানুহৰ সন্তানবোৰৰ, মানুহবোৰৰহে মৰণ। বাঙালীসকলে বাংলা ভাষা কয়, মিঞাসকলেও যদি লোকপিয়লত বাংলাকে মাতৃভাষা বুলি কয় তেতিয়া কথাটো কি হ'ব ভাবি চাওক। জনগোষ্ঠীয় ভাষীসকলৰ কথা আছেই। এনে পৰিস্থিতিত দিছপুৰীয়া চৰকাৰখনৰ হঠকাৰী আৰু ভয়ংকৰ ষড়যন্ত্ৰই অচিৰে অসমীয়া ভাষাক মৃতপ্ৰায় কৰিব। কাৰোবাক সন্তুষ্ট কৰিবলৈ, নিজৰ অভীষ্ট সিদ্ধি কৰিবলৈ অসমীয়া মানুহেহে ভাষালৈ, জাতিলৈ সংকট নমাই আনিব পাৰে। বেলেগে এনে কাম কৰিব নোৱাৰে। 'হয় হুজুৰ', তোষামোদকাৰী ৰাজনৈতিক নেতাৰ বাবেই আমাৰ ভাষা আজি সংকটত, নামত ৰাজ্যভাষা। সাধাৰণ চৰকাৰী কাগজ এখনো অসমীয়াত নাযায়। জ্ঞানপীঠ বঁটা বিজয়ী নীলমণি ফুকনেও এই বৃদ্ধ বয়সত 'ভাষাটো নেৰিবা' বুলি মুখ্যমন্ত্ৰীক কোৱা কথাই প্ৰমাণ কৰে—অসমীয়া ভাষাৰ ঘোৰ সংকটৰ দিন সমুপস্থিত।

**জুৰি শইকীয়া,** লেখিকা

*ফোন ঃ ৯৯৫৪৩৪৯৫৩৫*

## অভিমত

অসমীয়া ভাষাৰ ৰক্ষাৰ হকে

### মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি

**নৱবৰ্ষৰ** আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। অসমৰ বৰ্তমান ৰাজনীতিৰ গৰাহত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আৰু ঐক্য কুটিল গৰাহৰ পিনে গতি কৰিছে। সেয়েহে ইয়াৰ প্ৰতিকাৰৰ কাৰণে চৰকাৰ তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ কৰিব বিচাৰো যে অসমীয়া ভাষাৰ উন্নতিৰ হেতু চৰকাৰে ইংৰাজী মাধ্যমৰ স্কুলত প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে অসমীয়া ভাষা বাধ্যতামূলক হিচাপে আইন প্ৰণয়ন কৰিব লাগে। তদুপৰি সকলো উচ্চ পৰ্যায়ৰ চৰকাৰী চাকৰিসমূহৰ পৰীক্ষাৰ বাবে অন্ততঃ ৫০ নম্বৰ অসমীয়া প্ৰশ্নকাকত এখন প্ৰস্তুত কৰাৰ প্ৰয়োজন আছে। অৱশ্যে ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালীৰ বাবে বৰ্তমানে অসমীয়া ভাষাৰ প্ৰশ্নকাকতখনৰ সলনি এখন ইংৰাজী মাধ্যমৰ প্ৰশ্নকাকত প্ৰস্তুত কৰিব লাগে। এই ব্যৱস্থা সীমিত বছৰৰ বাবেহে বাহাল ৰখা উচিত। বান্ধি দিয়া সময় সূচীৰ পাছত এই অসমীয়া ভাষাৰ প্ৰশ্নকাকতখনৰ সন্মুখীন সকলো পৰীক্ষাৰ্থীয়ে হোৱা উচিত। অসমীয়া ভাষা অসমৰ মূল ভাষা হিচাপে অসমত বাস কৰা সকলো নাগৰিকে ইয়াৰ পুষ্টি সাধন কৰা উচিত। আগৰ ভুল শুধৰাবৰ বাবেইতো নতুন চৰকাৰৰ প্ৰয়োজন আছিল। মুখ্যমন্ত্ৰী তথা চৰকাৰৰ ওচৰত আমাৰ বিশ্বাস আছে যে অসম মাতৃৰ কাষত বাটকটীয়া হৈ থিব দিব।

'জাতি-মাটি-ভেটি' এই তিনিটাৰ প্ৰথমটো ৰক্ষা হ'বলৈ হ'লে মাতৃভাষাৰ কথাটো চৰকাৰে গুৰুত্ব দিয়া উচিত।


দল-সংগঠনসমূহ যেনে—অসম সাহিত্য সভা, ছাত্ৰ সন্থা আদিৰ দৰে গুৰুত্বপূৰ্ণ সংগঠনসমূহে ভাষাৰ বাবে আন্দোলন কৰিছে; কিন্তু সফল হ'ব পৰা নাই। কাৰণ তেওঁলোকৰ হাতত কাৰ্যকৰী ক্ষমতা নাই। আন্দোলন কৰি গৈছে আৰু ছহিদ হৈ গৈ আছে। দেশৰ স্বাৰ্থ ৰক্ষাৰ হেতু যেনেদৰে 'কা'ৰ' প্ৰয়োজন আছে তেনেদৰে অসমীয়া ভাষা অসমৰ মূল ভাষা হিচাপে ৰক্ষা কৰাৰ দায়িত্ব চৰকাৰৰ আছে। ঐক্য সংহতিৰ কথা ৰাজনৈতিক মঞ্চখনত বহু ৰাজনৈতিক নেতাই চিঞৰি চিঞৰি কোৱা দেখা যায়; কিন্তু বাস্তৱত ৰূপায়ণৰ ক্ষেত্ৰত তেওঁলোকে সম্ভৱতঃ কোনোৱে নাভাবে। ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰিব লাগিব আৰু কৰাব লাগিব। এইটো কোৱা হোৱা নাই যে অন্য স্থানীয় ভাষাসমূহৰ বিকাশ হ'ব নালাগিব।সঁচা অৰ্থত চৰকাৰে ৰাজনৈতিক স্বাৰ্থ ত্যাগ কৰি অসম মাতৃৰ ঐক্য সংহতি ৰক্ষাৰ হেতু অসমীয়া ভাষাৰ পথাৰখন বহলাই যথাযথ উন্নতি সাধন কৰিবৰ বাবে চৰকাৰখনৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনালো।

**কৃষ্ণ কে নাথ**

*কইনাধৰা, গুৱাহাটী, ফোন ঃ ৯৪৩৫১০০৩৪৭*

দৈনিক অগ্ৰদূত

**অবিভক্ত কামৰূপ জিলাৰ (বৰ্তমানৰ নলবাৰী জিলা) নলবাৰী চহৰৰ দক্ষিণত অৱস্থিত আৰু মহাপুৰুষ শ্ৰীদামোদৰদেৱৰ সৰ্বোত্তম শিষ্য শ্ৰীহৰি আতাই স্থাপন কৰা মহন্তীয়া পন্থৰ মৰোৱা সৎসংগী সত্ৰ আৰু সেই সত্ৰৰ সুযোগ্য সন্তান প্ৰয়াত কবি চন্দ্ৰ মহন্তৰ দ্বাৰা অনূদিত মূলানুগত অসমীয়া ৰামায়ণ অসমৰ দুটি মহান ঐতিহ্য। দুয়োটাৰে গুৰিত আছে দুজন স্বনামধন্য ব্যক্তি যাৰ বিষয়ে অসমবাসীক সোঁৱৰোৱাৰ প্ৰয়োজন অনুভৱ কৰি এই লিখনি আগবঢ়োৱা হৈছে।**



# অসমৰ ঐতিহ্য

## মৰোৱা সত্ৰ আৰু অসমীয়া ৰামায়ণ

ড° কমলা মনীষা মহন্ত দাস

**বৈষ্ণৱ ধৰ্ম আৰু শ্ৰীদামোদৰদেৱ**

সোতৰ শতাব্দীত শ্ৰীমন্ত শংকৰদেৱে সেই সময়ত প্ৰচলিত ধৰ্ম-দুষ্কৃতি নিবাৰণৰ কাৰণে ৰচনা কৰা তেওঁৰ বৈষ্ণৱ ধৰ্মৰ শিক্ষা অসমবাসীলৈ আগবঢ়াবলৈ তেওঁৰ শিষ্য আৰু অনুগামীসকললৈ জনোৱা আহ্বানৰ সঁহাৰিত শ্ৰীদামোদৰদেৱ অতি আগৰণুৱা হৈ ১২ জন শিষ্যৰ লগ ল'লে আৰু পাটবাউসী সত্ৰ স্থাপন কৰিলে। তেওঁৰ প্ৰচেষ্টাত পাটবাউসী সত্ৰ ঠন ধৰি উঠি এখন বিতোপন বৈষ্ণৱ অনুষ্ঠানত পৰিণত হ'ল।

'ভ্ৰমৰে গুঞ্জৰে যেন হৰি নাম গাৱে, আন ভক্তগণ সবে চাপৰি বজাৱে; আয়াযাত কৰে তথা লোক অসংখ্যাত, শৰণ পশয় দামোদৰ চৰণত; এহিমতে লোক তথা আয়াযাত কৰে, লোকৰ ঘণ্ঢাল শুনি হৰিষ শংকৰে'।

কিন্তু দামোদৰদেৱে প্ৰচলিত বলি প্ৰথাৰ বিৰুদ্ধে কৰা মতবাদত বিক্ষুব্ধ হৈ ৰজা পৰীক্ষিত নাৰায়ণদেৱে তেওঁক ৰাজ্যৰ পৰা বহিষ্কাৰ কৰিলে। দামোদৰদেৱৰ মতভেদমূলক মন্তব্য আছিল, 'শুনিয়োক ৰাজদূত আমাৰ বচন, তিনিও লোকৰ যিটো লক্ষ্মীনাৰায়ণ, তাত পৰ আন কোন, পাৰো পূঁজিবাক, বলিৰ লগত যদি কটায় আমাক, মোৰ গল ওপৰ বলিৰ গল তল।'

আৰু তাৰ ফল স্বৰূপে তেওঁ নিজৰ ১২জন শিষ্যৰ হাতলৈ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সমূহ দায়িত্ব হস্তান্তৰ কৰি কোচবিহাৰলৈ প্ৰস্থান কৰে। যোৱাৰ আগতে শ্ৰীদামোদৰদেৱে তেওঁৰ সৰ্বোত্তম শিষ্য আৰু সেই সময়ৰ স্বনামধন্য কবি শ্ৰীহৰিদেৱ 'আতা'ক পাটবাউসী সত্ৰৰ দায়িত্ব দিয়ে যেয়ে সময়ত আন এক সুখ্যাত কবি বৈকুণ্ঠ নাথ ভট্টাচাৰ্যলৈ সেই দায়িত্ব হস্তান্তৰ কৰি মৰোৱা সত্ৰ স্থাপন কৰে।

**মৰোৱা সৎসংগী সত্ৰ**

এইদৰেই ১৭ শতাব্দীত শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আহ্বানৰ সঁহাৰি স্বৰূপে শ্ৰীদামোদৰদেৱৰ পৰামৰ্শত শ্ৰীহৰি আতাই মৰোৱা সত্ৰ প্ৰতিষ্ঠা কৰি এখন জাকত জিলিকা বৈষ্ণৱ অনুষ্ঠান কৰি তুলিছিল, 'শংকৰে বুলিলা বৰ হৰিক বচন, দামোদৰ পাৱে তুমি কৰিবা অৰ্চন' আখৰে আখৰে পালি। শ্ৰীহৰি আতাই 'প্ৰভু দামোদৰে হৰি আতাক বোলন্ত তুমি বৃদ্ধ বৈষ্ণৱ পৰম বুদ্ধিমন্ত' কথাষাৰো সঁচা কৰিছিল বৰপেটা সত্ৰত থকা সময়ত গুৰু দামোদৰদেৱে বিচৰাৰ দৰে ভাগৱতৰ তৃতীয় আৰু পঞ্চম স্কন্ধ আৰু শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি ৰত্নাকৰ সংস্কৃতৰ পৰা ব্ৰজাৱলী অসমীয়ালৈ অনুবাদ কৰি। স্বৰ্গদেউ শিৱ সিংহৰ দিনত নিষ্পিখেৰাজ লাভ কৰি বাসুদেৱ বিগ্ৰহ স্থাপন কৰি পতা এই মৰোৱা সত্ৰৰ সুখ্যাতি চাৰিওপিনে বিয়পি ৰজাৰ কাণত পৰাত ৰজাই অভূতপূৰ্বভাৱে স্বয়ং সত্ৰখন দৰ্শন কৰি নিজ হাতে ভাগৱত খণ্ডিত তাম ফলি প্ৰদান কৰে।

জন্মৰ পাছৰ পৰা বহুদশক ধৰি বৈষ্ণৱ ধৰ্মৰ জ্যোতিৰে মানুহৰ মন পোহৰোৱাৰ পাছত প্ৰাকৃতিক দুৰ্যোগ, সামাজিক পৰিৱৰ্তন আদিৰ প্ৰকোপত হোৱা চূড়ান্ত আৰ্থিক আৰু মানসিক কষ্টই মানুহৰ সত্ৰ চলোৱা শক্তি আৰু আগ্ৰহৰ অৱসান ঘটোৱাৰ ফলত মৰোৱা সত্ৰ অৱনতিৰ পথত পৰিল আৰু অসমৰ জনগণ আৰু চৰকাৰৰো দৃষ্টিৰ পৰা আঁতৰি গ'ল। কিন্তু মৰোৱা সত্ৰ আজিও বাচি আছে কেইজমান শুভাকাংক্ষী আৰু উৎসাহী বৈষ্ণৱ ধৰ্ম অনুৰাগীৰ স্বাৰ্থহীন সেৱাৰ জৰিয়তে। প্ৰতি বছৰ নিয়মীয়াকৈ শ্ৰীহৰি আতাৰ জন্মোৎসৱৰ সময়ত মৰোৱা সত্ৰৰ সভা পালন কৰি থকা হৈছে। অনুক্ৰমে এইবাৰৰ সভাও সত্ৰৰ জীৰ্ণ শীৰ্ণ অৱস্থাতো ব্যক্তিগত বৰঙণিৰে অহা আঘোণৰ পূৰ্ণিমাত পালিবলৈ সূচনা কৰা হৈছিল যদিও ঘটনাক্ৰমে অহা মাঘৰ পূৰ্ণিমাত পালন কৰাৰ ব্যৱস্থা কৰা হৈছে। মৰোৱা সত্ৰৰ সভাৰ গোন্ধযাত্ৰাত বিগ্ৰহ-বাসুদেৱক লৈ কীৰ্তন গাই চুবুৰীয়া গাঁওবোৰলৈ লৈ যোৱা হয়। গাঁওবাসীয়ে ঘৰৰ পদূলিমুখত কলগছ পুতি মাটিৰ চাকি জ্বলায় আৰু ধাৰ্মিকভাৱে বিগ্ৰহ-বাসুদেৱক আদৰণি জনাই আশীৰ্বাদ গ্ৰহণ কৰে। তাৰ পাছত বিগ্ৰহক সত্ৰৰ মণিকূটত স্থাপন কৰি গোটেই ৰাতি নাম-প্ৰসংগ আৰু আন উৎসৱ কৰা হয়। সভাৰ দিনত বিষ্ণুহোম পাতি পুষ্পাঞ্জলি কৰি প্ৰসাদ, ভোগ আদি উপস্থিতসকলক বিলোৱা হয়। তাৰ পাছত গোটেই দিনটো নাম-প্ৰসংগ কৰা হয়। এই সৌন্দৰ্যপূৰ্ণ বৈষ্ণৱ অনুষ্ঠানটোক সুস্থভাৱে জীয়াই ৰাখিবলৈ ৰাইজৰ সহানুভূতি আৰু অসম চৰকাৰৰ সাহায্যৰ অতি প্ৰয়োজন হৈছে।

**মূলানুগত বাল্মীকি ৰামায়ণ ঃ অনুবাদক প্ৰয়াত কবি চন্দ্ৰ মহন্ত ঃ**

পুৰুষনামাৰ মতে, মৰোৱা সত্ৰৰ প্ৰতিষ্ঠাপক শ্ৰীহৰি আতাৰ নৱম পুৰুষত মৰোৱা সত্ৰত কবি মহন্তই জন্ম গ্ৰহণ কৰে আৰু পূৰ্বপুৰুষৰ আৰ্হি লৈ ছাত্ৰ কালত সংস্কৃত ভাষাৰ ব্যুৎপত্তি অৰ্জন কৰে। অৱসৰ কালত ৬০ দশকৰ মহন্তই শ্ৰীহৰি আতাৰ নিচিনাকৈ কলম তুলি লৈ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ সপ্তকাণ্ড বাল্মীকি ৰামায়ণৰ কাব্যিক সংস্কৃতৰ পৰা অসমীয়া ভাষালৈ মূলানুগত গদ্যানুবাদ ৰচনা কৰে। তেওঁৰ এই সপ্তকাণ্ড ৰামায়ণে সক্ষমভাৱে অসমীয়া পাঠকৰ আগত, প্ৰাঞ্জল ভাষাত, ৰামৰ মহান আৰু অসহনীয় ত্যাগপূৰ্ণ জীৱন কাহিনীৰ জৰিয়তে সুখ, দুখ, আমোদ, কাঠিন্যৰে ভৰা মানুহৰ জীৱনৰ বিচিত্ৰ যাত্ৰাৰ বাস্তৱিক ৰূপ এটা দাঙি ধৰাত কৃতকাৰ্য হৈছে। মহন্তৰ এই আৰাধনাই ৬০ দশকত সমগ্ৰ অসমত আলোড়নৰ সৃষ্টি কৰিছিল।

মহন্তৰ মূলানুগত বাল্মীকি ৰামায়ণ ৰচনাৰ পথত উদগনি যোগোৱা খ্যাতনামা অসমীয়া সাহিত্যিকৰ অভিমত ঃ

**কৃষ্ণকান্ত সন্দিকৈ ঃ** 'মূল ৰামায়ণৰ অসমীয়া গদ্য অনুবাদ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰি কবি চন্দ্ৰ মহন্তদেৱে এটি মহৎ কামৰ সূত্ৰপাত কৰিছে। .. আমাৰ সাহিত্যৰ এটা ডাঙৰ অভাৱ পূৰ্ণ হ'ব।'

**আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী ঃ** 'এই গ্ৰন্থ প্ৰকাশ হ'লে অসমীয়া সাহিত্য-ভাণ্ডাৰৰ অমূল্য সম্পদ হ'ব আৰু অসমীয়া ভাষাৰ গুৰুতৰ অভাৱ পূৰণ কৰিব।'

**ড° মহেশ্বৰ নেওগ ঃ** 'ৰামায়ণৰ মূলৰ লগত আদ্যোপান্ত হুবহু পৰিচয় ঘটাব পৰা গদ্যানুবাদ এখনৰ অভাৱ আমাৰ এটা ডাঙৰ দৈন্য আছিল। মহন্তদেৱে সেই দৈন্যৰ নিৰাকৰণ কৰি আমাক যি ঐশ্বৰ্য দিব ওলাইছে তাৰ বাবে আমি তেওঁক আন্তৰিক ধন্যবাদ জনালো।

**বিশ্ব নাৰায়ণ শাস্ত্ৰীয়ে মহন্তৰ ৰামায়ণত লিখা ভূমিকাৰ পৰা** ঃ ৰামায়ণ একাধাৰে মহাকাব্য আৰু ধৰ্মগ্ৰন্থ। ভাৰতীয় পৰম্পৰা মতে ৰামায়ণৰ আগতে কোনো কাব্য ৰচনা হোৱা নাছিল আৰু বাল্মীকি আদি কবি বুলি পৰিগণিত। ব্যাধৰ হাতত এহাল চৰাইৰ এটা নিহত হোৱাত আনটোৱে পোৱা মনোকষ্ট দেখি বাল্মীকি মুনিয়ে কৰা শোকাৰ্ত প্ৰশ্নৰ উত্তৰত ব্ৰহ্মাই তেওঁক ৰামায়ণৰ কাব্য ৰচনা কৰি ৰাম-কথা পৃথিৱীত প্ৰচাৰ কৰিবলৈ উপদেশ দিলে আৰু লগতে ভৱিষ্যৎ বাণী কৰিলে 'যাৱৎ স্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে, তাৱৎ ৰামায়ণী-কথা লোকেষু প্ৰচাৰিষ্যতি' অৰ্থাৎ যেতিয়ালৈকে পৃথিৱীত পৰ্বত আৰু নৈ থাকিব, তেতিয়ালৈকে ৰামায়ণৰ আখ্যান মানুহৰ মাজত প্ৰচাৰ হৈ থাকিব। ৰাম-কথাই ভক্তি-মুক্তিৰ সন্ধান আৰু ধৰ্ম-অৰ্থ-কাম-মোক্ষৰ উপদেশ দি ভাৰতীয় লোকৰ হৃদয় সম্পূৰ্ণৰূপে অধিকাৰ কৰি আজিও বিৰাজ কৰিছে।

ৰামায়ণৰ মহাকাব্য মানুহৰ জীৱনৰ ঘৰুৱা কথাবোৰ, যেনে, পিতাৰ প্ৰতি পুত্ৰৰ বশ্যতা, ভাইৰ প্ৰতি ভাইৰ আত্মত্যাগ, পতি-পত্নীৰ পৰস্পৰৰ মাজত নিষ্ঠা আদিৰ লগতে ৰাজ্য এখনত প্ৰজাৰ প্ৰতি ৰজাৰ কৰ্তব্য কিমান গভীৰ হ'ব পাৰে তাৰেই বৰ্ণনা। আনকি ৰাম-ৰাৱণৰ যুদ্ধ-ঘটনাও ৰাম আৰু সীতাৰ দাম্পত্য প্ৰীতিকে উজ্জ্বল কৰি দেখুৱাবৰ উপলক্ষ মাথোন। ৰামৰ বনবাসৰ অসীম ত্যাগৰ অগ্নিপৰীক্ষাৰ মাজেৰে উত্তীৰ্ণ কৰি, গৃহ-কন্দলত ছিন্ন-ভিন্ন হোৱা ৰাজ পৰিয়ালকো অটুট ৰাখি, ৰামায়ণে গৃহাশ্ৰম ধৰ্মৰেই জয় ঘোষণা




কৰিছে আৰু তাক মানুহৰ জীৱনৰ সুখ সুবিধাৰ উপায় হিচাপে প্ৰতিষ্ঠা কৰিছে। ৰামায়ণৰ ঘটনাবোৰে আৰ্য-অনাৰ্য, ৰাক্ষস-বান্দৰ, ৰাজ্য-আশ্ৰম, শিল্প-বাণিজ্য, সাজ-পোছাক, খোৱা- লোৱা, সাহিত্য-সংগীত, কলা-বিজ্ঞান, শিষ্টাচাৰ, ধৰ্ম, দৰ্শন, স্থাপত্য-ভাস্কৰ্য সকলোৰে বিচিত্ৰতাৰে ভৰা জীৱনৰ ছবি আঁকিছে আৰু ৰামৰ যুগৰ সংস্কৃতি আজিও অব্যাহত ৰাখি ভাৰতীয় সমাজৰ সাংস্কৃতিক জীৱন নিয়ন্ত্ৰিত কৰি জীৱনৰ আদৰ্শ দাঙি ধৰিছে।

কবি মহন্তই কৰ্মজীৱনত দেশৰ ল'ৰা-ছোৱালীৰ শিক্ষা-দান ব্যৱস্থাৰ দায়িত্বৰ পৰা অৱসৰ লৈ অসীম ধৈৰ্য আৰু সাহসেৰে সংস্কৃতৰ কাঠিন্যৰে ভৰা এই বাল্মীকি ৰামায়ণ মহাকাব্য অসমীয়া ভাষালৈ মূলানুগতভাৱে গদ্যানুবাদ কৰি অসমীয়া সমাজৰ মানসিক শিক্ষাৰো ব্যৱস্থা কৰিলে আৰু অসমীয়া সাহিত্যক পূৰ্ণাংগ কৰি তুলিলে। তেওঁ অকলশৰে কে'বা হেজাৰ বছৰ আগৰ বাল্মীকিৰ মনোৰাজ্যৰ লগতে বৰ্তমানৰ অসমীয়া সাহিত্যৰ বচনভংগী অটুট ৰাখি কৰা এই অধ্যাৱসায় একমাত্ৰ নিষ্ঠা আৰু একাগ্ৰতাৰ প্ৰশংসনীয় পৰিচয়। মহন্তৰ ৰামায়ণৰ এই ভাঙনিয়ে পাঠকক সংস্কৃত ভাষা নজনাকৈয়ে মূল ৰামায়ণ পঢ়াৰ সুযোগ দিয়াৰ উপৰি বৰ্ণনাভংগী, শব্দ-চয়ন, উপমা-বিন্যাস আদিৰে অসমীয়া সাহিত্যৰ সম্পদ বৃদ্ধি কৰিছে।

অসমীয়া সাহিত্যৰ ঐশ্বৰ্য হিচাপে পৰিগণিত হোৱা মহন্তৰ এই অনূদিত অসমীয়া মূলানুগত বাল্মীকি ৰামায়ণখনৰ প্ৰকাশনৰ বিষয়ত কেইটামান কথা উল্লেখনীয়। ১৯৬২ত প্ৰথম খণ্ড (বাল-কাণ্ড) প্ৰকাশনৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম ভাইচ চেঞ্চেলৰ কৃষ্ণকান্ত সন্দিকৈয়ে অসম সাহিত্য সভাৰ যোগেদি কৰা আৰ্থিক সাহায্যৰ ফলত লয়াৰ্ছ বুক ষ্টলৰ পৰিৱেশনত প্ৰথম সংস্কৰণ প্ৰকাশ হৈছিল। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ে অসমীয়া বিভাগৰ উদ্যোগত 'মহাভাৰত' আৰু 'ৰামায়ণ' অসমীয়া গদ্যলৈ অনুবাদ কৰিবলৈ সিদ্ধান্ত লৈছিল আৰু মহন্তৰ অনূদিত ৰামায়ণে বিশ্ববিদ্যালয়ৰ ৰামায়ণ অনুবাদ প্ৰকাশন উপদেষ্টা সমিতি'ৰ দৃষ্টি আকৰ্ষণ কৰিছিল। মহন্তই প্ৰকাশনৰ আৰ্থিক সহায়ৰ প্ৰয়োজনত ইতিমধ্যে প্ৰকাশিত বালকাণ্ডৰ স'তে পৰৱৰ্তী ছটা কাণ্ড প্ৰকাশনৰ দায়িত্ব গুৱাহাটী বিশ্ববিদ্যালয়লৈ হস্তান্তৰ কৰি অসমীয়া জাতিৰ সাহিত্য-সংস্কৃতিলৈ এই আপুৰুগীয়া সম্পদ আগবঢ়ায় আৰু অসম তথা ভাৰতৰ এজন অন্যতম জ্ঞানী আৰু মহান সন্তান হিচাপে প্ৰতিষ্ঠিত হয়। তেওঁৰ সোঁৱৰণীত এই অসমীয়া ৰামায়ণৰ এটি নতুন সংস্কৰণ প্ৰকাশ কৰিবলৈ তেওঁৰ পৰিয়ালৰ তৰফৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ক অনুৰোধ কৰা হৈছে। আশা কৰা হৈছে যে অসমৰ সমাজে পুনৰ এই পুথিখন আদৰি ল'ব।

*লেখিকা অৱসৰপ্ৰাপ্ত অধ্যাপিকা, ষ্টেট ইউনিভাৰ্চিটি অৱ নিউইয়ৰ্ক, আমেৰিকা যুক্তৰাষ্ট্ৰ।*


---

মানৱতাৰ জ্ঞান নথকা, নৈতিকতা পুৰি খোৱা মানুহে আন মানুহ বা জীৱ-জন্তুৰ হিত সাধন কৰিব লাগে বুলি নাজানে। জানিলেও বহুতে তাক আওকাণ কৰে। কাউৰীৰ চৰিত্ৰ বহন কৰি ৰাজহাঁহৰ বুলন দি ফুৰা মানুহ বহুত আছে এই সমাজতে।



# ভোগালীৰ ভোগ

## থলুৱা খাদ্যৰ জুতি আৰু অন্যান্য



আছুতীয়া চিন্তা

জয়কান্ত শৰ্মা (কনিষ্ঠ)

**ভোগৰ** উৎসৱ ভোগালী। মাঘৰ বিহু থলুৱা খাদ্যৰ জুতি লোৱা বিহু। ঘৰুৱা খাদ্যৰ আস্বাদ ঘৰুৱা পৰিৱেশত ঘৰৰ মানুহৰ স'তে ল'বলৈ দূৰ-দূৰণিৰ পৰা লোক আহে আপোন ঘৰ বুলি। বিহুৰ সময়ত আপোন মানুহক লগ পোৱা আৰু লগে-ভাগে এসাঁজ খোৱাৰ হেঁপাহ অসমীয়াৰ চিৰ যুগমীয়া। মেজি জ্বলাই অগ্নি দেৱতাক তুষ্ট কৰিবলৈ কৰা পূজা-সেৱা আৰু নৈবেদ্য আগবঢ়োৱা প্ৰথাও সাতামপুৰুষীয়া।

এই যে ভোগৰ কথা কোৱা হ'ল এই ভোগ বিলাসিতা বা ঐশ্বৰ্য-বৈভৱৰ ভোগ নহয়— সাৰ্বজনীন ভোগ। প্ৰথাগত ভোগহে। উৰুকাৰ ৰাতি জুহালত অসমীয়া মানুহে পদ্মাৰ ইলিচৰ পৰিৱৰ্তে অসমৰ বিল-খালত পোৱা বৰালিকহে পছন্দ কৰে বেছি। বহুতে ৰৌ-ভকুৱা খায় উৰুকাৰ ভোগ কৰে যদিও চিতল মাছৰ কোলঠি নাখালে সেই ভোগ সম্পূৰ্ণ হোৱা বুলি অনুভৱ নকৰে। তেনেদৰে ছাগলী-কুকুৰা সকলোৱে খায় যদিও মতা হাঁহৰ লগত সিবোৰৰ তুলনা নহয়। স্থান আৰু মান লাভৰ ক্ষেত্ৰতো হাঁহৰ মাংসই আগস্থান পায়। উজনি অসমৰ প্ৰতিখন ঘৰত হাঁহ আৰু বৰাসি মাছ নহ'লে যেনিবা উৰুকাৰ ভোজ আধৰুৱা হৈ ৰয়।

ধনী কি দুখীয়া, গৰিব কি নিছলা উৰুকা বুলিলে মাছ-মঙহ, চিৰা-পিঠা, এঠা দৈ-মাখন অকণ সকলোৱে গোটাবই। লাড়ু-মুড়ী-গুড় কিছু লাগিবই। নহ'লে যে অসমীয়া হিচাপে জীৱনবোৰ হৈ পৰে বৃথা। লাজ-অপমানৰ কথা। অৱশ্যে আমি জনাত বিহুৰ বতৰত কাৰোবাৰ মনত দুখ বা হতোদ্যমৰ অসুখ হ'ব লগা পৰিস্থিতি কোনো অসমীয়াই হ'বলৈ নিদিয়ে। অভাৱ-অনাটনৰ কাৰণে যদি কাৰো ঘৰত চৌকা নজ্বলা অৱস্থা হয় ওচৰৰ হৃদয়ৱান ব্যক্তিয়ে মাছ, মাংস, চিৰা-পিঠা অলপ হ'লেও দি সুখ অনুভৱ কৰে। মাঘ বিহুৰ সময়ত ঠেৰেঙা লগা বতৰত অভাৱীয়জনক এখন গৰম কাপোৰ দান কৰি মানৱতা দেখুওৱা মানুহ আমাৰ সমাজত এতিয়াও কিছু আছে।

আজিৰ সমাজখনত আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ বা আপোনপেটা লোক অনেক আছে যদিও দুই-চাৰিজন হৃদয়ৱান ব্যক্তিও নোহোৱা নহয় যিয়ে আনৰ উপকাৰ সাধন কৰি সঁচা অৰ্থত আনন্দ লাভ কৰিবলৈ আগবাঢ়ি আহে আৰু আমি ভাবো তেওঁলোকৰ বাবেই সমাজ-সভ্যতা, উৎসৱ-পাৰ্বণ আৰু প্ৰথা-পৰম্পৰা সংৰক্ষিত হৈ আহিছে স্বৰূপত।

আমি জন্মলাভ কৰা গাঁওখনৰ সোঁমাজেৰে এটা জান বৈ গৈছে। নাম তাইৰ বেঙেৰী (বেঙেৰীজান) বেঙেৰীয়ে ঋতু অনুসৰি নিজৰ ৰূপ সলায়। বেলেগ বেলেগ পৰিৱেশত বেলেগ সাজ বদলায়। নিজৰ শীৰ্ণ দেহ ভৰ বাৰিষা বৃহৎকায় কৰে। তাই নিজৰ ৰূপ-লাৱণ্য, মহিমা আৰু চৰম ত্যাগেৰে মানুহক আকৰ্ষণ কৰে।

আমাৰ ল'ৰালি বেঙেৰীৰ পাৰতে পাৰ হ'ল। বেঙেৰীৰ প্ৰেমত পৰিয়েই কৈশোৰ পাৰ কৰি যৌৱনপ্ৰাপ্ত ডেকা হ'লো। বেঙেৰীৰ বুকুত সাঁতুৰি-নাদুৰি জীৱনৰ প্ৰথমছোৱা কাল পাৰ কৰিলো; কিমান বছৰ যে মাছ মাৰিলো; উৰুকাৰ ভোজ খালো বেঙেৰীজানৰ মাছেৰে। তৰাগাড়ী আৰু ৰৌমাৰী নামৰ কামৰূপ জিলাৰ দুখন বিল সংযোগ কৰা জানটোত সকলো প্ৰকাৰৰ মাছ পোৱা হয় কিন্তু বৰালি মাছৰ সমান প্ৰাধান্য, প্ৰাচুৰ্য আৰু কদৰ আন কোনো মাছৰ নাই।

আমাৰ দিনৰে অবচীন কালৰে এটা সময় আছিল যিটো সময়ত প্ৰচুৰ প্ৰচুৰ পৰিমাণে বৰালি মাছ পৰিছিল এই বেঙেৰী জানত। মাছৰ প্ৰাচুৰ্যতা দেখি বহু দূৰ-দূৰণিৰ পৰা মাছ মাৰিবলৈ মানুহ আহিছিল, মাছ মাৰিছিল, মোনা ভৰাই মাছ নিছিল ঘৰমুৱা মাছমৰীয়াই। সম্ভৱতঃ তেতিয়াৰ পৰাই বৃহত্তৰ ডোবক গাঁওখনৰ আমাৰ অঞ্চলটোক বৰালিমাৰা (চুবা) নাম দিয়া হ'ল।হয়তো বৰালি মাছ মাৰি উৰুকাৰ ভোজভাত খোৱা হেতুকে ঠাইখনৰ নাম বৰালিমাৰা পৰি ৰ'ল।

সি যি কি নহওঁক, এতিয়া সেইবোৰ অতীত হ'ল। বেঙেৰীৰ বুকু তৰাং হ'ল। আগতকৈ ভালেখিনি ঠেক হ'ল। মাটি লুভীয়া মানুহবোৰে দুয়ো ফালৰ পৰা জানটো ঠেকি আনিলে। ঠায়ে ঠায়ে চিঞা পৰি গ'ল। বিল দুখনো লাহে লাহে তৰাং পৰি শুকাব ধৰিলে; বিলৰ বুকুত মানুহে ধান খেতি কৰা কৰিলে। বিলত মাছৰ উৎপাদন কমি আহিল। খেতিত প্ৰয়োগ কৰা সাৰ আৰু কীটনাশক দৰৱ ব্যৱহাৰ কৰাৰ ফলত মাছ-কাছ, ভেকুলী-শামুক-কেঁকোৰা আদি বস্তু বিলুপ্তপ্ৰায় হৈ আহিল। বিলত মাছ ধৰা, ৰাজহুৱাভাৱে মাছ মৰা প্ৰথাবোৰ লোপ পাই আহিল। মাছ মৰা মানুহ নোহোৱা হ'ল। আজি বজাৰৰ মাছেৰে বৰালিমাৰাৰ মানুহে উৰুকা পাতি বিষাদ-বেদনা অনুভৱ নকৰা নহয়, কৰে।

তথাপি উৰুকাত ভোগৰ আনন্দ ল'বই লাগিব। লগে ভাগে সমজুৱাভাৱে বিলত মাছ ধৰা আৰু ভেলাঘৰৰ তলত এসাঁজ খোৱাৰ সমান আনন্দ আন ক'তো নাই। মেজি জ্বলাই অগ্নিক পূজা কৰি নাম-প্ৰসংগৰ লগতে নানা প্ৰকাৰৰ খেলা-ধূলা কৰা অসমীয়াৰ জাতীয় পৰম্পৰাৰে অংশ বিশেষ। ম'হ যুঁজ, কুকুৰা যুঁজ, বুলবুলী চৰাইৰ যুঁজ, কণী (খেলা) যুঁজ ইত্যাদিত মাঘ বিহুৰ পৰম্পৰাজনিত আনন্দ-উৎসৱ বিজড়িত।

বিহু অসমীয়াৰ জাতীয় সত্তা, বিহু অসমীয়াৰ আত্মা।

ভোগালী বিহুত মাছ ধৰাৰ আনন্দ যেনেকুৱা বজাৰত মাছ কিনাৰ আনন্দও তেনেকুৱাই। বজাৰৰ আটাইতকৈ ডাঙৰ মাছটো কিনাৰ গৌৰৱ যিজনে অৰ্জন কৰিব পাৰে তেওঁৰ বাবে বছৰতো আনন্দৰে ভৰি পৰে। কিনিব পাৰক বা নোৱাৰক ডাঙৰ মাছৰ ওপৰত দৰ-দাম কৰিও কিবা এটা আনন্দ উপভোগ কৰা নাযায়নে বাৰু? গ্ৰাহকৰ দৰ-দাম কৰাৰ অধিকাৰ আছে। কম দাম বা একেবাৰে সস্তাত বস্তু কিনাৰ মজা এটাও আছে অৱশ্যে। কিন্তু সেই মজাটো মানুহে সকলো সময়তে ল'ব খুজিলে চলিব জানো? নচলে। নচলাৰে কথা। কাৰণ আমাৰ ৰাজ্যখনত চাহিদা অনুপাতে বস্তু-সামগ্ৰীৰ যোগান সদায় কম থাকে। প্ৰয়োজন অনুসৰি উৎপাদন বহুত কম। খাদ্য-বস্তু উৎপাদন কৰা কৃষকো কমিহে আহিছে। এক বিশেষ শ্ৰেণীয়ে অসমৰ খেতি পথাৰ, বজাৰ আৰু বিতৰণ ব্যৱস্থা সকলো নিজৰ হাতলৈ নিয়া সত্ত্বেও খিলঞ্জীয়াৰ গা লৰা নাই। কাম কৰাৰ বাবে আগবাঢ়ি অহা নাই। যি দুই-চাৰিজনে কৃষি কাৰ্য, মীন পালন, পশু পালন কৰি আদৰ্শ দেখুৱাইছে তেওঁলোক ধন্যবাদৰ পাত্ৰ। চৰকাৰী কামৰ ক্ষেত্ৰত এটা বা দুটা পদক লৈ লক্ষজন শিক্ষিত যুৱক-যুৱতীৰ মাজত কঢ়া-আঁজোৰা কৰাতকৈ কৃষিখণ্ডত যদি কৰ্ম সংস্থান বিচাৰি লয় আৰু আত্মবিশ্বাসেৰে কাম কৰি যায় তেন্তে কোনো মানুহ অসফল হোৱাৰ কথা নাই।

যিমানে আপদ-বিপদ বা আহুকাল নহওক লাগে আমাৰ বাপতি-সাহোন বিহুটো উলহ-মালহৰে পালন কৰিবই লাগিব। ভোগালীৰ ভোগত তাৰতম্য হ'ব নোৱাৰিব কাৰো পক্ষে কৃপণালি নচলিব। চৰম অভাৱীজনৰ ঘৰতো যেন আনন্দ-উলাহ বিৰাজ কৰে তাৰ কাৰণে চুবুৰীয়াসকল সচেতন থাকিব লাগে মানৱতাৰ খাতিৰতে। সকলোৱে গৰিবজনক পাৰ্যমানে সহায়-সাহায্য কৰি মুখলৈ হাঁহি ঘূৰাই অনাৰ চেষ্টা কৰি গ'লে সকলোৰে বাবে মংগল।

অৱশ্যে সকলোৰে পৰা সহায়-সঁহাৰি পাম বুলি আশা কৰাও ভুল হ'ব। সমাজত বহুত লোক আছে যিয়ে আনৰ পৰা ল'ব জানে আনক দিব নাজানে। বেলেগৰ পৰা সদায় পাই থকাজনে লোকক এটা ফুটা কড়িও দিব নোৱাৰে। কিবা কাৰণত দিবলৈ বাধ্য হ'লে দেহৰ এফাল খহি পৰা যেন হয়। মানুহক সহায় কৰিব পৰা গুণ বা ক্ষমতা বহুতৰ নাথাকে। মানৱতাৰ জ্ঞান নথকা, নৈতিকতা পুৰি খোৱা মানুহে আন মানুহ বা জীৱ-জন্তুৰ হিত সাধন কৰিব লাগে বুলি নাজানে। জানিলেও বহুতে তাক আওকাণ কৰে। কাউৰীৰ চৰিত্ৰ বহন কৰি ৰাজহাঁহৰ বুলন দি ফুৰা মানুহ বহুত আছে এই সমাজতে।

আমাৰ এজন বন্ধুৰ কথা এই চেগতে কোৱাৰ হেঁপাহ সামৰিব নোৱাৰিলো। বন্ধুজনৰ ঘৰ গুৱাহাটীৰ উপকণ্ঠত। বন্ধু পত্নীৰ নাম নমিতা। নমিতাৰ ককায়েকজন চৰকাৰী উচ্চ পদস্থ বিষয়া। বিষয়াজনৰ ঘৰ গুৱাহাটী মহানগৰীত। প্ৰচুৰ ধন-সম্পদৰ মালিক ককায়েকজন অৱশ্যে সামাজিক ব্যক্তি নহয়। মানৱতা, নৈতিকতা আদিৰ ফালৰ পৰাও গৰিব। তথাপি বন্ধু পত্নীয়ে ককায়েকক ভাল পায়। ভৱিষ্যতে প্ৰয়োজন হ'ল অৰ্থ-সাহায্য পাম বুলি আশাও নকৰা নহয়।

কালক্ৰমত বন্ধুৰ পুত্ৰৰ বিয়াৰ দিন ওচৰ চাপি অহাত বন্ধু-পত্নী সহিতে ককায়েকৰ ওচৰলৈ গ'ল। ভাগিনৰ বিয়াত মোমায়েকে একো এটা নিদিবনে- দিব নিশ্চয়। মোটা অংক এটাই হয়তো দিব। দুয়ো এদিন ককায়েকৰ ঘৰ পালেগৈ বিয়াৰ বাবদ মোটা অংক পোৱাৰ আশাত। দুপৰীয়াৰ পৰা পৰিৱেশ গৰম। বহুত মানুহৰ আহ-যাহ, খোৱা-লোৱা আৰু হুলস্থূলীয়া অৱস্থা। আয়োজন দেখি দুয়ো আচৰিতে হ'ল। কাৰোবাৰ মুখেৰে শ্ৰাদ্ধ-বিদ্ধ চলি থকা বুলি জানি বিস্ময় মানিলে। শোকাকূল অৱস্থা এটাই ঘৰখন গহীন কৰিও নৰখা নহয়। তেওঁলোক বিমোৰত পৰিল। ঘৰখনত কোন মৰিল? কাৰ শ্ৰাদ্ধ চলি আছে? কোনোবা যদি মৰিছেই ককায়েকে তেওঁলোকক জনোৱা নাই কিয়?

এনেবোৰ প্ৰশ্ন মনৰ মাজত লৈ নমিতাই নবৌয়েকৰ ওচৰলৈ গৈ আৰু বিচ্যুতি খালে। পৰিৱেশ দেখি তেওঁৰ দুখ লাগিল কাৰণ নবৌয়েকে ইতিমধ্যে শোক সাগৰত বুৰ গৈ আছে। বিছনাত দীঘল দি শুই থকা নবৌয়েকক কেইগৰাকীমান তিৰোতাই বুজাই আছে। মাজে মাজে সান্ত্বনা বাণী শুনাই আছে। চকুৰ পানীৰে স্নান কৰা বৌয়েকৰ দুখ লগা অৱস্থা দেখি নমিতাই একো কথা সোধাৰ সত নগ'ল। সাহসো নকৰিলে তেওঁ। আন এগৰাকী তিৰোতাক দুখ-শোকৰ কথা সোধাত তেওঁ তপৰাই মাত লগালে। 'কিয় আপুনি নাজানে? আমাৰ বিকি! বিকি ঢুকাল। আজি তেৰ দিন হ'ল, শ্ৰাদ্ধ চলি আছে।

নমিতাই একো তত্ ধৰিব নোৱাৰিলে। কোন ৰিকি? ৰিকি এওঁলোকৰ কি হয়? বিকি নামৰ কোনো লোকতো এইখন ঘৰত নাছিল? এনেকুৱা দৰকাৰী-অদৰকাৰী প্ৰশ্ন কিছুমানে দুয়োকো দাহন কৰিলে। সহ্যাতিত কৌতূহলে দুয়োকো ককায়েকৰ ওচৰলৈ লৈ গ'ল। ককায়েকৰো একে দশা। লগৰ বন্ধু-বান্ধৱ, বিষয়া-কৰ্মচাৰীৰ মাজত বহি ককায়েকে বিলাপ জুৰিছে। বুকুৰ মাজত এখন ডাঙৰ ফটো লৈ আছে। ফটোখন সম্ভৱতঃ ৰিকিৰ অৰ্থাৎ মৃতকৰ। দুয়োজনে তেনেকৈয়ে ভাবি ল'লে।

কান্দি কান্দি ককায়েকে ৰিকিৰ গুণানু-কীৰ্তন কৰি আহৰি পোৱা নাই। তাৰ মাজতে মাত দি যাওঁ বুলি ওলোৱা মানুহ বা অভ্যাগতক 'খোৱা-লোৱা কৰিলেনে?' বুলি সুধিবলৈও পাহৰা নাই। নমিতাৰ কৌতূহল বাঢ়ি যায়। বন্ধুৰ উৎসুকতা বৃদ্ধি পায়। 'কোন সেইজন ৰিকি? 'ৰিকি ল'ৰা নে ছোৱালী'? ডেকা আছিল নে গাভৰু? তেনে ভাব-চিন্তাৰ দোমোজাতে ককায়েকৰ সজল চকু নিৰ্জল নমিতাৰ ওপৰত পৰিল। মাতি নি ভনীয়েকক ওচৰত বহুৱালে। ৰিকিৰ গুণ বখানি বখানি ফেকুৰি ফেকুৰি ক'বলৈ ধৰিলে— 'চা ভণ্টি ! আমাৰ ৰিকি ঢুকুৱাৰ তেৰ দিন হ'ল। তহঁতৰ কাৰো খবৰ নাই। মনৰ দুখ-বেজাৰত ময়ো ঘৰ পৰা বাহিৰ ওলাব পৰা নাই। শ্ৰাদ্ধখন পাতি টকা-পইচা..। ভাবিছিলো ভাগিনৰ বিয়াত অলপ হ'লেও টকা দি মোমায়েকৰ দায়িত্ব পালন কৰিম। কিন্তু ভবা কথা একোৱে নহ'ল। ৰিকি অকালতে গুচি গ'ল। ভণ্টি, তই নিজেই দেখিলি শ্ৰাদ্ধ-বিদ্ধত কিমান টকা পানী হ'ল! তহঁতে বেয়া নাপাবি। মই ভাগিনৰ বিয়াত এটা টকাও দিব নোৱাৰিম। বিয়াখন ভালে ভালে পাৰ হৈ যাওক তাৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছো।'

'দাদা! এই যে শ্ৰাদ্ধ পাতিছ। ৰিকি ৰিকি কৰি আছ! দৰাচলতে ৰিকি কোন?'

'ভণ্টি! তই ৰিকিক নাজান? সি আমাৰ ঘৰৰে এজন সদস্য নহয়? সি এইখন ঘৰতে ডাঙৰ-দীঘল হোৱা নাই?'

'নাজানো বাবেইতো সুধিছো, দাদা! চাওঁ, এইজন কোন ৰিকি' বুলি নমিতাই ককায়েকৰ বুকুৰ মাজৰ পৰা ফটোখন আঁজুৰি আনি ভালদৰে চাই ল'লে। দেখি তবধ মানিলে। অবাকো হ'ল। মৰা কুকুৰ এটাৰ বাবে শ্ৰাদ্ধ, লাখ টকাৰ শৰাধ। নমিতাই কিছুপৰ ভাবি ৰ'ল। খং উঠি গ'ল। একমাত্ৰ ভাগিনজনৰ বিয়াত এটকাও দিব নোৱাৰো বুলি কোৱা ককায়েকক মৰা কুকুৰটোৰ লগত ফটো ফ্ৰেমৰ মাজত প্ৰত্যক্ষ কৰিলে নমিতাই। বন্ধুজনে শুনিলে 'ভৌ' 'ভৌ'।

উৰুকাৰ ৰাতি জুহালত অসমীয়া মানুহে পদ্মাৰ ইলিচৰ পৰিৱৰ্তে অসমৰ বিল-খালত পোৱা বৰালিকহে পছন্দ কৰে বেছি। বহুতে ৰৌ-ভকুৱা খায় উৰুকাৰ ভোগ কৰে যদিও চিতল মাছৰ কোলঠি নাখালে সেই ভোগ সম্পূৰ্ণ হোৱা বুলি অনুভৱ নকৰে। তেনেদৰে ছাগলী-কুকুৰা সকলোৱে খায় যদিও মতা হাঁহৰ লগত সিবোৰৰ তুলনা নহয়। স্থান আৰু মান লাভৰ ক্ষেত্ৰতো হাঁহৰ মাংসই আগস্থান পায়। উজনি অসমৰ প্ৰতিখন ঘৰত হাঁহ আৰু বৰাসি মাছ নহ'লে যেনিবা উৰুকাৰ ভোজ আধৰুৱা হৈ ৰয়।



*ফোনঃ ৮৮২২১৮৮৬৭৯*






# হাজোৰ চি আৰ পি এফ জোৱান ভাস্কৰজ্যোতি দাসৰ সামৰিক মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**হাজো, ১১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত কুলহাটীৰ প্ৰয়াত প্ৰসন্ন দাসৰ পুত্ৰ তথা চি আৰ পি এফ জোৱান ভাস্কৰজ্যোতি দাসৰ মৃতদেহ আজি সন্ধিয়া নিজ বাসগৃহ আহি পোৱাৰ পাছত এক শোকাকুল পৰিবেশত সামৰিক মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। উল্লেখ্য যে চি আৰ পি এফ জোৱান ভাস্কৰৰ পশ্চিমবংগৰ কিষাণগঞ্জত ৰেল লাইনত ক্ষত-বিক্ষত অৱস্থাত কালি মৃতদেহ উদ্ধাৰ হৈছিল। তথ্য মতে, হাজো আৰক্ষী থানাৰ অন্তৰ্গত কুলহাটীৰ ভাস্কৰে চাকৰি সূত্ৰে চত্তিছগড়ত চি আৰ পি এফ বাহিনীৰ জোৱান হিচাপে কৰ্মৰত আছিল। ন জানুৱাৰীৰ নিশা চত্তিছগড়ৰ পৰা ১২৩৪৫ ৰেলৰ কোচ নম্বৰ এছ-৯ চিটি নম্বৰ ৫০ চি যোগে চাৰি সতীৰ্থ বন্ধুৰ স'তে ঘৰলৈ আহি আছিল আৰু কালি পুৱা প্ৰায় ছ বজাত ভাস্কৰে পত্নী ৰীতা দাসলৈ একেলগে চাকৰি কৰা সহযাত্ৰী নাৰায়ণ মণ্ডলে ফোন কৰি ভাস্কৰ নিশা এক বজাৰ পৰা নিৰুদ্দেশ হোৱাৰ খবৰ দিছিল। ততালিকে পৰিয়ালৰ লোকৰ মাজত হাহাকাৰ লাগে। পত্নী ৰীতাই জনোৱা মতে, নিশা ৯-৩০ বজালৈ ভাস্কৰে ফোন কৰি পুৱা গুৱাহাটী পাব বুলি অৱগত কৰিছিল। কিন্তু হঠাৎ পুৱা পৰিয়ালৰ লোকে খবৰ পাই ৰেল বিভাগৰ জৰিয়তে কিষাণগঞ্জত দাসৰ ক্ষত-বিক্ষত মৃতদেহ উদ্ধাৰৰ কথা। ৰহস্যজনকভাৱে এক বজাৰ ঘটনাৰ বিষয়ে একেলগে কাম কৰা বঙাইগাঁও আৰু নলবাৰীৰ চাৰিগৰাকী বন্ধুৱে ৰেল বিভাগৰ নজনোৱাকৈ পুৱা বঙাউগাঁৱতহে জি আৰ পিক গোচৰ দিয়ে। পৰিয়ালৰ লোকে ভাস্কৰৰ মৃত্যু সহজভাৱে ল'ব পৰা নাই আৰু এই ৰহস্যজনক ঘটনাৰ এক উচিত তদন্ত বিচাৰিছে।

# ৰহা ফুলগুৰি ৰাষ্ট্ৰীয় পথত চেন্ট্ৰ'-স্কুটীৰ মুখামুখি সংঘৰ্ষ

অগ্ৰদূত বাৰ্তা

**ৰহা, ১১ জানুৱাৰী ঃ** নগাঁও জিলাৰ ৰহা আৰক্ষী থানাৰ অন্তৰ্গত ফুলগুৰিত ৰাষ্ট্ৰয় ৩৭ নম্বৰ ঘাইপথত আজি পুৱা সংঘটিত পথ দুৰ্ঘটনাত এজন স্কুটী আৰোহী থিতাতে নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। নিহত ব্যক্তিজন কামপুৰ আৰক্ষী থানাৰ বিষ্ণুপুৰ কাৰৈমাৰীৰ দীপক বৰদলৈ (৪০) আৰু আহত জন একে গাঁৱৰে উপেন্দ্ৰ বৰদলৈ (৪৫)। তথ্য মতে, পুৱা ন বজাত ফুলগুৰি গেটৰ সন্মুখত দুজন স্কুটী আৰোহীয়ে এএছ০১ডিই-৮২৩৪ নম্বৰৰ এখন স্কুটীয়ে ঘাইপথ অতিক্ৰম কৰিবলৈ চেষ্টা কৰা সময়ত ৰহাৰ পৰা নগাঁও অভিমুখী এএছ-০২এইছ-২৮৬২ নম্বৰৰ এখন চেন্ট্ৰ' বাহনৰ স'তে মুখামুখি সংঘৰ্ষ হয়। এই ঘটনাত স্কুটী আৰোহী দীপক বৰদলৈ (৪০) থিতাতে নিহত হোৱাৰ লগতে অন্যজন আৰোহী উপেন্দ্ৰ বৰদলৈ গুৰুতৰভাৱে আহত হয়। উক্ত দুৰ্ঘটনাৰ খবৰ পাই ততালিকে ৰহা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ নিহত আৰু আহতজনক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# সত্ৰৰ ভূমি জৰীপ-ৰাজহুৱা শুনানি আয়োগকলৈ আশাবাদী নগঞা

## ■বটদ্ৰৱাৰ পাৰ্শ্বৱৰ্তী ৰামপুৰ সত্ৰ পুনৰুদ্ধাৰ কৰাৰ দাবী

বিশেষ সংবাদদাতা

**নগাঁও, ১১ জানুৱাৰী ঃ** বিভিন্ন কাৰণত অস্তিত্বই নাইকিয়া হৈ পৰা নগাঁও জিলাৰ বটদ্ৰৱাৰ পাৰ্শ্বৱৰ্তী ইতিহাস প্ৰসিদ্ধ ৰামপুৰ সত্ৰখন পুনৰুদ্ধাৰ কৰিবলৈ চৰকাৰক পদক্ষেপ গ্ৰহণ কৰিবলৈ সত্ৰৰ ভূমি জৰীপ আৰু ৰাজহুৱা শুনানি আয়োগক দাবী জনাইছে নগাঁৱৰ ৰাইজে। স্মৰ্তব্য যে ৰামপুৰ সত্ৰৰ মুঠ ৫৮৪ বিঘা মাটি আছিল। এতিয়া এই সমূহ ভূমিয়েই বেদখলকাৰীৰ কৱলত। সম্প্ৰতি ৰামপুৰ সত্ৰৰ কোনো অস্তিত্বই বিচাৰি পাবলৈ নাই যদিও ঠাই ডোখৰৰ নাম চৰকাৰী নথিত এতিয়াও ৰামপুৰ সত্ৰয়েই হৈ আছে। সেই স্থানত এতিয়া এঘৰো হিন্দু ধৰ্মাৱলম্বী লোক নাই। একাংশ গৱেষকে প্ৰকাশ কৰা তথ্য অনুসৰি 'বৰদোৱা থান উদ্ধাৰৰ ১৪৩ বছৰৰ পাছত ১৭৯৭ত বৰদোৱা দুভাগত বিভক্ত হয়। এভাগ নৰোৱা সত্ৰ আৰু আনভাগ শলগুৰি সত্ৰ। দামোদৰদেৱৰ উপৰিপুৰুষ ৰামদেৱে বৰদোৱাৰ উপৰি বৰদোৱাৰ পাৰ্শ্বৱৰ্তী ৰামপুৰত সত্ৰ স্থাপন কৰিছিল। তামৰ ফলিত উল্লেখ থকা অনুসৰি স্বৰ্গদেউ লক্ষীসিংহই ১৭৯৩শকৰ ১৮মাঘত ৰামদেৱক ভূমি দান কৰিছিল। বৰদোৱাৰ শ্ৰীশ্ৰী নৰোৱা সত্ৰৰ ৰামদেৱ আতা সুদূৰ লখিমপুৰৰ ঢকুৱাখানাৰ পৰা আহিছিল। তেওঁ ৰামপুৰত সত্ৰ স্থাপনৰ সময়ত বৰদোৱাৰো অধিকাৰ আছিল। পৰৱৰ্তীকালত বিভিন্ন কাৰণত ৰামপুৰ সত্ৰৰ স্থিতিত জটিলতা আহিছিল। তাৰ ভিতৰত মহামাৰী আৰু এক বিশেষ সম্প্ৰদায়ৰ লোকৰ আগ্ৰাসনেই প্ৰধান। এইবোৰ কাৰণতে ৰামপুৰ সত্ৰৰ লোকসকলে গৈ বালিসত্ৰৰ কাষৰ ৰামপুৰীয়া গাঁৱত বহেগৈ। আন একাংশ গৱেষকৰ মতে, ১৭৯৭ত বটদ্ৰৱাৰ নৰোৱা সত্ৰৰ ৰামদেৱ আতাই ৰামপুৰ সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ১৯৬০ত ৰামপুৰ সত্ৰত কলেৰা, হাইজা মহামাৰীয়ে দেখা দিয়ে। ফলত ৰামপুৰ সত্ৰৰ মানুহখিনি তাৰ পৰা আঁতৰি যায়। ৰামপুৰ সত্ৰৰ ৰাইজে সেই স্থান ত্যাগ কৰিলেও সত্ৰৰ ভেটিটো ১৯৭০চন মানলৈকে আছিল। স্মৰ্তব্য যে মহামাৰী আৰু অন্য কাৰণত ৰামপুৰ সত্ৰৰ ৰাইজে সেই স্থান সামূহিকভাৱে ত্যাগ কৰিলেও বহু বছৰলৈকে ৰামপুৰ সত্ৰৰ ২৯৭বিঘা বিশাল ভূখণ্ড পৰিত্যক্ত অৱস্থাতে আছিল। বিভিন্ন দল-সংগঠনে দাবী কৰা অনুসৰি ৰামপুৰ সত্ৰৰ ৰাইজে ৰামপুৰ ত্যাগ কৰাৰ পাছত পৰিত্যক্ত হোৱা ৫৮৪বিঘা মাটি বেদখলকাৰীৰ কৱলত আছে। স্মৰ্তব্য যে কায়স্থ সমাজৰ ইতিবৃত্ততো ৰামদেৱেই ৰামপুৰ সত্ৰ স্থাপন কৰাৰ কথা উল্লেখ আছে। আনহাতে, আন একাংশ লোকে এই ৰামপুৰ সত্ৰতেই মহেন্দ্ৰ কন্দলিৰ টোল থকা বুলি দাবী কৰে। উল্লেখ্য যে ৰামপুৰ সত্ৰক পুনৰুদ্ধাৰ কৰিবলৈ নৰোৱা সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ পূৰ্ণ চন্দ্ৰ দেৱগোস্বামী, বালিসত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ ভাৰত চন্দ্ৰ গোস্বামীয়ে আপ্ৰাণ চেষ্টা কৰিও সফল হ'ব নোৱাৰিলে। জানিব পৰা মতে, আশীৰ দশকত ভাৰত চন্দ্ৰ দেৱ গোস্বামীক সভাপতিৰূপে লৈ ৰামপুৰ পুনৰুদ্ধাৰ সমিতি এখনো গঠন কৰা হৈছিল। সেই সমিতিখন তেতিয়াৰ নগাঁও জিলাৰ উপায়ুক্তজনক ৰামপুৰ সত্ৰৰ পুনৰুদ্ধাৰ আৰু সত্ৰৰ ভূমি বেদখল মুক্ত কৰাৰ বাবে সজোৰে দাবী উত্থাপন কৰি আহিছিল যদিও ৰাজনৈতিক হস্তক্ষেপত উপায়ুক্তই কোনো পদক্ষেপ গ্ৰহণ কৰিব পৰা নাছিল। এতিয়া নগাঁও জিলাৰ ৰামপুৰ সত্ৰ এতিয়া এক ইতিহাস। শেহতীয়াকৈ ৰাজ্যৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখন ৰাজ্যখনৰ সত্ৰসমূহৰ ভূমি জৰীপ আৰু ৰাজহুৱা শুনানি আয়োগ গঠন কৰি দিছে। এই আয়োগৰ সদস্য নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাও। প্ৰদীপ হাজৰিকা, মৃণাল শইকীয়া আৰু ৰূপক শৰ্মাক লৈ গঠিত এই তিনিজনীয়া আয়োগক কালি বটদ্ৰৱা পৰিদৰ্শনৰ সময়ত বটদ্ৰৱাৰ ৰাইজে বেদখলকাৰীৰ কৱলত পৰি নিশ্চিহ্ন হৈ যোৱা ইতিহাস প্ৰসিদ্ধ ৰামপুৰ সত্ৰখন পুনৰুদ্ধাৰ কৰিবলৈ দাবী জনায়।

# মানাহৰ গাখীৰৰে উৎপাদন সৰভোগৰ

*তিনি পৃষ্ঠাৰ পৰা* সুকীয়া নাম। অৱশ্যে এই দৈৰ বাবে প্ৰয়োজনীয় গাখীৰৰ উৎপাদন হয় মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি কাষৰীয়া বাগ্‌সাৰ শালবাৰীৰ খাৰিজা বিজনীৰ কাহিতামা, চুক্ৰুংবাৰী, ছামথায়বাৰী আদিত। অঞ্চলসমূহৰ গৰু আৰু ম'হৰ বাথানত উৎপাদিত বৃহৎ পৰিমাণৰ গাখীৰ লৈ যোৱা হয় কাষৰীয়া সৰভোগলৈ। তাতেই এই উৎকৃষ্ট গাখীৰৰ পৰা উৎপাদন কৰা হয় এঠা জাতীয় আৰু সোৱাদযুক্ত দৈৰ। বিশেষ ঘাঁহৰ বাবেই এই অঞ্চলৰ গৰু-ম'হৰ গাখীৰ অতি উৎকৃষ্ট মানৰ হয় বুলি জানিবলৈ দিয়ে বাথানৰ গৰাকীয়ে। মানাহৰ গাতে লাগি থকা বহুকেইটা গৰু-ম'হৰ বাথানৰ গাখীৰ অকল সমীপৱৰ্তী সৰভোগলৈ বুলি নহয় ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰলৈ ৰপ্তানি হয় বুলিও জানিবলৈ দিয়ে বাথানৰ মালিকসকলে।

# অন্ধ্ৰ প্ৰদেশৰ দ্বীপৰ পৰা উদ্ধাৰ

*তিনি পৃষ্ঠাৰ পৰা* ৰাজিবুল ইছলাম আৰু ইনামুল হুছেইন নামৰ শ্ৰমিক কেইজন কামৰ সন্ধানত কেৰালালৈ গৈছিল। কেৰালাত উপযুক্ত মজুৰি নোপোৱাত চেন্নাইলৈ যায় শ্ৰমিক কেইজন; কিন্তু চেন্নাই পোৱাৰ পাছতে এটা চক্ৰই ভাল মজুৰিৰ কামৰ প্ৰলোভন দি শ্ৰমিক কেইজনক অন্ধ্ৰপ্ৰদেশলৈ নিয়ে। তাতেই চক্ৰটোৱে আন এটা চক্ৰৰ হাতত শ্ৰমিক কেইজনক চমজাই দিয়ে। দুই-তিনি দিন বিলাসী হোটেলত ৰাখি কামৰ বাবে নি অন্ধ্ৰ প্ৰদেশৰ কুনাল জিলাৰ মুচামাৰী থানাৰ অন্তৰ্গত মুৰাভাকণ্ড দ্বীপলৈ স্থানান্তৰ কৰে। শ্ৰমিক কেইজনে নিশ্চিত বিপদৰ উমান পাই আহিব বিচৰাত তেওঁলোকক ক্ৰয় কৰি নিয়া বুলি কৈ মাছ মৰা কামত লগায় আৰু হাতৰ ম'বাইলকে ধৰি কাপোৰ কানি পৰ্যন্ত জব্দ কৰে। কৃষ্ণা নদীৰ প্ৰকাণ্ড দ্বীপৰ মাজত আৱদ্ধ কৰি মাছ ধৰা কামত নিয়োজিত অৱস্থাত বাকিৰ নামৰ শ্ৰমিকজনে গোপনে ৰখা ম'বাইলৰ পৰা পৰিয়ালৰ লোকক ঘটনা সম্পৰ্কে জনায়। খবৰ পোৱা মাত্ৰকে আবদ্ধ হৈ থকা যুৱককেইজনৰ পিতৃ-মাতৃয়ে বৰছলা আৰক্ষী চকীত জনোৱাৰ লগতে লাহৰীঘাটৰ বিধায়ক আচিফ নাজাৰকো জনাই যদিও কোনো ফল নধৰিলে। উপায়বিহীন হৈ আবদ্ধ হৈ থকা শ্ৰমিক কেইজনৰ পৰিয়ালৰ লোকে লাহৰীঘাটৰ স্থানীয় সংবাদকৰ্মী আফতাপ হুছেইনৰ লগত যোগাযোগ কৰাত তেওঁ মৰিগাঁও জিলা আৰক্ষী অধীক্ষক অৰ্পনা নটৰাজনক অৱগত কৰে। মৰিগাঁও আৰক্ষীয়ে অন্ধ্ৰৰ আৰক্ষীৰ স'তে যোগাযোগ কৰে আৰু আফতাপ হুছেইনসহ লাহৰীঘাট থানাৰ অন্তৰ্গত দোৱামাৰী গাঁৱৰ মজিবুৰ ৰহমান আৰু ছফিকুল ইছলাম চাৰি জানুৱাৰীত অন্ধ্ৰপ্ৰদেশলৈ ৰাওনা হয়। আনহাতে, ঘটনাটো জানি নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে অন্ধ্ৰপ্ৰদেশৰ আমলাপুৰাম সমষ্টিৰ সাংসদ চিনেটা অনুৰাধাৰ লগত যোগাযোগ কৰে। শাসকীয় দলৰ সাংসদজনে আৰক্ষীৰ লগত যোগাযোগ কৰি শ্ৰমিককেইজনক উদ্ধাৰৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। অৱশেষত শনিবৰে কৃষ্ণা নদীৰ মুৰাভাকণ্ড দ্বীপৰ পৰা আটাইকেইজন শ্ৰমিকক উদ্ধাৰ কৰিবলৈ সক্ষম হয় অন্ধ্ৰৰ আৰক্ষী। সোমবাৰে নিশা আটাইকেইজন শ্ৰমিক নিজা বাসগৃহ পোৱা মাত্ৰকে কান্দোনত ভাঙি পৰে।

# অসম জাতীয় পৰিষদৰ পৰা আহি

*তিনি পৃষ্ঠাৰ পৰা* জিলাৰ কৃষক শক্তিৰ সাংগঠনিক সম্পাদক প্ৰবীণ চাউদাং, ধাদুমীয়া পঞ্চায়তৰ সভাপতি দিলীপ দাস আৰু বৰবাম পঞ্চায়তৰ সভাপতি তুখেশ্বৰ গগৈয়ে বিজেপিত যোগদান কৰে। ন-বিজেপি বিদ্যুৎ বিকাশ গগৈয়ে দলত যোগদান কৰি কয় যে বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম জাতীয় পৰিষদৰ তৰফৰ পৰা নাহৰকটীয়াবাসী ৰাইজক বহুকেইটা প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছিল; কিন্তু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা অসম জাতীয় পৰিষদৰ সভাপতি তথা নাহৰকটীয়া সমষ্টিৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে নাহৰকটীয়াৰ বিজেপিৰ প্ৰাৰ্থী তৰংগ গগৈৰ হাতত বিপুল ভোটত পৰাজিত হোৱাৰ লগতে অসম জাতীয় পৰিষদে বিধানসভা নিৰ্বাচনত এখনো আসন লাভ কৰিবলৈ সক্ষম নহ'ল। সেয়েহে সমষ্টিবাসীক দিয়া প্ৰতিশ্ৰুতি পূৰণৰ বাবে বিজেপিত যোগদান কৰে বুলি সাংবাদিকৰ আগত জানিবলৈ দিয়ে। আনহাতে, অসম জাতীয় পৰিষদৰ ভেটিত ব্যাপক খহনীয়া কৰি পৰৱৰ্তী সময়ত দলটোৰ শতাধিক কৰ্মীয়ে বিজেপিত যোগদান কৰিব বুলিও তেওঁলোকে অৱগত কৰে। ইফালে, অসম জাতীয় পৰিষদৰ জিলা আৰু পঞ্চায়ত পৰ্যায়ৰ নেতাই বিজেপিত যোগদান কৰাত দলটো অধিক শক্তিশালী হ'ব বুলি আত্মবিশ্বাসী বিধায়ক গগৈ। এই যোগদান কাৰ্যসূচীত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক উজ্জ্বল কাশ্যপ, বিজেপি ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি জগদীশ ৰাজকোঁৱৰ, নাহৰকটীয়া মণ্ডলৰ সভাপতি গকুল বৰা, জয়পুৰ মণ্ডলৰ সভাপতি মৃদুল কলিতা, অসম গেছ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ উপস্থিত থাকে।

# বহিঃৰাজ্যত বন্দী হৈ থকা আলফাক

*তিনি পৃষ্ঠাৰ পৰা* আনহাতে, আত্মসমৰ্পণৰ বাবে মূলসুঁতিলৈ বুলি ম্যানমাৰৰ পৰা উভতি আহি অৰুণাচল, নগালেণ্ড আৰু অসমত নাটকীয় ৰূপত ধৃত, সদস্যসকলৰ নিৰ্দিষ্ট ৰাজ্যসমূহত চলি থকা মোকৰ্দমাসমূহ নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰি উক্ত সদস্যসকলক অসম চৰকাৰৰ গৃহ বিভাগৰ আনুষ্ঠানিক প্ৰক্ৰিয়াৰ জৰিয়তে আত্মসমৰ্পণ কৰাই নিৰ্দিষ্ট চৰকাৰী প্ৰাপ্য সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। প্ৰাক্তন আলফা(স্বাঃ) সদস্যসকলৰ অধিকাংশই কৰ্মসংস্থাপনহীন হৈ দুখ-দুৰ্দশাত সময় অতিবাহিত কৰিবলগীয়া হৈছে। প্ৰাক্তন সদস্যসকলক জিলাভিত্তিক বা ৰাজ্যিক কৰ্মশালাৰ জৰিয়তে অসম চৰকাৰৰ দ্বাৰা প্ৰায়োগিক বিভিন্ন বিভাগীয় আঁচনিবোৰত সংস্থাপনৰ ব্যৱস্থা কৰা, অসমৰ কে'বাখনো জিলা বিশেষকৈ শীতকালীন খেতিৰ বাবে উপযোগী বৃহৎ পৰিমাণৰ কৃষিভূমি পৰিত্যক্ত হৈ আছে। সেই কৃষিভূমিত বিভিন্ন খাদ্য শস্যৰ লগতে শাক-পাচলি, ফলমূল ইত্যাদি উৎপাদন কৰি ৰাজ্যখনৰ কৃষি উদ্যোগক উন্নত কৰি তোলাত আত্মনিয়োগ হোৱাৰ বাবে চৰকাৰৰ সহযোগিতা বিচাৰিছে। বৰ্তমান চৰকাৰৰ কৃষি বিভাগে অসমৰ কৃষিক্ষেত্ৰৰ সৰ্বাংগীণ বিকাশৰ বাবে আগবঢ়োৱা সা-সুবিধাবোৰ গ্ৰহণ কৰি সঠিক পদ্ধতিৰে কৃষিকাৰ্যত আত্মনিয়োগৰ সুযোগ প্ৰদান কৰিবলৈ সংবাদমেলৰ জৰিয়তে দাবী জনায়। অসমৰ কৃষকে স্থানীয়ভাৱে উৎপাদন কৰা খাদ্য সামগ্ৰীৰ লগতে হাতেৰে নিৰ্মাণ কৰা বিভিন্ন ব্যৱহাৰ্য সামগ্ৰী (ডলা, চালনী, জাকৈ, ভুলুকী আদি) বিক্ৰী কৰিব পৰাকৈ প্ৰত্যেকখন জিলাৰ সদৰত একোখনকৈ ক্ষুদ্ৰ বজাৰ স্থাপন কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী ভূমিকা পালন কৰিবলৈ অনুমতি প্ৰদান, অইল, অ'এনজিচিকে আদি কৰি অসমৰ ভূমিত প্ৰতিষ্ঠিত অন্যান্য সমূহ ৰাজহুৱা প্ৰতিষ্ঠানত কৰ্মচাৰী নিয়োগৰ ক্ষেত্ৰত থলুৱা খিলঞ্জীয়া লোকৰ বাবে ৮০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা, অসমৰ বানপানী সমস্যাক অতিশীঘ্ৰে ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰি ইয়াৰ স্থায়ী সমাধানৰ ব্যৱস্থা কৰা, কাৰাগাৰত বন্দী হৈ থকা আলফাৰ বিষয়া, সদস্যসকলক বিনাচৰ্তে মুকলি কৰি দিয়া, বিভিন্ন থানাত ৰুজু হৈ থকা আত্মসমৰ্পণ কৰা সদস্যসকলৰ গোচৰ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাকে ধৰি সংবাদমেলৰ জৰিয়তে কে'বাটাও দাবী উত্থাপন কৰে।

# ভোগালীৰ বাবে সাজু গৰুখুঁটিৰ গীৰ গাইৰ

*তিনি পৃষ্ঠাৰ পৰা* জীয়ৰী-বোৱাৰীসকল। গাঁও অঞ্চলত ঢেঁকীৰ মাতে ভোগালীৰ বতৰা কঢ়িয়াই অনাৰ সমান্তৰালকৈ নগৰ অঞ্চলৰ ৰাইজো পিছপৰি থকা নাই। এইকেইদিন মঙলদৈৰ বজাৰত উথৈনদী হৈ পৰিছে স্থানীয় নাৰিকল, কেৰালিয়ান নাৰিকল, মাটিমাহ, তিল, জহা চাউল, বৰা চাউল, গুৰ, চুৰা, চিৰা, মুৰী, দৈ, গাখীৰ বিভিন্ন পিঠা-পনা আদি। খাদ্য-সামগ্ৰীৰ মূল্য পূৰ্বৰ তুলনাত কিছু বৃদ্ধি পালেও ৰাইজ পিছপৰি থকা নাই। চুঙাপিঠাৰ বাবে প্ৰয়োজনীয় বাঁহৰ চুঙাও এতিয়া মঙলদৈৰ বজাৰত সহজলভ্য। দৰং জিলাৰ বিভিন্ন অঞ্চলত এতিয়া পূৰ্ণ গতিত চলিছে ভেলাঘৰ নিৰ্মাণৰ কাম। দৰং জিলাৰ ছিপাঝাৰৰ গোপালপুৰ গাঁৱত এইবেলি স্থানীয় ৰাইজে ৰংঘৰৰ আৰ্হিত ভেলাঘৰ নিৰ্মাণ কৰাত দিনে নিশাই ব্যস্ত হৈ পৰিছে। এইকেইদিন গোপালপুৰ গাঁৱৰ যুৱক-যুৱতী, জীয়ৰী-বোৱাৰী, বৃদ্ধ-বৃদ্ধাৰ মাজত তত নাইকিয়া হৈছে। সকলোৱে ব্যস্ত ভেলাঘৰ নিৰ্মাণৰ কামত। ৰংঘৰৰ আৰ্হিত ভেলাঘৰ নিৰ্মাণৰ কাম পূৰ্ণ গতিত চলি আছে। গাঁৱৰ জীয়ৰী-বোৱাৰীসকলে নৰা কাটি, কঢ়িয়াই আনি সহায় কৰাৰ লগতে ভেলাঘৰ নিৰ্মাণত প্ৰয়োজনীয় বাঁহ-বেতৰ কামত সহযোগিতা আগবঢ়াইছে গাঁৱৰ বয়সস্থ লোকসকলে। আনহাতে, দৰং জিলাৰ সীমান্তৱৰ্তী অদলাত স্থানীয় ৰাইজে কে'বামহলীয়া অট্টালিকাৰ আৰ্হিত ভেলাঘৰ সাজি সকলোৰে দৃষ্টি আকৰ্ষণ কৰা পৰিলক্ষিত হৈছে।

### মঙলদৈৰ বজাৰত এটা খাহী ছাগলীৰ মূল্য হ'লগৈ ৪০ হেজাৰ টকা

ভোগালী বিহুৰ প্ৰাক্‌মুহূৰ্তত মঙলদৈৰ বজাৰত এটা খাহী ছাগলীৰ মূল্য উঠিল ৪০ হেজাৰ টকা। ভোগালী বিহুৰ উৰুকাৰ নিশা লগে-ভাগে এসাঁজ খোৱাৰ উদ্দেশ্যে মঙলদৈৰ এখন বজাৰত খাহী ছাগলী কিনিবলৈ গৈ ছাগলীৰ মূল্য শুনি হতবাক হৈ মূৰে-কপালে হাত দিবলগীয়া হৈছে যুৱকৰ দল এটাই।

### দৰঙত ভোগালীৰ বাবে সাজু গৰুখুঁটি কৃষি প্ৰকল্পৰ ১০ কুইন্টল দৈ

আগন্তুক ভোগালী বিহুৰ 'দৈ'ৰ বজাৰ দখলৰ চেষ্টা ছিপাঝাৰ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ চৰকাৰী গো-শালাৰ উৎপাদিত দৈৰ। গুজৰাটৰ পৰা অনা ১০৮ জনী গীৰ গাইৰ বিগত এমাহৰ ভিতৰত ইয়াৰে ৩১ জনী গাইৰ জগিছে পোৱালি। প্ৰকল্পটোত বৰ্তমান ২৪জনী গীৰ গাইৰ পৰা নিতৌ উৎপাদন হৈছে প্ৰায় ১৭০ লিটাৰকৈ গাখীৰ। এই গাখীৰেৰে ইতিমধ্যে ১০ কুইন্টল দৈ বিক্ৰীৰ বাবে সাজু কৰি তোলা হৈছে। বাঁহৰ চুঙা দৈ আৰু টেকেলি সাজু কৰি ৰখা হৈছে। বাঁহৰ চুঙা দৈ প্ৰতি লিটাৰত ১৮০ টকাৰ পৰা ২০০ টকা আৰু টেকেলি দৈ প্ৰতি লিটাৰত ১৬০ টকা নিৰ্ধাৰণ কৰা হৈছে। আনহাতে, গুৱাহাটীৰ খানাপাৰাৰ ভোগালী মেলাত এই প্ৰকল্পৰ পৰা বিক্ৰীৰ বাবে ৪০০ টেকেলি আৰু ৩০০ বাঁহৰ চুঙাৰ দৈ সাজু কৰি ৰখা হৈছে। ইয়াৰ বাহিৰেও কৃষি প্ৰকল্পত উৎপাদিত মাটিমাহ, তিল, দাইল, সৰিয়হ আদিৰ লগতে বিভিন্ন শাক-পাচলি বজাৰত উপলব্ধ হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# বোকাজানত ১০ কোটি টকাৰ ড্ৰাগ্‌ছ জব্দ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**বকলীয়াঘাট/বোকাজান,১১ জানুৱাৰী ঃ** আৰক্ষীৰ কঠোৰ ভূমিকাৰ মাজতে ৰাজ্যত অব্যাহত আছে ড্ৰাগ্‌ছ সৰবৰাহ। আজি পুনৰ কাৰ্বি আংলঙত জব্দ হ'ল বিপুল পৰিমাণৰ ড্ৰাগ্‌ছ। বোকাজান মহকুমাৰ ডিলাই আৰক্ষী থানাৰ অন্তৰ্গত পুৰণা লাহৰীজানত আৰক্ষীয়ে এই ড্ৰাগ্‌ছ জব্দ কৰিবলৈ সক্ষম হয়। লগতে ড্ৰাগ্‌ছ সৰবৰাহ কৰা এজন ট্ৰাকচালককো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, আজি পুৱা প্ৰায় ছয় বজাত লাহৰীজান টহলদাৰী চকীৰ সন্মুখত আৰক্ষীয়ে এক তালাচী অভিযান চলায়। এই তালাচীৰ সময়তে মণিপুৰৰ ইম্ফলৰ পৰা অহা এন এল-০১ এ এ-৫৮৪০ নম্বৰৰ ট্ৰাকখনৰ পৰা প্লাষ্টিকেৰে মেৰিয়াই অনা ১১০টা চাবোনৰ বাকচত বিপুল পৰিমাণৰ নিষিদ্ধ হেৰ'ইন উদ্ধাৰ হয়। লগে লগে আৰক্ষীয়ে ড্ৰাগ্‌ছসহ ট্ৰাকখন জব্দ কৰে। জব্দকৃত ড্ৰাগ্‌ছৰ ওজন ১.৫ কেজি আৰু ইয়াৰ আন্তৰ্জাতিক বজাৰমূল্য প্ৰায় ১০ কোটি টকা হ'ব বুলি আৰক্ষীয়ে জনায়। আৰক্ষীয়ে লগতে ট্ৰাকখনৰ চালক তথা মণিপুৰৰ কাংপেই জিলাৰ নিবাসী দীপক ছেত্ৰী (২৬)ক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে। প্ৰাথমিক তদন্তত ড্ৰাগ্‌ছখিনি গুৱাহাটীলৈ সৰবৰাহ কৰা বুলি আৰক্ষী সূত্ৰই জনাইছে।

# তেজপুৰৰ বিহগুৰিত পথ দুৰ্ঘটনা ঃ হতাহত দুজন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১১ জানুৱাৰী ঃ** আজি দিনৰ ১২-৪৫ বজাত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনাত এজন যুৱক দুৰ্ঘটনাস্থলীতে নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হৈছে। আৰক্ষী সূত্ৰে জানিব পৰা অনুসৰি, তেজপুৰৰ নিকটৱৰ্তী বিহগুৰিত সংঘটিত হয় এই লোমহৰ্ষক দুৰ্ঘটনাটো। পুঠিমাৰী শিৱ মন্দিৰ অঞ্চলৰ পংকজ গোৱালা (২৪) আৰু পুঠিমাৰীৰে চন্দন দাস এখন গ্লেমাৰ মটৰ চাইকেলেৰে তেজপুৰ অভিমুখে আহি থকা সময়ত বিহগুৰিৰ চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত এখন মেক্সিমোৰে মুখামুখি সংঘৰ্ষ হয়। মটৰ চাইকেলৰ সন্মুখত হঠাতে এজন চাইকেল আৰোহী আহি পৰাত তেওঁক বচাবলৈ গৈ মটৰ চাইকেলখনৰ মেক্সিমো বাহনখনৰে সংঘৰ্ষ হয়। চালকসহ আৰোহী দুজন গাড়ীখনৰ তলত সোমাই পৰে। এই শোকাবহ দুৰ্ঘটনাত পংকজৰ থিতাতে মৃত্যু হয়। উল্লেখ্য যে আজি বিদ্যালয়খনত আয়োজিত প্ৰাক ভোগালী উৎসৱৰ আনন্দ উল্লাসৰ মাজতে বিদ্যালয়খনৰ সন্মুখত সংঘটিত দুৰ্ঘটনাই শোকৰ ছাঁ পেলায়। ইফালে, দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হোৱা চন্দন চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ তথা ছাত্ৰ সংসদৰ সম্পাদক আছিল। আহত চন্দনক ততাতৈয়াকৈ তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হয় যদিও পাছত তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে।

# নাবালিকাক যৌন নিপীড়ন সৰৱ প্ৰগতিশীল নাৰী সন্থাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১১ জানুৱাৰী ঃ** সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও জিলা সমিতিৰ সভানেত্ৰী আৰু সম্পাদিকা ক্ৰমে পৰী কুমাৰী বৰুৱা আৰু আয়েফা বেগমে এক বিবৃতিৰ জৰিয়তে জনায় যে বটদ্ৰৱা বিধানসভা সমষ্টিৰ জাজৰি থানাৰ অন্তৰ্গত বগৰিগুৰি লালুংগাঁৱত এগৰাকী ১০ বছৰীয়া নাবালিকাক বহুদিন ধৰি যৌন নিৰ্যাতন চলাই অহা ঘটনা পোহৰলৈ আহিছে। এই ঘটনা সন্দৰ্ভত জাজৰি আৰক্ষী থানাত নাবালিকাগৰাকীৰ মাতৃয়ে উক্ত গাঁৱৰে প্ৰায় ২৭-২৮ বছৰীয়া যুৱক নকুল দেউৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এই সন্দৰ্ভত জাজৰি থানাত ৫/২২ নম্বৰত এক গোচৰ পঞ্জীয়ন হয়। প্ৰগতিশীল নাৰী সন্থাৰ বগৰিগুৰি শাখাৰ তথা দলংঘাট ব্লক সমিতিৰ নেত্ৰী উমা পাটৰ, সীমা বৰদলৈ আৰু জ্যোস্না বেগমৰ তৎপৰতাত যোৱা ১০ জানুৱাৰীত অভিযুক্ত নকুল দেউৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে বুলি সন্থাৰ জিলাৰ নেত্ৰী দুগৰাকীয়ে বিবৃতিটোত উল্লেখ কৰে। সন্থাই এই অঞ্চলটোত সঘনাই ঘটি থকা এনে ধৰ্ষণৰ ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰি ইয়াৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সদৰী কৰে। লগতে অভিযুক্ত নকুলৰ বিচাৰৰ ৰায় নোহোৱা পৰ্যন্ত কাৰাগাৰত বন্দী কৰি ৰখাৰ দাবীৰ লগতে এই গোচৰ দ্ৰুত আদালতত বিচাৰ কৰাৰ দাবীত গণ স্বাক্ষৰ সংগ্ৰহ কৰিব বুলিও বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে।

# নলবাৰীৰ নালন্দা পাব্লিক স্কুলত

*তিনি পৃষ্ঠাৰ পৰা* ৰখাৰ ব্যৱস্থা কৰিছে। স্বাস্থ্য বিভাগে সদৰী কৰা অনুসৰি ইতিমধ্যে বিদ্যালয়খনক কণ্টেইনমেণ্ট জ'ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। গুৰুত্বপূৰ্ণ কথা যে আক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলৰ দেহত কৰ'নাৰ কোনো লক্ষণ নাছিল। ইফালে, নলবাৰী ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ ক'ভিড চিকিৎসালয়খন এইবাৰ সুচল হৈ নথকাত জিলাখনৰ আক্ৰান্ত দুই-এজন ৰোগীক গুৱাহাটীলৈ প্ৰেৰণ কৰিবলগীয়া হোৱাত ৰোগী আৰু অভিভাৱকসকল চিন্তিত হ'বলগীয়া হৈছে।

# সংবিধানৰ নিয়ম উলংঘাৰে

*তিনি পৃষ্ঠাৰ পৰা* সংবিধান উলংঘা কৰি এইকেইজন লোকক পৰিষদৰ তৰফৰ পৰা পঠিওৱা জ্যেষ্ঠ পৰ্যবেক্ষকৰ উপস্থিতিতে আঞ্চলিক সমিতিৰ গুৰুত্বপূৰ্ণ বিষয়বাব প্ৰদান কৰা হৈছে। আনকি এনে অনিয়মৰ সন্দৰ্ভত সভাত উপস্থিত দুজনমান কৰ্মচাৰীয়ে সংবিধানৰ কথা উল্লেখ কৰিছিল যদিও ৰহস্যজনকভাৱে জ্যেষ্ঠ পৰ্যবেক্ষকজনে বিষয়টোত গুৰুত্ব নিদি সভাত উপস্থিত থকা লোকসকলে বিষয়টো ঠেলি দিয়ে বুলি জানিব পৰা গৈছে। ইতিমধ্যে এই সন্দৰ্ভত ৰহা আঞ্চলিক সমিতিৰ এজন জ্যেষ্ঠ বিষয়ববীয়াই পৰিষদৰ কেন্দ্ৰীয় সমিতিক বিষয়টো মৌখিকভাৱে অৱগত কৰিছে বুলি জানিব পৰা গৈছে। ইফালে, নতুন সমিতিখনত সভাপতিজনে উক্ত পদত নিয়োজিত হোৱাৰ বাবেই অধিবেশনখন নিজৰ বিদ্যালয়ত অনুষ্ঠিত কৰাৰ বিপৰীতে সমিতি গঠনৰ সভাখনত নিজৰ বিদ্যালয়ৰ লগতে বাকী কেইখনমান বিদ্যালয়ৰ শিক্ষকসকলহে উপস্থিত থাকে যদিও বৃহত্তৰ আঞ্চলিকখনৰ অঞ্চলধীন বিভিন্ন বিভাগৰ কৰ্মচাৰীসকল উপস্থিত নথকাৰ আন এক অভিযোগ উঠিছে। উল্লেখ্য যে কৰ্মচাৰী পৰিষদৰ ভাৰপ্ৰাপ্ত সম্পাদক প্ৰধান শ্যামন্ত দাসৰ গৃহ জিলাৰ আঞ্চলিক সমিতি গঠনত একমাত্ৰ ক্ষমতাৰ লোভতে এনেদৰে পৰিষদৰ সংবিধান উলংঘা কৰা বিষয়টোয়ে সচেতন মহলক স্তম্ভিত কৰি তুলিছে । দাসৰ ভূমিকাকো সমালোচনা কৰিছে একাংশ কৰ্মচাৰীয়ে।

# আমেৰিকা যুক্তৰাষ্ট্ৰত গৱেষক বিজ্ঞানী হিচাপে নিযুক্ত দেওমৰনৈৰ ড° জুৰিটি ৰাজবংশী

অগ্ৰদূত বাৰ্তা



**দেওমৰনৈ, ১১ জানুৱাৰী ঃ** দৰং জিলাৰ দেওমৰনৈৰ নিকটৱৰ্তী পাতিদৰং গাঁও নিবাসী ড° জুৰিটি ৰাজবংশী আমেৰিকা যুক্তৰাষ্ট্ৰত গৱেষক বিজ্ঞানী হিচাপে যোগদান কৰাত উৎফুল্লিত হৈ পৰিছে দৰং জিলাবাসী। দৰঙৰ ভিতৰুৱা গাঁৱৰ কৃষক পিতৃ বসুন্ধৰ ৰাজবংশী আৰু মাতৃ সব্যা ডেকাই জুৰিটিৰ শিক্ষা লাভৰ বাবে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হৈছিল। আৰ্থিক দিশত পিতৃ মাতৃৰ অশেষ কষ্ট আৰু ছাত্ৰীগৰাকীৰ একানপটীয়া অধ্যয়নৰ সাফল্যত ৰাইজে আনন্দ প্ৰকাশ কৰিছে। পাতিদৰং প্ৰাথমিক বিদ্যালয়ৰ পৰা শিক্ষা জীৱনৰ পাতনি মেলা জুৰিটিয়ে হাইস্কুলীয়া শিক্ষা লেঙেৰীয়াঝাৰ কৃষক হাইস্কুলত, উচ্চতৰ মাধ্যমিক শিক্ষা মংলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু স্নাতক শিক্ষা মংলদৈ মহাবিদ্যালয়ত বিজ্ঞান শাখাত ৰসায়ন বিজ্ঞান বিভাগ গুৰু পাঠ্যক্ৰমৰূপে লৈ শিক্ষা লাভ কৰাৰ পাছত গুৱাহাটীৰ বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাতে জুৰিটিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাছনি পৰীক্ষাত অৱতীৰ্ণ হৈ কলকাতাৰ অন্যতম শৈক্ষিক প্ৰতিষ্ঠান এচ এন বছ নেচনেল চেণ্টাৰ ফৰ বেচিক ছাইন্সৰ অধ্যাপক ৰঞ্জিত বিশ্বাসৰ তত্বাৱধানত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। তাৰ পাছতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ লুছিয়ানা ৰাজ্যিক বিশ্ববিদ্যালয় ইউএছএৰ ৰসায়ন বিজ্ঞানৰ গৱেষক বিজ্ঞানীৰূপে যোগদান কৰে । জুৰিটিৰ এই সাফল্যত দৰং বাসীৰ লগতে দেওমৰনৈ তথা জন্ম গাঁও পাতিদৰং বাসী উৎফুল্লিত হৈছে। জুৰিটিৰ সাফল্যত ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° জ্ঞান জ্যোতি শৰ্মা, বিলাসীপাৰা বিদেশী ন্যায়াধিকৰণৰ সদস্য ন্যায়াধীশ ভুপেন শৰ্মা, গুৱাহাটী ক্ৰীড়া সন্থাৰ ক্ৰিকেট সম্পাদক প্ৰমোদ ৰাজবংশী, টিহু মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক হেমেন ৰাজবংশী, দেওমৰনৈ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ মতিৰাম শইকীয়া, সদৌ দৰং জিলা ছাত্ৰ সন্থা, দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থা, বৃহত্তৰ দেওমৰনৈ সাংবাদিক সন্থা, পাতিদৰং মিলন সেৱক সংস্কৃতি সংঘ আৰু পুথিভঁৰাল, , নৱজ্যোতি কলাকৃষ্টি সংঘ পাতিদৰং , বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আৰু দল সংগঠনৰ লগতে ব্যক্তি বিশেষে অভিনন্দন জ্ঞাপন কৰে।

# নলবাৰী জিলা সাহিত্য সভাৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১১ জানুৱাৰী ঃ** নলবাৰী জিলাত অসমীয়া ভাষা-সাহিত্য ত্বৰান্বিত কৰাৰ হেতুকে প্ৰতিষ্ঠিত নলবাৰী জিলা সাহিত্য সভাই আজি হিৰণ্ময় গৌৰৱ কীৰ্তনেৰে প্ৰতিষ্ঠাৰ ৩৫ সংখ্যক বৰ্ষৰ মাহেন্দ্ৰ ক্ষণত উপনীত হয়। সেয়ে আজি এই প্ৰতিষ্ঠা দিৱস বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে নলবাৰী জিলা সাহিত্য সভাৰ কাৰ্যালয় সুভদ্ৰা চৌধুৰী ভৱন প্ৰাংগণত পুৱা অসম সাহিত্য সভাৰ ৩৫খন পতাকা উত্তোলন কৰা হয়। অনুষ্ঠানৰ মূল পতাকাখন উত্তোলন কৰে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই পৰিচালনা কৰা এই অনুষ্ঠানত মূল পতাকা উত্তোলনৰ লগে লগে সভাৰ আন ৩৪খন পতাকা উত্তোলন কৰে ক্ৰমে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতা, নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি অতুল চন্দ্ৰ শৰ্মা, প্ৰাক্তন সভাপতি গোলক পাঠক, ৰমানাথ বৰুৱা, প্ৰাক্তন সম্পাদক লক্ষী পাটোৱাৰী, দীপক কুমাৰ ডেকা, বিশিষ্ট ভাস্কৰ্যশিল্পী যোগেন্দ্ৰনাথ শীল, চিত্ৰশিল্পী অবিনাশ মজুমদাৰ, বিশিষ্ট পুথি প্ৰকাশক সুৰেন্দ্ৰ চন্দ্ৰ বৈশ্য, সাহিত্যিক পেঞ্চন প্ৰাপক বিমলা দেৱী, সাহিত্যসেৱী বিপিন চন্দ্ৰ কলিতা, ডাঃ মকিবৰ ৰহমান, বীৰেন্দ্ৰনাথ শৰ্মা, গোকুল ডেকা, হৰিষচন্দ্ৰ বৈশ্য, ৰাজেন্দ্ৰনাথ শৰ্মা, খনীন্দ্ৰ চন্দ্ৰ নাথ, শুক্লেশ্বৰ মেধি, চাইফ উদ্দিন আহমেদ, ডাঃ প্ৰাণকান্ত ভট্টাচাৰ্য, পৰেশ চন্দ্ৰ বৰ্মন, ভৱেশ চন্দ্ৰ শৰ্মা, খদেজা বেগম, মোহন কলিতা, ৰিয়াজ উদ্দিন আহমেদ, প্ৰিয়নাথ বৰ্মন, মইনুল হক চৌধুৰী, দিলীপ কুমাৰ পাঠক, ননীগোপাল গোস্বামী, মজিবৰ ৰহমান, তিলক বৈশ্য প্ৰমুখ্যে ৩৫গৰাকী লোকে পতাকা উত্তোলন কৰে। পাছত স্মৃতি তৰ্পণ কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতাই। নলবাৰী জিলা সাহিত্য সভাৰ কাৰ্যালয়ৰ চোতালত স্থাপিত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক শৰৎচন্দ্ৰ গোস্বামীৰ আৱক্ষ মূৰ্তি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ত্ৰৈলোক্যনাথ গোস্বামীৰ আৱক্ষ মূৰ্তি আৰু শিক্ষাসেৱক মহেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ক্ৰমে নলবাৰী জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক নৰেশ্বৰ কলিতা, শ্বাহ আলম আহমেদ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড° উপমা বৰ্মন ডেকাই। ইয়াৰ পাছতে নন্দনতাত্ত্বিক ত্ৰৈলোক্যনাথ গোস্বামী পুথিভঁৰালত নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাৰ পৌৰোহিত্যত আয়োজিত মুকলি সভাত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতাই অসম সাহিত্য সভা আৰু নলবাৰী জিলা সাহিত্য সভাৰ সাম্প্ৰতিক স্থিতিৰ বিষয়ে কয়। নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা এই সভাত নবীন নাট্যকাৰ আজিজুৰ ৰহমানৰ এখন নাট্য সংকলন 'নাটঘৰ' উন্মোচন কৰে জনপ্ৰিয় নাট্যকাৰ তিলক বৈশ্যই। অসম সংগীত পৰিৱেশনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী সামৰা হয়।

# নৱ প্ৰজন্মই পুৰণি ইতিহাস, সংস্কৃতিক অৱহেলা নকৰিব

## মুক্তিযোদ্ধা গজেন্দ্ৰনাথ তহবিলদাৰৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন

বিশেষ সংবাদদাতা

**পাঠশালা, ১১ জানুৱাৰী ঃ** 'সম্প্ৰতি নৱ প্ৰজন্মই পুয়ণি ইতিহাসক,পুৰণি পৰম্পৰা সংস্কৃতিক অৱহেলা কৰা যেন অনুভৱ হৈছে। তেনেদৰে সমাজত মানৱীয় উপলব্ধিবোৰ হ্ৰাস হ'বলৈ ধৰিছে। কিন্তু আমাৰ গৌৰৱ পুৰণি ইতিহাস, সংস্কৃতিক অৱহেলা নকৰিব। সংস্কৃতি, পুৰণি গৌৰৱৰ ইতিহাসৰ জৰিয়তে নৱ প্ৰজন্মক আধ্যাত্মিকতা, নৈতিকতাপূৰ্ণ ব্যৱস্থালৈ আনিব লাগিব।' এইদৰে কয় বিশিষ্ট সাংবাদিক দিলীপ মহন্তই। আজি বজালী জিলাৰ নিত্যানন্দৰ তহবিলদাৰ চুবাৰ বাসুদেৱ গোসাঁই ঘৰ প্ৰাংগণত অনুষ্ঠিত প্ৰয়াত মুক্তিযোদ্ধা গজেন্দ্ৰনাথ তহবিলদাৰৰ জন্ম শতবাৰ্ষিকী আৰু স্মৃতি দিৱসৰ স্মৃতিচাৰণ সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত । মহন্তই তেওঁৰ ভাষণত কয় যে আমি আমাৰবোৰক বাদ দি অইনৰ গুণ- গৰিমাবোৰক লৈ ব্যস্ত হোৱাৰ বাবেই আমাৰবোৰ পাহৰণিৰ গৰ্ভলৈ যোৱাৰ উপক্ৰম হৈছে। আমাৰবোৰক লৈ আমি গৌৰৱ আৰু স্মৰণ কৰিব লাগিব।যেনেদৰে ভাৰতৰ স্বাধীনতা সংগ্ৰামী সকলৰ কৰ্মৰাজিয়ে তেওঁলোকক স্মৰণ কৰিবলৈ বাধ্য হৈছো। স্বাধীনতা সংগ্ৰামী তথা মুক্তিযোদ্ধা গজেন্দ্ৰনাথ তহবিলদাৰকো তেনেদৰেই আমি স্মৰণ কৰিবলৈ বাধ্য হৈছো। স্মৃতিচাৰণ সভাত মুখ্য অতিথিৰ ভাষণত বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে কয়, 'ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে ভাৰতীয় সমাজ - সংস্কৃতিক আগুৱাই থৈ গৈছে। ভাৰতবৰ্ষৰ লগতে বৰ অসমৰ ভিন্ন জাতি-জনগোষ্ঠীৰ মানুহৰ মাজত সামাজিক দায়বদ্ধতা, জাতীয় চেতনা, অৰ্থনৈতিক স্বাধীনতা, জাতীয় সংস্কৃতি আদিৰ ওপৰত জনতাৰ মন জাগ্ৰত কৰি থৈ গৈছে। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম আৰু মুক্তিযোদ্ধা সকলৰ ত্যাগৰ ইতিহাসক ভাৰতবৰ্ষৰ জনতাই জীয়াই ৰাখিব লাগিব।' মুক্তিযোদ্ধা গজেন্দ্ৰনাথ তহবিলদাৰে ভাৰতৰ স্বাধীনতা সংগ্ৰামত সততা, নিষ্ঠা, ত্যাগ, বীৰত্বৰে অংশগ্ৰহণ কৰি বৃহত্তৰ সমাজখনৰ সকলো দিশৰ উন্নয়ন আৰু শৃংখলাবদ্ধ সমাজ সৃষ্টিৰ বাবে যিবোৰ অৱদান আগবঢ়াই গ'ল, সেই ইতিহাসক জীয়াই ৰখাৰ দায়িত্ব অকল তহবিলদাৰ পৰিয়ালৰেই নহয়। সেই ইতিহাসক সামাজিকভাৱেও জীয়াই ৰখাৰ দায়িত্ব ল'ব লাগিব। বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে তেওঁৰ ভাষণত বৰ অসমক বিভাজন নকৰাকৈয়ো অসমৰ জনগোষ্ঠীয় সমস্যাবোৰ সমাধান কৰিব পাৰি।জাতি-জনগোষ্ঠীয় সমন্বয়েৰে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসক জীয়াই ৰাখিব লাগিব' বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। অৱসৰী কৃতী শিক্ষক জগদীশ চন্দ্ৰ চৌধুৰীয়ে আত ধৰা তথা পৰিচালনা কৰা আৰু আৰম্ভণিতে গজেন্দ্ৰনাথ তহবিলদাৰৰ কণিষ্ঠ পুত্ৰ ত্ৰিদিপ তহবিলদাৰে আদৰণি ভাষণ দিয়া সভাত বজালী জিলা আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ কুমাৰ দাস, অসমীয়া প্ৰতিদিন কাকতৰ উপ-সম্পাদক অঞ্জন কুমাৰ শৰ্মা, বিটিআৰৰ শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ অধিকাৰী, ডুমুৰীয়া গীতা সত্ৰৰ সত্ৰাধিকাৰ কৰুণা নাথ, নিত্যানন্দৰ দামোদৰ সেৱা সত্ৰৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামী, সমাজকৰ্মী জনা মেধিয়েও অতিথিৰূপে ভাষণ দিয়ে। স্মৃতিচাৰণ সভাৰ প্ৰাক মূহুৰ্তত প্ৰয়াত গজেন্দ্ৰনাথ তহবিলদাৰৰ প্ৰতিচ্ছৱিত শ্ৰদ্ধাঞ্জলি নিবেদন কাৰ্যক্ৰমণিকা মুকলি কৰে প্ৰয়াত তহবিলদাৰৰ সহধৰ্মিনী প্ৰজ্ঞা তহবিলদাৰে। সভাত বিশিষ্ট কণ্ঠশিল্পী মৃগেন দাসে পৰিৱেশন কৰা বৰগীত আৰু ভক্তিমূলক গীতে মুগ্ধ কৰে সমবেত অতিথিবৃন্দ আৰু ৰাইজক।

## পাঁচদিনত দিল্লীত কৰ'নাত মৃত্যু ৪৬ জনৰ, ৩৫ জনেই লোৱা নাছিল প্ৰতিষেধক



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জানুৱাৰী ঃ** ক'ভিড সংক্ৰমণৰ তৃতীয়টো ঢৌত বিপৰ্যস্ত দেশৰ ৰাষ্ট্ৰীয় ৰাজধানী দিল্লী। বিগত পাঁচদিনত দিল্লীত ৪৬ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। উল্লেখ্য যে এইসকল মৃতকৰ মাত্ৰ ১১ জনেহে ক'ভিডৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰিছিল। এই চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিলে দিল্লীৰ স্বাস্থ্য বিভাগে। মৃতকৰ মাজত ২৫ জন ৬০ উৰ্ধ্বৰ আৰু ৩৪ জন অন্যান্য ৰোগত আক্ৰান্ত আছিল। ২১ জনক অন্য ৰোগত চিকিৎসাধীন কৰাত ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছিল। যোৱা পাঁচৰ পৰা ন জানুৱাৰীৰ সময়ছোৱাত কৰ'নাত মৃত্যু হোৱা এই ৪৬ জন ৰোগীৰ ২৮ জন পুৰুষ আৰু ১৮ গৰাকী মহিলা আছিল। মৃতকৰ এজন ১৫ অনূৰ্ধ্ব আৰু এজন ২০ অনূৰ্ধ্ব আছিল।

## ক্ৰিপ্টকাৰেন্সীৰ চমক, নিশাৰ ভিতৰতে আম্বানী-আদানিক সম্পত্তি বৃদ্ধিত অতিক্ৰম এই ব্যক্তিৰ



**নিউজ ব্যুৰ', জিয়াংছু, ১১ জানুৱাৰী ঃ** ডিজিটেল মুদ্ৰা ক্ৰিপ্টকাৰেন্সীয়ে বিশ্বৰ বহু লোকৰ জীৱন সলনি কৰিছে। ক্ৰিপ্টকাৰেন্সীত ধন বিনিয়োগ কৰি কম সময়ৰ ভিতৰতে বিশ্বৰ ভিতৰতে ধনাঢ্য ব্যক্তিত পৰিণত হোৱা লোকৰ সংখ্যাও সাম্প্ৰতিক বিশ্বত বৃদ্ধি পাইছে। এইবাৰ চীনৰ এজন ৪৪ বছৰীয়া ব্যৱসায়ীয়ে ক্ৰিপ্টকাৰেন্সীৰ জৰিয়তে নিশাটোৰ ভিতৰতে বিশ্বৰ অন্যতম এজন অৰ্বুদপতিত পৰিণত হ'ল। এই ব্যক্তিজনৰ নাম চাংপেং ঝাউ। চীন-কানাডাৰ ব্যৱসায়ী ঝাউ হৈছে বাইনেন্স নামৰ প্ৰতিষ্ঠানটোৰ মুখ্য কাৰ্যবাহী বিষয়া। এসময়ত ঝাউৱে মেকড'নাল্ডছত কাম কৰিছিল। ব্লুমবাৰ্গৰ পৰিসংখ্যা অনুসৰি বৰ্তমানে ঝাউৰ সম্পত্তিৰ পৰিমাণ হৈছে ৯৬ বিলিয়ন ডলাৰ। অৰ্থাৎ নিশাটোৰ ভিতৰতে এইজন চীনৰ মুখ্য কাৰ্যবাহী বিষয়াই বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত ভাৰত তথা এছিয়াৰ দুই ধনাঢ্য ব্যক্তি ক্ৰমে মুকেশ আম্বানী আৰু গৌতম আদানীক সম্পত্তিৰ ক্ষেত্ৰত পিছ পেলালে। ১১ জানুৱাৰীৰ ব্লুমবাৰ্গৰ পৰিসংখ্যা অনুসৰি, আম্বানীৰ ৯৩.৩ বিলিয়ন ডলাৰ আৰু আদানিৰ ৮০.১ বিলিয়ন ডলাৰৰ সম্পত্তি আছে। ক্ৰিপ্টকাৰেন্সী বিনিময়ৰ প্ৰতিষ্ঠান বাইনেন্স ২০১৭ প্ৰতিষ্ঠা হৈছিল।

## জাৰ্মানীত ক'ভিড বিধিৰ বিৰুদ্ধে সহস্ৰাধিকৰ ৰাজপথত প্ৰতিবাদ

**নিউজ ব্যুৰ', বাৰ্লিন, ১১ জানুৱাৰী ঃ** ইউৰোপীয় দেশসমূহত আকৌ এবাৰ ক'ভিড প্ৰতিৰোধৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। চৰকাৰে এইদৰে নতুনকৈ ক'ভিড বিধি বলৱৎ কৰাৰ বিৰুদ্ধে বিভিন্ন দেশৰ নাগৰিকে প্ৰতিবাদো সাব্যস্ত কৰিছে। 'দ্য নিউ য়ৰ্ক টাইমছ' কাকতৰ বাতৰি অনুসৰি আজি জাৰ্মানীৰ কে'বাখনো চহৰত সহস্ৰাধিক নাগৰিকে কঠোৰ ক'ভিড বিধি বলৱৎকৰণৰ তীব্ৰ বিৰোধিতা কৰে। এইসকল লোকে প্ৰতিষেধক বাধ্যতামূলক কৰা আৰু প্ৰতিষেধক নোলোৱা লোকক ৰাজহুৱা স্থানত নিষিদ্ধ কৰাৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিছে। ইফালে, ইটালী চৰকাৰেও প্ৰতিষেধকৰ সন্দৰ্ভত কঠোৰ স্থিতি গ্ৰহণ কৰাত একাংশ নাগৰিকে ইয়াৰ বিৰোধিতা কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি বিগত দুসপ্তাহত জাৰ্মানীত ৯১ শতাংশ আৰু ইটালীত ৩০০ শতাংশ কৰ'না আৰু অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধি পাইছে। ইটালীৰ ৭৫ শতাংশ আৰু জাৰ্মানীৰ ৭২ শতাংশ নাগৰিকৰ সম্পূৰ্ণ টিকাকৰণ হৈছে।



## তালিবানৰ অভিযানত কাবুলত প্ৰাণ হেৰুৱালে তিনি আইছিছ সন্ত্ৰাসবাদীয়ে



**নিউজ ব্যুৰ' কাবুল, ১১ জানুৱাৰী ঃ** তালিবানে ইছলামিক ষ্টেট (আইছিছ) খুৰাছানৰ তিনিজন সদস্যক ধৰাশায়ী কৰিলে। আজি এই কথা প্ৰকাশ কৰি তালিবানে আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কয় যে কাবুলৰ জিলা-পাঁচত এক অভিযানৰ জৰিয়তে তিনিজন আইছিছ সন্ত্ৰাসবাদীক হত্যা কৰাৰ লগতে আন দুজনক গ্ৰেপ্তাৰ কৰা হৈছে। অঞ্চলটোত আইছিছৰ সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাভৰ পাছত তালিবান সেনাই অভিযান চলাইছিল আৰু আইছিছৰ সদস্যৰ স'তে দীৰ্ঘসময় ধৰি তালিবানৰ সংঘৰ্ষ হৈছিল। সংঘৰ্ষৰ অন্তত তিনিজন আইছিছ খুৰাছানৰ সদস্যৰ মৃত্যু হোৱাৰ লগতে আন দুজন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰা হয়।

### সংক্ৰমণৰ ক্ষেত্ৰত দ্বিতীয় স্থানত থকা পশ্চিমবংগত বিগত এদিনত ১৯,২৮৬ জন লোক ক'ভিডত সংক্ৰমিত

# উদ্বেগজনক দেশৰ পাঁচ ৰাজ্যৰ ক'ভিড পৰিস্থিতি

**নিউজ ব্যুৰ' নতুন দিল্লী, ১১ জানুৱাৰী ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ সংক্ৰমণৰ হাৰ প্ৰায় ৬.৫ শতাংশ হ্ৰাস পালে। বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত কৰ'নাত সংক্ৰমিত হ'ল এক লাখ ৬৮ হেজাৰ ৬৩ জন লোক। বৰ্তমানলৈকে ভাৰতত তিনি কোটি ৫৮ লাখ ৭৫ হেজাৰ ৭৯০ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ক'ভিডৰ পজিটিভিটি হাৰ হৈছে ১০.৬৪ শতাংশ। ইয়াৰ মাজতে কৰ'নাৰ সংক্ৰমণে দেশৰ পাঁচ ৰাজ্যত উদ্বেগ বৃদ্ধি কৰিছে। মহাৰাষ্ট্ৰত যোৱা ২৪ ঘণ্টাত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৩৩,৪৭০ জন লোক। আনহাতে, সংক্ৰমণৰ



ক্ষেত্ৰত দ্বিতীয় স্থানত থকা পশ্চিমবংগত বিগত এদিনত ১৯,২৮৬ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। দিল্লীত ১৯,১৬৬ জন, তামিলনাডুত ১৩,৯৯০ জন আৰু কৰ্ণাটকত ১১,৬৯৮ জন ক'ভিড ৰোগীক বিগত ২৪ ঘণ্টাত চিনাক্ত কৰা হৈছিল। আনহাতে, বিগত এদিনত পুনৰ দেশত ক'ভিডত প্ৰাণ হেৰুৱালে ২৭৭ ৰোগীয়ে। এই পৰ্যন্ত ভাৰতত চাৰি লাখ ৮৪ হেজাৰ ২১৩ জন লোকৰ কৰ'নাত মৃত্যু হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, বৰ্তমানে দেশত আঠ লাখ ২১ হেজাৰ ৪৪৬জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## পাকিস্তান-আফগানিস্তান সীমান্তত বিস্ফোৰণত নিহত ন শিশু



**নিউজ ব্যুৰ' কাবুল, ১১ জানুৱাৰী ঃ** আফগানিস্তানত সংঘটিত হোৱা বোমা বিস্ফোৰণৰ এক ঘটনাত নটা শিশুৰ মৃত্যু হ'ল। বিস্ফোৰণটোত আন চাৰিজন লোক গুৰুতৰভাৱে আহত হৈছে। এই বিস্ফোৰণ পাকিস্তান আৰু আফগানিস্তানৰ সীমান্তত সোমবাৰে বিয়লিবেলা সংঘটিত হৈছিল। তালিবান গৱৰ্ণৰ কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, নাংগৰহাৰ লালপুৰত এখন বিদ্যালয়ৰ সন্মুখেদি খাদ্য পৰিবাহী এখন গাড়ীত বোমা বিস্ফোৰণ সংঘটিত হৈছিল।

## ভাৰতীয় নৌসেনাৰ সাফল্য ঃ ছুপাৰছ'নিক ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জানুৱাৰী ঃ** ভাৰতীয় নৌসেনাই আজি ছুপাৰছ'নিক ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ সম্পন্ন কৰিলে। পশ্চিম উপকূলত থকা ৰণতৰী আই এন এছ বিশাখাপট্টনমৰ পৰা নিক্ষেপ কৰা ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰই সফলতাৰে লক্ষ্যস্থানত আঘাত হানিলে বুলি আজি নৌসেনাৰ সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। নৌসেনাই প্ৰকাশ কৰা অনুসৰি, এই ক্ষেপণাস্ত্ৰ সমুদ্ৰৰ পৰা সমুদ্ৰলৈ নিক্ষেপ কৰা সংস্কৰণৰ ছুপাৰছ'নিক ক্ষেপণাস্ত্ৰ আছিল। পৰীক্ষণৰ সময়ছোৱাত ক্ষেপণাস্ত্ৰটোৱে অধিকতম দূৰত্ব অতিক্ৰম কৰি লক্ষ্যস্থানত সঠিকভাৱে আঘাত হানিছিল বুলি নৌসেনাই জানিবলৈ দিয়ে।

## কীমে পুনৰ পৰীক্ষণ কৰিলে বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ



**নিউজ ব্যুৰ', ছিউল, ১১ জানুৱাৰী ঃ** দক্ষিণ কোৰিয়া আৰু জাপানৰ সেনাবাহিনীয়ে দাবী কৰা অনুসৰি উত্তৰ কোৰিয়াই মঙলবাৰে নিজৰ পূব সমুদ্ৰত এটা বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল। এসপ্তাহতে কীম জং উনৰ দেশখনে দ্বিতীয়বাৰলৈ বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ কৰিলে। ইয়াৰ পূৰ্বে উত্তৰ কোৰিয়াই ২০২১ বৰ্ষটো ধাৰাবাহিকভাৱে কে'বাটাও পাৰমাণৱিক ক্ষমতাসম্পন্ন যুদ্ধাস্ত্ৰৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰিছিল। দক্ষিণ কোৰিয়াৰ সেনাবাহিনীয়ে দাবী কৰা অনুসৰি উত্তৰ কোৰিয়াই নিজৰ পূব সমুদ্ৰত বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ গোপনে পৰীক্ষণ সম্পন্ন কৰিলে। জাপানৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু প্ৰতিৰক্ষা বিভাগে প্ৰকাশ কৰা মতে, উত্তৰ কোৰিয়াই পৰীক্ষা কৰা ক্ষেপণাস্ত্ৰটো বেলিষ্টিক ক্ষেপণাস্ত্ৰ আছিল। অৱশ্যে ক্ষেপণাস্ত্ৰৰ নতুন পৰীক্ষণৰ সন্দৰ্ভত মঙলবাৰৰ দুপৰীয়ালৈকে উত্তৰ কোৰিয়াই কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

## ইউক্ৰেইনক আক্ৰমণ কৰিব নেকি ঃ কি উত্তৰ দিলে ৰাছিয়াই ?

**নিউজ ব্যুৰ', ম'স্কো, ১১ জানুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা সংঘাতৰ মাজত সম্ভাব্য ইউক্ৰেইন আক্ৰমণৰ সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰিলে ম'স্কোৱে। ৰাছিয়াই যিকোনো মুহূৰ্ততে ইউক্ৰেইনত নিজৰ আধিপত্য সাব্যস্ত কৰিবলৈ আক্ৰমণ চলাব পাৰে বুলি এক শংকা ঘনীভূত হৈছে। ৰাছিয়াই বিগত কে'বামাহ ধৰি ইউক্ৰেইন প্ৰসংগত আগ্ৰাসী ভূমিকা অব্যাহত ৰাখিছে। এনে পৰিস্থিতিত সঁচাকৈয়ে ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰিব নেকি বুলি এক প্ৰশ্ন উত্থাপিত হৈছে। এই প্ৰশ্নৰ সন্দৰ্ভত ৰাছিয়াই স্পষ্টীকৰণ দিয়াৰ লগতে নিজৰ উদ্দেশ্যেৰ কথাও স্পষ্টভাৱে ব্যক্ত কৰিলে। জেনেভাত অনুষ্ঠিত হোৱা ৰাছিয়া আৰু আমেৰিকাৰ এখন বৈঠকতে ম'স্কোৱে ইউক্ৰেইন প্ৰসংগত ৰাছিয়াৰ স্থিতি স্পষ্ট কৰিলে। ৰাছিয়াৰ বৈদেশিক উপমন্ত্ৰী ছাৰ্গে ৰেবক'ভে স্পষ্টভাৱে কয় যে ইউক্ৰেইনক আক্ৰমণ কৰাৰ কোনো অভিপ্ৰায় ৰাছিয়াৰ নাই। আমেৰিকাৰ বৈদেশিক উপ-সচিবৰ আগত ৰাছিয়াত বৈদেশিক উপমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰি স্পষ্টভাৱে কয় যে ইউক্ৰেইনক আক্ৰমণ কৰিবলৈ ম'স্কোৱে প্ৰস্তুতি চলোৱা বুলি প্ৰচাৰিত বাতৰি মুঠেও শুদ্ধ নহয়। ৰুছ সেনাৰ সামৰিক



অনুশীলন কেৱল নিজৰ সীমাৰ ভিতৰতে সম্পন্ন হ'ব বুলি জানিবলৈ দি ৰেবক'ভে কয় যে এই সামৰিক অনুশীলনৰ কোনো নেতিবাচক প্ৰভাৱ ইউক্ৰেইনৰ ওপৰত নপৰে। উল্লেখ্য যে ইউক্ৰেইন প্ৰসংগত কালি আমেৰিকা আৰু ৰাছিয়াৰ মাজত জেনেভাত এখন বৈঠক অনুষ্ঠিত হৈছিল। এই বৈঠকতে ৰাছিয়াই আমেৰিকাক অৱগত কৰি কয় যে নিজ দেশৰ নিৰাপত্তাৰ লক্ষ্যতহে ৰুছ সেনাই ইউক্ৰেইন সীমান্তত সামৰিক অনুশীলন চলাব আৰু এই সামৰিক অনুশীলনৰ উদ্দেশ্যে ইউক্ৰেইনত আক্ৰমণ চলোৱা নহয়।

## দুজন অ'মিক্ৰন আক্ৰান্তক চিনাক্তৰ পাছতে চীনৰ চহৰ হ'ল সম্পূৰ্ণ তলাবন্ধ

**নিউজ ব্যুৰ' বেইজিং, ১১ জানুৱাৰী ঃ** মাত্ৰ দুজন অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰাৰ পাছতে চীনৰ এখন বৃহৎ চহৰ সম্পূৰ্ণৰূপে তলাবন্ধ কৰা হ'ল। প্ৰকাশিত বাতৰি অনুসৰি শেহতীয়াভাৱে চীনৰ অনয়াংগ চহৰত দুজনকৈ ক'ভিডৰ নতুন প্ৰজাতিত সংক্ৰমিত ৰোগীক চিনাক্ত কৰা হৈছিল। ক'ভিডৰ অতি সংক্ৰামক অ'মিক্ৰন প্ৰজাতিৰ উপস্থিতি ধৰা পৰাৰ পাছতে স্থানীয় প্ৰশাসনে ৫৫ লাখ জনসংখ্যাৰ



অনয়াংগ চহৰখন সম্পূৰ্ণৰূপে তলাবন্ধ কৰিলে। উল্লেখ্য যে ইয়াৰ পূৰ্বে অ'মিক্ৰন প্ৰতিৰোধৰ বাবে চীনৰ এক কোটি ৩০ লাখ জনসংখ্যাৰ চিয়ান আৰু ১১ লাখ জনসংখ্যাৰ যুঝাউ চহৰত স্থানীয় প্ৰশাসনে তলাবন্ধৰ পদক্ষেপ গ্ৰহণ কৰিছে। ক'ভিডৰ নতুন ঢৌ প্ৰতিৰোধৰ বাবে চীনত সম্প্ৰতি ১.৯৬ কোটি জনসংখ্যাক তলাবন্ধ কৰি ৰখা হৈছে। এইসমূহ চহৰৰ বাসিন্দাসকলক ঘৰৰ বাহিৰলৈ ওলোৱাৰ অনুমতি দিয়া হোৱা নাই। তদুপৰি অঞ্চল বিশেষে দোকান-পোহাৰো সম্পূৰ্ণৰূপে বন্ধ ৰখা হৈছে।

## আফগানিস্তানত টিটিপিৰ কমাণ্ডাৰ খুৰাছনীৰ মৃত্যু



**নিউজ ব্যুৰ', ইছলামাবাদ, ১১ জানুৱাৰী ঃ** নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠন তহৰিক-এ-তালিবান পাকিস্তান (টিটিপি)ৰ মুখপাত্ৰ তথা সংগঠনটোৰ ম'ষ্ট ৱাণ্টেড কমাণ্ডাৰ খালিড বাটলি ওৰফে মহম্মদ খুৰাছনীৰ পাকিস্তানৰ সীমান্তৰ আফগানিস্তানৰ নাংগৰহাৰ প্ৰদেশত মৃত্যু হয়। প্ৰতিৰক্ষা বিভাগৰ সূত্ৰই আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। টিটিপিৰ শীৰ্ষ কমাণ্ডাৰ খুৰাছনী পাকিস্তানত নিৰীহ নাগৰিক আৰু নিৰাপত্তাকৰ্মীক হত্যাৰ একাধিক গোচৰত অভিযুক্ত আছিল। পাকিস্তানৰ প্ৰতিৰক্ষা বিভাগৰ সূত্ৰই দাবী কৰা অনুসৰি আফগানিস্তানৰ নাংগৰহাৰ প্ৰদেশত সেনাৰ অভিযানত খুৰাছনীৰ মৃত্যু হ'ল। ৫০ বছৰ বয়সীয়া খুৰাছনী পাকিস্তানৰ গিলগিট-বাল্টিস্তানৰ বাসিন্দা আছিল। ২০০৭ত তেওঁ খাইবাৰ-পখটুনখাৱা প্ৰদেশত চৰমপন্থী সংগঠনৰ স'তে জড়িত হৈছিল। পৰৱৰ্তী সময়ত খুৰাছনী টিটিপিৰ মুখ্য কমাণ্ডাৰ হিচাপে নিযুক্ত হৈছিল। খুৰাছনীক 'ম'ষ্ট ৱাণ্টেড' সন্ত্ৰাসবাদী ঘোষণা কৰা হৈছিল।

## যোগীৰ সাফল্যৰ খতিয়ান এল ই ডি ৰথৰে প্ৰচাৰ কৰিব বিজেপিয়ে

**নিউজ ব্যুৰ', লক্ষ্নৌ, ১১ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশসহ পাঁচ ৰাজ্যত ইতিমধ্যে নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি পাইছে ৰাজনৈতিক দলসমূহৰ মাজত। ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰ মাজতো সকলো ৰাজনৈতিক দলে প্ৰচাৰত উঠিপৰি লাগিছে। উত্তৰ প্ৰদেশৰ শাসকীয় দল বিজেপিয়ে আজিৰে পৰা 'ঘৰ ঘৰ জনসংযোগ' অভিযান আৰম্ভ কৰিছে। এই বৃহৎ জনসংযোগ কৰ্মসূচীৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ সাফল্যৰ কথা ঘৰে ঘৰে প্ৰচাৰ কৰিব বিজেপিয়ে। অহা ১৪ জানুৱাৰীৰ পৰা বিজেপিয়ে এল ই ডি ৰথৰ জৰিয়তে যোগীৰ সাফল্যৰ খতিয়ান ৰাজ্যবাসীক ঘৰে ঘৰে গৈ দাঙি ধৰিব। ইয়াৰ বাবে বৃহৎ আকাৰৰ এল ই ডিৰে সজ্জিত ৰথ, টেলিভিছনযুক্ত গাড়ী বিজেপিয়ে সাজু কৰি তুলিছে। কৰ'না পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰ্চুৱেল প্ৰচাৰত ৰাজনৈতিক দলক গুৰুত্ব দিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। বৰ্তমানৰ পৰিস্থিতিত সামাজিক মাধ্যমত বিজেপি যথেষ্ট সক্ৰিয় আৰু শক্তিশালী হোৱা হেতুকে উত্তৰ প্ৰদেশৰ শাসকীয় দলটোৱে ভাৰ্চুৱেল প্ৰচাৰত যথেষ্ট আগবাঢ়ি আছে। ভাৰ্চুৱেল প্ৰচাৰৰ লগতে বিজেপিয়ে এল ই ডি ৰথৰ জৰিয়তে ঘৰে ঘৰে গৈ যোগী চৰকাৰৰ বিগত পাঁচ বছৰৰ কাম-কাজৰ খতিয়ান ভোটদাতাসকলক অৱগত কৰোৱাৰ বিশেষ ব্যৱস্থা লৈছে।



## উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে মায়াৱতী-সতীশ চন্দ্ৰই



**নিউজ ব্যুৰ', লক্ষ্নৌ, ১১ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনত বহুজন সমাজ পাৰ্টিৰ মুৰব্বী মায়াৱতীয়ে প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত ল'লে। বহুজন সমাজ পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সতীশ চন্দ্ৰ মিশ্ৰায়ো বিধানসভাৰ আসন্ন নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় নিদিয়ে। আজি দলটোৱে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি মায়াৱতী, সতীশ চন্দ্ৰৰ লগতে মায়াৱতীৰ ভতিজা আকাশ আনন্দেও উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে।

## পঞ্জাৱত দুটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব মুখ্যমন্ত্ৰী ছন্নীয়ে



**নিউজ ব্যুৰ', চণ্ডীগড়, ১১ জানুৱাৰী ঃ** পঞ্জাৱ বিধানসভাৰ আসন্ন নিৰ্বাচনত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নীয়ে দুটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। আজি পঞ্জাৱ কংগ্ৰেছৰ সূত্ৰই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ছন্নীয়ে চমকৌৰ ছাহিব আৰু আদমপুৰ বিধানসভা সমষ্টিত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে বৰ্তমানে ছন্নী হৈছে চমকৌৰ ছাহিব সমষ্টিৰ বিধায়ক। কাইলৈ কংগ্ৰেছে পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনৰ বাবে দলৰ প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। পঞ্জাৱত অহা ১৪ ফেব্ৰুৱাৰীত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

## যোগীৰ কেবিনেটৰ পৰা ইস্তফা দি সমাজবাদীত স্বামী প্ৰসাদ



**নিউজ ব্যুৰ' লক্ষ্নৌ, ১১ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে বিজেপিত অঘটন সংঘটিত হ'ল। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ কেবিনেট মন্ত্ৰী স্বামী প্ৰসাদ মৌৰ্যই আজি বিজেপি ত্যাগ কৰি সমাজবাদী পাৰ্টিত যোগদান কৰিলে। মৌৰ্যই বিজেপিত যোগদানৰ পূৰ্বে বহুজন সমাজবাদী পাৰ্টিত আছিল। বহুজন সমাজ পাৰ্টিত থকাৰ সময়ত তেওঁ মায়াৱতীৰ অন্যতম সহযোগী হিচাপে পৰিচিত হৈছিল।

# আফগানিস্তানত চৰম আৰ্থিক সংকটত সাংবাদিক, ৮০ শতাংশই সলনি কৰিলে জীৱিকা

**নিউজ ব্যুৰ' কাবুল, ১১ জানুৱাৰী ঃ** তালিবানে যোৱা ১৫ আগষ্টত আফগানিস্তানৰ ক্ষমতা পুনৰ দখল কৰাৰ পাছত বৰ্তমানলৈকে দেশখনৰ কমেও ৮০ শতাংশ সাংবাদিকে পেছা সলনি কৰিবলৈ বাধ্য হ'ল। প্ৰকাশিত বাতৰি অনুসৰি, আফগানিস্তানৰ সাংবাদিকৰ ফাউণ্ডেচনে প্ৰকাশ কৰা মতে, আফগানিস্তানত সাংবাদিকসকলে চৰম দুৰ্দশাৰ মাজত জীৱন অতিবাহিত কৰিব লগা হৈছে। দেশখনৰ ৭৯ শতাংশ কৰ্মৰত সাংবাদিক সম্প্ৰতি জীৱিকাবিহীন হৈছে আৰু উপায়ান্তৰ হৈ তেওঁলোকে জীৱন ধাৰণৰ বাবে আন ব্যৱসায়ৰ সহায় ল'ব লগা হৈছে। পৰিসংখ্যা অনুসৰি আফগানিস্তানত তালিবানৰ দ্বিতীয়টো শাসনত বৰ্তমানলৈকে ৭৫ শতাংশ সংবাদ প্ৰতিষ্ঠান বিত্তীয় সংকটৰ ফলত বন্ধ হ'ল। পূব আফগানিস্তানৰ আফগান সাংবাদিক সুৰক্ষা সমিতিৰ মুৰব্বী ইউছুফ জৰিফিয়ে কয় যে আফগান চৰকাৰৰ পতনৰ পাছৰে পৰা নংগৰহাৰ, লধমন, নুৰিস্তানৰ পূব প্ৰদেশত ছটাকৈ ৰেডিঅ' ষ্টেচন বন্ধ হ'ল। এই ৰেডিঅ' ষ্টেচনকেইটাৰ পাঁচটাই বিত্তীয় সংকটৰ পৰিপ্ৰেক্ষিতত অনুষ্ঠান প্ৰচাৰ বন্ধ কৰিলে। আন



এটা ৰেডিঅ' ষ্টেচনে কৰ্মচাৰীৰ অভাৱত ষ্টেচনটো বন্ধ কৰিবলৈ বাধ্য হ'ল। আফগান সাংবাদিক সুৰক্ষা সমিতিয়ে চলোৱা সমীক্ষাত দেশখনৰ ৪৬২ জন সাংবাদিকক সামৰি তেওঁলোকৰ সাম্প্ৰতিক বিত্তীয় অৱস্থাৰ খতিয়ান গ্ৰহণ কৰিছিল। এই সমীক্ষাটোত ৩৯০ জন পুৰুষ আৰু ৭২ মহিলা সাংবাদিকে অংশ লৈছিল। সৰহসংখ্যক আফগান সাংবাদিকে সমীক্ষাত প্ৰকাশ কৰা অনুসৰি দীৰ্ঘদিন ধৰি কৰ্মহীন অৱস্থাত থকাৰ ফলত তেওঁলোকৰ সাম্প্ৰতিক বিত্তীয় অৱস্থা যথেষ্ট শোচনীয় হৈছে। যোৱা বছৰৰ আগষ্টত তালিবানৰ কাবুল দখলৰ পাছৰে পৰা আফগানিস্তানত ৪০ শতাংশ সংবাদ প্ৰতিষ্ঠান বন্ধ হৈছিল। তদুপৰি এই সময়ছোৱাত দেশখনৰ ৮০ শতাংশ মহিলা সাংবাদিক কৰ্মহীন হ'ল। পৰিসংখ্যা অনুসৰি তালিবানৰ উত্থানৰ পাছত বৰ্তমানলৈকে আফগানিস্তানত মুঠ ২৩১টা সংবাদ প্ৰতিষ্ঠান বন্ধ হ'ল।

## বুষ্টাৰ পালিৰ নামতো অ'টিপিৰে প্ৰৱঞ্চকে আপোনাক পেলাব পাৰে জালত



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জানুৱাৰী ঃ** কৰ'না সংক্ৰমণ বৃদ্ধিৰ মাজতে দেশত চিকিৎসা কৰ্মী আৰু ৬০ৰ উৰ্ধ্বৰ বয়সৰ লোকসকলৰ বাবে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান আৰম্ভ কৰা হৈছে। 'ফ্ৰন্ট লাইন' কৰ্মীক বুষ্টাৰ প্ৰতিষেধক প্ৰদান প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে দেশত চাইবাৰ অপৰাধ চক্ৰও ক'ভিডৰ প্ৰতিষেধকৰ তৃতীয় পালি প্ৰদানক লৈ দেশজুৰি জাল পেলাইছে। চাইবাৰ প্ৰৱঞ্চকে এইবাৰ বুষ্টাৰ প্ৰতিষেধকক নতুন হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে। একাংশ লোকে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত অভিযোগ কৰা অনুসৰি, তেওঁলোকে বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰাৰ বাবে নিজৰ ম'বাইল ফোনত কেতবোৰ বাৰ্তা লাভ কৰিছে। হোৱাটছএপ, ফে'চবুকৰ জৰিয়তেও এইদৰে বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। কিন্তু অনুসন্ধানত পোহৰলৈ অহা তথ্য অনুসৰি, এয়া হৈছে চাইবাৰ অপৰাধী চক্ৰৰ প্ৰৱঞ্চনাৰ কূটকৌশল। বিভিন্ন সামাজিক মাধ্যম আৰু ম'বাইল ফোনৰ বাৰ্তাৰ জৰিয়তে চাইবাৰ অপৰাধীয়ে বুষ্টাৰ প্ৰতিষেধক ল'ব বিচৰা ব্যক্তিৰ পৰা নিজৰ সবিশেষ দাবী কৰাৰ লগতে ম'বাইল ফোনলৈ যোৱা অ'টিপি নম্বৰ অৱগত কৰিবলৈ কয়। এইদৰে কোনো ব্যক্তিয়ে লাভ কৰা অ'টিপি উক্ত চক্ৰক অৱগত কৰিলে সেই চক্ৰই উক্ত ব্যক্তিৰ বেংকৰ পৰা ধন কৌশলৰে উলিয়াই নিয়ে। চাইবাৰ অপৰাধৰ এই নতুন কূটকৌশল ধৰা পৰাৰ পাছত প্ৰতিষেধক বিষয়ক এনেবোৰ দুষ্টচক্ৰৰ পৰা সাৱধান হ'বলৈ বিশেষজ্ঞসকলে পৰামৰ্শ দিছে। উল্লেখ্য যে প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত ক'উইন এপে কোনো ব্যক্তিৰ পৰা তথ্যপাতি দাবী নকৰে।



■ কেঁৱা বছৰো নিৰ্মাণ নকৰাৰ ফলত সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড-পুখুৰী সদৃশ গাঁত

## যাতায়াতৰ অনুপযোগী হৈ পৰিছে বৰমা-কৈঠালকুছি গড়কাপ্তানী পথ

অগ্ৰদূত বাৰ্তা

**টিহু, ১১ জানুৱাৰী ঃ** টিহু মহকুমা তথা ৬২ নম্বৰ বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত এটি জৰাজীৰ্ণ-বিধ্বস্ত পথে যমৰ যাতনা ভোগাইছে অঞ্চলবাসী ৰাইজক। সমষ্টিটোৰ নলবাৰী আৰু বাগ্‌সা জিলাৰ অন্তৰ্গত কেবিএছ (কৈঠালকুছি-বৰমা-সুৰণখাটা) পথৰ বৰমা-গোৰৰাদল-কৈঠালকুছি অংশৰ পথছোৱা কে'বা বছৰ ধৰি মেৰামতিৰ অভাৱত যাতায়াতৰ অনুপযোগী হৈ পৰাত পথচাৰীসকল সমস্যাৰ সন্মুখীন হৈ আহিছে। বৰমা বিধানসভা সমষ্টি আৰু ধৰ্মপুৰ বিধানসভা সমষ্টিক প্ৰত্যক্ষভাৱে সংযোগী কৰা অতিকৈ গুৰুত্বপূৰ্ণ আৰু ব্যস্ততাপূৰ্ণ গড়কাপ্তানী পথছোৱা ভাঙি প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ জৰাজীৰ্ণ হৈ পৰাত অতি বিপদসংকুলভাৱে বছৰৰ পাছত বছৰ ধৰি যাতায়াত কৰিবলগীয়া হৈছে সৰ্বসাধাৰণ ৰাইজ। দৈনিক যথেষ্টসংখ্যক যানবাহন চলাচল কৰা পথছোৱা দীৰ্ঘদিন ধৰি মেৰামতিৰ অভাৱত পুখুৰী সদৃশ প্ৰকাণ্ড প্ৰকাণ্ড দ' গাঁতৰ সৃষ্টি হোৱাত অতি ব্যস্ত এই পথছোৱাৰে দিনে-নিশাই সৰ্বসাধাৰণ ৰাইজৰ বাবে সমস্যা হৈ দেখা দিছে। এই বিষয়ে বিভিন্ন সময়ত সংবাদ মাধ্যমত বিস্তৃতভাৱে বাতৰি প্ৰকাশ পোৱাৰ লগতে সময়ে-সময়ে বিভিন্ন দল-সংগঠন আৰু ৰাইজে পথটো পুনৰ নিৰ্মাণ কৰি যাতায়াতৰ সুচল কৰি তুলিবলৈ দাবী জনাই আহিছে যদিও কোনো সুফল লাভ কৰা নাই। সেয়ে দল-সংগঠন আৰু ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই লোকনিৰ্মাণ বিভাগে পথটো পুনৰ নিৰ্মাণৰ কথা উল্লেখ কৰিছিল যদিও আজিলৈ পথ নিৰ্মাণৰ কাম আৰম্ভ নকৰাত বিভিন্ন দল-সংগঠন আৰু ৰাইজৰ লগতে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ ক্ষুব্ধ হৈ পৰিছে। শেহতীয়াকৈ বিভিন্ন দল-সংগঠন আৰু সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকে শীঘ্ৰে এটি নিকা-দক্ষ ঠিকাদাৰক পথটো নিৰ্মাণৰ দায়িত্ব দি পথছোৱা যাতায়াতৰ উপযোগী কৰি তুলিবলৈ ৰাজ্যৰ লোকনিৰ্মাণ বিভাগক দাবী জনাইছে।



## উত্তৰ গুৱাহাটী চন্দ্ৰাত বৃহৎ ভেলাঘৰ নিৰ্মাণ

অগ্ৰদূত বাৰ্তা



**উত্তৰ গুৱাহাটী, ১১ জানুৱাৰী ঃ** ভোগালী বিহুৰ ভেলাঘৰক লৈ চলি অহা অঘোষিত প্ৰতিযোগিতাৰ অংশীদাৰ হৈছে উত্তৰ গুৱাহাটীও। উত্তৰ গুৱাহাটী চন্দ্ৰাত গাওঁবাসীয়ে উৰকাৰ নিশা লগে-ভাগে এসাঁজ খোৱাৰ পৰম্পৰা ধৰি ৰখাৰ মানসেৰে সাজি উলিয়াছে এক বৃহৎ আকাৰৰ ভেলাঘৰ। প্ৰায় আধা কঠা মাটিত পাহাৰৰ পৰা অনা কেকোবাঁহ, কাঠ আৰু খেৰ, কল চোঁচনিৰে এসপ্তাহৰ ভিতৰতে সাজি উলিওৱা এই ভেলাঘৰত ৯৭খন ঘৰৰ লোকে একেলগে ভোজভাত খাব। অসমৰ সৰ্ববৃহৎ চন্দ্ৰাৰ ভেলাঘৰত উৰুকাৰ নিশা পিঠা-পনা, জলপানৰ লগতে চাৰিটা খাহী ছাগলী, ২০টা হাঁহ, ২০ কেজি স্থানীয় ৰৌমাছ আৰু বিবিধ খাদ্যৰ জুতি ল'ব ৰাইজে। ভেলাঘৰ নিৰ্মাণৰ বাবে স্বইচ্ছাই প্ৰতিঘৰ লোক উপস্থিত হৈ কামত লাগিছে। যি সময়ত চুবুৰীৰ লোকসকলৰ মাজত মিলাপ্ৰীতি দেখা নাযায়, সেই সময়ত চন্দ্ৰাৰ ৯৭ ঘৰ লোকে শতিকাগৰকা পৰম্পৰা ধৰি ৰাখিবলৈ সক্ষম হোৱা এই বাৰ্তাই ভাঙোনমুখী সমাজখনক কিছু অনুপ্ৰেৰণা যোগাব। এই সন্দৰ্ভত ভেলাঘৰ সমিতিৰ সম্পাদক হৰেন দাসে কয়, 'ভেলাঘৰ সজা, হোমৰ খৰি সংগ্ৰহ আদি কামৰ বাবে ৰাজহুৱা খেলপথাৰলৈ কাকো মাতি আনিব নালাগে। আমি প্ৰতিযোগিতাৰ বাবে ভেলাঘৰ সজা নাই, পৰম্পৰা ধৰি ৰখাৰ বাবে যত্ন কৰিছো। ৰাইজে সমূহীয়া ভোজ খাব যদিও গাঁৱৰ দুঘৰৰ পৰিয়ালৰ আত্মীয়ৰ সকাম যোৱা এমাহ নোহোৱাসকলে আন এটি ভেলাঘৰত ভোজভাত খাব।'

## কনিহাত হাঁহ-কুকুৰা বিষয়ক সজাগতা সভা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**কনিহা, ১১ জানুৱাৰী ঃ** পশুধন সঞ্চালকালয়, ৰাষ্ট্ৰীয় কৃষি বিশ্ববিদ্যালয়, ৰাষ্ট্ৰীয় পশু পোষণ আৰু শৰীৰ ক্ৰিয়া বিজ্ঞান সংস্থা, বাংগালুৰুৰ উদ্যোগত কামৰূপ কৃষি বিজ্ঞান কেন্দ্ৰ আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত ৰঙিয়া মহকুমাৰ অন্তৰ্গত কনিহাস্থিত উত্তৰণ কৃষি উৎপাদক কোম্পানীৰ লিমিটেডত অনুষ্ঠিত 'পিছ চোতালৰ হাঁহ-কুকুৰা পামৰ দ্বাৰা স্বাৱলম্বিতা' শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হয়। উত্তৰণ কৃষি উৎপাদন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া অমল ভঁৰালীয়ে আঁত ধৰা সভাত ভাৰতীয় কিষাণ সংঘৰ মুখ্য সাংগঠনিক সম্পাদক কৃষ্ণকান্ত বৰা, পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ৰীমা শইকীয়া, অসম কৃষি বিশ্ববিদ্যালয়ৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ গৱেষণা সঞ্চালক ডাঃ নিৰঞ্জন কলিতা, সহকাৰী সঞ্চালক ডাঃ বীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য, কৃষি কোম্পানী লিমিটেডৰ সভাপতি পৰেশ শৰ্মাই অংশগ্ৰহণ কৰে। অনুষ্ঠানতে অঞ্চলটোৰ এশগৰাকী কৃষকৰ মাজত হাঁহ-কুকুৰাৰ খাদ্য বিতৰণ কৰা হয়।

## কলগাছিয়াত দুৰ্ঘটনাত এজনৰ মৃত্যু

### গুৰুতৰভাৱে আহত দুজন

**কলগাছিয়া, ১১ জানুৱাৰী ঃ** কলগাছিয়াৰ দেউকুৰাত মটৰ চাইকেল আৰু চাইকেল আৰোহীৰ মুখামুখি সংঘৰ্ষত এজন নিহত হোৱাৰ বিপৰীতে দুজন গুৰুতৰভাৱে আহত হয়। কলগাছিয়াৰ দেউকুৰা ডিএমবিএমই মাদ্ৰাছাৰ সন্মুখত আজি সন্ধিয়া সংঘটিত হয় দুৰ্ঘটনাটো। সংকটজনক অৱস্থাত তিনিওজনকে কলগাছিয়া আৰক্ষীয়ে উদ্ধাৰ কৰি কলগাছিয়া অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসাৰ বাবে তিনিওজনকে বৰপেটা ফখৰুদ্দিন আলী আহমেদ মেডিকেললৈ প্ৰেৰণ কৰে। ইয়াৰ দেউকুৰা গাঁৱৰে চাইকেল আৰোহী নুৰ মহম্মদ আলীৰ বৰপেটা চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। মটৰ চাইকেল আৰোহী দুজন খৰিচালা গাঁৱৰ ৰাকিবুল ইছলাম আৰু আবু বক্কাৰ ছিদ্দিক। দুৰ্ঘটনা সংঘটিত কৰা পালছাৰ বাহনখনৰ নম্বৰ এএছ-১৫টি-১৩৪৯।

## কাছাৰৰ মণিপুৰ সীমান্তত দুৰ্বৃত্তৰ গুলিত এজনৰ মৃত্যু

বিশেষ সংবাদদাতা

**কৰিমগঞ্জ, ১১ জানুৱাৰী ঃ** কাছাৰ জিলাৰ অসম-মণিপুৰ সীমান্তত যোৱা নিশা সংঘটিত হয় এক হত্যাকাণ্ড। অচিনাক্ত বন্দুকধাৰীয়ে সীমান্তৰ দিগলাং গাঁৱৰ ফাইলেন বস্তিত এজন লোকক গুলীয়াই হত্যা কৰে। এই হত্যাকাণ্ডৰ প্ৰকৃত কাৰণ এই পৰ্যন্ত পোহৰলৈ অহা নাই যদিও ইয়াৰ অন্তৰালত কোনো উগ্ৰপন্থী সংগঠনৰ হাত থকাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। আৰক্ষী সূত্ৰই জনোৱা মতে, যোৱা নিশা মুখত ক'লা কাপোৰ বান্ধি অহা তিনিজনীয়া দুৰ্বৃত্তৰ দলটোৱে ফাইলেন বস্তিৰ নিবাসী ডেভিদ ৰংমাইৰ বাসগৃহত প্ৰৱেশ কৰে। ইয়াৰ পাছতে আততায়ীয়ে ৰংমাইক গুলীয়াই হত্যা কৰে। অৱশ্যে কথমপি প্ৰাণ ৰক্ষা পৰে তেওঁৰ পত্নী আৰু শিশু সন্তানৰ। আজি পুৱা আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ইপিনে, এই ঘটনা সংঘটিত হোৱাৰ পাছতে যোৱা নিশাৰে পৰা ফাইলেন বস্তিত আতংকৰ সৃষ্টি হয়। আজি পুৱাই ঘৰ-বাৰী এৰি বস্তিৰ পৰা পলায়ন কৰে একাংশ লোকে। উল্লেখ্য যে মণিপুৰৰ সীমান্তৱৰ্তী অঞ্চলটোত সঘনাই বন্দুকধাৰী লোকে সন্ত্ৰাসৰ সৃষ্টি কৰি অহা বুলি আজি একাংশ স্থানীয় লোকে অভিযোগ কৰে। এনে দুৰ্বৃত্তৰ পৰা নিৰাপত্তা প্ৰদান কৰিবলৈকো স্থানীয় লোকে দাবী জনায়। ইফালে, এই হত্যাকাণ্ড কোনে সংঘটিত কৰিলে সেয়া এতিয়াও স্পষ্ট হোৱা নাই। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। প্ৰাথমিকভাৱে আৰক্ষীয়ে এনএছচিএন (কে) নাইবা এইছপিচি (ডি) নামৰ নিষিদ্ধ সংগঠনে এই হত্যাকাণ্ড সংঘটিত কৰিব পাৰে বুলি সন্দেহ কৰিছে। আৰক্ষী সূত্ৰই জনায় যে অসম-মণিপুৰ সীমান্তত শেহতীয়াকৈ এই নিষিদ্ধ সংগঠন দুটাই তৎপৰতা প্ৰদৰ্শন কৰাৰ তথ্য আৰক্ষীৰ হাতত পৰিছে।

## অখিল চন্দ্ৰ নাথ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি হিচাপে নিৰ্বাচিত

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ মাটিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ৰণুৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অখিল চন্দ্ৰ নাথে প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সভাপতি হিচাপে নিৰ্বাচিত হোৱাত জিলা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে। ডিব্ৰুগড়ৰ অজিত খনিকৰক ৯৫ টা ভোটাৰ ব্যৱধানত পৰাজিত কৰে। ইয়াৰে নাথে ২৩৪ টা ভোট লাভ কৰাৰ বিপৰীতে খনিকৰে ১৩৯ টা ভোট লাভ কৰে।

## দৰঙৰ পূৰ্বৰ আৰক্ষী অধীক্ষক হ'ল পঞ্জাৱৰ আৰক্ষী সঞ্চালকপ্ৰধান

অগ্ৰদূত বাৰ্তা



**মঙলদৈ, ১১ জানুৱাৰী ঃ** অসমৰ লগত পঞ্জাৱৰ সু-সম্পৰ্ক বহু পুৰণি। অসমীয়াৰ স্বাধীনতা অক্ষুণ্ণ ৰাখিবলৈ স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহই মানৰ বিৰুদ্ধে আৰম্ভ কৰা যুঁদ্ধত শিখ সেনানীয়ে আহোম সৈন্যক সহায় কৰাই নহয়, প্ৰবল বীৰত্বৰে শৰীৰত শেষ বিন্দু তেজ থকালৈকে মানৰ বিৰুদ্ধে যুঁজ দিছিল। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়েও পঞ্জাৱৰ ৰাজ্যপালৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। শেহতীয়াকৈ পঞ্জাৱত তিনিটা মাহৰ ভিতৰতেই তৃতীয়জন আৰক্ষী সঞ্চালকপ্ৰধান হিচাপে নিযুক্তিপ্ৰাপ্ত বীৰেশ কুমাৰ ভাওৰাই ৩০টা বছৰ পূৰ্বে অবিভক্ত দৰং জিলাৰ আৰক্ষী অধীক্ষকৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ১৯৮৭ত ভাৰতীয় আৰক্ষী সেৱাত যোগদান কৰা এই বিষয়াজনে নগাওঁ, যোৰহাট আদি ঠাইতো বিভিন্ন পদ মৰ্যাদাৰে সেৱা আগবঢ়াই অহাৰ অন্তত ১৯৯২ৰ চাৰি ছেপ্তেম্বৰৰ পৰা ১২ নৱেম্বৰলৈ অতি চমু কাৰ্যকালৰ বাবে দৰঙৰ পঞ্চমজন আৰক্ষী অধীক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। এই চমু কাৰ্যকালৰ ভিতৰতে ৰাজপথত ট্ৰাক ৰখাই বলপূৰ্বক ধন আদায় কৰা দুজন আৰক্ষী ভাৰপ্ৰাপ্ত বিষয়াক হাতে-লোটে কৰায়ত্ত কৰি আৰক্ষী প্ৰশাসনক দুৰ্নীতিমুক্ত কৰাৰ চেষ্টা কৰিছিল । ব্যক্তিগত কাৰণত তেওঁ অসম কেডাৰ সলনি কৰি পঞ্জাৱ কেডাৰলৈ বদলি হৈ যায়। ৩০ বছৰৰ পূৰ্বেই অসম এৰি যোৱা এই শীৰ্ষ আৰক্ষী বিষয়াজনে এতিয়াও সুন্দৰকৈ অসমীয়া ভাষাতেই আলাপ কৰিব পাৰে। যোৱা নিশা মঙলদৈৰ সাংবাদিকৰ লগত ফোনযোগে অসমীয়া ভাষাতেই বাৰ্তালাপ কৰাৰ লগতে অসম তথা দৰঙৰ স্মৃতি ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে পঞ্জাৱৰ আৰক্ষী সঞ্চালকপ্ৰধানজন।

## বাহাৰঘাট শ্ৰীশ্ৰীগৰখীয়া থানৰ বাৰ্ষিক উৎসৱ বাতিল

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১১ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বাহাৰঘাট বৰলীয়া নৈৰ পাৰত অৱস্থিত শ্ৰীশ্ৰীগৰখীয়া থানৰ বাৰ্ষিক উৎসৱ ক'ভিড পৰিস্থিতিৰ বাবে চৰকাৰে দিয়া নীতি-নিৰ্দেশনাৰ প্ৰতি সন্মনা জনাই বাতিল কৰা হৈছে। উল্লেখনীয় যে প্ৰতিবছৰে মাঘৰ এক তাৰিখে উলহ-মালহেৰে উদ্‌যাপন কৰি অহা উৎসৱ কালি পৰিচালনা সমিতিৰ সিদ্ধান্ত মৰ্মে বাতিল কৰা হয়।

## গোৱালপাৰাৰ ৰাক্ষসিনীত বাটামেৰে কোবাই পত্নীক হত্যাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ৰাক্ষসিনীত তিনি সন্তানৰ মাতৃ এগৰাকীক স্বামীয়ে বাটামেৰে কোবাই হত্যা কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, ৰাক্ষসিনী দ্বিতীয় খণ্ডৰ আইনাল হকৰ পুত্ৰ মনোৱাল হুছেইনে পত্নী তথা তিনি কন্যা সন্তানৰ মাতৃ আবিদা খাতুন (২৮)ক কাঠৰ বাটামেৰে কোবাই যোৱা দুই জানুৱাৰীৰ পুৱা আঠ বজাত মূৰ ফালি দিয়ে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ অজ্ঞান হৈ পৰা আবিদাক লগে লগে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। কিন্তু প্ৰয়োজনীয় চিকিৎসা নকৰি যোৱা ন জানুৱাৰীৰ নিশা দুই বজাত ঘৰলৈ ওভতাই অনাৰ পাছতে আবিদাৰ মৃত্যু হয়। আৰক্ষীয়ে কালি মৃতদেহটো গোৱালপাৰা অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা কৰি অন্তিম সৎকাৰৰ বাবে পৰিয়ালক চমজাই দিয়ে। এই সন্দৰ্ভত আবিদাৰ মাতৃ মাজেদা বেগমে মনোৱাৰৰ লগতে তেওঁৰ পিতৃ আৰু দুই ভ্ৰাতৃৰ বিৰুদ্ধে মৰনৈ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে।

## ভাৰতীয় গোৰ্খা পৰিসংঘৰ ৰাষ্ট্ৰীয় কোকৰাঝাৰ অধিবেশন স্থগিত

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ১১ জানুৱাৰী ঃ** অহা ১১-১৩ ফেব্ৰুৱাৰীত কোকৰাঝাৰ চহৰত অনুষ্ঠিত হ'বলগীয়া ভাৰতীয় গোৰ্খা পৰিসংঘৰ ৰাষ্ট্ৰীয় অধিবেশন বৰ্তমানৰ ক'ভিড-১৯ৰ ভয়াৱহ পৰিস্থিতিৰ বাবে অনিৰ্দিষ্ট কাললৈ পিছুৱাই দিয়া হৈছে। পৰিসংঘৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মুনিশ তামাঙে বৰ্তমান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তাৱিত অধিবেশনখন পিছুৱাই দিয়া বুলি কৰা ঘোষণাক সমৰ্থন জনাই অভ্যৰ্থনা সমিতিয়ে অধিবেশন স্থগিত ৰখাৰ কথা ঘোষণা কৰে। যোৱা ১০ জানুৱাৰীত কোকৰাঝাৰৰ প্ৰধান ভিল্লাত থকা অভ্যৰ্থনা সমিতিৰ কাৰ্যালয়ত আয়োজক সমিতিৰ সভাপতি পাৰিষদ মাধৱ ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত উক্ত ঘোষণা কৰি পৰৱৰ্তী দিনত কৰ'না মহামাৰীৰ প্ৰকোপ কম হ'লে অধিবেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে অভ্যৰ্থনা সমিতিখন ভংগ নকৰাকৈ কেৱল প্ৰস্তুতি কাৰ্য স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## নলবাৰীত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত সজাগতা সভা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১১ জানুৱাৰী ঃ** পূব নলবাৰী শিক্ষা খণ্ডৰ উদ্যোগত কালি নলবাৰী নাট্য মন্দিৰত ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ শীৰ্ষক এক সজাগতা সভা অনুষ্ঠিত হয়। আগন্তুক শিক্ষা বৰ্ষৰ পৰা আৰম্ভ হ'ব লগা নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি সম্পৰ্কে শিক্ষকসকলৰ মাজত সজাগতা সৃষ্টিৰ বাবে এই সভাখন অনুষ্ঠিত কৰা হয়। খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ইনামুল মজিদে আঁত ধৰা সভাখনত বন্তি প্ৰজ্জ্বলন কৰি উদ্বোধন কৰে জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকাই। ভাষণ প্ৰসংগত ডেকাই শিক্ষকসকলক নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি সম্পৰ্কে খৰচি মাৰি বুজি লৈ আগবাঢ়িবলৈ আহ্বান জনায়। তেওঁ কয় যে নতুন শিক্ষা নীতি ছাত্ৰ-ছাত্ৰীসকলৰ ৰুচি-অভিৰুচিৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। সভাত বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক ভূপেন্দ্ৰ নাথ শৰ্মা, জিলা আঁচনি বিষয়া আবেদুৰ ৰহমানে ভাষণ দিয়ে। সভাত আলোচক হিচাপে অংশগ্ৰহণ কৰে নলবাৰীৰ জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰৱক্তা ময়ূৰী মহন্তই কয় যে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে শিক্ষাৰ ক্ষেত্ৰত এক আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব। তেওঁ কয় যে এই শিক্ষানীতিৰ অধীনত শিক্ষকসকলৰ দক্ষতা আৰু তেওঁলোকৰ সেৱা নিৰীক্ষণৰে ব্যৱস্থা কৰা হ'ব। তেওঁ শিক্ষকসকলক নিজকে দক্ষ কৰি তোলাত গুৰুত্ব দিবলৈ আহ্বান জনায়। দুটা ভাগত অনুষ্ঠিত সভাখনত পূব নলবাৰী শিক্ষা খণ্ডৰ ৪২২ খন বিদ্যালয়ৰ পৰা এজনকৈ শিক্ষকে অংশগ্ৰহণ কৰে।

## মাটিয়াত তীৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষীয়ে অভিযান চলাই যোৱা ন জানুৱাৰীৰ নিশা ১০ বজাত সাৰাপাৰাৰ ফজৰুল ৰহমান নামৰ এজন তীৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। উক্ত তীৰখেলৰ ব্যৱসায়ীজনৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰি কালি জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত তীৰ খেলৰ ৰমৰমীয়া ব্যৱসায় চলি থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। সেয়েহে জিলাখনৰ তীৰ ব্যৱসায়ীৰ বিৰুদ্ধে পদক্ষেপ লোৱাৰ দাবী জনাইছে সচেতন মহলে।

## নলবাৰীত সদৌ অসম প্ৰাইজমানি কুইজ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১১ জানুৱাৰী ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ নলবাৰী চহৰৰ সমিতিয়ে অনুষ্ঠিত কৰি অহা সাংগঠনিক ছহিদ তুলু তালুকদাৰ আৰু ছহিদ দীপজ্যোতি লহকৰ সোঁৱৰণী সদৌ অসম প্ৰাইজমানি কুইজ প্ৰতিযোগিতা অহা ২৩ জানুৱাৰীত দিনজোৱা কাৰ্যসূচীৰে নলবাৰীৰ ঐতিহ্যমণ্ডিত মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। 'নিউজ ফাৰ্ষ্ট' অসমৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া কুইজ প্ৰতিযোগিতাখনৰ প্ৰথম পুৰস্কাৰ নগদ ১০,০০১ টকাৰ উপৰি ট্ৰ'ফী আৰু কিতাপৰ টোপোলা আগবঢ়োৱা হ'ব। দ্বিতীয় পুৰস্কাৰ নগদ ৭০০১ চকাৰ উপৰি ট্ৰফী আৰু কিতাপৰ টোপোলা আৰু তৃতীয় পুৰস্কাৰ নগদ ৫০০১ টকা, ট্ৰফী আৰু কিতাপৰ টোপোলা আগবঢ়োৱা হ'ব। ইয়াৰ উপৰি শ্ৰেষ্ঠ দৰ্শক বঁটা হিচাপে নগদ ১০০১ টকা আগবঢ়াব বুলি সংগঠনটোৰ নলবাৰী চহৰৰ সমিতিৰ সভাপতি নয়ন শৰ্মা আৰু সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি বৰ্মনৰ লগতে কুইজ প্ৰতিযোগিতাৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰাঞ্জল কলিতা, কাৰ্যকৰী সভাপতি উদ্দীপ্ত দাস আৰু সাধাৰণ সম্পাদক দেৱব্ৰত ডেকাই জনাইছে। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ ভৰ্তি মাচুল বিনামূলীয়াকৈ ৰখাৰ উপৰি অন্য অংশগ্ৰহণকাৰীৰ বাবে ভৰ্তি মাচুল দুশ টকা ধাৰ্য কৰিছে। যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পলাশ চাংমায়ে কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব।

## গোৱালপাৰা জিলা সূত্ৰধৰ সন্মিলনীৰ বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ জানুৱাৰী ঃ** সদৌ অসম সূত্ৰধৰ সন্মিলনীৰ গোৱালপাৰা জিলা সমিতিৰ ৪১ সংখ্যক বাৰ্ষিক অধিবেশন পূৰ্বাঞ্চল সন্মিলনীৰ অন্তৰ্গত চৌকা কাঁহিবাৰী সমূহীয়া ভৱনত অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলিছে। গোৱালপাৰা জিলা সূত্ৰধৰ সন্মিলনীৰ সম্পাদক নিৰ্মল সূত্ৰধৰে জনোৱা মতে সাম্প্ৰতিক পৰিস্থিতিৰ বাবেই অনুষ্ঠুপীয়াকৈ এদিনীয়া কাৰ্যসূচীৰে প্ৰতিনিধিমূলক দিৱস হিচাপে পালন কৰা হ'ব। কাৰ্যসূচী অনুসৰি প্ৰতিনিধিৰ নাম পঞ্জীয়নৰ পাছত গোৱালপাৰা জিলা সূত্ৰধৰ সন্মিলনী, মহিলা সন্মিলনী আৰু ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰা হ'ব। স্মৃতি তৰ্পণৰ পাছত বৃক্ষৰোপণ, সভাকক্ষ মুকলি, বিষয় বাছনি সভা, আবেলি জিলা সূত্ৰধৰ ছাত্ৰ সন্থাৰ আলোচনা, জিলা সূত্ৰধৰ মহিলা সন্মিলনীৰ আলোচনা, সন্ধিয়া এশ গছি বন্তি প্ৰজ্বলন, শলাগৰ শৰাই আৰু অধিবেশনৰ সামৰণি পৰিব। এই কাৰ্যসূচীত প্ৰতিখন প্ৰাথমিকৰ পৰা কমেও পাঁচজনকৈ প্ৰতিনিধি উপস্থিত থাকিবলৈ আহ্বান জনাইছে জিলা সন্মিলনীৰ সম্পাদক নিৰ্মল সূত্ৰধৰে।

## প্ৰধান শিক্ষক ইছাহক আলীৰ আকস্মিক মৃত্যু

অগ্ৰদূত বাৰ্তা


**মাটিয়া, ১১ জানুৱাৰী ঃ** পূব গোৱালপাৰাৰ ডেকধোৱাৰ মহম্মাদীয়া হাইস্কুলৰ প্ৰধান শিক্ষক ইছাহক আলী (৫০)ৰ আজি সন্ধিয়া হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ আকস্মিক মৃত্যু হয়। পশ্চিম মাটিয়াৰ ইছলামপুৰ নিবাসী আলীয়ে আজি হঠাতে অসুস্থ হৈ পৰাত গুৱাহাটীত চিকিৎসকক দেখুৱাবলৈ যায়। চিকিৎসকক দেখুৱাই ঘৰলৈ উভতি অহাৰ পথত আদবাটতে হঠাৎ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ শেষ নিশ্বাস ত্যাগ কৰে। মৃদুভাষী তথা অমায়িক স্বভাৱৰ আলীয়ে মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ আৰু এগৰাকী কন্যা সন্তান ইহসংসাৰত এৰি যায়।

## মঙলদৈত ভুৱা চালানেৰে বালি সৰবৰাহ কৰা ডাম্পাৰ জব্দ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১১ জানুৱাৰী ঃ** ভুৱা চালানেৰে বালি সৰবৰাহ কৰা এএছ-১৪ চি-৯১১১ নম্বৰৰ এখন ডাম্পাৰ কালি মঙলদৈ কেৰিমেৰি চ'কত বন বিভাগে জব্দ কৰে। উল্লেখ্য যে খণ্ড বন বিষয়া খগেন কলিতাৰ নেতৃত্বত কালি মঙলদৈ থানাৰ অধীনৰ কেৰিমেৰী চ'কত অভিযান চলাই ডাম্পাৰখন জব্দ কৰিবলৈ সক্ষম হয়। দীৰ্ঘদিন ধৰি বালি মাফিয়াই ভুৱা চালানেৰে চৰকাৰী কৰ ফাকি দি এইদৰে বালি সৰবৰাহ কৰি আহিছিল। ইফালে, কালি চমক দেখুৱাবলৈ অভিযান চলাইছে বুলি সচেতন মহলে অভিযোগ কৰিছে। উল্লেখ্য যে বন বিভাগৰ কাৰ্যালয়ত গাড়ী ৰখোৱা ঠাইৰ অভাৱৰ বাবে জব্দ কৰা ডাম্পাৰখন ধূলা আৰক্ষী থানাত ৰখা হৈছে।

## পশ্চিম ধুবুৰীৰ জিলা আক্ৰাছু-চিলাৰায় সেনা সমিতি গঠন



অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ১১ জানুৱাৰী ঃ** গোলকগঞ্জ শিল্পী সমাজ প্ৰেক্ষাগৃহত পশ্চিম ধুবুৰী জিলা আক্ৰাছু আৰু চিলাৰায় সেনাৰ প্ৰতিটো আঞ্চলিকৰ সদস্য-সদস্যা মিলিত হৈ নতুনকৈ মহিলা সমিতিৰ লগতে চিলাৰায় সেনা আৰু আক্ৰাছুৰ নতুন সমিতি গঠন কৰা হয়। আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি ক্ষিতিশ চন্দ্ৰ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত থাকে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য কাৰ্তিক চন্দ্ৰ ৰায়, প্ৰদীপ কুমাৰ ৰায়, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সদস্য মনোজ কুমাৰ ৰায়কে ধৰি আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকলকে ধৰি পশ্চিম ধুবুৰী জিলা আক্ৰাছুৰ সমূহ আঞ্চলিকৰ সদস্যবৃন্দ। সভাত পুৰণি সমিতিসমূহ ভংগ কৰি নতুনকৈ পৃথকে পৃথকে পশ্চিম ধুবুৰী জিলা আক্ৰাছুৰ এখন নতুন সমিতি গঠন কৰি দিয়ে লগতে মহিলা সমিতিখনো নতুনকৈ গঠন কৰি দিয়ে। ইয়াৰ লগতে পশ্চিম ধুবুৰী দিলা চিলাৰায় সেনা নতুনকৈ গঠন কৰি দিয়ে। গঠন হোৱা নতুন সমিতিখনৰ ক্ৰমে পশ্চিম ধুবুৰী জিলাৰ আক্ৰছুৰ সভাপতি মুকুল চন্দ্ৰ ৰায়, সম্পাদক দুজন ক্ৰমে দীপক ৰায়, মধু ৰায়ক নিৰ্বাচন কৰে। ইয়াৰ পাছত চিলাৰায় সেনাৰ সভাপতি হিচাপে যুগল চন্দ্ৰ ৰায় আৰু সম্পাদক হিচাপে অমিত্য ৰায়ক নিৰ্বাচিত কৰে। আনহাতে, মহিলা সমিতিৰ সভানেত্ৰী হিচাপে লতিকা ৰায় আৰু সম্পাদিকা পদত লিপিকা ৰায়ক নিৰ্বাচিত কৰে। উল্লেখ্য যে নৱ নিৰ্বাচিত এই নতুন সমিতিখনক অঞ্চলিকেই আনন্দ-উল্লাসেৰে আদৰি লয়। আগন্তক দিনত জাতিৰ হকে নিষ্ঠা সহকাৰে কাম কৰিব বুলি নৱনিৰ্বাচিত সমিতিখনে প্ৰতিশ্ৰুতি লয়।

## কোকৰাঝাৰত পাঁচ তীৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১১ জানুৱাৰী ঃ** কোকৰাঝাৰ আৰক্ষীয়ে কালি কোকৰাঝাৰ চহৰৰ আশে-পাশে অভিযান চলাই পাঁচজন তীৰ বেপাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ব্যৱসায়ী কেইজন ক্ৰমে নৱ সাহা, ৱাৰ্ড নম্বৰ ন, শুভজিৎ কৰ, ৱাৰ্ড নম্বৰ তিনি, নিতাই কৰ্মকাৰ, ৱাৰ্ড নম্বৰ ছয়, ৰাজু মণ্ডল, শান্তিনগৰ আৰু সঞ্জয় দাস ডিমলগাঁও। তীৰ ব্যৱসায়ী দলটোৰ পৰা দুই লাখ ৬০ হেজাৰ টকা উদ্ধাৰ কৰে আৰক্ষীয়ে।

## অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড নগাঁৱৰ উদ্যোগত মহিলা গোটলৈ উৰণীয়া তাঁতশাল বিতৰণ

বিশেষ সংবাদদাতা

**নগাঁও, ১১ জানুৱাৰী ঃ** অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড নগাঁৱৰ উদ্যোগত কালি একোটাকৈ পাঁচজনীয়া মহিলা গোটক একোখনকৈ উৰণীয়া তাঁতশালৰে মুঠ ৪০খনৰে কালি ১০খন তাঁতশাল বিতৰণ কৰে অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড নগাঁৱৰ অধ্যক্ষ নৰেন দাসে। বৰ্তমান যিহেতু মহিলাসকল ভোগালী বিহুৰ এই বতৰত কাপোৰ বোৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত জড়িত হৈ নিজকে স্বাৱলম্বিতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে তাৰ সমান্তৰালভাৱে ভোগালী বিহুৰ লগত সংগতি ৰাখি মহিলাসকলক উদ্‌গনি দিবলৈ এই কাৰ্যসূচী হাতত লোৱা হয় বুলি অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড নগাঁৱৰ অধ্যক্ষ দাসে জানিব দিছে। ইয়াৰ পূৰ্বেও অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড তৰফৰ পৰা মহিলা তথা গোটসমূহলৈ চিলাই মেচিন, ম'বাইল টেবলেট, সূতা আদি বিতৰণ কৰি আহিছে। বিতৰণ কৰা এই উৰণীয়া তাঁতশালৰ একোখনৰ মূল্য প্ৰায় ৫০ হেজাৰ টকা। এই উৰণীয়া তাঁতশাল বিতৰণ কাৰ্যসূচীত অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড নগাঁৱৰ অধ্যক্ষ নৰেন দাস, অনুসূচিত জাতি উন্নয়ন ব'ৰ্ডৰ পৰিদৰ্শক অভিজিৎ ফুকন, অনুসূচিত জাতি উন্নয়ন ব'ৰ্ডৰ সদস্য হীৰকজ্যোতি দাস, অনুপম দাস প্ৰণৱ বৰদলৈ, প্ৰীতি দাস আদি উপস্থিত থাকে। পৰৱৰ্তী সময়তো অনুসূচিত জাতি উন্নয়ন ব'ৰ্ডৰ তৰফৰ পৰা মহিলা তথা মহিলা গোটসমূহলৈ এনে ধৰণৰ সামগ্ৰী বিতৰণ কাৰ্যসূচী অব্যাহত থাকিব বুলি অধ্যক্ষ দাসে জানিব দিছে।

## মৃত্যুৰ প্ৰমাণপত্ৰৰ বিনিময়ত ঘোচ লৈ

*এক পৃষ্ঠাৰ পৰা* গ্ৰাম্য স্বাস্থ্য নিৰীক্ষক হিতেশ ডেকা। মৃত্যুৰ প্ৰমাণ পত্ৰ দিয়াৰ বিনিময়ত ধন সংগ্ৰহ কৰি থকা অৱস্থাত আজি দুপৰীয়া দুৰ্নীতি নিবাৰক শাখা অভিযানকাৰী দলে ডেকাক হাতে লোটে ধৰা পেলায়।

ঘটনা সন্দৰ্ভত প্ৰাপ্ত তথ্য অনুসৰি, ৰাণীৰ অৰূপ দাস নামৰ যুৱকজনে কিছুদিন পূৰ্বে কোনো আত্মীয়ৰ মৃত্যুৰ প্ৰমাণ পত্ৰৰ বাবে ৰাণী সামুহিক স্বাস্থ্য কেন্দ্ৰৰ গ্ৰাম্য স্বাস্থ্য নিৰীক্ষক ডেকাৰ ওচৰত আবেদন জনাইছিল। তেতিয়াই ডেকাই যুৱকজনক প্ৰমাণপত্ৰ দিয়াৰ বিনিময়ত নগদ পাঁচ হেজাৰ টকা দাবী কৰিছিল। পৰৱৰ্তী সময়ত যুৱকজনৰ পত্নীয়ে প্ৰাথমিকভাৱে এহেজাৰ টকা দি যাবতীয় কামখিনি আগবঢ়াবলৈ কৈছিল। তাৰ দুদিনৰ পাছত যুৱকজনে গ্ৰাম্য স্বাস্থ্য নিৰীক্ষক ডেকাক প্ৰমাণপত্ৰৰ কাম কিমান আগবাঢ়িছে বুলি সোধাত ডেকাই সম্পূৰ্ণ টকা দিলেহে কাম আগবাঢ়িব বুলি কয়। তেতিয়া আকৌ যুৱকজনে স্বাস্থ্য নিৰীক্ষক ডেকাৰ হাতত এহেজাৰ টকা দিয়ে যদিও প্ৰমাণপত্ৰৰ কাম আগবঢ়া নাছিল। উপায়ন্তৰ হৈ যুৱকজনে দুৰ্নীতি নিবাৰক শাখাৰ লগত যোগাযোগ কৰে। ইয়াৰ পাছত পৰিকল্পনা মৰ্মে আজি দুপৰীয়া যুৱকজনে বাকী থকা তিনি হেজাৰ টকা দি থকা অৱস্থাত গোপনে খাপ পিটি থকা দুৰ্নীতি নিবাৰক শাখাৰ বিষয়াই ডেকাক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইফালে, গ্ৰাম্য স্বাস্থ্য নিৰীক্ষক ডেকাই ধন লোৱা সন্দৰ্ভত সাংবাদিকৰ আগত কোনো ধন দাবী কৰা নাই বুলি দায়সৰা মন্তব্য কৰে। ধৃত ঘোচখোৰ স্বাস্থ্য নিৰীক্ষকজনৰ ঘৰ শুৱালকুছিৰ ৰাজগড়ত। উল্লেখ্য যে স্বাস্থ্য নিৰীক্ষকজনৰ লগতে একাংশই স্বাস্থ্য কেন্দ্ৰৰ দায়িত্বত থকা ৰূপা শইকীয়াৰ বিৰুদ্ধেও অভিযোগ দিছিল। অৱশ্যে এই সকলো অভিযোগ একেমুখে খণ্ডন কৰে ৰাণী সামুহিক স্বাস্থ্য কেন্দ্ৰৰ দায়িত্বত থকা বিষয়াগৰাকীয়ে। মন কৰিবলগীয়া যে দীৰ্ঘদিন ধৰি ধৃত ডেকাই বিভিন্ন লোকক জন্ম-মৃত্যুৰ প্ৰমাণ পত্ৰ দিয়াৰ নামত 'ওপৰ মহল'ত ধন দিব লাগে বুলি কৈ পাঁচ হেজাৰৰ পৰা ১০ হেজাৰ টকালৈকে সংগ্ৰহ কৰি অহাৰ অভিযোগ আছে।

## ক'ভিড পৰিস্থিতি জটিল ঃ সকলো

*এক পৃষ্ঠাৰ পৰা* অথ'ৰিটী (ডিডিএমএ)ৰ তৰফৰ পৰা জৰুৰী সেৱা প্ৰদানকাৰী সংস্থাসমূহক ইয়াৰ পৰা ৰেহাই দিছে।

অ'মিক্ৰণৰ সংক্ৰমণৰ মোকাবিলাৰ বাবে দিল্লীত কালিয়ে হোটেল-ৰেষ্টোৰাঁ আদিত বহি খোৱা-বোৱা কৰাটো বন্ধ কৰিছিল। কোৱা হৈছিল যে খাদ্য ক্ৰয় কৰি ঘৰলৈ নি খাব লাগিব। লগতে সক্ৰিয় হৈ থাকিব খাদ্যবস্তু ঘৰলৈ সৰবৰাহ কৰাৰ ব্যৱস্থা। দিল্লীত ইমানদিনে ৫০ শতাংশ উপস্থিতিৰে চৰকাৰী-বেচৰকাৰী কাৰ্যালয়সমূহত কাম চলি আছিল। এইবাৰ সেই নিয়ম সলনি কৰিলে ডিডিএমএই। নতুন নিৰ্দেশনাত সকলোবোৰ বেচৰকাৰী কাৰ্যালয় বন্ধ কৰি দিয়া হৈছে। এই কাৰ্যালয়সমূহৰ এশ শতাংশ কৰ্মচাৰীয়ে ঘৰত থাকিয়ে কাম কৰিব। প্ৰত্যাশিতভাৱেই জৰুৰী সেৱা প্ৰদানকাৰী সংস্থাসমূহক এই নিয়মৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে। উল্লেখ্য যে দিল্লীত সোমবাৰে ১৯ হেজাৰৰ অধিক ক'ভিড আক্ৰান্তৰ নতুনকৈ সন্ধান ওলায়। সেয়া দেওবাৰৰ তুলনাত সামান্য কম যদিও সংক্ৰমণৰ হাৰ আছিল বেছি। কালি ৰাজধানীত সংক্ৰমণৰ হাৰ আছিল ২৫ শতাংশ আৰু সেয়া বিগত পাঁচ দিনত সৰ্বাধিক বিগত ২৪ ঘণ্টাত দিল্লীত ১৭জন ক'ভিড আক্ৰান্তৰ মৃত্যু হৈছে। এনে পৰিস্থিতিত কোনো ধৰণৰ সুৰুঙা ৰাখিব বিচৰা নাই দিল্লী চৰকাৰে। দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনে কয়, 'আগন্তুক দুই-এদিনৰ ভিতৰতে চহৰত সংক্ৰমণ শীৰ্ষত উপনীত হ'ব। এনেকুৱাও হ'ব পাৰে যে আমি এতিয়াই সংক্ৰমণৰ চূড়াত আৰোহণ কৰিছো। তাৰ পাছৰ পৰা ক্ৰমাৎ সংক্ৰমণ অৱনমিত হ'ব।'

## তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক বিকাশ

*এক পৃষ্ঠাৰ পৰা* জিলাৰ মাকুম নিবাসী ৫২ বছৰীয়া সাংবাদিকজনে নিজৰ পিষ্টলেৰে মূৰত গুলীয়াই আত্মহত্যাৰ দৰে চৰম পন্থা বাচি লয়। অৱশ্যে তেওঁৰ আত্মহত্যাৰ কাৰণ এই পৰ্যন্ত পোহৰলৈ অহা নাই।

প্ৰাপ্ত তথ্য অনুসৰি, মৰাণে যোৱা নিশা নিজগৃহত প্ৰৱেশ কৰাৰ কিছু সময়ৰ পাছতে নিজৰ পইণ্ট ৩২ পিষ্টলেৰে নিজৰ মূৰত শূন্য দূৰত্বৰ পৰা দুই জাঁই গুলি কৰে। লগে লগে তেওঁ ঠাইতে ঢলি পৰে। পৰিয়ালৰ লোকে ততাতৈয়াকৈ তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত মৰাণে মাতৃ, পত্নীসহ দুই কন্যা আৰু এটি পুত্ৰ সন্তান এৰি থৈ যায়। পৰৱৰ্তী সময়ত নিশাই তিনিচুকীয়াৰ আৰক্ষী অধীক্ষক দেৱজিৎ দেউৰীয়ে তিনিচুকীয়া অসামৰিক চিকিৎসালয়ৰ লগতে মাকুমস্থিত বাসগৃহত উপস্থিত হৈ পিষ্টলটো জব্দ কৰাৰ লগতে তদন্ত আৰম্ভ কৰে।

ই এফ চি (লোকেল নিউজ), এনই টিভি, নিউজ লাইভ, নিউজ টাইম আছাম, আছাম টকছ, ডি এ নিউজ প্লাছ আদিকে ধৰি কে'বাটাও বৈদ্যুতিন মাধ্যমৰ সংবাদ প্ৰতিষ্ঠানত ২০ বছৰৰো অধিক কাল কৰ্মৰত মৰাণ মৃত্যুৰ সময়ত নিউজ টাইম আছামৰ উজনি অসমৰ মুল সাংবাদিকৰূপে কৰ্মৰত আছিল।

ইপিনে, আজি পুৱা মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত জ্যেষ্ঠ সাংবাদিক মৰাণৰ মৃতদেহত তিনিচুকীয়াৰ থানা চাৰিআলিত প্ৰেছক্লাব, মৰাণ ছাত্ৰ সন্থা, আছু, মটক যুৱ-ছাত্ৰ সন্মিলন, তাই আহোম ছাত্ৰ সন্থা, তাই আহোম যুৱ পৰিষদ, যুৱ-ছাত্ৰ পৰিষদ, বিজেপি, অগপ, কংগ্ৰেছৰ লগতে জিলাখনৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি তথা শতাধিক গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জনায়। তাৰ পাছতে মাকুমৰ ৰজনীকান্ত বৰদলৈ খেলপথাৰত মাকুমৰ বিভিন্ন দল-সংগঠন আৰু গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জনাই নিজা বাসগৃহত কিছুসময় নশ্বৰ দেহ ৰখাৰ পাছত বেতনী গাঁৱৰ বাসগৃহত কেৰাশ লোকৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰে। উল্লেখ্য যে সদ্যপ্ৰয়াত মৰাণে সাংবাদিকতাৰ উপৰি মৰাণ ছাত্ৰ সন্থাৰ মাকুম আঞ্চলিক সমিতিৰ প্ৰতিষ্ঠাপক সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ বিত্ত সম্পাদক, অসম মৰাণ সভাৰ প্ৰাক্তন উপ-সভাপতি আৰু মাকুম ক্ৰীড়া সন্থাৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ উপৰি তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। তেওঁৰ মৃত্যুত সমগ্ৰ জিলাখনত শোকৰ ছাঁ পৰিছে। অৱশ্যে কি কাৰণত সাংবাদিকজনে আত্মহত্যাৰ দৰে পথ বাচি ল'লে সেয়া এতিয়াও পোহৰলৈ অহা নাই। এই সন্দৰ্ভত তিনিচুকীয়া আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## কাইলৈ উৰুকা ঃ ভোগালীৰ খাদ্য-সামগ্ৰীৰে

*এক পৃষ্ঠাৰ পৰা* শোণিতপুৰ, হাজো আদি অঞ্চলৰ ভোগালী সমাগ্ৰীৰে ভৰি পৰিছে। কৃত্ৰিম মেজিৰ সমান্তৰালভাৱে এইবাৰ ভোগালীৰ বজাৰত বিশেষ আকৰ্ষণ হৈছে বহু চৰ্চিত অসম চৰকাৰৰ গৰুখুঁটি প্ৰকল্পৰ গীৰ গাইৰ দৈ। অৱশ্যে বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ভোগালীৰ বজাৰত ৰামদিয়া আৰু সৰভোগৰ দৈ-ক্ৰীমে পূৰ্বৰ চাহিদা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে যদিও চাহিদা অনুপাতে গীৰ গাইৰ দৈ উপলব্ধ হোৱা নাই। সমান্তৰালভাৱে পিঠা, নাৰিকল-তিলৰ লাৰু, চুঙা-টেকেলিৰ দৈ, কোমল চাউল, ঢেকীত খুন্দা চিৰা, সান্দহ, গুড়, তিল আদিৰে উভৈনদী হৈ পৰিছে মহানগৰীৰ ভোগালীৰ বিপণীসমূহ। বহু আত্মসহায়ক গোট ভোগালীৰ বজাৰলৈ ওলাই আহিছে। মহানগৰীৰ বিভিন্ন পথ, উপ-পথৰ সমান্তৰালভাৱে কে'বাটাও স্থানত ভোগালী মেলা আয়োজন কৰা হৈছে আৰু প্ৰতিটো স্থানতে ক্ৰেতাৰ ভিৰ হৈছে।

ইফালে, ঠাই ভেদে ভোগালীৰ খাদ্য সামগ্ৰীৰ মূল্যৰো কিছু পৰিমাণে তাৰতম্য দেখিবলৈ পোৱা গৈছে যদিও বিগত বৰ্ষৰ তুলনাত এইবাৰ খাদ্য সামগ্ৰীসমূহৰ দাম কিছু পৰিমাণে হ্ৰাস পোৱা বুলিহে দাবী কৰিছে ব্যৱসায়ীসকলে। উল্লেখ্য যে 'কন্যাকা'ৰ উদ্যোগত খানাপাৰা পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় চৌহদত আয়োজন কৰা হৈছে এখন ভোগালী মেলা য'ত গৰুখুঁটিৰ গীৰ গাইৰ দৈ উপলব্ধ হৈছে। উদ্যোক্তাই সদৰী কৰা অনুসৰি, প্ৰতি কিলোগ্ৰাম গীৰ গাইৰ দৈৰ মূল্য হৈছে দুশ টকা। একেদৰে কন্যাকা ডায়েৰীয়ে প্ৰস্তুত কৰা প্ৰতি কিলোগ্ৰাম কোমল চাউল ৬৫ টকা, কোমল চিৰা ৭০ টকা, ভজা কোমল চাউল ১১০ টকা, মালভোগ চিৰা ১১০ টকা, বৰা চাউল ৯০ টকা, সান্দহ ১১০ টকা, গুড় ১১৫ টকা আৰু প্ৰতি লিটাৰ শুদ্ধ মিঠাতেল ২২০ টকাত বিক্ৰী কৰা হৈছে বুলি জনায়। উল্লেখ্য যে উক্ত স্থানতে গৰুখুঁটিৰ প্ৰকল্পৰ পৰা অনা মাটিমাহকে ধৰি অন্যান্য শাক-পাচলি বিক্ৰী কৰা হৈছে। ইয়াৰ প্ৰতি কিলোগ্ৰাম কেঁচা মটৰ ৪০ টকা, বন্ধা কবি ১৫ টকা, ৰঙালাও ৫০ টকা, মাটিমাহ আৰু তিল এশ টকাকৈ বিক্ৰী কৰা হৈছে বুলি কৰ্তৃপক্ষই সদৰী কৰিছে। আনহাতে, দীঘলীপুখুৰীস্থিত সিদ্ধিনাথ শৰ্মা ভৱনৰ চৌহদত অনুষ্ঠিত ভোগালী মেলাত ধেমাজি, লখিমপুৰ, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, গোলাঘাট, হাজো, নলবাৰীৰ কৃষক আৰু আত্মসহায়ক গোটসমূহে বিভিন্ন ভোগালীৰ সামগ্ৰী লৈ অংশগ্ৰহণ কৰিছে। এই ভোগালী মেলাত প্ৰতি কিলোগ্ৰাম ৰামদিয়া-সৰভোগৰ দৈ ১৫০ টকা, ক্ৰীম পাঁচশ টকা, মালভোগ চিৰা ১২০ টকা, তিতাবৰ-কাকপথাৰৰ ক'লা চাউল ১৬০ টকা, দেৰগাঁৱৰ গুড় ৮০ টকা, সান্দহ এশ টকাত বিক্ৰী কৰিছে। নাহৰকটীয়া টিপামৰ পৰা অহা 'বৰনৈ' নামৰ গোটটোৱে ঘৰতে প্ৰস্তুত কৰা খাবলি, পানীটেঙা, গোলনেমু আচাৰ আদি বিপণীত বিক্ৰী কৰিছে।

উল্লেখ্য যে মহানগৰীৰ ভোগালীৰ মেলাসমূহৰ বিপৰীতে ছয়মাইল-খানাপাৰা সংযোগী পথ, গণেশগুৰি, চান্দমাৰি, শিলপুখুৰী আদি বহু স্থানৰ পদপথত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভোগালী সামগ্ৰীৰে ভৰি পৰিছে। ইয়াৰ অধিকাংশ বিপণীয়ে প্ৰতি কিলোগ্ৰাম মঙলদৈৰ গুড় ১২০ টকা, বৰপেটা-নগাঁৱৰ গুড় ১১০ টকা, মাটিমাহ এশ টকা, তিল ১২০-১৮০ টকা, বগা জহা ৭৫-৮০ টকা, বৰা চাউল ৮০-৯০ টকা, কেঁচা পিঠা ৭০-৮০ টকা, সান্দহ এশ টকা আদি দৰত বিক্ৰী কৰিছে। ভোগালীৰ বিভিন্ন খাদ্য সমাগ্ৰী লৈ নলবাৰীৰ পৰা অহা কৰুণা কলিতা, বৰপেটাৰ দিপাংকৰ দাসে খাদ্য সামগ্ৰীৰ দাম বিগত বৰ্ষৰ তুলনাত কিছু হ্ৰাস হোৱা বুলি দাবী কৰিছে আৰু গ্ৰাহকৰ যথেষ্ট সঁহাৰি লাভ কৰা বুলি কয়।

## ৰাজ্যত দৈনিক ১৪ হেজাৰলৈ বৃদ্ধি পাব

*এক পৃষ্ঠাৰ পৰা* মুখ্যমন্ত্ৰীয়ে কয়, 'দিল্লীতো এদিন এনে পৰিৱেশ আছিল; কিন্তু শুনা মতে দিল্লীত আজি বেচৰকাৰী কাৰ্যালয়বোৰো বন্ধ কৰি দিয়া হৈছে। অসমত বৰ্তমান চিকিৎসালয়ৰ বিছনাৰ ওপৰত হেঁচা পৰা নাই। সন্তোষজনক সংখ্যাৰ অৱস্থাতে আছে বিছনাৰ সংখ্যা। কাইলৈ-পৰহিলৈ যদিহে বিছনাৰ ওপৰত হেঁচা পৰে তেতিয়া আমি নতুন কথা ভাবিব লাগিব।' এই প্ৰসংগতে চৰকাৰে ভোগালী বিহু উদ্‌যাপনক লৈ জাৰি কৰা নীতি-নিৰ্দেশনাক লৈ একাংশ লোকে কৰা সমালোচনাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মুখ্যমন্ত্ৰীয়ে। তাৰ লগতে তেওঁ উৰুকা আৰু বিহুৰ দিনা সান্ধ্য আইনৰ সময়সীমা হ্ৰাসৰ চৰকাৰে লোৱা সিদ্ধান্তৰ বিষয়ে সদৰী কৰে। মুখ্যমন্ত্ৰীয়ে জনায় যে উক্ত দিনত পূৰ্বে নিশা ১০ৰ পৰা পুৱা ছয় বজালৈ ঘোষণা কৰা সান্ধ্য আইনৰ সময় নিশা ১১ৰ পৰা পিছদিনা পুৱা চাৰি বজালৈ হ্ৰাস কৰা হৈছিল। বিহু পালনৰ নিৰ্দেশনাক লৈ সমালোচনা কৰাসকলক মুখ্যমন্ত্ৰীয়ে অসমীয়া বিৰোধী আখ্যা দিয়ে। অসমীয়াৰ আবেগক লৈ সংশ্লিষ্টসকলে ঠেক ৰাজনীতি কৰা বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। শৰ্মাই কয়, 'ভেলাঘৰত ক'ভিডত অসমীয়া যুৱক, ল'ৰা-ছোৱালীহে আক্ৰান্ত হ'ব। আমি অসমৰ যুৱক-যুৱতীৰ স্বাস্থ্য হানি হ'বলৈ দিয়াৰ কথা নাহে; কিন্তু কিছুমানে চৰকাৰৰ নীতি-নিৰ্দেশনাক সমালোচনা কৰি আৰু নিয়মবোৰ উলংঘা কৰি অসমীয়া যুৱকক নিশা ভেলাঘৰত কটাবলৈ মাতি আছে। তাৰ মানে তেওঁলোকে অসমীয়া যুৱকৰ স্বাস্থ্য হানি হোৱাটো বিচাৰে। মই সেইকাৰণে সেইসকলক অসমীয়া বিৰোধী বুলি কৈছো। অসমীয়াৰ আবেগক লৈ ইমান খেলা খেলিব নালাগে। ভেলাঘৰত কাৰ ক'ভিড হ'ব? অসমীয়া নে অনা অসমীয়াৰ? যদি বাংলাদেশীৰ ক'ভিড হ'লহেঁতেন আমি পুনৰ বিবেচনা কৰিলোহেঁতেন। আমি এবছৰৰ কাৰণে ঘৰত বিহুটো খালেও অসমীয়া জাতিটো ইমান দুৰ্বল নহয় যে এক ৰাতিৰ ভিতৰতে থানবান হৈ যাব। কিছুমানে ৩১ ডিচেম্বৰত নিয়মবোৰ নকৰি মাঘৰ বিহুতহে কৰা বুলি সমালোচনা কৰিছে। ৩১ ডিচেম্বৰত কিমানজন ক'ভিডত আক্ৰান্ত হৈছিল আৰু বৰ্তমান কিমানজন আক্ৰান্ত হৈছে? সেইসকলৰ দৰে অসমীয়া বিৰোধী নাই যিয়ে ভেলাঘৰত অসমীয়া ল'ৰাক ক'ভিডত আক্ৰান্ত কৰিব বিচাৰিছে। তথাকথিত সেইসকল অসমীয়াই ল'ৰাবোৰক ভেলাঘৰলৈ আহ আহ বুলি মাতি আছে।'

চৰকাৰে এফালে ক'ভিডৰ নীতি-নিৰ্দেশনা জাৰি কৰাৰ বিপৰীতে আনফালে একাংশ মন্ত্ৰী-বিধায়কে সেয়া মুকলিকৈ উলংঘা কৰি আহিছে। শেহতীয়াকৈ ধেমাজিত মন্ত্ৰী, সাংসদ, বিধায়কৰ উদ্যোগত এক বৃহৎ ভোজমেল অনুষ্ঠিত হয়। সেইসকল জনপ্ৰতিনিধিৰ নাম উল্লেখ নকৰাকৈ মুখ্যমন্ত্ৰীয়ে আজি কয় যে তেনে মন্ত্ৰীক বেয়া কাম কৰা বুলি তেওঁ কৈছে। এয়া বীৰত্ব পাবলগীয়া কাম নহয় বুলিও কথা শুনোৱা বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয়, 'মই তেওঁলোকক সুধিছো— আচলতে মানুহবোৰক মাছ খুৱালে নে বিহ খুৱালে? তাততো মোৰ বিজেপিৰ ল'ৰাবোৰৰে ক'ভিড হ'ব!'

### দ্ৰুতগতিত বৃদ্ধি আক্ৰান্ত

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (এন এইছ এম) অসমে সদৰী কৰা অনুসৰি, ৰাজ্যত ২,৮৩৭ জনৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰে। কালি এই সংখ্যা আছিল ২,১৯৮ জন। আজি আক্ৰান্তসকলৰ ভিতৰত ৮৭০ জন লোক মহানগৰৰ। ইয়াৰ পাছতে যোৰহাটত ২১৫, কাছাৰত ১৮৯ আৰু ডিব্ৰুগড়ত ১৭০ জন লোকৰ সংক্ৰমণ ধৰা পৰে। আজি নলবাৰী আৰু শোণিতপুৰত এজনকৈ ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। সম্প্ৰতি ৰাজ্যত থকা সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা হ'ল ৯,২৫৩ জন।

### প্ৰতিষেধক নোলোৱাই বিনামূলীয়া চিকিৎসা নাপায়

ক'ভিড ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে আজি এক জাননীৰ জৰিয়তে সদৰী কৰে যে এটা প্ৰতিষেধক গ্ৰহণ নকৰা অথবা দ্বিতীয় পালি প্ৰতিষেধক গ্ৰহণৰ সময় উকলি যোৱা ক'ভিড আক্ৰান্তৰ চিকিৎসা এতিয়াৰে পৰা বিনামূলীয়া নহ'ব। যিসকল ৰোগীয়ে পেয়িং কেবিন দখল কৰি আছে তেওঁলোকেও সম্পূৰ্ণ মাচুল পৰিশোধ কৰিব লাগিব। জাননীখনত এই বুলিও উল্লেখ কৰা হৈছে যে চৰকাৰী চিকিৎসালয়ত ভৰ্তি হোৱা ক'ভিড ৰোগীসকলে চিকিৎসালয়ৰ নিয়ম অনুসৰি খাদ্য লাভ কৰিব। অৱশ্যে তেওঁলোকৰ খাদ্যৰ পেকেজিং ব্যয় হিচাপে প্ৰতিদিনে দুশ টকাকৈ আগবঢ়োৱা হ'ব। দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৰোগীক বিনামূলীয়াকৈ খাদ্য যোগান ধৰা হ'ব। আন সকলে খাদ্য ক্ৰয় কৰিব পাৰিব অথবা ঘৰৰ পৰাও আনিব পাৰিব। একেখন জাননীতে পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষই প্ৰয়োজন সাপেক্ষে ফেকাল্টিৰ ছুটী বাতিল আৰু ছুটীত থকাসকলক আধাতে ওভতাই আনিব পাৰিব বুলি উল্লেখ কৰা হৈছে।

## ব্যৰ্থতাক থাপি-থুপি থোৱাৰ

*এক পৃষ্ঠাৰ পৰা* কয় যে অসমে যোৱাবাৰ অংশগ্ৰহণ কৰিছে। অহাবাৰ আকৌ কৰিব। শৰ্মাই কয়, '১৬ খন ৰাজ্যইহে গণৰাজ্য দিৱসৰ কাৰ্যসূচীত যোগদানৰ সুবিধা লাভ কৰে। অসমে এইবাৰ পোৱা নাই। অহাবাৰ হয়তো পাব। ৰোটেচন ভিত্তিত এইটো চলি থাকে।' অৱশ্যে বাকী কথাবোৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগেহে জানিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী আৰু সাংস্কৃতিক মন্ত্ৰীৰ এনে বিপৰীত ভাষ্যতে চৰকাৰখনৰ দিল্লীত অসমক দাঙি ধৰাত ব্যৰ্থতা স্পষ্ট হৈছে। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বৰাই প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ সেউজ সংকেতলৈ অসম ৰৈ থকা বুলি উল্লেখ কৰাৰ বিপৰীতে তেনে অনুমতিৰ প্ৰক্ৰিয়া ডিচেম্বৰৰ ভিতৰতে সম্পন্ন হয়। এনে ব্যৰ্থতাৰ বাবেই সাংস্কৃতিক সঞ্চালকালয়ৰ সদ্য প্ৰাক্তন সঞ্চালক কিশোৰ ঠাকুৰীয়াক জৰুৰীভাৱে অন্য বিভাগলৈ বদলি কৰা হয়।

## মুখ্যমন্ত্ৰীলৈ উৰুকাৰ উপহাৰ

*এক পৃষ্ঠাৰ পৰা* ওজনৰ এটা চিতল মাছ উৰুকাৰ উপহাৰ হিচাপে আগবঢ়ায়। জাতিটোৰ গতিশীল সাংস্কৃতিক সত্তা আৰু জীৱনবোধৰ সৰল অভিব্যক্তি মাঘ বিহুৰ উৰুকাৰ প্ৰাককক্ষণত এই বিশেষ উপহাৰ লাভ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আনন্দ প্ৰকাশ কৰাৰ লগতে সন্থাৰ বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকক আগন্তুক ভোগালী বিহুৰ শুভেচ্ছা জনোৱাৰ লগতে অসমীয়াৰ বাপতিসাহোন এই বিহুৰে সকলোৰে জীৱন ভোগৰে ওপচাই তুলিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ সময়ত বৃহত্তৰ উজানবজাৰ নিবনুৱা মৎস্য ব্যৱসায়ী সন্থাৰ তৰফৰ পৰা সাধাৰণ সম্পাদক ভাস্কৰ দাসৰ লগতে সন্থাৰ সদস্য ক্ৰমে বিলু দাস, হৰিৎ মেধি আৰু দিলীপ মেধি উপস্থিত থাকে।

## পথালিপাহাৰত হাতত মাৰণাস্ত্ৰ

*এক পৃষ্ঠাৰ পৰা* আদৰ্শ গাঁৱত অৰুণাচলীয়ে অসমৰ ভূমি দখলত অগ্ৰসৰ হৈছে। পৰিতাপৰ বিষয় যে বিগত এমাহ ধৰি বান্দৰদেৱাৰ পথালিপাহাৰৰ আদৰ্শ গাৱঁত অসম-অৰুণাচলৰ ভূমিকেন্দ্ৰিক বিবাদে এক অগ্নিগৰ্ভা পৰিস্থিতিৰে বিৰাজ কৰিছে। তথাপি লখিমপুৰৰ উপায়ুক্ত আৰু নাৰায়ণপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই দুয়ো ৰাজ্যৰ সীমা বিবাদৰ বিষয়টো আলোচনা কৰি সমাধান নকৰাৰ বাবেই আজি কিছুদিন ধৰি অসম-অৰুণাচল সীমান্তৰ পথালিপাহাৰৰ আদৰ্শ গাঁৱত অসমৰ ভূমি অৰুণাচলীয়ে মাৰণাস্ত্ৰ লৈ হাবি কাটি বেদখলৰ অপচেষ্টা চলাইছে।

আজি হঠাৎ অৰুণাচলৰ প্ৰায় ২০জনীয়া পুৰুষ-মহিলাৰ দলে হাতে হাতে দা, কুঠাৰ আৰু বন্দুক লৈ অসমৰ ভূমিত অসমৰে মানুহক ধমক দি মাটি দখলৰ কৰিবলৈ আহে। ফলত দুয়ো ৰাজ্যৰ জনসাধাৰণৰ মাজত যুদ্ধংদেহী পৰিৱেশৰ সৃষ্টি হয়। বান্দৰদেৱা আৰক্ষী আৰু নাৰায়ণপুৰ ৰাজহ চক্ৰ বিষয়াই পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাই বিফল হয়। লখিমপুৰ জিলা প্ৰশাসনে এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত জাতীয় সংগঠন আৰু স্থানীয় লোকৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## অভিযোগনামা দাখিলত ব্যৰ্থ

*এক পৃষ্ঠাৰ পৰা* জামিন মঞ্জুৰ কৰাৰ ফলতে মৰাণ মুকলি আকাশৰ তললৈ ওলাই অহাটো সম্ভৱ হয়। উল্লেখ্য যে বিগত বৰ্ষৰ এপ্ৰিলত স্বাস্থ্যজনিত কাৰণত মৰাণক সংগঠনৰ পৰা অব্যাহতি দিয়া হৈছিল। তেওঁ ম্যানমাৰৰ শিবিৰৰ পৰা অসম অভিমুখে আহি থকা বাটতে অৰুণাচলৰ খোনচাত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ দলে আটক কৰি নিজৰ জিম্মাত লৈছিল। ইতিমধ্যে ২০১৭ত এনআইএৰ আদালতত তদন্তকাৰী সংস্থাটোৱে আলফা (স্বাঃ)ৰ সভাপতি ডাঃ অভিজিত অসম আৰু মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ বিৰুদ্ধে এখন অভিযোগনামা দাখিল কৰিছিল। বিভিন্ন অপৰাধমূলক কাৰ্যত দুয়োজন জড়িত থকা বুলি তাত উল্লেখ কৰা হৈছে। সেই সম্পৰ্কীয় গোচৰটোতে এনআইএয়ে আলফা (স্বাঃ)ৰ এজন শীৰ্ষ নেতা হিচাপে মৰাণৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ আদালতত এখন এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত মৰাণ গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত বন্দী হ'বলগীয়া হয়। মৰাণৰ অধিবক্তা কংকন কলিতাই কয় যে এনআইএই ১৮০ দিনৰ ভিতৰত সংগঠনে অব্যাহতি দিয়া আলফা (স্বাঃ)ৰ নেতাজনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰাত ব্যৰ্থ হয়। তাৰ ফলতে এনআইএৰ আদালতে মৰাণৰ জামিন মঞ্জুৰ কৰে। এই অনুসৰি মৰাণে আজি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ পৰা তিনিচুকীয়াৰ গৃহ অভিমুখে যাত্ৰা কৰে।

## অভিযানকাৰী আৰক্ষীৰ দলক

*এক পৃষ্ঠাৰ পৰা* দল যোৱা নিশা জুৱাৰীৰ ভয়ানক আক্ৰমণৰ সন্মুখীন হয়। দুৰ্বৃত্তই যাঠী, জোং আদি লৈ চলোৱা এই ভয়ংকৰ আক্ৰমণৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে আনকি আক্ৰমণকাৰীক নিৰস্ত্ৰ কৰিবলৈ শূন্যলৈ কে'বাজাঁই গুলিচালনা কৰিবলগীয়া হয়।

আৰক্ষী সূত্ৰই জনোৱা মতে, ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত বৰপেটাত বহুদিনৰ পৰাই এক সমাজবিৰোধী চক্ৰৰ পৃষ্ঠপোষকতাত বৃহৎ জুৱাখেল চলি আহিছিল। নিতৌ লাখ লাখ টকাৰ জুৱাখেল হৈছিল উক্ত অঞ্চলত। এই জুৱাৰ আড্ডা উৎখাত কৰিবলৈ ৰূপহী আৰক্ষীক স্থানীয় সচেতন লোকে দাবী জনাই আহিছিল যদিও কোনো সুফল নোপোৱাত এই বিষয়ে নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰক অভিযোগ দাখিল কৰে। আৰক্ষী অধীক্ষক মিশ্ৰৰ নিৰ্দেশ মৰ্মে যোৱা নিশা নগাঁও আৰক্ষীৰ এন্টি-নাৰ্ক'টিক স্কোৱাডৰ এটা দলে ৰূপহীৰ আৰক্ষীক লগত লৈ জুৱাথলীত উপস্থিত হয়। নিশা প্ৰায় ১১-৩০ বজাত জুৱাৰ খেল তুংগত উঠাৰ সময়তে অভিযানকাৰী আৰক্ষীৰ দলটোক দেখা পাই জুৱাখেলৰ আয়োজক আৰু একাংশ জুৱাৰীয়ে হাতে হাতে দা, যাঠী, জোং, লাঠি, চিপৰাং, ৰড আদি লৈ আক্ৰমণ কৰিবলৈ খেদি আহে। আনকি উন্মত্ত দলটোৱে আৰক্ষীৰ এ এছ-১২ পি-২৩৩২ নম্বৰৰ বলেৰ' বাহনৰ বিস্তৰ ক্ষতিসাধন কৰে। পৰিস্থিতি ইমানেই ভয়ংকৰ হৈ পৰে যে আৰক্ষীয়ে আক্ৰমণকাৰীক নিৰস্ত্ৰ কৰিবলৈ শূন্যলৈ কে'বাজাঁই গুলিচালনা কৰিবলগীয়া হয়। তেতিয়াহে ছত্ৰভংগ দিয়ে আক্ৰমণকাৰী দলটোৱে। পাছত জুৱাৰ ঘাটিত অভিযান চলাই আৰক্ষীয়ে ছজন দুৰ্বৃত্তক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ধৃত দুৰ্বৃত্ত কেইজন হৈছে হাছমত আলী, খাইৰুল ইছলাম, মোজাহিৰ আলম, হীৰা গোৱালা, কুলদীপ মুণ্ডা আৰু মফিদুল ইছলাম। ইয়াৰে তিনিজনৰ ঘৰ ৰূপহীহাটৰ বৰপেটাত, এজনৰ জুৰীয়াত, এজনৰ বিশ্বনাথত আৰু এজনৰ বোকাখাটৰ হাতীখুলী চাহ বাগিচাত বুলি আৰক্ষী সূত্ৰই জনাইছে।

## গাড়ীৰ ফিটনেছ চাৰ্টিফিকেটৰ

*এক পৃষ্ঠাৰ পৰা* অনুজ্ঞাপত্ৰৰ নৱীকৰণ, বিভিন্ন বাহনৰ ফিটনেছ চাৰ্টিফিকেট, দুৰ্ঘটনাৰ প্ৰমাণপত্ৰ আদিৰ নামত হেজাৰ হেজাৰ টকা সংগ্ৰহ কৰি অহাৰ অভিযোগ সততে উত্থাপিত হৈ আহিছিল। অৱশেষত আজি বিয়লি নগাঁও আৰক্ষীৰ জালত পৰিল ঘোচখোৰ বিষয়া দাস আৰু তেওঁৰ কু-কাৰ্যৰ অন্যতম সহযোগী কাৰ্যালয়টোৰ কম্পিউটাৰ সহায়ক (অস্থায়ী) বলৱন্ত কৌৰ ওৰফে নিশা আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী প্ৰণৱ মহন্ত। ইয়াৰ লগতে আৰক্ষীয়ে বিষয়াজনৰ গাড়ীচালক পুলক ৰয়কো গ্ৰেপ্তাৰ কৰিছে।

নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই সাংবাদিকৰ আগত প্ৰকাশ কৰা অনুসৰি, নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ এমভিআই দাসৰ বিৰুদ্ধে তেওঁৰ ওচৰত বহু ভুক্তভোগীয়ে অভিযোগ দি আহিছে। অৱশ্যে প্ৰকৃত তথ্য-প্ৰমাণৰ অভাৱত তেঁওক গ্ৰেপ্তাৰ কৰিব পৰা হোৱা নাছিল। দুদিনমান পূৰ্বে পুনৰ এজন ভুক্তভোগীয়ে আৰক্ষী অধীক্ষকৰ ওচৰত অভিযোগ দাখিল কৰে যে তেওঁৰ এখন বাহনৰ সক্ষমতাৰ প্ৰমাণপত্ৰৰ বাবদ এমভিআই দাসে ৩৫ হেজাৰ টকা দাবী কৰিছে। লগে লগে আৰক্ষীয়ে ঘোচখোৰ বিষয়াজন আৰু তেওঁৰ সহযোগীক গ্ৰেপ্তাৰ কৰাৰ আঁচনি প্ৰস্তুত কৰে। সেই অনুসৰি আজি বিয়লি ভুক্তভোগী লোকজনে ৩৫ হেজাৰ টকা লৈ যায় এমভিআই দাসক দিবলৈ। লগতে ছদ্মবেশত যায় নগাঁও আৰক্ষীৰ এটা দল। এই ধন লোৱাৰ সময়তেই এমভিআই দাসক গ্ৰেপ্তাৰ কৰা হয়। আনহাতে, দাসৰ স'তে গ্ৰেপ্তাৰ হোৱা কাৰ্যালয়টোৰ কম্পিউটাৰ সহায়ক কৌৰ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী মহন্ত সমস্ত লেনদেন প্ৰক্ৰিয়াটোত জড়িত থাকে বুলিও আৰক্ষী অধীক্ষক মিশ্ৰই জনায়। আনকি গাড়ীচালক ৰয়ো এই কাৰ্যত জড়িত আছিল। আৰক্ষীয়ে তালাচী চলাই বিষয়াজনৰ টেবুলৰ ড্ৰয়াৰ, বেগৰ পৰা দুই লাখ সাত হেজাৰ টকা জব্দ কৰে। পাছত তেওঁক লৈ আৰক্ষীয়ে হয়বৰগাঁৱৰ ভাড়া ঘৰতো অভিযান চলায়। তেওঁৰ ঘৰৰ পৰাও চাৰি লাখ ৬৩ হেজাৰ পাঁচশ টকা জব্দ কৰা হয়। ধৃত এমভিআই দাসৰ লগতে আন দুই কৰ্মচাৰী আৰু গাড়ীচালকজনক নগাঁও সদৰ আৰক্ষী থানাত উচ্চপদস্থ আৰক্ষী বিষয়াই জেৰা অব্যাহত ৰাখিছে।

উল্লেখ্য যে বিগত সময়ছোৱাত এমভিআই দাসৰ নেতৃত্বত নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত চলিছিল অবাধ লুণ্ঠন। গুৰু গোসাঁই নমনা বিধৰ দাসক আনকি আৰক্ষী অধীক্ষক মিশ্ৰই বিগত সময়ছোৱাত একাধিকবাৰ সতৰ্ক কৰিছিল। তদুপৰি শেহতীয়াকৈ একাংশ সংবাদ মাধ্যমত দাসৰ দুৰ্নীতিৰ তথ্য ফাদিল হোৱাত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই সোঁ-শৰীৰে নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ দুৰ্নীতিগ্ৰস্ত বিষয়াজনক সতৰ্কবাণী শুনাইছিল। ইয়াৰ পাছতো এই বিষয়াজনে অকণো কেৰেপ নকৰি ধৃত মহন্ত আৰু কৌৰৰ সহযোগত অবাধ উৎকোচৰ বেহা চলাই আহিছিল।

## ভুৱা সংঘৰ্ষ ঃ গৃহ বিভাগক প্ৰতিবেদন

*এক পৃষ্ঠাৰ পৰা* কৰা এক লেখ আবেদনৰ ভিত্তিত আজি ন্যায়ালয়ে এই অভিযোগৰ সন্দৰ্ভত গৃহ বিভাগক শীঘ্ৰে প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ প্ৰেৰণ কৰিছে। উল্লেখ্য যে অধিবক্তা আৰিফ জোৱাদ্দাৰে উচ্চ ন্যায়ালয়ত ভুৱা সংঘৰ্ষৰ সন্দৰ্ভত দাখিল কৰা লেখ আবেদনত ২০২১ৰ মে'ৰ পৰা অসম আৰক্ষীয়ে ৮০টাকৈ ভুৱা সংঘৰ্ষ সংঘটিত কৰে, য'ত ২৮জনৰ মৃত্যু আৰু ৪৮ জন আহত হয় বুলি উল্লেখ কৰে। এইসমূহ সংঘৰ্ষৰ ঘটনা ভুৱা আছিল বুলি অধিবক্তাজনে অভিযোগ তুলি ইয়াৰ চিবিআই নাইবা বিশেষ তদন্তকাৰী গোটৰ জৰিয়তে ন্যায়ালয়ৰ হস্তক্ষেপত তদন্তৰ আওতালৈ অনাৰ দাবী আবেদন জনায়। লগতে ক্ষতিগ্ৰস্ত লোক তথা পৰিয়ালসমূহক ক্ষতিপূৰণ আদায়ৰো আবেদন জনায়। ইয়াৰ পাছতে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে এই অভিযোগৰ সন্দৰ্ভত দুসপ্তাহৰ ভিতৰত গৃহ বিভাগৰ সচিব বা উপ-সচিবক বিস্তৃত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে একে ধৰণেই ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীৰ দ্বাৰা এনে সংঘৰ্ষ সংঘটিত হৈ অহাত বিভিন্ন মহলে সন্দেহ প্ৰকাশ কৰি আহিছে।

## চৰকাৰী ব্যৱস্থাত নতুন কৰ্মসংস্কৃতিৰ

*এক পৃষ্ঠাৰ পৰা* কৰ্ম সংস্কৃতিৰ সূচনা কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে কঠোৰ শ্ৰমৰ প্ৰতি বিমুখ হোৱাৰ বাবে বিগত সময়ত ৰাজ্য চৰকাৰৰ আঁচনিসমূহ ৰূপায়ণত যথেষ্ট লেহেমীয়া গতি পৰিলক্ষিত হৈছে। কৰ্তব্যত নিযুক্ত বিষয়ববীয়াসকলৰ হেমাহিৰ বাবে পূৰ্বে বহু সময়ত কেন্দ্ৰীয় চৰকাৰৰ পৰা উন্নয়নমূলক আঁচনিৰ বাবে লাভ কৰা পুঁজি সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাটো সম্ভৱ হৈ উঠা নাছিল বুলি তেওঁ মন্তব্য কৰে।

অহা বছৰৰ পৰা অভিযন্তাসকলক বছৰত এবাৰ এটা নিৰ্দিষ্ট পৰীক্ষাৰ যোগেদি বাছনি কৰি প্ৰাৰ্থীসকলৰ পছন্দৰ ক্ৰম অনুযায়ী বিভিন্ন বিভাগত নিযুক্তি প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তৃণমূল পৰ্যায়ত উন্নয়নমূলক আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি বিভাগটোত নতুনকৈ নিযুক্তি লাভ কৰা চৰকাৰী অভিযন্তাসকলক উৎসৰ্গিত মনোভাৱেৰে কৰ্ম ক্ষেত্ৰত ব্ৰতী হ'বলৈ তেওঁ আহ্বান জনায়।

পুঁজিৰ কোনো অভাৱ নোহোৱা সত্ত্বেও জলজীৱন মিছন ৰূপায়ণত অসম দেশৰ অন্তিম স্থানত আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা বৰ্ষটোৰ ভিতৰত ৬২ লাখ পৰিয়ালক পাইপযোগে খোৱাপানী যোগানৰ বাবে চৰকাৰে দিনে-নিশাই কাম কৰি আছে আৰু ১২ লাখ পৰিয়ালক ইতিমধ্যে খোৱাপানীৰ সংযোগ প্ৰদান কৰা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগত নতুনকৈ নিযুক্তি লাভ কৰা কাৰিকৰী বিষয়াসকলে জলজীৱন মিছন ৰূপায়ণৰ ক্ষেত্ৰত জড়িত হৈ এই কাম-কাজসমূহ দ্ৰুততৰ কৰি তুলিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

জনতা ভৱনক ৰাজ্য প্ৰশাসনৰ প্ৰাণকেন্দ্ৰ বুলি মন্তব্য কৰি নৱনিযুক্তি কনিষ্ঠ প্ৰশাসনিক সহায়কসকলে জনতা ভৱনক অধিক সক্ৰিয় আৰু কৰ্মক্ষম কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ কয় যে অহা পহিলা ফেব্ৰুৱাৰীৰ পৰা জনতা ভৱনৰ সকলো পুৰণা তথা নিষ্পত্তি নোহোৱাকৈ থকা ফাইল নিষ্পত্তিকৰণৰ কাম আৰম্ভ হ'ব আৰু তাৰ বাবে সকলো কৰ্মচাৰীয়ে কঠোৰ শ্ৰম কৰিব লাগিব। দুৰ্নীতি আৰু কৰ্তব্যত অৱহেলাক কোনো কাৰণতে প্ৰশ্ৰয় দিয়া নহ'ব বুলি মন্তব্য কৰি তেওঁ কয় যে জনসাধাৰণলৈ সময়মতে সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব।

অহা মে'ৰ ভিতৰত ৰাজ্যৰ এক লাখ যুৱক-যুৱতীলৈ চৰকাৰী চাকৰি প্ৰদানৰ ক্ষেত্ৰত চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ বাবে সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী আৰু সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত ৰাজ্য চৰকাৰখনে ইয়াৰ প্ৰতিশ্ৰুতিসমূহ পূৰণৰ বাবে নিষ্ঠাৰে কাম কৰি আহিছে। আজি নতুনকৈ নিযুক্তি লাভ কৰা সকলে বিভাগ কেইটাক আগুৱাই নিয়াত যথেষ্ট সফল হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণৰ লগতে বহুকেইজন জ্যেষ্ঠ বিষয়া উপস্থিত আছিল।

## দেশৰ দ্বিতীয়খন ক্ৰীড়া বিশ্ববিদ্যালয়ৰ

*এক পৃষ্ঠাৰ পৰা* গুৰুজনাৰ নামতে দেশৰ দ্বিতীয়খন ক্ৰীড়া বিশ্ব বিদ্যালয় প্ৰতিষ্ঠাৰ নিৰ্মাণ কাৰ্য মুকলি কৰি সোণোৱালে লগতে কয়, 'আজি চাবুৱাৰ ৰাইজৰ সহযোগত দিনজয় সত্ৰৰ পৱিত্ৰ স্থানত আমাৰ অসম চৰকাৰে প্ৰতিষ্ঠা কৰিবলগীয়া অসমৰ প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয় নিৰ্মাণ কাম মুকলি হৈছে। ই জাতীয় জীৱনৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এগৰাকী ক্ৰীড়া অনুৰাগী, ক্ৰীড়া প্ৰেমীৰূপে খেলুৱৈসকলক উদগনি দি আহিছে আৰু অৰুণাচল প্ৰদেশৰ পৰা গুজৰাটলৈকে, কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে এই বিশাল উপমহাদেশখনৰ প্ৰতিখন ৰাজ্যত ক্ৰীড়াৰ আন্তঃগাঁথনি আধুনিক ৰূপত গঢ়ি তুলিবলৈ বিশেষ উদ্যোগ গ্ৰহণ কৰি আহিছে।' কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে কয় যে শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয়-ৰাষ্ট্ৰীয় পৰ্যায়ত ক্ৰীড়াৰ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে কেৱল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সৃষ্টি কৰা বাতাৱৰণৰ বাবে। ইয়াৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞতাও জ্ঞাপন কৰে। তেওঁ লগতে কয়, 'প্ৰধানমন্ত্ৰীয়ে আগ্ৰহ আৰু বাতাৱৰণ সৃষ্টি কৰাৰ বাবেই দেশৰ প্ৰতিখন ৰাজ্যৰ মানুহৰ খেলৰ প্ৰতি অনুৰাগ বৃদ্ধি হৈছে। ইয়াৰ লগতে অসম চৰকাৰেও প্ৰধানমন্ত্ৰীৰ নীতিক অনুকৰণ কৰি চাবুৱাৰ এই পৱিত্ৰ দিনজয় সত্ৰৰ দাঁতিত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় নিৰ্মাণৰ মন মেলিছে।' কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে প্ৰথম বিশ্ব বিদ্যালয়ৰ জৰিয়তে আগন্তুক দিনত বিশ্বৰ বুকুত অসমৰ খেলুৱৈসকল আগুৱাই যোৱাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি আশা ব্যক্ত কৰে।

উল্লেখ্য যে সোণোৱাল মুখ্যমন্ত্ৰী হৈ থকা অৱস্থাতে প্ৰস্তাৱিত বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকাৰ্য চাবুৱাৰ ঐতিহাসিক মায়ামৰা দিনজয় সত্ৰৰ সমীপত অৱস্থিত পানীএৰা পথাৰৰ প্ৰায় দুশ বিঘা ভূমিত আজি মুকলি হৈ যায় মায়ামৰা ৰীতিৰে। এই আধাৰশিলা স্থাপন কৰিবলৈ উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালক আয়োজকৰ তৰফৰ পৰা ভাগৱত থাপনা কৰা মায়ামৰা প্ৰতীকী থগা, গচা আৰু ধৰ্মীয় পুথুৰিৰে সন্মান জনায়। এই শুভ কাৰ্য সমাপন কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে কয় যে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ব বিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ বাবে সকলো প্ৰকাৰৰ সহযোগিতা অব্যাহত ৰাখিছে। অগণন লোক তথা অন্যান্য বিষয়ববীয়াৰ উপস্থিতিত আধাৰশিলা স্থাপন কৰাৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট মন্ত্ৰীজনৰ সতে উপস্থিত আছিল লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, দুলীয়াজানৰ বিধায়ক তেৰছ গোৱালা, চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বি কে বাৰ্মা, ডিব্ৰুগড়ৰ উপায়ুক্ত বিশ্বজিৎ পেগু, মটক স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ সৰোজ গোহাঁই, চাবুৱা ৰাজহ চক্ৰ বিষয়া শিল্পী শিখা ঠাকুৰীয়া আদি। ইপিনে মুখ্যমন্ত্ৰী হৈ থকা অৱস্থাতে সোণোৱালে এই বিশ্ববিদ্যালয়খনৰ বাবে গ্ৰহণ কৰি যোৱা পদক্ষেপৰ বাবে প্ৰস্তাৱিত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ব বিদ্যালয়ৰ ভূমিৰ গৰাকী আৰু উন্নয়ন মঞ্চৰ ফালৰ পৰা তেওঁলৈ অশেষ কৃতজ্ঞা প্ৰকাশ কৰে।

## মানৱ শৰীৰত গাহৰিৰ হৃদপিণ্ড সংৰোপণ

*এক পৃষ্ঠাৰ পৰা* বুলিও চিকিৎসকে দাবী কৰিছে। যোৱা সপ্তাহত আমেৰিকাৰ মেৰীলেণ্ড বিশ্ববিদ্যালয়ৰ মেডিকেল চেণ্টাৰৰ এদল চিকিৎসকে এই ঐতিহাসিক সফলতা অৰ্জন কৰে। ডেভিদ বেনেট নামৰ এজন ৫৭ বছৰীয়া ৰোগীৰ শৰীৰত জিন পৰিৱৰ্তিত গাহৰিৰ কলিজা সফলভাৱে সংৰোপণ কৰা হয় ইয়াৰ দ্বাৰা জিন পৰিৱৰ্তিত গাহৰিৰ হৃৎপিণ্ড সফলভাৱে সংৰোপণ হোৱা বিশ্বৰ প্ৰথম ব্যক্তিত পৰিগণিত হ'ল বেনেট।

চিকিৎসকে জনোৱা মতে, জীৱন-মৃত্যুৰ মাজত অৱস্থান কৰিছিল বেনেটে। গতিকে এই সিদ্ধান্ত গ্ৰহণৰ কোনো বিকল্প নাছিল। যাৰ বাবে ৰোগীজনেই গাহৰিৰ হৃৎপিণ্ড সংৰোপণৰ অনুমতি প্ৰদান কৰিছিল। যোৱা শুকুৰবাৰে প্ৰায় সাতঘণ্টা ধৰি চলা অস্ত্ৰোপচাৰ অৱশেষত সফল হয়। কালি মেৰীলেণ্ড বিশ্ববিদ্যালয়ৰ মেডিকেল স্কুলৰ তৰফৰ পৰা এক বিজ্ঞপ্তিযোগে এই কথা সদৰী কৰে। বিজ্ঞপিত লগতে কোৱা হৈছে যে ৰোগীৰ অৱস্থা এতিয়া যথেষ্ট উন্নত আৰু এই ঘটনা প্ৰাণীৰ অংগ মানৱ শৰীৰত সংৰোপণৰ ক্ষেত্ৰত এক মাইলৰ খুঁটিৰূপে চিহ্নিত হৈ ৰ'ব। চিকিৎসকে জনোৱা মতে, বেনেটক প্ৰথমে মানৱ অংগ সংৰোপণৰ ক্ষেত্ৰত যোগ্য বুলি বিবেচনা কৰা হোৱা নাছিল। অথচ ৰোগীৰ অৱস্থা ইমানেই জটিল আছিল যে এই সিদ্ধান্ত গ্ৰহণৰ গত্যন্তৰ নাছিল। অস্ত্ৰোপচাৰৰ পূৰ্বে ৰোগী বেনেটে কৈছিল, 'মই জানো যে এয়া অন্ধকাৰত শিল নিক্ষেপ কৰাৰ দৰে, কিন্তু এয়াই আছিল মোৰ অন্তিম পছন্দ।' দীৰ্ঘদিন ধৰি শয্যাশায়ী হৈ থকা বেনেটে লগতে কয় যে অস্ত্ৰোপচাৰৰ পাছত তেওঁ বিছনা ত্যাগ কৰিব পাৰিব বুলি আশাবাদী। ইফালে, অস্ত্ৰোপচাৰৰ স'তে যুক্ত চিকিৎসক বাৰ্টলী গ্ৰিফিথে কয়, 'আমেৰিকাত অংগ সংৰোপণ কৰিব নোৱৰাৰ বাবে এদিনতে ১৭জন লোকৰ মৃত্যু হৈছিল। প্ৰায় এক লাখৰো অধিক লোক অপেক্ষাৰ তালিকাত আছে। প্ৰতি বছৰে কমেও ছহেজাৰ লোকে প্ৰাণ হেৰুৱায়। এই অস্ত্ৰোপচাৰৰ ফলত সংৰোপণযোগ্য অংগৰ অভাৱ দূৰ হোৱাৰ দিশত আৰু এখোজ আগুৱাব পৰা গ'ল।'

উল্লেখ্য যে মানৱ শৰীৰত গাহৰিৰ অংগ সংৰোপণৰ গৱেষণা বহু বছৰৰ পৰাই অব্যাহত আছে। এই ক্ষেত্ৰত উল্লেখনীয় আছিল অসমৰ যশস্বী চিকিৎসক ধনীৰাম বৰুৱা। তেওঁ ৯০ৰ দশকতে এই অসাধ্য সাধনৰ প্ৰচেষ্টা চলাইছিল। অৱশ্যে একাংশ ন্যস্তস্বাৰ্থ মহলৰ বাবে ডাঃ বৰুৱাৰ সেই প্ৰয়াস আধাতে বন্ধ ৰাখিবলগীয়া হয়। অৱশ্যে সমগ্ৰ বিশ্বতে গাহৰিৰ অংগ সংৰোপণৰ বাবে অনেক গৱেষণা অব্যাহত আছে। ইতিমধ্যে কৃত্ৰিম হাৰ্ট ভাল্ভ ব্যাপক হাৰত ব্যৱহৃত হোৱাৰ লগতে অগ্নিদগ্ধ লোকৰ চিকিৎসাত গাহৰিৰ ছালো ব্যৱহাৰ কৰা হৈছে। আনহাতে, যোৱা অক্টোবৰত নিউয়ৰ্কত চিকিৎসকে গাহৰিৰ বৃক্ক এজন ৰোগীৰ শৰীৰত সংৰোপণ কৰা হৈছিল। অৱশ্যে সেই ৰোগীজনৰ মস্তিষ্কৰ মৃত্যু ঘটাৰ ফলত তেওঁ সুস্থ হৈ উঠাৰ কোনো সম্ভাৱনা নাই। ইয়াৰ বিপৰীতে অস্ত্ৰোপচাৰৰ তিনি দিনৰ পাছলৈকো বেনেট সুস্থ হৈ থকাত আশাৰ ৰেঙণি দেখিছে চিকিৎসকে। সম্প্ৰতি ৰোগীজনক চিকিৎসকে নিৰীক্ষণত ৰাখিছে আৰু ক্ৰমাৎ স্বাস্থ্যৰ উন্নতি ঘটা বুলি জনাইছে।

## বাংলাদেশ-ম্যানমাৰৰ পৰাও আহিল মাছ

*এক পৃষ্ঠাৰ পৰা* ওজনৰ এই মাছসমূহ ইতিমধ্যে গ্ৰাহকৰ বাবে বজাৰত মুকলি কৰি দিয়া হৈছে বুলি সংশ্লিষ্ট সূত্ৰই সদৰী কৰিছে।

ইফালে, বিজেপি চৰকাৰৰ বিগত কাৰ্যকালৰ শেষৰ বছৰটোত মৎস্য উৎপাদনৰ ক্ষেত্ৰত অসমে চাহিদা অনুসৰি আত্মনিৰ্ভৰ হোৱাৰ উপৰি চুবুৰীয়া ৰাজ্যকেইখনলৈ ৰপ্তানি কৰিবলৈ সক্ষম হোৱা বুলি মীন মন্ত্ৰী পৰিমল শুক্লবৈদ্যই দাবী কৰি আহিলেও এই দাবী নস্যাৎ কৰি কেৱল উৰুকাৰ মহানগৰীত মাছৰ চাহিদা পূৰণ কৰিবলৈ আমদানি হৈছে প্ৰায় পাঁচ হেজাৰ কুইণ্টল মাছ। মহানগৰীৰ পাইকাৰী মাছ ব্যৱসায়ী সন্থাৰ সূত্ৰই সদৰী কৰা অনুসৰি, উৰুকাত চাহিদা পূৰ কৰিবলৈ আজি বালাংদেশৰ পৰা আহি পাইছে ১২ হেজাৰ কিলোগ্ৰাম ইলিছ মাছ। একেদৰে ম্যানমাৰৰ পৰা ২৪ হেজাৰ কিলোগ্ৰাম ভকুৱা আৰু বাহু ইতিমধ্যে গুৱাহাটী আহি পোৱা বুলি সূত্ৰটোৱে কয়। ইয়াৰ উপৰি ৰৌ-ভকুৱা-বাহু মাছ লৈ অন্ধ্ৰপ্ৰদেশৰ পৰা গুৱাহাটীত উপস্থিত হৈছে ৩০ খন ট্ৰাক। প্ৰতিখন ট্ৰাকে ১২ হেজাৰ কিলোগ্ৰামকৈ মাছ কঢ়িয়াই আনিছে অৰ্থাৎ অন্ধ্ৰৰ পৰা প্ৰায় তিনি লাখ ৬০ হেজাৰ কিলোগ্ৰাম মাছ আহিছে বুলি সূত্ৰটোৱে সদৰী কৰি বিহাৰৰ পৰাও পাঁচ হেজাৰ কিলোগ্ৰাম বৰালি-আৰি আৰু চিতল মাছ মহানগৰীৰ উৰুকাৰ বজাৰলৈ আহিছে বুলি কয়। ফলত চৰকাৰী দাবী কৰি আহিলেও মৎস্য উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী হ'বলৈ অসমৰ যে এতিয়াও বহু কৰণীয় আছে, জাতীয় উৎসৱৰ দিনটোতে যেন পুনৰবাৰ সোঁৱৰাই দিছে বাংলাদেশৰ ইলিছ-ম্যানমাৰৰ ভকুৱা-বাহুৱে।

### নিজৰ দুৰ্বলতা ঢাকিবলৈ মন্ত্ৰীক ভুৱা তথ্য দিছিল নেকি মীন বিভাগৰ বিষয়াই?

২০২০ৰ ২৯ নৱেম্বৰ। মীন বিভাগৰ চাৰিবছৰৰ সাফল্যৰ খতিয়ান দাঙি ধৰি মীন সঞ্চালকালয়ত মন্ত্ৰী পৰিমল শুক্লবৈদ্যই এক সংবাদমেলত ৰাজ্যত চাহিদা অনুপাতে থলুৱা মাছৰ উৎপাদন বৃদ্ধি পোৱা বুলি দাবী কৰি অসমৰ মাছ কম-বেছি পৰিমাণে মেঘালয়, অৰুণাচল, মিজোৰাম, নগালেণ্ড আদি ৰাজ্যসমূহলৈ ৰপ্তানি কৰিবলৈ সক্ষম হোৱা বুলি সদৰী কৰিছিল। তথ্য দাঙি ধৰি মন্ত্ৰীজনে কৈছিল, '২০১৫-২০১৬ত ২.৯৪ লাখ মেট্ৰিক টন মৎস্য উৎপাদন কৰা অসমে ২০১৯-২০২০ত ৩.৭৩ লাখ মেট্ৰিক টন মাছ উৎপাদন কৰিবলৈ সক্ষম হৈছিল।' ৰাজ্যখনত বছৰি মাছৰ চাহিদা ৩.৮০ লাখ মেট্ৰিক টন বুলি তেওঁ উল্লেখ কৰি ক'ভিডৰ তলাবন্ধৰ সময়ছোৱাত চাহিদা ৩.৬২-৬৫ লাখ মেট্ৰিক টনলৈ হ্ৰাস পাইছিল বুলি সদৰী কৰিছিল। লগতে তেওঁ কম দিনৰ ভিতৰত অসমে মাছৰ চাহিদা (স্বাভাৱিক অৱস্থাত) অনুপাতে উৎপাদন কৰিবলৈ সক্ষম হ'ব বুলি দাবী কৰিছিল যদিও প্ৰকৃততে এই তথ্য কিমান সত্য আছিল উৰুকাৰ বজাৰলৈ কুইণ্টলে কুইণ্টলে বহিঃৰাষ্ট্ৰ, বহিঃৰাজ্যৰ পৰা মাছ আমদানি হোৱা ঘটনাই প্ৰকাশ কৰিছে। তেনেস্থলত নিজৰ দুৰ্বলতা ঢাকিবলৈ মীন বিভাগৰ বিষয়াই মন্ত্ৰীজনক ভুৱা তথ্য যোগান ধৰিছিল নেকি সম্প্ৰতি সেই প্ৰশ্নৰ উদ্ৰেক হৈছে।

# নাজিৰা বামুণপুখুৰীৰ গোহাঁইবাৰী অঞ্চলত ভূ-মাফিয়াৰ দপ্‌দপনি

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১১ জানুৱাৰী ঃ** নাজিৰা বামুণপুখুৰী গোহাঁই বাৰীত শিলৰ সন্ধানত একাংশ লোকে খননৰ অনুজ্ঞাপত্ৰ লাভ কৰি দিখৌ নৈখন খান্দি পেলাইছে। যাৰ বাবে ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ। এই খননত বাধা প্ৰদান কৰি স্থানীয় ৰাইজ একত্ৰিত হৈ মহকুমা প্ৰাশাসনৰ লগতে মুখ্যমন্ত্ৰীলৈও স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। কিন্তু নিশাৰ আন্ধাৰৰ সুযোগ লৈ দুৰ্বৃত্তই এক্সকেভেটৰ, ফকলেণ্ড আদিৰে পুনৰ এই নৈ আৰু পাৰৰ অংশ খননত নামি পৰিছে। বন বিভাগৰ লোক আছে যদিও এই ভূ-মাফিয়াৰ স'তে মিলিত হৈ নৈৰ পাৰ খননত সহযোগ কৰিছে বুলিহে ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। এই বিষয়ে ইতিপূৰ্বে সংবাদ মাধ্যমত বাতৰি প্ৰকাশ হৈ অহাৰ পাছতো গান্ধাৰীৰ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি অভিযোগ উঠিছে প্ৰশাসন তথা বন বিভাগৰ বৰমূৰীয়াসকলে। ক্ৰমাৎ দিনে দিনে বাঢ়ি অহা এই সমস্যা সমাধানৰ স্বাৰ্থত নাজিৰা সমষ্টিৰ বিধায়ক তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত সব্যসাচী কাশ্যপে গোহাঁই বাৰীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। এই দিখৌ নৈৰ পাৰতে বামুণপুখুৰীৰ হেজাৰ হেজাৰ বিঘাৰ বাগান থকাৰ লগতে জনবসতিপূৰ্ণ এটা অঞ্চলত অনুজ্ঞাপত্ৰ থাকিলেও এইদৰে শিল খনন কৰাটো কিমান যুক্তি সংগত সেয়া প্ৰশ্নৰ উদয় হৈছে। শিল খননৰ নামত যিদৰে নৈখনৰ গতি পথ সলনি কৰা হৈছে ভৱিষ্যতে অঞ্চলটোৰ ৰাইজৰ বাবে বিপদ অহাটো নিশ্চিত। কেৱল নাজিৰাৰ বামুণপুখুৰীতে নহয় বৰশিল, বিহুবৰ, চন্টক, লখিমীজান আদি সকলোতে শিলৰ সন্ধানত খান্দি শেষ কৰিছে দিখৌ নৈ। অনুজ্ঞাপত্ৰ থাকিলেই যদি জীৱকুলৰ প্ৰতি বিপদ কঢ়িয়াই আনিব পৰাকৈ শিল, কয়লাৰ খনন কৰিব পাৰে তেন্তে চৰকাৰে কি বিচাৰে এইটোও ডাঙৰ প্ৰশ্ন?

■ বাগিচা পৰিচালক মনোজ ৰায়ৰ প্ৰতিকৃতি দাহ আছাৰ, শীঘ্ৰে বৰ্খাস্ত কৰাৰ দাবী

# চাপৰ চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনত বাধা



*তেজপুৰৰ বিদ্যালয়ত শিক্ষাৰ্থীৰ মাজত পিঠা-পনা বনোৱা প্ৰতিযোগিতা, মঙলবাৰে।*

অগ্ৰদূত বাৰ্তা

**চাপৰ, ১১ জানুৱাৰী ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ ধুবুৰী জিলা সমিতিয়ে কালি চাপৰ চাহ বাগিচাৰ পৰিচালকৰ আবাসগৃহৰ সন্মুখতে পৰিচালক মনোজ ৰায়ৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে বাগিচাখনৰ পৰিচালক ৰায়ে চাহ বাগিচাখনত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনত অহৰহ বাধা প্ৰদান কৰি থকা বুলি আছাৰ ধুবুৰী জিলা সমিতিয়ে অভিযোগ উত্থাপন কৰিছে। ৰাজ্যৰ ১১৯খন চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় নিৰ্মাণৰ বাবে অসম চৰকাৰে লোৱা পদক্ষেপৰ অংশ অনুসৰি যোৱা ২০২০ৰ দুই নৱেম্বৰত চাপৰ চাহ বাগিচাৰ বিৰচা মুণ্ডা ষ্টেডিয়ামৰ সমীপত বিলাসীপাৰা পূৱ সমষ্টিৰ তৎকালীন বিধায়ক অশোক কুমাৰ সিংহীয়ে ধুবুৰীৰ উপায়ুক্তৰ উপস্থিতিত বিদ্যালয় নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল। কিন্তু আধাৰশিলা স্থাপনৰ পাথৰে পৰা ৰহস্যজনক কাৰণত বাগিচা কৰ্তৃপক্ষ আৰু বাগিচাখনৰ পৰিচালক মনোজ ৰায়ে উক্ত স্থানত বিদ্যালয় নিৰ্মাণত বাধা প্ৰদান কৰি থকাত দীৰ্ঘদিন ধৰি বাগিচাখনত এক চেপা উত্তেজনাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত আছাৰ কেন্দ্ৰীয় উপ সভাপতি ৰেজান হৰ'ই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি উক্ত স্থানতে বিদ্যালয়খন নিৰ্মান কৰিবলৈ অনুৰোধ জনায়। লগতে আছাৰ ধুবুৰী জিলা সমিতিয়ে এই সন্দৰ্ভত কে'বাবাৰো ধুবুৰীৰ উপায়ুক্তকো সাক্ষাৎ কৰে। কিন্তু বিদ্যালয় নিৰ্মাণৰ কামটো বিভাগীয়ভাৱে আৰম্ভ নোহোৱাত আছাৰ ধুবুৰী জিলা সমিতিয়ে যোৱা ২৪ডিচেম্বৰত নিজাববীয়াকৈ আদৰ্শ বিদ্যালয়খন নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। ইপিনে চাপৰ চাহ বাগিচাই বন বিভাগৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৬২ বিঘা মাটি অবৈধভাৱে দখল কৰি চাহ বাগিচা গঢ়ি তোলাত বন বিভাগে স্থানীয় প্ৰশাসনৰ সহযোগত যোৱা ২২ ডিচেম্বৰত উচ্ছেদ অভিযান চলাই অবৈধভাৱে ৰোপণ কৰা চাহ গছসমূহৰ একাংশ কাটি প্ৰায় ৫-৬ বিঘা চৰকাৰী মাটি বেদখলমুক্ত কৰে। আনহাতে সংশ্লিষ্ট বিভাগে কটা চাহ গছসমূহ চাপৰ চাহ বাগিচাৰ কাৰ্যালয় চৌহদৰ এঠাইত জমা কৰি ৰাখে। ইফালে চাপৰ চাহ বাগিচাত নতুনকৈ যোগদান কৰা মুখ্য পৰিচালক ৰাজীৱ সিং পাৰমাৰে যোৱা ২৭ ডিচেম্বৰত স্বাক্ষৰ কৰা এখন জাননীযোগে জনায় যে বন বিভাগে উক্ত কটা চাহগছসমূহ কাৰ্যালয় চৌহদৰ পৰা সাতদিনৰ ভিতৰত আঁতৰাই নোলোলে বাগিচাখনত তোলাবন্ধ ঘোষনা কৰিবলৈ বাধ্য হ'ব বুলি উল্লেখ কৰে। সি যি কি নহওঁক কালি পুৰা আছাৰ ধুবুৰী জিলা সমিতিয়ে পুৰা পৰিচালক মনোজ ৰায়ৰ প্ৰতিকৃতি দাহ কৰাৰ লগতে উক্ত কটা চাহ গছসমূহো জ্বলাই দিয়ে। আছাৰ কেন্দ্ৰীয় উপ-সভাপতি ৰেজান হৰ' আৰু ধুবুৰী জিলা সমিতিৰ সভাপতি গুলাপ চিকবাৰাইকে অতি শীঘ্ৰে চাপৰ চাহ বাগিচাৰ পৰিচালক মনোজ ৰায়ক বৰ্খাস্ত কৰাৰ দাবী উত্থাপন কৰাৰ বিপৰীতে নতুন মুখ্য পৰিচালক ৰাজীৱ সিং পাৰমাৰক বাগিচাখনলৈ স্বাগতম জনাইছে।

# চাৰিং পঞ্চায়তত ন্যূনতম পুঁজিৰে কৃষকৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ পৰিকল্পনা



অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১১ জানুৱাৰী ঃ** গৌৰীসাগৰ উন্নয়ন খণ্ড কাৰ্যালয়ৰ অধীনৰ চাৰিং পঞ্চায়তত দীৰ্ঘদিনৰে পৰা স্থানীয় কৃষকৰ বাবে সমস্যাৰ সৃষ্টি কৰি অহা বৰতোলা জানৰ খনন আৰু পৰিষ্কৰণৰ কাম দ্ৰুতগতিত চলি আছে। ইতিমধ্যে পঞ্চায়তৰ সভাপতিৰ নেতৃত্বত এম জি এনৰেগা আঁচনিৰ অধীনত চলি থকা আঁচনিখনৰ কাম-কাজ প্ৰায় ২৫ শতাংশ সম্পন্ন হৈছে। উল্লেখ্য যে উক্ত জানটো দিনক দিনে বাম হৈ পৰাত প্ৰতি বছৰে বাৰিষা ইয়াৰ পানীভাগ ওলাই যাব নোৱাৰি কৃষি পথাৰত আবদ্ধ হৈ কৃষকক সমস্যাত পেলাই আহিছে। সম্প্ৰতি চাৰিং পঞ্চায়তে কৃষকৰ এনে জ্বলন্ত সমস্যা সমাধানৰ বাবে ২০২১-২২ৰ এম জি এনৰেগা আঁচনিৰ প্ৰায় ৩,৪১,০০ (মজুৰি) টকা ব্যয় সাপেক্ষে যোৱা ৩০ ডিচেম্বৰত আঁচনিৰ কাম আৰম্ভ কৰে। উল্লেখ্য যে জানটোৰ দুয়োকাষে কৃষকৰ যাতায়াতৰ সুবিধা হোৱাকৈ মাটি দি ওখ কৰাৰ উপৰি প্ৰয়োজন সাপেক্ষে পানী ধৰি ৰাখিব পৰাৰ ব্যৱস্থাও ৰখা হৈছে। পঞ্চায়তৰ সভাপতি দিগন্ত গগৈয়ে উক্ত জানটোত খনন আৰু পৰিষ্কৰণৰ কাম সম্পন্ন কৰাৰ পাছত জানটোত স্থানীয় নিবনুৱাই থলুৱা মাছ ধৰি ৰখাৰ ব্যৱস্থাৰে উপকৃত হ'ব পাৰিব। গ্ৰামোন্নয়ন বিভাগে প্ৰয়োজন সাপেক্ষে এম জি এনৰেগা আঁচনিত এক্সকেভেটৰ ব্যৱহাৰ কৰিব পৰাৰ সুবিধা কৰি দিছে। সেয়ে বৰতোলা জানৰ পৰিষ্কৰণ আৰু খননৰ দৰে ব্যয়বহুল আঁচনি সম্পন্ন কৰিবলৈ পঞ্চায়ত কৰ্তৃপক্ষই এক্সকেভেটৰ ব্যৱহাৰ কৰিও জবকাৰ্ড শ্ৰমিককো সম্পূৰ্ণ মজুৰি দিয়াৰ ব্যৱস্থাৰ মাজেৰে কৃষকৰ জ্বলন্ত সমস্যা সমাধান কৰাৰ পদক্ষেপক বিজ্ঞ মহলে শলাগ লৈছে।

■ বৰতোলা জানৰ খনন পৰিষ্কৰণৰ কামেৰে দেখুৱাইছে আদৰ্শ

# ক'ভিড আক্ৰান্ত চিৰাং জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১১ জানুৱাৰী ঃ** চিৰাং জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ ক'ভিড আক্ৰান্ত হৈছে। উপায়ুক্তজনে নিজেই সামাজিক মাধ্যম ফেচবুকযোগে জনাইছে এই কথা। উপায়ুক্তজনৰ কোনো ভ্ৰমণ বৃত্তান্ত নাছিল। হঠাতে গা বেয়া হোৱাত সন্দেহজনকভাৱে ক'ভিড পৰীক্ষা কৰাত আক্ৰান্ত বুলি নিশ্চিত হয়। বৰ্তমান নিজৰ চৰকাৰী আৱাসৰ আইছ'লেছনত আছে উপায়ুক্তই। উপায়ুক্তজনৰ বাদে জিলাখনত জিলা স্বাস্থ্য বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি কালি চিৰাঙত মুঠ ৩২ জনৰ দেহত ক'ভিড ধৰা পৰিছে। কালি জিলাখনত মুঠ সক্ৰিয় ক'ভিড আক্ৰান্ত ৰোগীৰ সংখ্যা ১০৩ জন হৈছে।

# শব্দ প্ৰকাশ-প্ৰজ্ঞা সাৰথিৰ যুটীয়া উদ্যোগত দুখন কাব্যগ্ৰন্থ-এখন শিশু গ্ৰন্থ উন্মোচন

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ১১ জানুৱাৰী ঃ** মহাপুৰুষ শংকৰদেৱ অনুষ্ঠিত কলা-কৃষ্টি গৱেষণা কেন্দ্ৰ প্ৰেক্ষাগৃহত যোৱা ন জানুৱাৰীত অনুষ্ঠিত অনুষ্ঠানত একে পৰিয়ালৰে তিনিজন সদস্যৰ তিনিখন গ্ৰন্থ উন্মোচন কৰা হয়। যোৰহাট জিলা কবি সন্মিলনৰ সভাপতি অজিত কুমাৰ বৰদলৈৰ সঞ্চালনাত শব্দ প্ৰকাশৰ দ্বাৰা প্ৰকাশিত ৰফিক হুছেইনৰ প্ৰথম কাব্য গ্ৰন্থ 'জালুকবাৰীৰ বৰ্ষশমুখৰ আবেলি' আৰু বিজুলী শৰ্মাৰ দ্বিতীয় কাব্য গ্ৰন্থ 'বেলি ডুবা ঘাটৰ আবেলি'ৰ লগতে যোৰহাট কাৰ্মেল স্কুলৰ এঘাৰ বছৰীয়া ছাত্ৰ শেখৰ ৰিজৱান হুছেইনৰ ইংৰাজীত ৰচিত 'দ্য এডভেঞ্চাৰ অৱ এ নিনজা' নামৰ শিশু গ্ৰন্থ খনি উন্মোচন কৰা হয়। বিশিষ্ট প্ৰবন্ধকাৰ কবি অধ্যাপক ড° অনিল কুমাৰ শইকীয়াই উন্মোচন কৰে ৰফিক হুছেইনৰ কাব্যগ্ৰন্থ 'জালুকবাৰীৰ বৰ্ষণমুখৰ আবেলি'। সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি, যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° মানিক শইকীয়াই বিজুলী শৰ্মাৰ 'বেলি ডুবা ঘাটৰ আবেলি' উন্মোচন কৰে। কণমানি শেখৰ ৰিজৱান হুছেইনৰ ইংৰাজীত ৰচিত 'দ্য এডভেঞ্চাৰ অৱ এ নিনজা' উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক প্ৰতাপ চন্দ্ৰ বৰুৱাই। উক্ত গ্ৰন্থ উন্মোচনী সভাতে বিজুলী শৰ্মাৰ প্ৰযোজনাৰে ৰফিক হুছেইনৰ কবিতাৰ এলবাম 'জালুকবাৰীৰ জুইফুল' উন্মোচন কৰে অসমৰ এগৰাকী স্বনাম ধন্য কবি, বিশিষ্ট নাট্যকাৰ, পৰিচালক ৰফিকুল হোছেইনে। প্ৰজ্ঞা সাৰথিৰ সভাপতি নগেন গগৈয়ে আদৰণি ভাষণৰ লগতে তিনিওগৰাকী কবি, লেখকৰ চমু পৰিচিতি আগবঢ়ায়। সভাত পিচিপিডিৰ সভাপতি পুনেশ্বৰ চেতিয়া পিচিডিৰ প্ৰাক্তন কেন্দ্ৰীয় সভাপতি দিগন্ত কোঁৱৰ, গোবিন সন্দিকৈ, টাই যুৱ পৰিষদৰ কেন্দ্ৰীয় সভাপতি দীপক কোঁৱৰ, উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি মনিৰুল ইছলাম বড়া, টাই আহোম ছাত্ৰ সন্থা যোৰহাট জিলাৰ সভাপতি ৰাজীৱ গগৈ, সাংস্কৃতিক মহাসভা অসমৰ যোৰহাট জিলাৰ সভাপতি বন্তি মহন্ত, সম্পাদক বসন্ত বৰা, প্ৰমুখে বহুতো ব্যক্তি উপস্থিত থাকে।

# চাপৰত চাৰি তীৰ খেলৰ এজেণ্টক আটক

অগ্ৰদূত বাৰ্তা

**চাপৰ, ১১ জানুৱাৰী ঃ** চাপৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই চাপৰৰ বিভিন্ন স্থানৰ পৰা চাৰিজন তীৰ খেলৰ এজেণ্টক আটক কৰে। চাপৰ থানাৰ নৱনিযুক্ত ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জিত কাকতিৰ নেতৃত্বত যোৱা আৰক্ষীৰ দল এটাই নিশা অভিযান চলাই চাপৰৰ ফলিমাৰীৰ পৰা মহিজুল হক, শ্বাহজামাল শেখ, হাচান আলী আৰু খৰিদা গোসাঁইগাঁৱৰ পৰা আব্দুল গফুৰক আটক কৰে। উল্লেখ্য যে চাপৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত দীৰ্ঘদিনৰে পৰা অবৈধ তীৰ খেল চলি থকাত বহুসংখ্যক দৰিদ্ৰ লোক ভতিগ্ৰস্ত হৈছে। চাপৰবাসী ৰাইজে চাপৰ থানা অঞ্চলত অবৈধ তীৰ খেলৰ লগতে বিভিন্ন ধৰণৰ জুৱা খেল অতি শীঘ্ৰে বন্ধ কৰিবলৈ চাপৰ থানাৰ নৱনিযুক্ত ভাৰপ্ৰাপ্ত বিষয়াক আহ্বান জনাইছে।

# কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আছুৰ বৃহৎ জয়লাভ

অগ্ৰদূত বাৰ্তা

**চামতা, ১১ জানুৱাৰী ঃ** পশ্চিম নলবাৰী অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ ১৬ টা পদৰ ১৫ টাতে আছু সমৰ্থিত প্ৰাৰ্থী বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়লাভৰ ৰগতে সাধাৰণ সম্পাদক পদটোত আছু সমৰ্থিত প্ৰাৰ্থী দীপাংকৰ বৰ্মনে বৃহৎ ভোটাৰ ব্যৱধানত জয়লাভ কৰে। ছাত্ৰ সভাপতি পদত প্ৰৱাল চক্ৰৱৰ্তী, সহ-সাধাৰণ সম্পাদক পদত কৌশিক বৰ্মন, গুৰু খেল বিভাগৰ সম্পাদনাত কৌশিক মজুমদাৰ, সহ-গুৰু খেল সম্পাদকত হাচিল আলী লঘু খেল সম্পাদক ধ্ৰুৱ পাঠক, সহ লঘু খেল সম্পাদক নিয়ৰ বৰ্মন, আলোচনী বিভাগৰ সম্পাদিকা বৰষা বৰ্মন, তৰ্ক-অধ্যয়ন চক্ৰৰ সম্পাদিকা এম কে দীক্ষিতা প্ৰিয়দৰ্শনী, ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা নিষাস্মিতা বৰ্মন, ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক বিমান বৰ্মন, সমাজসেৱা সম্পাদক নবদ্বীপ হালৈ, সাহিত্য চ'ৰাৰ সম্পাদিকা প্ৰস্তুতি বৰ্মনে।

# খাৰুপেটীয়াত এনৰেগা আঁচনিৰ উদ্বোধন আৰক্ষী অধীক্ষকৰ

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১১ জানুৱাৰী ঃ** দৰঙৰ খাৰুপেটীয়াত আৰক্ষীৰ কাৰ্যালয় নিৰ্মাণৰ বাবে আৱণ্টিত ভূমিত এমজি এনৰেগা আঁচনিৰ কামৰ উদ্বোধন কৰে জিলা আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে খাৰুপেটীয়াৰ আলিকাষ সাপ্তাহিক বজাৰৰ কাষতে থকা আৰক্ষী চক্ৰ পৰিদৰ্শকৰ কাৰ্যালয় চৌহদৰ পৰিত্যক্ত ডাষ্টবিনৰ ৰূপত থকা দ'-ভূমিত ভৰোৱা বিহুদিয়া গাঁও পঞ্চায়তৰ পৰা ২০২১-২২ৰ এম জি এনৰেগা আঁচনিৰ অধীনত আৱণ্টন দিয়া হৈছে ১৯ লাখ ২৫ হেজাৰ ২৬০ টকা। উক্ত আৱণ্টিত ধনেৰে বিহুদিয়া গাঁও পঞ্চায়তৰ অঞ্চলাধীন খাৰুপেটীয়া আৰক্ষী পৰিদৰ্শকৰ কাৰ্যালয়ৰ চৌহদৰ দ'-ভূমিত মাটি ভৰোৱা আঁচনিৰ কামৰ ফিটা কাটি উদ্বোধন কৰে জিলাখনৰ আৰক্ষী অধীক্ষক শৰ্মাই। কাৰ্যসূচীত সংগ দিয়ে দৰং জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভবেন বৰ্মন, দলগাঁও শিয়ালমাৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া টুটুমণি ভূঞা, বিহুদিয়া গাঁও পঞ্চায়তৰ সভাপতি আজগৰ আলী আৰু সচিব পিয়ং ভূঞা, খাৰুপেটীয়া নিয়ন্ত্ৰিত বজাৰ সমিতিৰ প্ৰাক্তন অধ্যক্ষ মইনুদ্দিন আহমেদ, এ ই দেৱজিৎ বৰা, খাৰুপেটীয়া প্ৰেছ ক্লাবৰ সভাপতি শ্ৰৱণ ঝাৰ লগতে গাঁও পঞ্চায়তখনৰ সদস্য তথা সচেতন ব্যক্তিসকল।

# জাগাৰাত বৰ্ণাঢ্য কাৰ্যসূচীৰে পাঁচদিনীয়া সভা মহোৎসৱ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১১ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত জাগাৰা সভা মহোৎসৱ অহা ১৮ৰ পৰা ২২ জানুৱাৰীলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ১২৩ সংখ্যক সভা মহোৎসৱৰ কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা কাৰ্যালয় উদ্বোধন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ভূপেন তালুকদাৰে। ইয়াৰ পাছত আছে ক্ৰমে ধৰ্মধ্বজা উত্তোলন, গছপুলি ৰোপণ, ছহিদ তৰ্পণ, সভা মন্দিৰৰ দ্বাৰ উন্মোচন, ভাগৱত পাঠ আৰু সন্ধিয়া বন্তি প্ৰজ্বলন। দ্বিতীয় দিনা অনুষ্ঠিত হ'ব আয়তীৰ নাম প্ৰতিযোগিতা আৰু সন্ধিয়া বন্তি প্ৰজ্বলন। দ্বিতীয় দিনা অনুষ্ঠিত হ'ব আয়তীৰ নাম প্ৰতিযোগিতা আৰু সন্ধিয়া অসমীয়া গীতৰ আধাৰত আধুনিক একক নৃত্য প্ৰতিযোগিতা। ২০ জানুৱাৰীত ধৰ্মসভা সঞ্চালনা কৰিব অৱসৰপ্ৰাপ্ত অধ্যক্ষ নগেন্দ্ৰ চন্দ্ৰ বেজবৰুৱাই। নিশা আঠ বজাত স্থানীয় শিল্পীৰ দ্বাৰা প্ৰদৰ্শিত হ'ব ৰমা বৰ্মনৰ ৰচিত পূৰ্ণাংগ নাট 'চিকাৰী'। উক্ত নাটখন উদ্বোধন কৰিব পশ্চিম নলবাৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্যই। ২১ জানুৱাৰীৰ দিনা শিল্পী পেঞ্চনাৰ প্ৰতাপ বেজবৰুৱাই উদ্বোধন কৰিব ভাৰৰীয়া প্ৰদৰ্শন। সন্ধিয়া সাত বজাত শংকৰ-আজান প্ৰডাকচন (চামতা) দ্বাৰা নৃত্য প্ৰদৰ্শন আৰু ইয়াৰ পাছতেই আৰম্ভ হ'ব দিক্ষু-মিছ মিমিৰ গীতৰ শৰাই। শেষৰ দিনা অৰ্থাৎ ২২ জানুৱাৰীত অনিতা তালুকদাৰৰ নাগাৰ নাম প্ৰদৰ্শন। ইতিমধ্যে ভূপেন তালুকদাৰক সভাপতি, ভৱেশ ডেকাক কাৰ্যকৰী সভাপতি, প্ৰফুল্ল বৈশ্য আৰু প্ৰদীপ ডেকাক উপ-সভাপতি, গোকুল ডেকাক সম্পাদক আৰু ৰাহুল ডেকাক সহকাৰী সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন কমিটী গঠন কৰিছে।

# বৰপেটা জিলাত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি

বিশেষ সংবাদদাতা

**বৰপেটা, ১১ জানুৱাৰী ঃ** ৰাজ্যখনৰ অন্যান্য অংশৰ লগতে বৰপেটা জিলাতো ক'ভিড সংক্ৰমণ পুনৰ বৃদ্ধি পাবলৈ ধৰাৰ পৰিপ্ৰেক্ষিতত জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষালে আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো ধৰণৰ ৰাজহুৱা সভা, সকলো ধৰণৰ মেলা, পূজা, ধৰ্মীয় উৎসৱ আদিৰ উদ্‌যাপনত প্ৰতিবন্ধকতা আৰোপ কৰিছে। এনে সভা-সমিতি, মেলা অথবা ধৰ্মীয় উৎসৱ সম্পৰ্কত জিলা প্ৰশাসনৰ পৰা ইতিপূৰ্বে প্ৰদান কৰা অনুমতি আজিৰ পৰা প্ৰযোজ্য হোৱাকৈ বাতিল কৰা হৈছে বুলি জিলা প্ৰশাসনে এক বিজ্ঞপ্তিযোগে সদৰী কৰিছে। উল্লেখ্য যে কালি জিলাখনত সৰ্বমুঠ ২৩৪৮ জনৰ ক'ভিড পৰীক্ষা কৰা হৈছে। ইয়াৰ ৪৭ জনৰ দেহত একেদিনাই ক'ভিড পজিটিভ ধৰা পৰিছে। এতিয়ালৈকে বৰপেটা চিকিৎসা মহাবিদ্যালয় প্ৰমুখ্যে জিলাখনৰ বিভিন্ন ক'ভিড চিকিৎসা কেন্দ্ৰত ১৪৩ ক'ভিড আক্ৰান্ত ৰোগী চিকিৎসাধীন হৈ আছে।

■ সভা-সমিতি, মেলা, ধৰ্মীয় উৎসৱত নিষেধাজ্ঞা

# ত্ৰিয়নজ্যোতি সংঘৰ ৰাজহুৱা প্ৰেক্ষাগৃহত উদুলি-মুদুলি পৰিৱেশ

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ১১ জানুৱাৰী ঃ** ৰাজ্যৰ আঞ্চলিক দল অগপৰ চাবুৱা বিধান পৰিষদৰ অন্তৰ্গত পুলুঙা পঞ্চায়ত পৰিষদৰ পূৰ্ণাংগ অধিবেশন কালি এদিনীয়া কাৰ্যসূচীৰে সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি, আবেলি অনুষ্ঠিত মুকলি সভাত দলৰ কৰ্মকৰ্তাৰ লগতে চাবুৱা অঞ্চলৰ শুভাকাংক্ষী ৰাইজৰ উপস্থিতিত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। পঞ্চায়ত সভাপতি মহেশ শইকীয়াই পুৰা পতাকা উত্তোলন কৰাৰ পাছতে দলৰ সংবিধান অনুসৰি এই অধিবেশনতে পুলুঙা পঞ্চায়তৰ সমিতিখন পুনৰ গঠন হয়। আগন্তুক পঞ্চায়ত পৰিষদৰ কাৰ্যকালৰ বাবে মহেশ শইকীয়াক পুনৰ সভাপতিৰূপে আৰু মদুল বৰুৱা আৰু প্ৰভাত চেতিয়াক যুটীয়া সম্পাদকৰূপে প্ৰতিনিধি সভা মনোনীত কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলে অংশগ্ৰহণ কৰা এক আকৰ্ষণীয় শোভাযাত্ৰা উলিয়ায়। আয়োজক সমিতিয়ে আয়োজিত অধিবেশনৰ মুকলি সভাত সহস্ৰাধিক ৰাইজ উপস্থিত থাকে। চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাক মায়ামৰা ধৰ্মীয় গায়ন-বায়নেৰে আদৰি আনে কৰ্মকৰ্তাসকলে। কেন্দ্ৰীয় আৰু জিলা সমিতিৰ বিষয়ববীয়া উপস্থিত থকা মুকলি সভাত বিধায়কজনে পুলুঙা পঞ্চায়ত পৰিষদে সম্বৰ্ধনা জনোৱাৰ লগতে ৰজাবাৰী গাঁৱৰ নিবাসী ঢোল-বাদক সুৰেশ দাস, মায়ামৰা গায়ন-বায়নৰ ওজা নৰেন্দ্ৰ ৰাজখোৱা আৰু বকুল খাউণ্ডক সম্বৰ্ধনা জনায়। অগপৰ চাবুৱাৰ যুৱ নেতা নিতুল শইকীয়াই আঁত ধৰা মুকলি সভাত বিধায়ক বৰুৱাই ৰাইজৰ সঁহাৰি দেখি অভিভূত হোৱা বুলি কয়। আগন্তুক নগৰ সমিতিৰ নিৰ্বাচনক লৈ কঁকালত টঙালি বান্ধি সাজু হ'বলৈ তেওঁ আহ্বান জনায় দলীয় কৰ্মকৰ্তাক।

■ অগপৰ পুলুঙা পঞ্চায়ত পৰিষদৰ অধিবেশন

# দক্ষিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

বিশেষ সংবাদদাতা

**পাঠশালা, ১১ জানুৱাৰী ঃ** বজালী জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠান দক্ষিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কালি বিভিন্ন কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। পুৱা বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত পতাকা উত্তোলন, আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতা, প্ৰদৰ্শনী প্ৰতিযোগিতা, প্ৰাচীৰ পত্ৰিকা উন্মোচন, হাতে লিখা আলোচনী উন্মোচন আদি অনুষ্ঠিত হয়। ইয়াৰ পাছতে শিক্ষানষ্ঠানখনৰ অধ্যক্ষ বিনোদ দাসৰ তত্ত্বাৱধানত গ্ৰীণ মিছন, বজালীৰ সঞ্চালক আনন্দ খাটনিয়াৰৰ দ্বাৰা গছপুলি ৰোপণেৰে এখন ফলমূলৰ বাগিচা উদ্বোধন কৰা হয়। আনহাতে, বিদ্যালয়ৰ প্ৰতিষ্ঠান দিৱসৰ স'তে সংগতি ৰাখি শিক্ষানুষ্ঠানখনৰ ইক' আৰু যুথ ক্লাবৰ সৌজন্যত এখন পৰিৱেশ সজাগতা সভা অনুষ্ঠিত কৰা হয়। ইক' ক্লাবৰ সম্পাদক প্ৰমোদ ভূঞাই আঁত ধৰা সভাখনত বৰপেটা জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক মনোৰঞ্জন কাকতি, উপ-পৰিদৰ্শক দীপক শৰ্মা, পাটাছাৰকুছি বিদ্যাপীঠৰ শিক্ষক দ্বীজেন দাস, সমন্বিতে বহুকেইজন ব্যক্তিয়ে পৰিৱেশ সজাগতামূলক ছাত্ৰ-ছাত্ৰীক আপ্লুত কৰে।

# ড° ভূপেন হাজৰিকা আৱক্ষ মূৰ্তি-উদ্যান সংৰক্ষণ সমিতিৰ সাধাৰণ সভা ঃ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ১১ জানুৱাৰী ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰৰ মেইন ৰোডৰ কাষত প্ৰতিষ্ঠা কৰা বিশ্ব বৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আৱক্ষ মূৰ্তি আৰু উদ্যান সংৰক্ষণ সমিতিৰ কালি এক সাধাৰণ সভা অনুষ্ঠিত হয়। বাসুগাঁও শাখা সাহিত্য সভা ভৱন প্ৰাংগণত অনুষ্ঠিত সভাত বিগত বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন পাঠ, হিচাপ-নিকাচ দাখিল কৰে সম্পাদক শৈলেন দাসে। সম্পাদকীয় প্ৰতিবেদন আৰু হিচাপ-নিকাচ অনুমোদনৰ অন্তত পুৰণি সমিতিখন ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। পুনৰ পূৰ্বৰ সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ অমৃত নাৰায়ণ পাটগিৰিক সভাপতি, পৱিত্ৰ কুমাৰ ৰায়ক উপ-সভাপতি, শৈলেন দাসক সম্পাদক, ভূগু মুনি ৰায়ক সহ-সম্পাদক, বলেন চন্দ্ৰ ৰায়ক সাংস্কৃতিক সম্পাদক, সৰস্বতী আইছ সৰকাৰক বিত্ত সম্পাদকৰ উপৰি দীলিপ কুমাৰ ৰায়, তপন দাস, বিবেক বিক্ৰম ৰায়, মিণ্টু সাহা, পৱিত্ৰ কুমাৰ ৰায়, বিশাল পাল আদিক কাৰ্যকৰী সদস্য হিচাপে লৈ আগন্তুক বৰ্ষৰ বাবে ১৫ জনীয়া কাৰ্যকৰী সমিতিখন গঠন কৰা হয়। সভাত ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত ৰং কৰা, উদ্যানখন সৌন্দৰ্যবৰ্ধন কৰা আদিৰ ওপৰত আলোচিত হয়।

■ মাজুলী মহাবিদ্যালয়ত মুহিধৰ ভৰালী বক্তৃতানুষ্ঠানত দিগন্ত বিশ্ব শৰ্মা

# শ্ৰদ্ধা-ভক্তিৰ অবিহনে জীৱনত কোনেও কৃতকাৰ্যতা লভিব নোৱাৰে

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১১ জানুৱাৰী ঃ** 'আমি কেতিয়াও ভিক্ষাৰী হ'বলৈ জন্ম হোৱা নাই, জন্ম লাভ কৰিছো অন্নদাতা হ'বলৈহে। অৰ্থাৎ জীৱন লাভ কৰাৰ সাৰ্থকতা তেতিয়াহে হ'ব, যেতিয়া আমি ব্যক্তিত্বৰ বিকাশ সাধিব পাৰো। শ্ৰদ্ধা আৰু ভক্তিৰ অবিহনে ব্যক্তিত্বৰ বিকাশ তথা জীৱনত কৃতকাৰ্যতা কেতিয়াও সম্ভৱ নহয়'। মাজুলী মহাবিদ্যালয়ত অষ্টম মুহিধৰ ভৰালী স্মাৰক বক্তৃতা প্ৰদান কৰি বিশিষ্ট চিন্তাবিদ, সুবক্তা, স্বামী বিবেকানন্দ, অৰবিন্দ তথা ৰামকৃষ্ণ পৰমহংসদেৱৰ অনুৰাগী দিগন্ত বিশ্ব শৰ্মাই এইদৰে কয়। মাজুলীৰ প্ৰথমখন শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত, প্ৰয়াত শিক্ষাবিদ অধ্যাপক মুহিধৰ ভৰালীৰ স্মৃতিত মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত আয়োজিত অষ্টমলানি বক্তৃতানুষ্ঠান ছাত্ৰী কৰীণা হাজৰিকাৰ বৰগীতেৰে আৰম্ভ কৰা হয়। 'জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণতা' শীৰ্ষক মূল বক্তৃতানুষ্ঠান উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই শিক্ষাবিদ, প্ৰয়াত অধ্যাপক মুহিধৰ ভৰালীৰ সৰলতা, দক্ষতা, সময়ানুবৰ্তিতা আৰু



কৰ্মনিষ্ঠাৰ বিষয়ে সকলোকে অৱগত কৰাৰ লগতে জীৱনৰ জটিলতাক অতিক্ৰমী নিজৰ লক্ষ্যাভিমুখী হৈ ব্যক্তিত্বৰ পৰিপূৰ্ণতা লাভত মনোনিবেশ কৰিবলৈ বিদ্যাৰ্থীসকলক আহ্বান জনায়। অৰ্থনীতি বিভাগৰ মুৰব্বী ড° ৰাজেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত বক্তৃতানুষ্ঠানৰ আঁতধৰে বিভাগৰ সহযোগী অধ্যাপক ড° ব্ৰজেন চন্দ্ৰ নেওগে। বিভাগৰ সহযোগী অধ্যাপিকা ড° ৰূপজ্যোতি বৰাই আদৰণী ভাষণ দিয়া অনুষ্ঠানত সাহিত্য একাডেমীৰ অনুবাদ সাহিত্যৰ বঁটাপ্ৰাপক তথা শ্ৰীৰামকৃষ্ণ, বিবেকানন্দ, শ্ৰীঅৰবিন্দৰ অনুৰাগী শৰ্মাই সাৰগৰ্ভ ভাষণ আগবঢ়াই সকলোকে আপ্লুত কৰে। স্বামী বিবেকানন্দ, যোগী অৰবিন্দ তথা ৰামকৃষ্ণ পৰমহংসৰ বাণী-আদৰ্শেৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনাই শৰ্মাই বেদ-উপনিষদৰ উল্লেখনীয় ঘটনাৰ উল্লেখেৰে জীৱনদৰ্শন সম্পৰ্কে নিজৰ অনুভৱ ব্যক্ত কৰে। উপনিষদৰ পাতত লিপিবদ্ধ হৈ ৰোৱা বিস্ময়-বালক নচিকেতাৰ আদৰ্শেৰে ইন্দ্ৰিয়ৰ পৰিৱৰ্তে আত্মাক তৃপ্ত কৰা জ্ঞানেৰেহে আমি নিজক উজ্জীৱিত কৰি তুলিব লাগিব বুলিও তেওঁ মন্তব্য কৰে আৰু কয় যে আমাৰ প্ৰতিজনৰে অন্তৰতো জীৱনৰ এক ব্ৰত, এক শক্তি নিহিত হৈ থাকে, যাক চিনাক্ত কৰি আমি মাথোঁ জীৱনক মহীয়ান কৰিব তুলিব লাগে। বৰ্তমানৰ বাণিজ্যিক যুগৰ অতিমানৰ তথা অদৃশ্য শাসকসকলৰ কবলৰ পৰা মুক্ত হৈ শিক্ষাৰ্থীসকলক আত্মজ্যোতিৰে স্বনিৰ্ভৰশীল আৰু দীপ্তমান হৈ আগবাঢ়িবলৈ তেওঁ পৰামৰ্শ দিয়ে। সততা, সাহস, সাধনা, উদাৰতা, কৃতজ্ঞতা আৰু সৰ্বদিশতে বহ্নিমান হোৱা —এই ছটা গুণেৰে পৰিপুষ্ট হৈ বাহ্যিক আৰু আন্তঃজীৱনৰ স'তে সামঞ্জস্য ৰাখি মানৱ জীৱনত মহাজীৱনৰ আধাৰশিলা হিচাপে গঢ় দিয়াত তেওঁ গুৰুত্ব প্ৰদান কৰে। সাৰগৰ্ভ বক্তৃতাটিৰ অন্তত অধ্যাপিকা মায়াশ্ৰী ডেকা হাজৰিকা, ছাত্ৰ অভিষেক দাস, মাজুলীৰ বিশিষ্ট ব্যক্তি প্ৰভাত বুঢ়াভকত, কিশোৰীমোহন পাল, ডলী বৰুৱা আদিয়ে মত বিনিময় কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# লখিমপুৰত সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১১ জানুৱাৰী ঃ** লখিমপুৰৰ ব্ৰিলিয়েন্ট একাডেমীৰ উদ্যোগত কালি সদৌ অসম ভিত্তিত বিশ্ব কুমাৰ দাস সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল 'সাম্প্ৰতিক প্ৰেক্ষাপটত সামাজিক মাধ্যমৰ ব্যৱহাৰে শিক্ষাৰ্থীৰ বৌদ্ধিক চেতনাৰ হ্ৰাস কৰিছে।' তৰ্ক প্ৰতিযোগিতা উদ্বোধন কৰে স্থানীয় বিধায়ক মানৱ ডেকাই। অসমৰ বিভিন্ন আগশাৰীৰ শিক্ষানুষ্ঠানে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ বিজয়ীসকল হ'ল প্ৰথম পুৰস্কাৰ ৰবীন শৰ্মা, নৰ্থ লখিমপুৰ কলেজ, দ্বিতীয় পুৰস্কাৰ সুদীপ্ত শইকীয়া, বাহনা কলেজ আৰু তৃতীয় পুৰস্কাৰ বিচিত্ৰ বিক্ৰম হাজৰিকা দৰং কলেজ। প্ৰতিযোগিতাখনৰ বিচাৰকৰ দায়িত্বত আছিল গায়ত্ৰী হাজৰিকা নিতিশ কুমাৰ দুৱৰা আৰু অধ্যক্ষ আসনত ড° স্মিৰেখা সন্দিকৈ।

## ■ পাঁচ সমষ্টিত নিৰ্ণয় কৰিব ১৫ প্ৰাৰ্থীৰ ভাগ্য

# লখিমপুৰত ঠেঙাল পৰিষদৰ ৯,২৯৩ ভোটাৰ

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১১ জানুৱাৰী ঃ** ৰাজ্যৰ পাঁচ জিলাকে সামৰি ২২টা সমষ্টি থকা ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ লখিমপুৰ জিলাত আছে পাঁচটা সমষ্টি। এই পাঁচটা সমষ্টিৰ ভোটাৰৰ সংখ্যা হ'ল ন হেজাৰ ২৯৩। প্ৰাৰ্থীৰ সংখ্যা হৈছে ১৫জন। এই ১৫জন প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ন হেজাৰ ২৯৩ ভোটাৰে। সৰ্বমুঠ ২৫টা প'লিং ষ্টেছন থকা সমষ্টিকেইটাৰ ভোটাৰ ৰাইজো সাজু হৈছে পছন্দৰ প্ৰাৰ্থীক ভোট দিবলৈ। জিলাখনত থকা পৰিষদৰ ১৬ নম্বৰ বঙালমৰা (পূব ডিক্ৰুং) সমষ্টিত প'লিং ষ্টেছনৰ সংখ্যা হ'ল চাৰিটা। সমষ্টিটোত আছে মুঠ দুহেজাৰ ৪২৭জন ভোটাৰ। ইয়াৰে এহেজাৰ ২২৯জন পুৰুষ আৰু এহেজাৰ ১৯৮জন মহিলা ভোটাৰ। চাৰিটা প'লিং ষ্টেছন থকা ১৭ নম্বৰ পাভ (লালুক) সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হ'ল ১,৬৮১জন। ইয়াৰে ৮৭১ জন পুৰুষ আৰু ৮১০জন মহিলা ভোটাৰ। ১৮ নম্বৰ লখিমপুৰ (পূব) মহিলাৰ (এছটি) বাবে সংৰক্ষিত সমষ্টিৰ প'লিং ষ্টেছনৰ সংখ্যা ছটা। সমষ্টিটোৰ মুঠ ভোটাৰ হ'ল ১,৬৫৪জন। ইয়াৰে ৮১২জন পুৰুষ আৰু ৮৪২জন মহিলা ভোটাৰ। মাথোঁ তিনিটা প'লিং ষ্টেছন থকা ১৯ নম্বৰ বিহপুৰীয়া (দক্ষিণ) সমষ্টিৰ মুঠ ভোটাৰৰ ৰসংখ্যা হ'ল ১,৬৫২জন। ইয়াৰে ৮৩৫জন পুৰুষ আৰু ৮১৭জন হ'ল মহিলা ভোটাৰ। ২০ নম্বৰ জকাইপেলোৱা হাৰমতী সমষ্টিত সৰ্বাধিক আঠটা প'লিং ষ্টেছন আছে। মুঠ ১,৮৭৯জন ভোটাৰ থকা সমষ্টিটোৰ ৯৫১জন পুৰুষ আৰু ৯২৮গৰাকী মহিলা ভোটাৰ। উল্লেখ্য যে শাসকীয় বিজেপিয়ে ২০ নম্বৰ জকাইপেলোৱা সমষ্টিটো মিত্ৰদল অগপকে এৰি দিয়াৰ বিপৰীতে আন চাৰিটা সমষ্টিত নিজা প্ৰাৰ্থী দিছে। কংগ্ৰেছে পাঁচটা সমষ্টিতেই প্ৰাৰ্থী থিয় কৰাইছে। ইফালে, ১৮ নম্বৰ লখিমপুৰ সমষ্টিৰ বাহিৰে ১৬ নম্বৰ বঙালমৰাত দুজন, ১৭ নম্বৰ পাভত এজন, ১৯ নম্বৰ বিহপুৰীয়াত এজন আৰু ২০ নম্বৰ জকাইপেলোৱা সমষ্টিত এজন নিৰ্দলীয় প্ৰাৰ্থী থিয় দিছে। পাঁচজন নিৰ্দলীয়, পাঁচজন কংগ্ৰেছ, চাৰিজন বিজেপি আৰু এজন অগপৰ প্ৰাৰ্থীসহ মুঠ ১৫জন প্ৰাৰ্থীৰ ভাগ্য ন হেজাৰ ২৯৩জন ভোটাৰে নিৰ্ণয় কৰিব।

## ডিগবৈ লক্ষীপথাৰত অইল ইণ্ডিয়াৰ বিৰুদ্ধে প্ৰতিবাদত নামিল ৰাইজ

### ■ অইলৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত নিৰ্মাণ কৰা পথৰ নামত দুৰ্নীতি



**ডিগবৈ, ১১ জানুৱাৰী ঃ** বৃহত্তৰ লক্ষীপথাৰৰ পৰা ডিগবৈ চহৰৰ সংযোগী একমাত্ৰ পথটো নিৰ্মাণত ব্যাপক দুৰ্নীতিৰ তথ্য পোহৰলৈ আহিছে। ৰাইজৰ বহুদিনীয়া দাবী অনুসৰি লক্ষীপথাৰৰ পৰা ডিগবৈ সংযোগী একমাত্ৰ মূল পথটো অইল ইণ্ডিয়াই সামাজিক দায়বদ্ধ আঁচনিৰ অধীনত এক কোটি ৮০ লাখ টকা ব্যয় সাপেক্ষে ৫.৫ কিলোমিটাৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিছিল। কিন্তু অতি পৰিতাপৰ বিষয় ডিগবৈ আৰু লক্ষীপথাৰ মূল সংযোগী পথটো নিৰ্মাণ কাৰ্যত ব্যাপক দুৰ্নীতি আৰু অনিয়ম সংঘটিত হোৱা পৰিলক্ষিত হৈছে। পথটো নিৰ্মাণ কাৰ্যত জড়িত অইল ইণ্ডিয়াৰ দালালৰূপী ঠিকাদাৰে ব্যাপক অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। পথটো নিৰ্মাণ কাৰ্যত নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ লগতে পৰ্যাপ্ত পৰিমাণৰ সামগ্ৰী ব্যৱহাৰ নকৰা হেতুকে বৰ্তমানলৈ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা পথটোৰ ব্লেক টেপিং বখলা-বখলে এৰিবলৈ ধৰিছে। সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত স্থানীয় ৰাইজৰ দীৰ্ঘদিনীয়া দাবীত অইল ইণ্ডিয়াই নিৰ্মাণ কৰিবলৈ লোৱা পথটোৰ অনিয়মৰ সন্দৰ্ভত অইল ইণ্ডিয়াৰ উচ্চপদস্থ বিষয়াবৰ্গক অৱগত কৰি আহিছে যদিও আজি পৰ্যন্ত কোনো গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। অইল ইণ্ডিয়াৰ লগতে দালালৰূপী ঠিকাদাৰৰ বিৰুদ্ধে খৰ্গহস্ত হৈ লক্ষীপথাৰবাসী ৰাইজে নিজৰ প্ৰাপ্য আৰু অধিকাৰৰ স্বাৰ্থত ৰাজপথত কালি ওলাই আহি তীব্ৰ আন্দোলন সাব্যস্ত কৰে। লক্ষীপথাৰবাসী ৰাইজৰ দাবী অনুসৰি, দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ পথ প্ৰশস্ত হোৱা পথটোৰ নিৰ্মাণ কাৰ্য কোনো বিসংগতি থাকিব নালাগিব। লগতে বাৰম্বাৰ অইল ইণ্ডিয়াৰ উচ্চপদস্থ বিষয়াক পথটো নিৰ্মাণৰ সন্দৰ্ভত অৱগত কৰি অহাৰ পাছতো কোনো গুৰুত্ব আৰোপ নকৰাত ক্ষোভিত জনতাই লক্ষীপথাৰত উৎপাদনক্ষম আটাইকেইটা তৈল কূপ অনিৰ্দিষ্ট কাললৈ বন্ধ কৰি দিয়াৰ হুংকাৰ দিয়ে। লগতে দালালৰূপী অইল ইণ্ডিয়াৰ ঠিকাদাৰ সঞ্জয় সিঙক যিকোনো কাৰণত ডিগবৈ লক্ষীপথাৰ সংযোগী পথৰ নিৰ্মাণ কাৰ্য কৰিবলৈ দিয়া নহ'ব বুলি হুংকাৰ প্ৰদান কৰে।

## জামুগুৰিহাটত মহিলাৰ দ্বাৰা ভোগালী মেলাৰ উদ্বোধন বিধায়ক হাজৰিকাৰ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১১ জানুৱাৰী ঃ** ভোগালী বিহু উপলক্ষে জামুগুৰিহাটত মহিলাৰ দ্বাৰা অনুষ্ঠিত হৈছে এখন বিশেষ বজাৰ। যত উপলব্ধ হৈছে ভোগালীৰ বিভিন্ন জা-জলপানৰ উপৰি ঘৰুৱাভাৱে মহিলাসকলৰ দ্বাৰা উৎপাদিত বস্ত্ৰ সম্ভাৰ। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান নদুৱাৰ খণ্ড পৰিচালনা শাখাৰ অধীনত শোণিতকোঁৱৰ আৰু জোনবিৰি মণ্ডল পৰ্যায়ৰ সংগঠনৰ উদ্যোগত 'অসমী ভোগালী মেলা' নামৰে অনুষ্ঠিত বজাৰখনত নদুৱাৰ অঞ্চলৰ প্ৰায় এশটাৰো অধিক মহিলা আত্মসহায়ক গোটৰ সদস্যাসকলে অংশগ্ৰহণ কৰিছে। জামুগুৰিহাটৰ পৰিদৰ্শন বাংলাৰ



চৌহদত আজিৰে পৰা দুদিন ধৰি অনুষ্ঠিত হ'ব লগা বজাৰখনত প্ৰথম দিনা ভোগালীৰ সামগ্ৰী কিনিবলৈ যথেষ্ট লোকৰ সমাগম হয়। পুৱা এই ভোগালী মেলা চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই উদ্বোধন কৰাৰ পাছতেই অঞ্চলটোৰ গ্ৰাহক ৰাইজে ভিৰ কৰা পৰিলক্ষিত হয়।

## তিনিচুকীয়াত আজি স্থানীয় বন্ধৰ দিন ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১১ জানুৱাৰী ঃ** শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ তিৰোভাৱ তিথি উপলক্ষে তিনিচুকীয়া জিলাৰ উপায়ুক্ত নৰসিং পৱাৰে সমগ্ৰ জিলাতে প্ৰযোজ্য হোৱাকৈ কাইলৈ স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে।

## ৰূপহীহাটত আৰক্ষী বিষয়াৰ নামত ধন লৈ ৰঙাঘৰৰ আলহী দুই যুৱক



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/ৰূপহীহাট, ১১ জানুৱাৰী ঃ** ৰাজ্যখনত দালালৰ বিৰুদ্ধে চলা আৰক্ষীৰ অভিযান কিছু স্তিমিত হোৱাৰ লগে লগেই সক্ৰিয় হৈ উঠিছে একাংশ দালাল। এনে একাংশ দালালে আনকি আৰক্ষী বিষয়াৰ নামতেই বিভিন্নজনৰ পৰা ধন লৈ চলাই আছে দালালৰাজ। জিলাখনৰ ৰূপহীহাটত এজন আৰক্ষী বিষয়াৰ নামত ধন লৈ ৰঙাঘৰৰ আলহী হ'ল তেনে দালালৰূপী দুই যুৱক। অভিযোগ অনুসৰি, কলিয়াবৰ মহকুমাৰ আৰক্ষী বিষয়া মৃণ্ময় দাসৰ নামত ধন সৰকাইছিল ধৃত দুই দালালে। আৰক্ষীয়ে যোৱা নিশা গ্ৰেপ্তাৰ কৰা দালাল দুজন ক্ৰমে ৰূপহীহাটৰ আমৰাকান্দা জিয়াবুৰ ৰহমান (২৭) আৰু লাল মাহমুদ (২৮)। এক গোচৰৰ মীমাংসাৰ নামত কলিয়াবৰ মহকুমা আৰক্ষী বিষয়াজনৰ নাম লৈ দালাল দুজনে ভুক্তভোগীৰ পৰা ৫০ হেজাৰ টকা সৰকাইছিল বুলি আৰক্ষী সূত্ৰই জনাইছে। আৰক্ষীৰ স'তে অতি ঘনিষ্ঠ সম্পৰ্ক থকা বুলি সাধাৰণ ৰাইজৰ আগত জাহিৰ কৰি এই ধন দাবী কৰিছিল জিয়াবুৰ আৰু লাল মাহমুদে। ধৃত যুৱককেইজনে দীৰ্ঘদিন ধৰি থানাই থানাই দালালি কৰি আহিছিল বুলিও ৰাইজে অভিযোগ তুলিছে। দুই দালালৰ বিৰুদ্ধে ভুক্তভোগীয়ে ৰূপহীহাট আৰক্ষী থানাত গোচৰ ৰুজু কৰিছে। ইতিমধ্যে ভুক্তভোগীৰ গোচৰৰ ভিত্তিত ৰূপহীহাট আৰক্ষীয়ে দুই দালাল জিয়াবুৰ আৰু লাল মাহমুদক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে।

## টেঙাখাত-লেংৰাই তিনিচুকীয়াত পুত্ৰই মৰিয়াই হত্যা কৰিলে বৃদ্ধা মাতৃক

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ১১ জানুৱাৰী ঃ** টেঙাখাত-লেংৰাই তিনিচুকীয়া গাঁৱত পুত্ৰই লাঠিৰে মৰিয়াই নৃশংসভাৱে বৃদ্ধা মাতৃক হত্যা কৰা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত লেংৰাই তিনিচুকীয়া গাঁৱত যোৱা ন জানুৱাৰীৰ নিশা সৰুমাই গগৈ (৭০) নামৰ এগৰাকী বৃদ্ধা মাতৃক পুত্ৰ ৰিতুল গগৈ (৩৮)য়ে লাঠিৰে মৰিয়াই মৰিয়াই নিৰ্মমভাৱে হত্যা কৰে। আৰক্ষীৰ ভাষ্য মতে পাৰিবাৰিক কন্দলৰ বাবে ঘটনাটো সংঘটিত হয়। পুৱা মাতৃ হত্যা ৰিতুলক টেঙাখাত থানাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ডিব্ৰুগড়ৰ জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে। ইফালে, বৃদ্ধা মাতৃৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে আৰক্ষীয়ে।

## ২০২২ৰ ৰংবং তেৰাং সমন্বয় বঁটা ড° পীতাম্বৰ দেৱগোস্বামীলৈ

### ■ ২৩খনকৈ গ্ৰন্থ উন্মোচনৰ প্ৰস্তুতি



**অগ্ৰদূত বাৰ্তা**

**হাওৰাঘাট, ১১ জানুৱাৰী ঃ** অহা ১৩ জানুৱাৰীত 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টা পদ্মশ্ৰী ৰংবং তেৰাঙৰ ওপজা দিন। বিশিষ্ট সাহিত্যিকজনৰ ওপজা দিনৰ লগত সংগতি ৰাখি ২০১৭ৰ পৰা কাৰ্বি আংলং জিলাৰ এক আগশাৰীৰ প্ৰকাশন পৰিষদ চিংথুৰ প্ৰকাশনে প্ৰদান কৰি আহিছে 'ৰংবং তেৰাং সমন্বয় বঁটা'। পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ ৰূপকাৰ ৰংবং তেৰাং সমন্বয় বঁটা ইতিমধ্যে ড° বীৰেন্দ্ৰ নাথ দত্ত, য়েছে দৰজে ঠংচি, হোমেন বৰগোহাঞি, ড° নগেন শইকীয়া আৰু ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে লাভ কৰিবলৈ সক্ষম হৈছে। এইবেলি ২০২২ত এই বঁটাৰ বাবে নিৰ্বাচন কৰা হৈছে বিশিষ্ট সাহিত্যিক তথা আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীক। উল্লেখ্য যে ১৩ জানুৱাৰীত বকলীয়াঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এক অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতেই ২৩খনকৈ গ্ৰন্থ উন্মোচনৰ প্ৰস্তুতি চলোৱা হৈছে বুলিও সংবাদমেলযোগে সদৰী কৰে চিংথুৰ প্ৰকাশনৰ স্বত্বাধিকাৰী বিশ্বজ্যোতি হাজৰিকাই।

## তিতাবৰত চাৰি কংগ্ৰেছীক বহিষ্কাৰ

**তিতাবৰ, ১১ জানুৱাৰী ঃ** দলবিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ অভিযোগত আজি চাৰিগৰাকী কংগ্ৰেছী নেতাক দলৰ পৰা বহিষ্কাৰ কৰিছে। যোৰহাট জিলা কংগ্ৰেছৰ সভাপতি দীপ গগৈ স্বাক্ষৰিত পত্ৰখনত উল্লেখ কৰা মতে, তিতাবৰ বিধানসভা সমষ্টিৰ বেবেজীয়া মণ্ডল কমিটীৰ কাৰ্যকৰী সভাপতি বসন্ত শইকীয়া, তিতাবৰ ব্লক ইয়ং বিগ্ৰেডৰ মৃদুল বৰা, মেলামাটি মণ্ডল কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক অনন্ত বৰা আৰু মেলামাটি মণ্ডল কংগ্ৰেছ কমিটীৰ ৬৯ নম্বৰ বুথ কমিটী (বাও অংশৰ)ৰ সভাপতি সুনীল শইকীয়াক আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰিছে। উল্লেখ্য যে ঠেঙাল পৰিষদীয় নিৰ্বাচনত তামোলবাৰী সমষ্টিৰ পৰা দলীয় টিকট পাবলৈ সক্ষম নোহোৱা অনন্ত বৰাই কালি বৰুৱাজান সমষ্টিত অনুষ্ঠিত বিজেপিৰ এখন নিৰ্বাচনী সভাত সাংসদ তপন কুমাৰ গগৈ আৰু কামাখ্যা প্ৰসাদ তাছাৰ ওচৰত বিজেপি শিবিৰত যোগদান কৰিছিল। বহিষ্কৃত হোৱা বেবেজীয়া মণ্ডলৰ কাৰ্যকৰী সভাপতি বসন্ত শইকীয়াই দল বিৰোধী কাৰ্যকলাপেৰে মুকলিভাৱে বৰুৱাজান সমষ্টিৰ বিজেপি প্ৰাৰ্থী কুমুদ চন্দ্ৰ কছাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিছে।

## ডিগবৈত অৰ্ধগলিত নাহৰফুটুকী বাঘৰ মৃতদেহ উদ্ধাৰ

**ডিগবৈ, ১১ জানুৱাৰী ঃ** ডিগবৈ বন সংমণ্ডলৰ অন্তৰ্গত আইঅ'চি আৱাসিক অঞ্চল শ্বিলং ৰোডৰ ৩৯ নম্বৰ আৱাসগৃহৰ কাষত এটা প্ৰাপ্তবয়স্ক নাহৰফুটুকী বাঘৰ মৃতদেহ উদ্ধাৰ হয়। শ্বিলং ৰোডৰ নিবাসী এজন যুৱকে জংঘলৰ পৰা খৰি আনিবলৈ যাওঁতে অৰ্ধগলিত অৱস্থাত পৰি থকা নাহৰফুটুকী বাঘটোৰ মৃতদেহ প্ৰত্যক্ষ কৰে। পৰৱৰ্তী সময়ত ডিগবৈ প্ৰকৃতিপ্ৰেমী সন্থা ৱাইল্ড কেয়াৰ ফাউণ্ডেছনক খবৰ দিয়াত ডিগবৈ বন বিভাগৰ স'তে উক্ত স্থানত উপস্থিত হৈ অৰ্ধগলিত মৃতদেহটো উদ্ধাৰ কৰে। নাহৰফুটুকী বাঘটোৰ মৃত্যুৰ কাৰণ বৰ্তমানলৈ সঠিকভাৱে জানিব পৰা হোৱা নাই যদিও কোনো দুষ্কৃতিৰ আঘাতত মৃত্যু হোৱা নাই বুলি জানিবলৈ দিয়ে। মৃত নাহৰফুটুকী বাঘটো ডিগবৈ বন বিভাগে যাৱতীয় ব্যৱস্থাৰে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰি দাহ কৰাৰ ব্যৱস্থা কৰে।

## মেৰাপানীত তিনি সন্তানৰ মাতৃ নিৰুদ্দেশ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১১ জানুৱাৰী ঃ** বিগত ছদিন ধৰি নিৰুদ্দেশ হৈ আছে মেৰাপানীৰ তিনি নম্বৰ গমাৰিগুৰি গাঁৱৰ এগৰাকী মহিলা। গাঁওখনৰ যোগেন দাসৰ পত্নী তথা তিনি সন্তানৰ মাতৃ নিৰুমাই দাস (৪৭) নামৰ মহিলাগৰাকী যোৱা ছয় ডিচেম্বৰত বেংকলৈ বুলি ওলাই গৈ আজি পৰ্যন্ত ঘৰলৈ উভতি অহা নাই। পৰিয়ালৰ লোকে আত্মীয়-স্বজনৰ ঘৰত খা-খবৰ লৈছে যদিও অদ্যাপি কোনো সন্ধান পোৱা নাই মহিলাগৰাকীৰ। ইতিমধ্যে মহিলাগৰাকীৰ নিৰুদ্দেশ সন্দৰ্ভত স্বামী যোগেন দাসে স্থানীয় মেৰাপানী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। কোনো লোকে নিৰুদ্দিষ্ট মহিলাগৰাকীৰ সন্ধান পালে ৮৮১১৯১২৬৭৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে চিন্তিত পৰিয়ালবৰ্গই।

## পংকজজ্যোতি বৰুৱালৈ সংস্কৃতি সাধনা বঁটা ২০২২

**অগ্ৰদূত বাৰ্তা**



**জাঁজী, ১১ জানুৱাৰী ঃ** টীয়কৰ সাংস্কৃতিক অনুষ্ঠান মুদৈজান কমলাবাৰী সংগীত মহাবিদ্যালয়ে প্ৰতি বছৰে প্ৰৱৰ্তন কৰি অহা 'সংস্কৃতি সাধনা বঁটা' এইবাৰ আগবঢ়োৱা হৈছে যোৰহাট মেলেঙৰ বিশিষ্ট কণ্ঠশিল্পী তথা শিক্ষক পংকজজ্যোতি বৰুৱালৈ। ৮০ৰ দশকৰ পৰাই সংগীতৰ চৰ্চা কৰা বৰুৱাই কে'বাখনো শ্ৰব্য কেছেট প্ৰস্তুত কৰাৰ লগতে ভালেকেইখন সংগীত বিদ্যালয় ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰি আহিছে। যোৰহাট সংগীত বিদ্যালয়ত কণ্ঠ সংগীত বিশাৰদ ডিগ্ৰী লোৱা বৰুৱাই মইনা পাৰিজাতৰ ভেটিতেই গীত গোৱাৰ শিক্ষা গ্ৰহণ কৰিছিল। অহা ২৬ জানুৱাৰীত মুদৈজান কমলাবাৰী শাখা সত্ৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া এক অনুষ্ঠানত বৰুৱাক উক্ত বঁটা প্ৰদান কৰা হ'ব বুলি সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ ভূঞাই জানিবলৈ দিছে।

## পশ্চিম কাৰ্বি আংলঙৰ লংজাপত ড্ৰাগছসহ এজনক আটক

**অগ্ৰদূত বাৰ্তা**



**ডংকামোকাম, ১১ জানুৱাৰী ঃ** পশ্চিম কাৰ্বি আংলং জিলাত ড্ৰাগছৰ বিৰুদ্ধে তীব্ৰ অভিযান অব্যাহত ৰাখিছে বৈঠালাংছ' আৰক্ষীয়ে। এনে অভিযান অব্যাহত থকাৰ মাজতে কালি আবেলি বৈঠালাংছ' আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সত্যজিৎ বৰাৰ নেতৃত্বত এটা আৰক্ষীৰ দলে বৈঠালাংছ'ৰ সমীপৱৰ্তী লংজাপ বজাৰত অভিযান চলাই এখন হোটেলৰ পৰা ড্ৰাগছ সৰবৰাহী সুশীল দাসক আটক কৰে। ধৃত যুৱকজনৰ পৰা আৰক্ষীয়ে ৩১.৫ গ্ৰাম ড্ৰাগছ, এটা ম'বাইল ফোন, ১২টা খালী কণ্টেইনাৰো উদ্ধাৰ কৰে। উল্লেখ্য যে হামৰেন আৰু বৈঠালাংছ' অঞ্চলৰ বিভিন্ন ঠাইত ড্ৰাগছ আসক্ত যুৱকসকলক সুশীল দাসে ড্ৰাগছৰ যোগান ধৰি আহিছে বুলি স্বীকাৰ কৰিছে। ইতিমধ্যে আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে জিলাখনৰ লগতে অঞ্চলটোত তীব্ৰ অভিযান অব্যাহত ৰাখিছে।

## শিমলীতোলাৰ ডাক্তৰপাৰাত ভোগালীক

১২ পৃষ্ঠাৰ পৰা পৰিৱৰ্তে সংৰক্ষণ কৰিব বাঁহ আৰু নৰাৰে সজা ডাইন'ছৰটো। মুঠৰ ওপৰত কৰ'না সৃষ্ট পৰিস্থিতিৰ মাজতো হেঁপাহৰ ভোগালীক আদৰিবলৈ ভিন্ন প্ৰকাৰে চেষ্টা কৰিছে ৰাজ্যবাসীৰ সমান্তৰালকৈ শিমলীতোলাৰ ডাক্তৰপাৰাৰ ডেকা গাভৰু, জীয়ৰী বোৱাৰীসকলে।

## মাজুলীত অনুৰাগ প্ৰীতমৰ 'মাঘৰে গধূলি'

১২ পৃষ্ঠাৰ পৰা বক্তব্য আগবঢ়াই সকলোৱে গীতটো আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি আদিত্য দত্ত, বিজেপি জিলা সমিতিৰ সম্পাদক দেৱব্ৰত দত্ত, অনাতাঁৰ শিল্পীদ্বয় অমিয় চিৰাং আৰু মালতী ভূঞাৰ লগতে বহুসংখ্যক সংগীত অনুৰাগী উপস্থিত থাকে। গীতৰ কথা, সুৰ পিতৃ সপোন কাকতিৰ। মিউজিক প্ৰডিউচাৰ-কণ্ঠ অনুৰাগ প্ৰীতম কাকতিৰ সহযোগ কৰিছে জয়স্তুতি ভূঞাই। মিচিং গীতৰ কথা অনাতাঁৰ শিল্পী অমিয় চিৰাঙৰ। ষ্টুডিঅ' চাউণ্ড জ'ন, গুৱাহাটী। অডিঅ' ভইছ্ যোৰহাট আৰু মেলডি যোৰহাট। মিক্স মাষ্টাৰিং ধ্ৰুৱ ঠাকুৰীয়াৰ। ভিজুৱেলাইজেছনত-কাবেৰী গগৈ আৰু কাব্যশ্ৰী গগৈ।

## ডিমৌ ৰাইচাইত স্পন্দন হৃদয়ৰ পৰা

১২ পৃষ্ঠাৰ পৰা ডিমৌ মহাবিদ্যালয়ৰ অধ্যাপিকা হামিদা বেগম, নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় অধ্যাপিকা ড° গীতালী শইকীয়া, স্বৰ্ণালিম শইকীয়া, সংবাদকৰ্মী উমেশ চেতিয়া, আবৃত্তিকাৰ নিপন বৰা, সংবাদকৰ্মী যুগল শৰ্মা লগতে প্ৰায় ২০ কবিৰ কবিতা পাঠত চিত্ৰ অংকন কৰে চিত্ৰশিল্পী সিতুজ্জ্বল চেতিয়া, সত্যকাম পাণ্ডৱ আৰু জিতুল গগৈয়ে। কণমানি কণ্ঠশিল্পী দৰিণ পৰিধি চেতিয়া, উৰ্ভি চেতিয়া, গুণগুণ শইকীয়া, বিজয় বিশাল, জিতুল গগৈ, সত্যকাম পাণ্ডৱ, গৌতম কোঁৱৰ আৰু পল্লৱিকা গগৈৰ কণ্ঠত বহুকেইটা ন-পুৰণি গীতে অনুষ্ঠানটো অধিক জীপাল কৰি তোলে। এই অনুষ্ঠানত কে'বাটিও শিশুৱে নিজৰ নিজৰ প্ৰতিভা প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত প্ৰতিগৰাকী ব্যক্তিকে একোখনকৈ ডায়েৰী আৰু কলম প্ৰদান কৰা হয়। শেষত উপস্থিত সকলোৱে আয়োজন কৰা প্ৰীতিভোজ গ্ৰহণ কৰে।

## শোণিতপুৰৰ চাৰিদুৱাৰত ড্ৰাগছসহ

১২ পৃষ্ঠাৰ পৰা অভিযানত ব্ৰাউন ছুগাৰসহ এশটা কন্টেইনাৰ জব্দ হোৱাৰ লগতে দুই ড্ৰাগছ সৰবৰাহকাৰী আনাৰুল হুছেইন আৰু অহিদুল ইছলাম নামৰ দুজনকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে কালি দিনৰ প্ৰায় ২-৩০বজাত এক তথ্যৰ ভিত্তিত গুদামঘাটৰ অকাবস্তি বাঙালী গাঁৱত চাৰিদুৱাৰ আৰক্ষী থানাৰ বিষয়া প্ৰদীপ ৰাজখোৱাৰ নেতৃত্বত আৰক্ষীয়ে চলোৱা এই অভিযানত ব্ৰাউন ছুগাৰসহ দুই সৰবৰাহকাৰীক কৰায়ত্ত কৰা হয়। ইপিনে, অৰুণাচলী সুৰাই ছানি ধৰা চাৰিদুৱাৰত কালি বিয়লি স্থানীয় আৰক্ষীয়ে চলোৱা আন এক অভিযানত চাৰিদুৱাৰ বজাৰলাইনৰ মুন্না গুপ্তা নামৰ এজন যুৱকক যথেষ্ট পৰিমাণৰ অৰুণাচলী সুৰাসহ কৰায়ত্ত কৰা হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, অভিযুক্তই সীমান্তৱৰ্তী অৰুণাচলৰ পৰা এএছ-১২ৱাই -৩৮০৫ নম্বৰৰ স্কুটীৰে এখন মোনাত ৪৪টা সুৰাৰ বটল আৰু ৩৯টা বিয়েৰৰ টেমা তথা বটলসহ মুঠ ৮৩টা সুৰা-বিয়েৰৰ বটল আৰু টেমা কঢ়িয়াই অনা অৱস্থাত চাৰিদুৱাৰ আৰক্ষীয়ে ফৰেষ্টগেটত জব্দ কৰে।

## হাউলীত লেখিকা সাবিত্ৰী খাটনিয়াৰ

১২ পৃষ্ঠাৰ পৰা সময় দিয়ে। সেয়ে আমি সদায় ভাল কথা পঢ়াৰ লগতে শুনিব লাগে।' তদুপৰি ড° পাঠকে ভাষণ প্ৰসংগত কয়, 'আমি সদায় সপোন দেখিব লাগে; কিন্তু আমি সেই সপোন দেখিব নালেগে যিবোৰ সপোন কেৱল নিদ্ৰাতে শেষ হয়। আমি সেই সপোন দেখিব লাগে যিয়ে মানুহক জাগ্ৰত কৰে। তেতিয়াই আমি জীৱনত সফল হ'ব পাৰিম।' তদুপৰি পাঠকে বিভিন্ন ৰসাল কাহিনীৰে উপস্থিত সকলোৱে মনমুগ্ধ কৰি তোলে। উক্ত উপন্যাস উন্মোচনী অনুষ্ঠানত বিশিষ্ট সাহিত্যিক ভৱানী প্ৰসাদ অধিকাৰী উপস্থিত থাকি অসমীয়া সাহিত্যৰ লগতে ভাষাৰ তাৎপৰ্য ব্যাখ্যা কৰে। অনুষ্ঠানত সাহিত্যিক তথা আৰক্ষী উপ-মহাপৰিদৰ্শক আবু চুফিয়ানে অতিথিৰূপে উপস্থিত থাকি গ্ৰন্থ আৰু অসমীয়া সাহিত্যৰ কথাৰ ওপৰত ভাষণ দিয়ে। হাউলী সাহিত্য সভাৰ সম্পাদক চম্পক কুমাৰ নাথে আঁতধৰা অনুষ্ঠানত অঞ্চলটোৰ শতাধিক লোক উপস্থিত থাকে।

## সদৌ বঙাইগাঁও জিলা কোচ ৰাজবংশী

১২ পৃষ্ঠাৰ পৰা কৰাৰ ক্ষেত্ৰত গুৰুত্বা আৰোপ কৰিব। লগতে জনগোষ্ঠীটোৰ লোকসকলক শৈক্ষিক, সামাজিক, ৰাজনৈতিক আদি দিশত সচেতন কৰি তোলাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিব বুলি কয়। লগতে জিলাখনত যাতে কোনো সুবিধাবাদী ব্যক্তিয়ে কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিব নোৱাৰে সেই দিশত নজৰ ৰাখিব। আনহাতে, জিলা সমিতিৰ সাধাৰণ সম্পাদক শিৱেন নাৰায়ণ দেৱে বঙাইগাঁও জিলাখন শিক্ষাৰ ক্ষেত্ৰত পিছ পৰি আছে বুলি কৈ কয় যে শিক্ষা নহ'লে কোনো এটা জাতি বা জনগোষ্ঠীয়ে আগবাঢ়িব নোৱাৰে। সেয়ে শৈক্ষিক দিশত জনগোষ্ঠীটোৰ লোকসকলক আগবঢ়াই নিয়াৰ মূল মন্ত্ৰৰে তথা লক্ষ্যৰে আমি জিলা সমিতিয়ে আগুৱাই যাম বুলি কয়।

## ভোগালীৰ বজাৰত জুই-ছাই দামত থৰকাছুটি হেৰাইছে গ্ৰাহকৰ

### ■ উখল-মাখল পৰিৱেশেৰে প্ৰস্তুত বিহুটিক আদৰিবলৈ

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১১ জানুৱাৰী ঃ** পুহৰ কুৱলীৰ আৱৰণ ফালি আকৌ আহি পালেহি অসমীয়াৰ হেঁপাহৰ ভোগালী বিহু। অসমীয়া চহা জীৱনৰ স্বাভিমান স্বৰূপ এই ভোগৰ উৎসৱত লুকাই আছে জাতিটোৰ বহু পৰম্পৰা, বিশ্বাস আৰু আনন্দ। আঘোণত পথাৰৰ খেতি চপাই ন ধানৰ চাউলেৰে অঙহী-বঙহী, ওচৰ-চুবুৰীয়া মিলি লগে-ভাগে নখোৱা, চুঙা চাউল, চুঙা পিঠা খোৱাৰ আমেজ সুকীয়া। পুহত চহা কৃষকৰ বাৰীৰ শাক-পাচলি বিভিন্ন ধৰণৰ কবি, মূলা, লাই, লফা, পালেং চুকা, বিলাহী, বেঙেনাৰে উভৈনদী হৈ পৰে। পুখুৰীৰ মাছ, তেলাল হাঁহ ভোগৰ উপযোগী হয়। ভোগৰ উৎসৱ এই ভোগালী বিহুত ঘৰে ঘৰে চিৰা, মুৰি, আখৈ, হুৰুম, বিবিধ পিঠা-পনাৰে উপচি পৰে। বিহুত অতিকৈ প্ৰয়োজন হোৱা গুৰৰ বাবে এসময়ত অসম বিখ্যাত আছিল গোলাঘাট জিলাৰ গুৰ। জিলাখনৰ অন্তৰ্গত মিছামৰা, ঢেকীয়াল আৰু গুৱযোগনীয়া মৌজাত শ শ বিঘা মাটিত কুঁহিয়াৰ খেতি আছিল। এই কুঁহিয়াৰৰ পৰা প্ৰস্তুত কৰা সুস্বাদু গুৰে অসমৰ বিভিন্ন অঞ্চলৰ এক বৃহৎ বজাৰ দখল কৰিছিল। কিন্তু কালক্ৰমত চাহ খেতিৰ জনপ্ৰিয়তা, কুঁহিয়াৰ খেতিৰ প্ৰতি যুৱ সমাজৰ অনীহা বা মৌজাকেইখনত ক্ৰমবৰ্ধমান হাৰত বৃদ্ধি পোৱা বান্দৰৰ উপদ্ৰৱৰ বাবে লাহে লাহে কুঁহিয়াৰ খেতি কমি আহিল। অৱশ্যে বৰ্তমান জিলাখনৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ অঞ্চলত এই গুৰ প্ৰস্তুত হয় যদিও তাৰ গুণাগুণ আৰু স্বাদ যথেষ্ট কম। ভোগালীৰ বজাৰত এই গুৰ ৭০-৮০ টকাত বিক্ৰী হৈছে। ঠিক সেইদৰে বিহুৰ বাবে প্ৰয়োজন হোৱা তিল প্ৰতি কিলোগ্ৰামত ১৭০-১৮০ টকা, বৰা চাউল ৬০-৭০ টকা, মালভোগ, চকোৱা চিৰা প্ৰতি কিলোগ্ৰামত ৮০ টকা পৰ্যন্ত পাইছে। ইফালে, শাক-পাচলি, মোৱা, আলু, কাঠ আলুৰো জুই-ছাই দাম। মিঠাতেলৰ আকাশলংঘী দামে সাধাৰণ জনতাক বাৰুকৈয়ে মাধমাৰ শোধাইছে। হ'লেও অসমীয়া সাজু হৈছে বিহুটিক আদৰিবলৈ। গাঁৱে গাঁৱে চলিছে ভেলাঘৰ নিৰ্মাণৰ কাম, চলিছে সমূহীয়া ভোজভাতৰ আয়োজন।

## আমেৰিকা নিবাসী অতুল চন্দ্ৰ শৰ্মালৈ 'সমাজ শিৰোমণি বঁটা'

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১১ জানুৱাৰী ঃ** অবিভক্ত দৰং জিলাৰ সামগ্ৰিক বিকাশৰ চিন্তা-চৰ্চাৰে গঠিত হোৱা দৰং দিৱস উদ্‌যাপন সমিতিয়ে প্ৰতি বছৰে দৰং দিৱস পালন কৰি আহিছে। দৰং দিৱস উদ্‌যাপন সমিতিৰ শেহতীয়া প্ৰস্তাৱমৰ্মে প্ৰতি বছৰে সামাজিক, সাহিত্যিক আৰু সাংস্কৃতিক ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তিক দৰঙৰ প্ৰবাদ পুৰুষ পণ্ডিত দীনেশ্বৰ শৰ্মা সোঁৱৰণী 'সমাজ শিৰোমণি বঁটা' প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। চলিত বৰ্ষৰ বাবে তথা প্ৰথমবাৰলৈ এই বঁটাৰ বাবে মনোনীত কৰা হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰ নিবাসী দৰং সন্তান বিশিষ্ট বিজ্ঞানী ড° অতুল চন্দ্ৰ শৰ্মাক। এই বঁটা প্ৰদান অনুষ্ঠানৰ দিনা ড° শৰ্মাৰ জীৱনভিত্তিক এখন অভিনন্দন গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে বুলি দৰং দিৱস উদ্‌যাপন সমিতিৰ বিষয়ববীয়াই জনাইছে।




# ভোগালী বিহুৰ পৰম্পৰা



**বিহু** অসমৰ জাতীয় উৎসৱ। আমাৰ বিহু তিনিটা— ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। মাঘ বিহুৰ আন এটা নাম হ'ল ভোগালী বিহু। এই বিহুতেই পথাৰৰ সোণবৰণীয়া লখিমী আহি ঘৰ সোমাই অসমীয়াৰ ওঁঠত শান্তিৰ সাৰ্থকতাৰ হাঁহি বিৰিঙাই তোলে আঘোণ-পুহ মাহত। কৃষি কাৰ্যৰ কৃতকাৰ্যতাই অসমীয়াৰ মনৰ পৰা পৰ-নিৰ্ভৰতা আঁতৰায় আৰু গভীৰ প্ৰশান্তি আনি দিয়ে। প্ৰকৃতিৰ বুকু উদং হৈ যায়। প্ৰকৃতিৰ মহান অৱদানৰ স্বীকৃতি জনাই অনন্ত জনলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াই গুৰু-ভকতলৈ ন ধানৰ এমুঠি জা-জলপানৰ দিহা কৰি অসমীয়াই বিহু উদ্‌যাপন কৰে।

এই বিহুত নতুন শস্যৰ চাউলেৰে তৃপ্তিৰে এসাঁজ খোৱাৰ হেঁপাহ। ভোগালীৰ কে'বাদিনৰ আগৰে পৰাই ইয়াৰ আয়োজন চলে। খৰি, তৰা, নৰা, বাঁহ আদিৰে মেজি আৰু ভেলাঘৰ সজা হয়। উৰুকা নিশা ভেলাঘৰত বন্তি জ্বলাই প্ৰসাদ দিয়া হয়। গোটেই নিশাটো নাচি-বাগি কটায় আৰু গাঁৱৰ ডেকা-গাভৰু সকলোৱে মিলিজুলি ভোজভাত খায়। ভোগালী বিহুৰ দিনা সকলোৱে শোৱাৰ পৰা উঠি মেজি ভেলাঘৰ জ্বলাই। মোৱা আলু পুৰি খোৱা হয়। এই বিহুতেই অসমীয়া মানুহে কুকুৰা যুঁজ, ম'হ যুজ আৰু গৰু যুঁজ আদি অনুষ্ঠিত কৰে। আগতে ৰংপুৰৰ ৰংঘৰৰ বাকৰিত স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত মানুহৰ খেলৰ লগতে জীৱ-জন্তু চৰাই-চিৰিকটিৰ যুঁজ বা খেল অনুষ্ঠিত হৈছিল আৰু ইয়াক উপভোগ কৰি ৰং-তামাছা কৰিছিল। আমাৰ নিচেই ওচৰত নগাঁও জিলাৰ আঁহতগুৰিত তেনে ধৰণৰ চাবলগীয়া বিখ্যাত ম'হ যুঁজ হয়। ভোগালী বিহুত প্ৰিয়জনৰ মৰম লোৱা আৰু প্ৰিয়জনক মৰম দিয়াৰ নিয়ম। এই ভোগালী বিহু আমাৰ অসমৰ বিভিন্ন ঠাইত উলহ-মালহৰে পালন কৰা হয়। ইয়াৰ জৰিয়তে আমাৰ মাজত থকা একতাৰ ভাব গঢ়ি তুলিবলৈ আৰু সকলোৱে মাজত থকা মৰমৰ এনাজৰীডাল দৃঢ় কৰিবলৈ চেষ্টা কৰা হয়।

# বুলবুলি চৰাইৰ যুঁজ

এই মৰমলগা চৰাইৰ আমাৰ সমাজ জীৱনৰ স'তেও সম্পৰ্ক আছে। সেয়ে বিভিন্ন সাহিত্যত বুলবুলি চৰাইৰ উল্লেখ পোৱা যায়। এইবিধ চৰাইৰ ঠোঁট সবল নহয়, সেয়ে ধান, চাউল, গম আদি খাব নোৱাৰে। অৱশ্যে খেজুৰ, আম, মধুৰীআম, অমিতা আদি বুলবুলিৰ বৰ প্ৰিয়। ইহঁতে সচৰাচৰ সৰু কীট-পতংগ খাই জীয়াই থাকে। পোক ধৰিবলৈকে বেছি সময় গছৰ ডালত বহি থাকে।



**আমাৰ** গাঁৱে-ভূঁয়ে সততে দেখা পোৱা পক্ষীকুলৰ অন্যতম হ'ল বুলবুলি। এই মৰমলগা চৰাইৰ আমাৰ সমাজ জীৱনৰ স'তেও সম্পৰ্ক আছে। সেয়ে বিভিন্ন সাহিত্যত বুলবুলি চৰাইৰ উল্লেখ পোৱা যায়। এইবিধ চৰাইৰ ঠোঁট সবল নহয়, সেয়ে ধান, চাউল, গম আদি খাব নোৱাৰে। অৱশ্যে খেজুৰ, আম, মধুৰীআম, অমিতা আদি বুলবুলিৰ বৰ প্ৰিয়। ইহঁতে সচৰাচৰ সৰু কীট-পতংগ খাই জীয়াই থাকে। পোক ধৰিবলৈকে বেছি সময় গছৰ ডালত বহি থাকে। বুলবুলিৰ বহুতো প্ৰজাতি আছে। আমাৰ চিনাকি বুলবুলিৰ দৈৰ্ঘ্য ২০ ছেণ্টিমিটাৰ আৰু ওজন সৰ্বাধিক ৪২ গ্ৰাম। এটা প্ৰাপ্তবয়স্ক বুলবুলি চৰাইৰ মূৰ, গা আৰু ঠোঁট ক'লা বৰণৰ। মূৰত মুকুটৰ দৰে ওখ নোম থাকে। ডেউকা, নেজ, বুকুভাগ গাঢ় বাদামি। ভৰি দুটা বাদামি ৰঙৰ। পেটৰ ভাগ বগা। মাজত দীঘলীয়া ৰঙা আঁচ থাকে। সেই ৰঙা আঁচডালেই আগতে চকুত পৰে। বুলবুলিয়ে সদায় সৰু গছত বাহ সাজে। আনকি ফুলগছতো বাহ সজা দেখা যায়। বাহটো দেখিবলৈ ধুনীয়া গোলাকাৰ বাটি এটাৰ দৰে। গছৰ ঠাল-ঠেঙুলি, মানুহৰ মূৰৰ চুলি, শুকান ঘাঁহ আৰু মকৰাৰ জালেৰে ইহঁতে বাহ সাজে। বুলবুলিয়ে বসন্তকালত কণী পাৰে। এবাৰত তিনিটা কণী পাৰে আৰু ১৫-২০ দিন ওমনি দিয়াৰ পাছত কণী ফুটি পোৱালি ওলায়। অসমীয়াৰ সমাজ জীৱনৰ স'তেও বুলবুলি চৰাইৰ এক বিশেষ সম্পৰ্ক আছে। ভোগালী বিহুৰ সময়ত বুলবুলি চৰাইৰ যুঁজ অসমীয়া সমাজৰ এক পৰম্পৰা। বৰ্তমান সময়ত এই পৰম্পৰা প্ৰায় নোহোৱা হৈছে। কিয়নো পক্ষী সংৰক্ষণবিদে এই পৰম্পৰাৰ বিৰুদ্ধে মাত মাতি আহিছে। তৎসত্ত্বেও বুলবুলি চৰাইৰ যুঁজ কিছু ভিতৰুৱা অঞ্চলত আজিও অব্যাহত আছে।

## জানানে??

১) কোন প্ৰাণীয়ে নিজৰ ওজনতকৈ হেজাৰ গুণ অধিক ভাৰ দাঙি নিব পাৰে? ২) 'লেডী বাৰ্ড' কি?
৩) হৰিণাৰ আকৃতিৰ দ্বীপ এটা ক'ত আছে? ৪) কি জন্তুক 'দৰিদ্ৰৰ গৰু' বুলি কোৱা হয়? ৫) হস্তী দিৱস কেতিয়া পালন কৰা হয়? ৬) মৌ-মাখিবোৰে নিজৰ মাজতে কেনেদৰে ভাব বিনিময় কৰে?
৭) কি পক্ষীয়ে উৰাজাহাজৰ দৰে উৰে?
৮) খাবলৈ ৰসগোল্লাৰ দৰে ৰসাল আৰু মিঠা ফলবিধ কি?
৯) ভাৰতৰ কোন ৰাজ্যক 'বনস্পতিৰ খনি' বুলি কয়?
১০) 'নাৰিকলৰ ভূমি' আখ্যা পোৱা ভাৰতৰ ৰাজ্যখনৰ নাম কি?

**উত্তৰসমূহ ঃ** ১) পৰুৱা, ২) ৰঙীণ আৰু সুন্দৰ কীট, ৩) নিউজিলেণ্ডত, নাম উত্তৰী দ্বীপ, ৪) ছাগলী, ৫) ১৩ মাৰ্চ, ৬) নৃত্য, ধ্বনি আৰু গতিৰ মাধ্যমেৰে, ৭) কেলিফ'ৰ্ণিয়া ক'ণ্ডৰ নামৰ আমেৰিকান শগুণে, ৮) লেচু, ৯) উত্তৰাঞ্চল, ১০) কেৰালা।

# বিহু ঘৰৰ জুই

বীৰেণ শৰ্মা

**বিহু** আহিলে ৰঙিয়াল গাঁৱৰ মানুহবিলাকৰ গাত ততেই নাথাকে। গাঁওখনৰ প্ৰায় বেছিভাগ মানুহেই কৃষিজীৱী। আঘোণ পুহত পথাৰৰ ধান মুঠি চপাই ভোগালী বিহুৰ বিহুঘৰ সজা আৰু ভোগালীক আদৰাৰ সকলোৱে প্ৰস্তুতি চলায়। চামে-চামে পথাৰত 'বিহুঘৰ' সাজে। পলাশ-আকাশ আৰু সোনমইনাৰো বছৰেকীয়া পৰীক্ষা হৈ গ'ল। সিহঁত তিনিও আৰু লগৰ কে'বাজনো মিলি এটা 'বিহুঘৰ' সজাৰ প্ৰস্তুতি চলায়। খেৰ, বাঁহ গোটোৱাত ব্যস্ত হৈ পৰিল। সোনমইনাই ভাবিলে সি মাকক খুজি মাকে ছাগলী বেচি পোৱা পইচাৰে টকা ৫০টা বিহুঘৰৰ বৰঙণি দিব। সিহঁতৰ ঘৰুৱা অৱস্থা একেবাৰে নিশকতীয়া দেউতাকে দৈনিক বজাৰত সাধাৰণভাৱে এখন শাক-পাচলিৰ দোকান দি ঘৰখন চলাই আছে। সোণ-মইনাৰ মাক-দেউতাক আৰু একমাত্ৰ ভনীয়েক 'নয়নী' ৰঙিয়াল বালিকা হাইস্কুলৰ পঞ্চম শ্ৰেণীত পঢ়ে। আৰু সোনমইনা ৰঙিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীত পঢ়ে। পলাস, আকাশো সোনমইনাৰ লগতে ৰঙিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীত পঢ়ে। সোনমইনা পঢ়া-শুনাত প্ৰতি চোকা ল'ৰা। দেউতাক মিনাৰামে শাক পাচলিৰ দোকান দি ঘৰত দাইল চেনিৰ যোগান দি অৱশ হৈ পৰিল। পুহমহীয়া গাত ল'বলৈ কম্বল এখনো দেউতাকে যোগাৰ কৰিব নোৱাৰিলে। পুহমহীয়া মাক-দেউতাক আৰু ভনীয়েকে জাৰত কঁপি থকা দৃশ্য দেখি সোণ মইনাৰ চকুৰেদি দুধাৰী চকুলো বৈ যায়। সোনমইনায়ো জাৰতে থক্ থক্কৈ কঁপি সন্ধ্যা পঢ়া-শুনা কৰে। খৰিৰ জুই কুৰাই তেওঁলোকৰ জাৰ কমোৱা এক নম্বৰ সম্বল। কিং কৰ্তব্য বিমোৰত পৰি সোনমইনাৰ দেউতাকে সোনমইনাকে মাহিলি বন্দবস্তত ক'ৰবাত ৰখাৰ মনস্থ কৰিলে। শেষত চহৰৰ গড়কাপ্তানী বিভাগৰ ইঞ্জিনীয়াৰৰ ঘৰতে সোণ মইনাক মাহিলি এহেজাৰ টকাকৈ বন্দবস্ত কৰি ইঞ্জিনীয়াৰৰ ঘৰতে ৰখাৰ বন্দবস্ত কৰি তিনি হেজাৰ টকা অগ্ৰিম অলিলে জাৰৰ কাপোৰ কানি ল'বৰ কাৰণে। সোনমইনাৰ দেউতাকে ইঞ্জিনীয়াৰক ক'লে বিহুৰ দুদিন পাছতেই সোনমইনাক তেওঁলোকৰ ঘৰত থৈ যাব। এতিয়া সি লগৰ ল'ৰাৰ লগত 'বিহুঘৰ' সজাত ব্যস্ত হৈ আছে। ইঞ্জিনীয়াৰে কথাটো ভালদৰেই মানি লৈছিল কিন্তু ইঞ্জিনীয়াৰৰ পৰিবাৰে কথাটো শুনি একেবাৰে দাং খাই উঠিল। বিহুৰ পাছত আহিলে নহ'ব। বিহুৰ দুদিন আগতেই আহিব লাগিব, বিহুত আমাৰ ধেৰ আলহী আহিব। বিহুৰ আগতে যদি আহিব নোৱাৰে আমাক ল'ৰাৰ প্ৰয়োজন নাই। উপায়হীন হৈ সোণ-মাইনাৰ দেউতাকে সোনমইনাক বিহুৰ দুদিন আগতেই থৈ যোৱাৰ প্ৰতিশ্ৰুতি ইঞ্জিনীয়াৰৰ পৰিবাৰক দিলে। সোনমইনাক থৈ যোৱাৰ প্ৰতিশ্ৰুতি দি তিনি হেজাৰ টকাৰে ঘৰলৈ কম্বল আৰু ঘৈণীয়েক গোলাপী আৰু জীয়েক 'নয়নীলৈ' দুটা গৰম ব্লাউজ আৰু সোনমইনালৈ এটা দীঘল হাতৰ গৰম ছুৱেটাৰ লৈ ঘৰ পালেহি। ঘৰত পৰিবাৰ গোলাপীক সকলো কথা ক'লে পৰিৱাৰ 'গোলাপী' আৰু ভনীয়েক নয়নী দেউতাকৰ কথাত একেবাৰে দাংখাই উঠিল। ঘৰত এটা মাথোঁ ল'ৰা। তাৰো বিহুত ঘৰত থাকিবলৈ নজুৰিলে। সি কিমান উৎসাহৰে লগৰ সমনীয়াৰ লগত 'বিহুঘৰ' সজাত ব্যস্ত হৈ আছে। দেউতাকৰ কথাবিলাক শুনি উচুপি-উচুপি কান্দিবলৈ ধৰিলে। সোনমইনা 'বিহুঘৰ' সজাৰ পৰা আহি ঘৰত সকলো কথা গম পাই মাকক আৰু ভনীয়েকক ক'লে— তোমালোক জাৰত কঁপি থকা দেখি মোৰ অন্তৰে সদায় কান্দি থাকে মা। হয়তো দেউতাৰ অন্তৰেও কান্দি থাকে। দেউতাৰ হাতত আৰু নিশ্চয় অন্য উপায় নাই। আমাকনো জাৰৰ কম্বল কাপোৰ ল'বলৈ কোনে পইচা দিব। মই দেউতাৰ প্ৰতিশ্ৰুতি কেতিয়াও অথলে যাবলৈ নিদিওঁ। 'নয়নী' তুমিও নাকান্দিবা। দেউতাৰ উপাই নাই। মই য'তেই নাথাকো বা যিয়েই নকৰো লাগে জীয়াই থাকিলে সমাজত এদিন মানুহ হিচাপে পৰিচয় দিম। পলাস আকাশে এই কথাটো শুনি সিহঁতেও উচুপি উচুপি কান্দিবলৈ দৰিলে। সিহঁতে সোণ-মাইনাৰ নিচিনা এজন বন্ধু আৰু ক'ত পাব। সিহঁতে সোনমইনাৰ স'তে কিমান উৎসাহৰে বিহু ঘৰটো সাজিছিল। সিহঁতে সোনমইনাক বাৰে বাৰে অনুৰোধ কৰিলে। কিন্তু সোণ-মাইনাই ক'লে পলাস আৰু আকাশ তোমালোকে যে কিমান কষ্ট পাইছা, মোক আৰু তোমালোকে বুজাব নালাগে। ময়ো অন্তৰত কিমান কষ্ট পাইছো তোমালোকক এৰি যাব লগা হোৱাত কিমান উৎসাহৰে আমি বিহু ঘৰটো সাজিছিলো। তোমালোকে মোক



ক্ষমা কৰা— দেউতাৰ প্ৰতিশ্ৰুতি মই কেতিয়াও অথলে যাবলৈ নিদিওঁ। বিহুৰ দুদিন আগতেই সোনমইনা দেউতাকৰ লগত ইঞ্জিনীয়াৰৰ ঘৰলৈ গ'ল। যোৱাৰ আগতে মাথোঁ সোণ মাইনাই দেউতাকক ক'লে দেউতা মোক যি কামেই কৰিবলৈ দিয়ে মই তাকেই কৰিম। কিন্তু মোক পঢ়াৰ সুবিধা দিব লাগিব। সোনমইনাই মাক-দেউতাকক সেৱা কৰি আৰু ভনীয়েকক মূৰত ধৰি নাকান্দিবলৈ অনুৰোধ কৰি ঘৰৰ পৰা ইঞ্জিনীয়াৰৰ ঘৰলৈ যাত্ৰা কৰিলে। মাক-দেউতাক-ভনীয়েক আৰু সোনমইনাৰ চকুলোৰে উটি গ'ল এই পৃথিৱী। বিহু ঘৰৰ দিনা সোণ মইনাৰ পুৱাৰ পৰাই মনটো বেয়া— চকুত চকুপানীৰ ৰাতি ইঞ্জিনীয়াৰৰ পৰিবাৰক ৰাতি একোৱেই আহাৰ নাখাওঁ বুলি ক'লে।তাৰ পেটটো ভাললগা নাই বুলি ক'লে। ইঞ্জিনীয়াৰে বহু অনুৰোধ কৰাটো সোনমইনাই ৰাতিৰ আহাৰ গ্ৰহণ নকৰিলে। পাছদিনাই সোনমইনাই ইঞ্জিনীয়াৰৰ ঘৰত বিহুৰ জা-জলপান নাখালে। সোণ মাইনাৰ বাৰে বাৰে মনত পৰিল মাকে বিহুৰ দিনা চকলা চকল কৰি ভাজি দিয়া কবি আলুৰ টুকুৰাবোৰলৈ। আৰু মনত পৰিল দেউতাক-মাক-ভনীয়েক আৰু সি একে লগে বিহুৰ দিনা সিহঁতৰ পাকঘৰৰ। মজিয়াত খোৱা বিহুৰ জলপানলৈ আৰু সোনমইনাৰ মনত পৰিল পলাস আৰু আকাশৰ বিহুঘৰটোলৈ। সিহঁতে ছাগৈ 'অগ্নি' প্ৰজ্জলিত মন্ত্ৰৰে বিহু ঘৰটোত অগ্নি সংযোগ কৰিলে। সোনমইনাৰ অন্তৰৰ জুইকুৰা জানো কোনোবাই নুমাবৰ পাৰিব। সোনমইনাৰ মনত পৰিল বৰকৈ মনত পৰিল পলাস আৰু আকাশলৈ।

Azadi Ka Amrit Mahotsav
সত্যমেৱ জয়তে
অসম চৰকাৰ
মাধ্যমিক শিক্ষা বিভাগ
অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত
মাধ্যমিক শিক্ষা বিভাগৰ পুনৰ নিযুক্তি পৰ্ব
১ লাখ নিযুক্তিৰ সংকল্প চৰকাৰৰ
মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত
বিভিন্ন শিক্ষানুষ্ঠানত
১৩০ গৰাকী প্ৰাৰ্থীলৈ
অনুকম্পামূলক চতুৰ্থ শ্ৰেণীৰ নিয়মীয়া পদত
নিযুক্তি পত্ৰ বিতৰণী অনুষ্ঠান



অনুষ্ঠানৰ মুখ্য অতিথি
ডাঃ ৰণোজ পেগু
মাননীয় শিক্ষা মন্ত্ৰী, অসম
অনুষ্ঠানৰ বিশিষ্ট অতিথি
ড° ননী গোপাল মহন্ত
মাননীয় শিক্ষা উপদেষ্টা, অসম
তাৰিখ - ১২ জানুৱাৰী, ২০২২ | সময় - দিনৰ ২ বজা
স্থান - শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদ, পাঞ্জাবাৰী, গুৱাহাটী
অনুষ্ঠানলৈ সকলো নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীক নিমন্ত্ৰণ জনালোঁ।
দুয়োপালি কভিড ভেকচিন গ্ৰহণ কৰা ব্যক্তিকহে প্ৰেক্ষাগৃহত প্ৰৱেশৰ অনুমতি দিয়া হ'ব।
জনসংযোগ/ডি/১৩২৭৭/২১






### দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তিনিখনীয়া শৃংখলাৰ তৃতীয় টেষ্ট

# প্ৰথম ইনিংছত ভাৰতৰ বেটিং ব্যৰ্থতা



**কেপটাউন, ১১ জানুৱাৰী ঃ** ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টেষ্ট শৃংখলাৰ অন্তিমখন মেচৰ প্ৰথম ইনিংছতো বেটিং ব্যৰ্থতাৰ সন্মুখীন হৈছে। উল্লেখ্য যে আজিৰে পৰা কেপটাউনত হৈছে গান্ধী-মেণ্ডেলা শৃংখলাৰ অন্তিমখন টেষ্ট মেচ। টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে প্ৰথম দিনাই নিজৰ প্ৰথম ইনিংছ সামৰিবলৈ বাধ্য হয়। দিনটোৰ 77.3 অভাৰ খেলা ভাৰতে 223 ৰাণতে সকলো উইকেট হেৰুৱায় দুৰ্বল আৰম্ভণি কৰিছে।



উল্লেখ্য যে শৃংখলা নিৰ্ণায়ক তৃতীয় টেষ্টখনত ভাৰতীয় দলৰ অধিনায়ক বিৰাট কোহলিয়ে পুনৰ দললৈ প্ৰত্যাৱৰ্তন কৰিছে আৰু অধিনায়কৰ 79 ৰাণৰ ইনিংছৰ বাবেই দলৰ সন্মান ৰক্ষা পৰে। উল্লেখ্য যে আঘাতৰ বাবে দ্বিতীয় টেষ্টত খেলা নাছিল বিৰাটে। সেয়ে দলক নেতৃত্ব দিছিল লোকেছ ৰাহুলে। আজি টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতক আশাৰ আৰম্ভণি দিয়াত ব্যৰ্থ হয় অপেনাৰদ্বয় লোকেছ ৰাহুল (12] আৰু মায়ংক আগৰৱাল (15]¼ বিৰাটে পূজাৰৰ (43] লগত ইনিংছ আগুৱাই নিয়ে যদিও ভোজন বিৰতিৰ পাছতে পূজাৰাসহ আউট হয় ৰাহানে (9] আৰু ঋষভ পণ্ট (27]¼ দক্ষিণ আফ্ৰিকাৰ হৈ ৰাবাডাই চাৰিটা আৰু মাৰ্কোই তিনিটা উইকেট পায়। ইফালে, আজি ভাৰতৰ বলিং বিভাগত সলনি হয়। দ্বিতীয় টেষ্টত আঘাত পোৱা চিৰাজ বাদ পৰে। তেওঁৰ স্থানত উমেশ যাদবক দলত লোৱা হয়। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে খেলা দ্বিতীয় টেষ্টখনত সাত উইকেটত জয়লাভ কৰি শক্তিশালী প্ৰত্যাৱৰ্তনৰে তিনিখনীয়া শৃংখলাটোত 1-1 ত সমতা স্থাপন কৰিছে। ইয়াৰপূৰ্বে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত টীম ইণ্ডিয়াই দক্ষিণ আফ্ৰিকাক 113 ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল। এতিয়া চলিত তৃতীয় টেষ্টৰ ফলাফলে নিৰ্ণয় কৰিব শৃংখলা কাৰ দখললৈ যায়।



### আন্তঃজিলা জুনিয়ৰ বক্সিং

## ল'ৰা-ছোৱালীৰ শ্ৰেষ্ঠ দল দেৰগাঁও-মাজুলী

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১১ জানুৱাৰী ঃ** অসম এমেচাৰ বক্সিং এছ'চিয়েচনৰ উদ্যোগত তথা বৰপেটা জিলা এমেচাৰ বক্সিং এছ'চিয়েচনৰ ব্যৱস্থাপনাত অনুষ্ঠিত হোৱা 42 সংখ্যক আন্তঃজিলা জুনিয়ৰ ল'ৰা-ছোৱালীৰ বক্সিং প্ৰতিযোগিতাত ল'ৰাৰ শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছে দেৰগাঁও জিলাই। আনহাতে, ছোৱালীৰ শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে মাজুলীয়ে। ইফালে, প্ৰতিযোগিতাৰ ল'ৰাৰ শ্ৰেষ্ঠ বক্সাৰ ওৱাহিদুৰ ৰহমান হোৱাৰ বিপৰীতে ছোৱালীৰ শ্ৰেষ্ঠ হয় প্ৰান্তিকা গগৈ। উল্লেখ্য যে অসম এমেচাৰ বক্সিং এছ'চিয়েচনৰ উদ্যোগত তথা বৰপেটা জিলা এমেচাৰ বক্সিং এছ'চিয়েচনৰ ব্যৱস্থাপনাত আয়োজন কৰা প্ৰতিযোগিতাখনত অসমৰ 34 খন জিলা মুঠ তিনিশ গৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। ইয়াৰে 210 গৰাকী পুৰুষ আৰু 90 গৰাকী মহিলা বক্সাৰ।

## কৰিমগঞ্জ জিলাৰ চেম্পিয়ন এন এছ এছ এ

**গুৱাহাটী, ১১ জানুৱাৰী ঃ** এন এছ এছ এ 54 ৰাণত মোইজদিহি ক্লাবক পৰাস্ত কৰি চলিত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ কৰিমগঞ্জ জিলা চেম্পিয়ন হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আজি হোৱা ফাইনেলত পোনতে বেটিং কৰি এন এছ এছ এ দলে 129-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, মোইজদিহি স্প'ৰ্টছ ক্লাবে 75 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হৈছে জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমুহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।



নৰুল আমিন বৰ্ষশ্ৰেষ্ঠ দলৰ বঁটা গ্ৰহণ অসমৰ পুৰুষ ভলীবল দলৰ।

### ইণ্ডিয়া অপেন বেডমিণ্টনত ভাৰতৰ সিন্ধু-শ্ৰীকান্তৰ জয়লাভ

## অঘটন ঘটাই দ্বিতীয় ৰাউণ্ডত অসমৰ অস্মিতা





**নতুন দিল্লী, ১১ জানুৱাৰী ঃ** অসমৰ প্ৰতিভাবান শ্বাটলাৰ অস্মিতা চলিহাই আজিৰে পৰা আৰম্ভ হোৱা ইয়'নেক্স-ছানৰাইজ ইণ্ডিয়া অপেন আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাত অঘটন সৃষ্টি কৰি নিজৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা প্ৰথমদিনাৰ খেলত মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা অসম কন্যা অস্মিতাই 24-22, 21-16 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে প্ৰতিযোগিতাৰ পঞ্চম বাচনিৰ ৰাছিয়াৰ শ্বাটলাৰ ইভগেনিয়া ক'ছেটস্কায়াক। উল্লেখ্য যে দীৰ্ঘ দিনৰ পাছত আন্তৰ্জাতিক প্ৰতিযোগিতা খেলা অস্মিতাই ক'ৰ্টত প্ৰৱেশ কৰিয়েই প্ৰত্যাশিত আৰম্ভণি কৰে। বিশ্ব ৰেংকিঙৰ 28 নম্বৰ স্থান প্ৰাপ্ত ৰাছিয়াৰ ইভগেনিয়াৰ বিৰুদ্ধে প্ৰথম ছেটৰ মধ্যভাগতে 11-5 ৰ অগ্ৰগতি লয় অসম কন্যাই। কিন্তু নিজৰ ভুলৰ বাবে সুযোগ লৈ প্ৰত্যাৱৰ্তন কৰে ইভগেনিয়াই। উল্লেখ্য যে 2019 ত ৰাছিয়াৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাস্ত হৈছিল অস্মিতা। কিন্তু আজি প্ৰতিশোধ লোৱাৰ সুযোগ নেহেৰুৱালে। শক্তিশালী প্ৰত্যাৱৰ্তন কৰি 24-22 ৰ ব্যৱধানত প্ৰথমটো ছেট দখল কৰে অস্মিতাই। দ্বিতীয় ছেটতো একেই খেল প্ৰতিফলিত হয়। অস্মিতাই 11-4 ত অগ্ৰগতি লয় যদিও ইভগেনিয়াই দৃঢ়তা প্ৰদৰ্শন কৰি ব্যৱধান 19-16 কৰে। কিন্তু অসম কন্যাৰ চমকপ্ৰদ খেলত 31 মিনিটতে ক'ৰ্ট এৰিবলৈ বাধ্য হয় ৰাছিয়াৰ শ্বাটলাৰগৰাকী। 'যোৱা কিছু বছৰ ধৰি মই মেচ খেলা নাছিলো। সেয়ে আজি আৰম্ভণিতে চাপত আছিলো। কিন্তু প্ৰথম গেমছত জয়লাভ কৰাৰ পাছতে আত্মবিশ্বাস বৃদ্ধি হ'ল। দ্বিতীয়টো ছেট মই উৎসাহেৰে খেলিছো।' জয়ৰ পাছত অস্মিতাই কয়। দ্বিতীয় ৰাউণ্ডত অস্মিতা মুখামুখি হ'ব ফ্ৰান্সৰ য়ালি হ'য়াক্সৰ বিৰুদ্ধে। ইফালে, ইয়'নেক্স-ছানৰাইজ ইণ্ডিয়া অপেন আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাত জয়ৰে প্ৰত্যাশিত আৰম্ভণি কৰিছে ভাৰতৰ দুই তাৰকা শ্বাটলাৰ পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্তে। সিন্ধুই 21-5, 21-16 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে শ্ৰীকৃষ্ণ প্ৰিয়াক। আনহাকে, শ্ৰীকান্তে 21-17, 21-10 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ছিৰিল বাৰ্মাক।

## পশ্চিমবংগৰ কিংফিছাৰ ক্লাব ফাইনেলত প্ৰৱেশ

**অগ্ৰদূত ব্যুৰ**

**বঙাইগাঁও, ১০ জানুৱাৰী ঃ** পশ্চিমবংগৰ হাছিমাৰাৰ কিংফিছাৰ ক্লাবে বিজনী যুৱক সংঘৰ উদ্যোগত আৰু চিৰাং জিলা আৰক্ষী প্ৰশাসনৰ সহযোগত চলি থকা টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজি অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেল খেলত কিংফিছাৰে বিজনীৰ যুৱক সংঘক পাঁচ ৰাণত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি কিংফিছাৰে নিৰ্দ্ধাৰিত 20 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 121 ৰাণ কৰে। প্ৰত্যুত্তৰত যুৱক সংঘই ছয় উইকেট হেৰুৱাই 116 ৰাণ কৰে। বিজয়ী দলৰ ৰাজীৱ ৰয় মেন অৱ দ্য মেচ বিবেচিত হয়। বৃহস্পতিবাৰে অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত নলবাৰীৰ ইউ চি চিয়ে বিজনীৰ চিন্ময় ইলেভেনৰ বিপৰীতে অৱতীৰ্ণ হ'ব।



### বাংলাদেশৰ বিৰুদ্ধে দুখনীয়া শৃংখলা ১-১ ত ড্ৰ

## দ্বিতীয় টেষ্টত এক ইনিংছ ১১৭ ৰাণত জয়ী নিউজিলেণ্ড

**ক্ৰিছচাৰ্চ, ১১ জানুৱাৰী ঃ** নিউজিলেণ্ডে দ্বিতীয়খন টেষ্টত জয়লাভ কৰি বাংলাদেশৰ বিৰুদ্ধে খেলা দুখনীয়া শৃংখলাটো 1-1 ৰ ব্যৱধানৰে ড্ৰ কৰিবলৈ সক্ষম হৈছে। আজি নিউজিলেণ্ডে এক ইনিংছ আৰু 117 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে বাংলাদেশক। উল্লেখ্য যে প্ৰথম টেষ্টত বাংলাদেশৰ বিৰুদ্ধে অপ্ৰত্যাশিত পৰাজয়ৰ সন্মুখীন হোৱা নিউজিলেণ্ডে শৃংখলাৰ দ্বিতীয়খন টেষ্টত ছয় উইকেট হেৰুৱাই 521 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰিছিল। ক্ৰিছচাৰ্চত আৰম্ভ হোৱা শৃংখলা নিৰ্ণায়ক টেষ্টখনৰ প্ৰথমদিনাই নিউজিলেণ্ডে এটা উইকেট হেৰুৱাই 349 ৰাণ কৰি শক্তিশালী স্থিতিত উপনীত হৈছিল। প্ৰত্যুত্তৰত, দ্বিতীয় দিনাৰ খেলৰ অন্তত বাংলাদেশে 126 ৰাণতে সকলো উইকেট হেৰুৱাই প্ৰথম ইনিংছ সামৰে আৰু নিউজিলেণ্ডে প্ৰথম ইনিংছত 395 ৰাণৰ অগ্ৰগতি লাভ কৰে। আজি নিউজিলেণ্ডে বাংলাদেশক ফল'অন কৰোৱাত আলহী দলটোৱে দ্বিতীয় ইনিংছ আৰম্ভ কৰি 278 ৰাণত অলআউট হয় আৰু কিবি বাহিনীয়ে এক ইনিংছ আৰু 117 ৰাণৰ ব্যৱধানত জয়ী হয়। বাংলাদেশৰ হৈ লিটন দাসে (102] শতক অৰ্জন কৰাৰ বিপৰীতে বাকীসকল ব্যৰ্থ হয়। দ্বিতীয় টেষ্টৰ শ্ৰেষ্ঠ হয় লাথাম। আনহাতে, শৃংখলাৰ শ্ৰেষ্ঠ হয় উভয় টেষ্টত শতক অৰ্জন কৰা ক'নৱে। উল্লেখ্য যে দ্বিতীয় টেষ্টত নিউজিলেণ্ডৰ হৈ লাথামে [252 ৰাণ) দ্বিশতক অৰ্জন কৰাৰ লগতে শতক অৰ্জন কৰে ক'নৱে (109]¼ উল্লেখ্য যে চলিত দুখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্টত নিউজিলেণ্ডৰ বিৰুদ্ধে আঠ উইকেটত জয়লাভ কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল বাংলাদেশে। বাংলাদেশে প্ৰথমবাৰৰ বাবে নিউজিলেণ্ডৰ ভূমিত ঐতিহাসিক টেষ্ট জয়ৰ গৌৰৱময় সফলতা লাভ কৰিছিল।





### অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট

## ৰিভাৰাইন মাজুলী জিলাৰ চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**

**মাজুলী, ১০ জানুৱাৰী ঃ** চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি মাজুলী মিনি ষ্টেডিয়াম, গড়মূৰত অনুষ্ঠিত হোৱা ফাইনেল খেলত ৰিভাৰাইন ক্লাবে টপ ইলেভেন ক্ৰিকেট ক্লাবক 60 ৰাণত পৰাজিত কৰি জিলাৰ চেম্পিয়নৰ ট্ৰফী অৰ্জন কৰিছে। খেলখনত প্ৰথমে বেট ধৰি ৰিভাৰাইন ক্লাবে নিৰ্ধাৰিত 30 অভাৰত সাতটা উইকেটৰ বিনিময়ত 146 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত টপ ইলেভেন ক্ৰিকেট ক্লাবে 16 অভাৰত সকলো উইকেট হেৰুৱাই 86 ৰাণ সংগ্ৰহ কৰি পৰাজয় স্বীকাৰ কৰে। ৰিভাৰাইন ক্লাবৰ পংকজ জ্যোতি দাসে চূড়ান্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। আজিৰ খেলখন পৰিচালনা কৰে বিজয় দত্ত আৰু সঞ্জীৱ প্ৰসাদে। খেলৰ শেষত অনুষ্ঠিত এক অনুষ্ঠানত প্ৰতিযোগিতাৰ বঁটাসমূহ বিতৰণ কৰা হয়। বিজয়ী দলক এক লাখ টকা পুৰস্কাৰ প্ৰদান কৰা হয়। ৰিভাৰাইন ক্লাবৰ ৰাজীৱ পগাগে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ, টপ ইলেভেন ক্ৰিকেট ক্লাবৰ তপন কুমাৰ শৰ্মাক শ্ৰেষ্ঠ বলাৰ, গড়মূৰ টাউন ক্লাবৰ দেৱ কলিতাক শ্ৰেষ্ঠ বেটছমেন আৰু ৰাইজিং ষ্টাৰ ক্লাবৰ কৌস্তুভমণি দাসক সম্ভৱনাপূৰ্ণ খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। মাজুলী জিলা ক্ৰিকেট সন্থাৰ উপ সভাপতি প্ৰতাপ বৰুৱাই আঁত ধৰা বঁটা প্ৰদান অনুষ্ঠানত অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, উপ সভাপতি পৰীক্ষিত দত্ত, মাজুলী জিলা ক্ৰিকেট সন্থাৰ সভাপতি জিতেন্দ্ৰ নাথ ডেকা, সাধাৰণ সম্পাদক মনোজ কুমাৰ বৰা, মাজুলী জিলা ভাৰপ্ৰাপ্ত ক্ৰীড়া বিষয়া বিভাষ পাঠক, মাজুলী জিলা ক্ৰীড়া সন্থাৰ সভাপতি ৰাজীৱ দত্ত ভূএঞা, মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক দীপু বৰা, মাজুলী জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিৰ সভাপতি মুনীন্দ্ৰ ভূএঞা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

### জে কে বৰুৱা ট্ৰফী ক্ৰিকেট

## মধ্য মণ্ডলত হোজাইক হৰুৱাই নগাঁও চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১০ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নুৰুল আমিন ষ্টেডিয়ামত আজি সামৰণি পৰা 19 বছৰ অনূৰ্ধ্ব জে কে বৰুৱা ট্ৰফী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ ফাইনেলত নগাঁৱে হোজাইক 130 ৰাণত হৰুৱাই মাণ্ডলিক চেম্পিয়ন হৈছে। আজিৰ খেলখনত নগাঁও দলে টছত জিকি পোনতে বেট কৰি 40 অভাৰত ছটা উইকেটৰ বিনিময়ত 207 ৰাণ কৰে। প্ৰত্যুত্তৰত হোজাই দলটোৱে বেট ধৰি 20.2 অভাৰত সকলোকেইটা উইকেট হেৰুৱাই মাত্ৰ 77 ৰাণহে কৰিবলৈ সক্ষম হয়। শম্ভুনাথ দেৱ আৰু হিমাদ্ৰী শেখৰ দাস আম্পায়াৰৰূপে থকা খেলখনত নগাঁৱৰ গোপাল কৃষ্ণ ঘোষ মেন অৱ দ্যা মেচৰূপে বিবেচিত হয়। খেলৰ অন্তত হোজাই ক্ৰীড়া সন্থাৰ সভাপতি তথা প্ৰাক্তন বিধায়ক শিলাদিত্য দেৱ, নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক প্লাৱন বৰুৱা আৰু প্ৰাক্তন ৰঞ্জি খেলুৱৈ প্ৰিতম কোঁৱৰে ক্ৰীড়া সংগঠক অসীম ভাৱাল, প্ৰমোদ কোঠাৰী, ৰিংকু দাস, সমীৰ হাজৰিকা, ৰমেশ আগৰৱালা, আমিনুল ইছলাম, মোহন চন্দ্ৰ বৰা, মৃনাল কুমাৰ হাজৰিকা, দিলীপ তালুকদাৰ, দেবজিত দাস, নুৰুদ্দিন আহমেদ, শোণিত বৰুৱা আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰে।



## বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ বঁটা গ্ৰহণ কৰিলে বক্সাৰ লাভলীনাই



**গুৱাহাটী, ১১ জানুৱাৰী ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাই ইতিমধ্যে ঘোষণা কৰা বাৰ্ষিক ক্ৰীড়া বঁটাসমুব আজি লেণ্ডমাৰ্ক হোটেলত দিনৰ তিনি বজাত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত প্ৰদান কৰা হয়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে ক্ৰীড়া মন্ত্ৰী বিমল বৰা, এছিয়ান গেমছত পদক জয়ী শ্যুটাৰ জয়দীপ দাস, ভাৰতীয় বক্সিং ফেডাৰেছনৰ সম্পাদক হেমন্ত কুমাৰ কলিতা, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ আদি। উল্লেখ্য যে এইবাৰ অসম ক্ৰীড়া সাংবাদিক সন্থাই চাৰিটা শাখাত বঁটা প্ৰদান কৰিছে। সেই অনুসৰি আৰ জি বৰুৱা বৰ্ষ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰিছে প্ৰথম অসমীয়াৰূপে অলিম্পিক পদক তথা খেলৰত্ন সন্মান লাভ কৰা মহিলা বক্সাৰ



লাভলীনা বৰগোহাঁয়ে। আজি অনুষ্ঠানত উপস্থিত থাকি লাভলীনাই এই বঁটাৰ বাবে ধন্যবাদ জনাই অসম ক্ৰীড়া সাংবাদিক সন্থাক। ইফালে, নৃপেন্দ্ৰ নাৰায়ণ সিংহ বৰ্ষ শ্ৰেষ্ঠ জুনিয়ৰ বঁটা বিজয়ী দুই খেলুৱৈ হ'ল শিৱাংগী শৰ্মা (সাঁতোৰ) আৰু সিদ্ধান্ত গগৈ (ভাৰোত্তোলন)। আনহাতে, অসম ক্ৰীড়া সাংবাদিক সন্থাই এইবাৰ পুলিন দাস জীৱনযোৰা সাধনা বঁটা দিব সাংবাদিক, সংগঠক, ৰেফাৰী প্ৰেমধৰ শৰ্মাক। অনুষ্ঠানত ক্ৰীড়া সাংবাদিকতাৰ স্মৰণীয় দিন সোঁৱৰণ কৰে শৰ্মাই। আনহাতে, নৰুল আমিন বৰ্ষশ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছে অসমৰ পুৰুষ ভলীবল দলে। উল্লেখ্য যে এইবাৰ অসম ক্ৰীড়া সাংবাদিক সন্থাক বঁটা প্ৰদানত সহায় কৰিছে অইল আৰু অসম চৰকাৰে।



## সন্তোষ ক্ৰিকেট

**অগ্ৰদূত বাৰ্তা, গৰুভাসা, ১০ জানুৱাৰী ঃ** চিৰাং জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত চলি থকা সন্তোষ ব্ৰহ্ম সোঁৱৰণী জিলা আন্তঃক্লাব ক্ৰিকেট লীগত বিজনীৰ প্ৰেৰণা ক্লাবে অগ্ৰগতি লাভ কৰিছে। বেংতলত আজি অনুষ্ঠিত হোৱা লীগৰ এখন খেলত প্ৰেৰণাই জাংখ্ৰিখাং ক্লাবক ছয় উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি জাংখ্ৰিখাং ক্লাবে আটাইকেইটা উইকেট হেৰুৱাই 98 ৰাণ কৰে। প্ৰত্যুত্তৰত প্ৰেৰণা ক্লাবে চাৰি উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়।

## বিলাসনন্দন চ'ৰা



# এটিএম নহয়, কেটিএম

**জাৰকালি** যদি বনভোজ বা পিকনিক খোৱা নাযায়, তেন্তে সেই জাৰটো বৰ বেজাৰ হৈ যায়। বহুতে আকৌ মনৰ বেজাৰক জাৰৰ লগত মিক্সাৰ কৰি বনে বনে ৰেঞ্জাৰ হৈ এদিনৰ কাৰণে হ'লেও লুটি-পুতি খোৱাৰ মানসেৰে এই বনভোজৰ কনচেপ্টটো সৃষ্টি হোৱা বুলি ভাবিব পাৰি। আগেয়ে আটাইবোৰেই বনভোজ আছিল। আজিকালি বেছিভাগেই পিকনিক হৈ গৈছে। চ'ৰী! পিকনিক নহয়। আজিকালিৰ সৰ পিকনিকেই হ'ল পিক্‌মি। মানে 'মোক তুলি ল' বা 'ধৰ মোক'! উপায় নাই! নিজে উঠিব পৰা অৱস্থাত নাই। কোনোবাই নহয় কোনোবাই ধৰি নি বাছত তুলি দিবই লাগিব। একেদৰে বনভোজবোৰো আজিকালি কেৱল বনভোজ হৈ থকা নাই, বমিভোজ হৈ গৈছে। বমি যদি কৰিবলৈ নাপায়, তেন্তে সেই বনভোজ খোৱা বা নোখোৱাৰ কোনো মিনিং নাই। বহুতে আকৌ বনভোজক আজিকালি বনৰীয়া ভোজ বুলিও ক'ব খোজে। মানে যি ভোজ খাই বনৰীয়াৰ দৰে আচৰণ কৰিব লগা হয়, সেয়াই বনৰীয়া ভোজ। পিকনিকক যেনেকৈ আজিকালি পিক্‌মি নাম দিয়া হৈছে, একেদৰে বহুতে পিকনিকক আজিকালি পিকদানি বুলিও কয়। পিকদানিত যেনেকৈ তামোলৰ পিক পেলোৱা হয়, একেদৰে পিকনিকতো বোলে মনৰ আটাইবোৰ লেতেৰা কথা উলিয়াই দিয়ে, তাকে লৈ পাছত এখন মহাযুদ্ধ হয়।

যিয়েই নহওক, পিকনিক কে'বা প্ৰকাৰৰ আছে। বেছিভাগ পিকনিকেই কলেজ পিকনিক হয়, হোষ্টেল পিকনিক হয়, টিউচন পিকনিক হয়। ল'ৰা-ছোৱালীৰ সকলো ভেদাভেদ পাহৰি আৰু কিছু নতুন বিভেদৰ সৃষ্টি কৰাৰ মানসেৰে এই পিকনিকবোৰৰ আয়োজন কৰা হয়। এইবোৰ পিকনিক চলি থাকোতেই কোনোবাই হঠাতে পিক-আপত আহি যায় আৰু কোনোবা পিংকী বা পিকু বা নিকুক হাতত ধৰি দি গৈ দিয়ে—আই ৱাণ্ট টু পিক্ ইউ! মনোৰম নেচাৰ যদি নেচাৰেলী শান্ত হৈ থাকে, তেতিয়া বাৰু বাচি গ'ল, চাউল সিজিও যাব পাৰে। কিন্তু পিকনিকৰ এনে বেছিভাগ কেছতে গাল দুখন পিক হেন লাল হৈ যায়। পাছত আন কোনো পিকনিকত হয়তো সেই পিকহেন লাল গাল দুখনেই চিকমিক কৰিব পাৰে, সেইটো বেলেগ কথা। অপনা অপনা কপালৰ কথা।

কিন্তু আটাইতকৈ বেছি হিট পিকনিকটো হ'ল ফেমিলী পিকনিক। ফেমিলী পিকনিকৰ এবিধ ফিমেল পিকনিকো আছে। এই ফিমেল পিকনিকবোৰত বেছিভাগ ফিমেলে নিজৰ নিজৰ ল'ৰা-ছোৱালীকেইটা কিমান ভাল, তাৰে এটা কম্পিটিছন পাতে আৰু সেই কম্পিটিছনত হাৰিব ধৰাগৰাকীয়ে আত্মদংশনত ভুগি দুপিচ মঙহ কমকৈ খায়। বাকী ফেমিলী পিকনিকবোৰত মতাবোৰে পিনপিনাই ঘূৰে কোনেও নেদেখা জাগা এডোখৰ বিচাৰি। হয় বাছৰ ভিতৰত বা শিলৰ তলত! ইমানখিনি প্ৰট'কল মেণ্টেইন কৰাৰ পাছতো যদি ঘৈণীৰ শেনচকুৰে হাতে-লোটে পিক-আপ কৰি পেলায়, তেন্তে ঘৰলৈ গৈ সেই বনভোজ চিধাই 'ভেজাভোজ' হৈ যায়। বকবকনিয়ে এনেকৈ ভেজা ফ্ৰাই কৰি কৰি ভোজ খায় যে এটা সময়ত কচম খাবলৈ বাধ্য হোৱা যায়—কোনোবাই পিক-আপ কৰিব আহিলেও পিকনিকত নাযাওঁ। সেই কচমৰ লংজিভিটি বৰ কম যদিও টেম্প'ৰাৰী ৰিলিফ দিবৰ কাৰণে বেয়া নহয়।

এইবাৰ আমাৰ ৰাজচভাৰ মেম্বাৰবোৰেও হেনো বনভোজ খাইছে ক'ৰবাত ক'ৰবাত! এওঁলোকক বহুতে এম এল এ বুলিও মাতে। মানে 'মই লগত আছো'। ঠিকেই! লগত থকাৰ বাহিৰেনো এওঁলোকৰ বেলেগ কি কাম আছে? এই বনভোজ খাই থকাৰ টাইমতে হেনো দুজনমান এম এল এই বকিছে—'কি লাভ বনভোজ খাই? একো হাৰাই নিদিয়ে দেখোন আমাক!' বাকীবোৰেও হয়ভৰ দিলে। দুখ-শোকে জৰ্জৰিত বনভোজ! চকুপানীৰে মাছ ভাজিব পৰা হ'ল, তেলৰ দৰকাৰেই নাই। সিহঁতে এইবুলিও ক'লে যে বাণ্ডিলবোৰতো বাদেই, ৰাজচভাত প্ৰৱেশি সিহঁতৰ এ টি এমৰো কোনো কাম নোহোৱা হ'ল। এ টি এমৰ কথা বাদ দিয়ক, সিহঁতকতো কমচে কম কে টি এম কৰি ৰাখক। যেনেকৈ মন্ত্ৰীবোৰ হৈছে লে জে অৰ্থাৎ লগত যোৱা মন্ত্ৰী, ঠিক তেনেকৈ এম এল এবোৰক কে টি এম কৰি ৰাখক। মানে 'কাষত থকা মানুহ'! পিকনিকৰ শেষত আটায়ে এইবুলি শ্ল'গান দি সামৰিলে—'আমাক কে টি এম কৰি ৰাখক!'



*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

স্বৰ্গ আৰু নৰক, দুয়োটাই মানুহৰ কল্পনাসৃষ্ট স্থান। অথচ বাস্তৱতো পৃথিৱীত আছে এক বিশালকায় 'নৰক'। অৰ্ধশতিকাৰ পূৰ্বে সৃষ্টি হোৱা এই নৰকৰ দুৱাৰ অৱশেষত বন্ধ হ'ব। নৰক বুলিলে আমাৰ মনত যিখন কাল্পনিক ছবি ফুটি উঠে, এইখন তেনে নৰক নহয়। এইখন বাস্তৱৰ নৰক। যাৰ পৰিচিত নাম 'গেটৱে' টু হেল'।

# অৱশেষত বন্ধ হ'ব 'নৰকৰ দ্বাৰ'



## বিগত অৰ্ধশতিকা ধৰি দাউ দাউকৈ জ্বলি আছিল

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১১ জানুৱাৰী ঃ** স্বৰ্গ আৰু নৰক, দুয়োটাই মানুহৰ কল্পনাসৃষ্ট স্থান। অথচ বাস্তৱতো পৃথিৱীত আছে এক বিশালকায় 'নৰক'। অৰ্ধশতিকাৰ পূৰ্বে সৃষ্টি হোৱা এই নৰকৰ দুৱাৰ অৱশেষত বন্ধ হ'ব। নৰক বুলিলে আমাৰ মনত যিখন কাল্পনিক ছবি ফুটি উঠে, এইখন তেনে নৰক নহয়। এইখন বাস্তৱৰ নৰক। যাৰ পৰিচিত নাম 'গেটৱে' টু হেল'।

সেই নৰকৰ দ্বাৰ হৈছে এক ২২৯ ফুট বহল আৰু ৬৬ ফুট গভীৰ এক বিশাল গহ্বৰ। তুৰ্কমেনিস্তানৰ কাৰাকুম মৰুভূমিত সেই বিশাল গহ্বৰেই বিগত ৫০ বছৰ ধৰি একেৰাহে দাউ দাউকৈ জ্বলি আছে। আচলতে এই অগ্নিগৰ্ভ গহ্বৰটোত দুৰ্ভাগ্যক্ৰমে পৰি বিগত ৫০ বছৰত বহুতো লোকৰ প্ৰাণহানি হোৱাৰ লগতে পাৰিপাৰ্শ্বিকতালৈ কঢ়িয়াই অনা অস্বাস্থ্যকৰ পৰিৱেশৰ বাবেই ইয়াক 'নৰকৰ দুৱাৰ' আখ্যা দিয়া হয়। মানৱসৃষ্ট এই বিশাল গহ্বৰটো মিথেন গেছৰে ভৰ্তি হৈ থকাৰ বাবেই ১৯৭১ৰ পৰা দিনে-নিশাই অনৰ্গলভাৱে জ্বলি আছে। এই বিশেষত্বৰ বাবে ইতিমধ্যে এই 'নৰকৰ দ্বাৰ' পৰ্যটকৰ বাবেও আকৰ্ষণৰ কেন্দ্ৰত পৰিণত হৈ পৰিছে। পৃথিৱীৰ বুকুত 'নৰকৰ দুৱাৰ' সৃষ্টি হোৱাৰো এক কাৰণ আছে। ১৯৭১ত তদানীন্তন ছোভিয়েট ৰাছিয়াৰ ভূ-তত্ত্ববিদসকলে কাৰাকুম মৰুভূমিত তেলৰ সন্ধানত খনন আৰম্ভ কৰিছিল। তেতিয়াই তেওঁলোকে প্ৰাকৃতিক গেছৰ ভাণ্ডাৰৰ সন্ধান পায়। অৱশ্যে খননৰ সময়ত দুৰ্ঘটনাবশতঃ মাটি খহি এক বিশাল গহ্বৰৰ সৃষ্টি হয়। লগতে সেই গহ্বৰৰ পৰা প্ৰচুৰ পৰিমাণে মিথেন গেছ নিৰ্গত হ'বলৈ ধৰে। লগে লগে খননকাৰ্য বন্ধ কৰি দিয়া হয়। নিৰ্গত গেছৰ পৰা অঞ্চলটোৰ পৰিৱেশ দূষিত হৈছিল। প্ৰদূষণৰ কবলৰ পৰা অঞ্চলটোক ৰক্ষা কৰিবলৈ খননকাৰীসকলে গেছত অগ্নিসংযোগ কৰে বুলি দাবী কৰা হয়। তেওঁলোকে ভাবিছিল যে কিছুদিনৰ পাছত হয়তো স্বয়ংক্ৰিয়ভাৱে জুই নিৰ্বাপিত হ'ব। যদিও সেয়া নহ'ল আৰু বিগত ৫০ বছৰ ধৰি একেদৰেই জ্বলি আছে 'নৰকৰ দুৱাৰ'।

অৱশ্যে সম্প্ৰতি সেই 'নৰকৰ দুৱাৰ' চিৰকাললৈ বন্ধ কৰাৰ সিদ্ধান্ত লৈছে তুৰ্কমেনিস্তানৰ ৰাষ্ট্ৰপতি গুৰবাংগুলি বাৰ্ডিমুখামেদভে। ৰাষ্ট্ৰপতিজনে কয় যে এটা ভুলৰ বাবে পৰিৱেশৰ ক্ষতি হৈ আছে। সমীপৰ গাঁও আৰু মানহৰ স্বাস্থ্যতো ইয়াৰ প্ৰভাৱ পৰিছে। ইয়াৰ উপৰি তুৰ্কমেনিস্তানে প্ৰাকৃতিক সম্পদৰো যথাযথ ব্যৱহাৰ কৰিব পৰা নাই বুলিও তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰপতিজনৰ মতে, এই প্ৰাকৃতিক সম্পদৰ পৰা দেশখনৰ বহু লাভ হ'ব পাৰিলেহেঁতেন, কিন্তু ইয়াৰ বিপৰীতে প্ৰকৃতি আৰু পৰিৱেশৰ ক্ষতিহে হৈছে।



# অৱশেষত ককাকৰ কোলাত কাবুলৰ হেৰাই যোৱা শিশুটি

## এতিয়াও পোৱা নাই পিতৃ-মাতৃৰ স্নেহৰ পৰশ

■ নিউজ ব্যুৰ'

**কাবুল, ১১ জানুৱাৰী ঃ** বিগত বৰ্ষৰ ১৯ আগষ্ট। আফগানিস্তানৰ ৰাজধানী কাবুল অধিকাৰ কৰিছে আফগানিস্তান ত্যাগৰ বাবে কাবুলৰ বিমানকোঠত প্ৰৱেশৰ বাবে মানুহৰ প্ৰচণ্ড ভিৰ। ভিৰৰ চাপৰ পৰা ৰক্ষা কৰিবলৈ বিমানকোঠৰ দেৱালৰ কাঁটাতাৰ পাৰ কৰি এজনে নিজৰ কণমানি সন্তানক আমেৰিকাৰ সেনাৰ হাতত তুলি দিছে। সিপাৰৰ পৰা এজন সেনা বিষয়াই শিশুক এহাতেৰে দাঙি ভিতৰৰ পিনে নিছে। কাবুলৰ সেই নিশাৰ এখন ফটোৱে সমগ্ৰ বিশ্ববাসীৰ হৃদয়ত কম্পন তুলিছিল। সেই দৃশ্য বিশ্ববাসীয়ে আজিও পাহৰা নাই। অৱশ্যে তাৰ পাছত কিন্তু শিশুটি আৰু পিতৃ-মাতৃৰ কাষ নাপালেগৈ। শিশুটি সন্ধানহীন হৈ পৰে। ছোহেইল আহমেদি নামৰ সেই দুৰ্ভগীয়া শিশুটিৰ সন্ধান অৱশেষত পোৱা গ'ল কাবুলতে।

যোৱা বছৰৰ আগষ্টত যেতিয়া শিশুটি সন্ধানহীন হৈছিল, তেতিয়া বয়স আছিল মাত্ৰ দুমাহ। হামেদ ছাফি (২৯) নামৰ এজন টেক্সীচালকে কাবুলৰ বিমানকোঠত শিশুটিক উদ্ধাৰ কৰে। হামেদেই শিশুটিক নিজৰ ঘৰলৈ নিয়ে। হামেদে কয়, 'অতি বেয়া অৱস্থাত কাবুল বিমানকোঠত শিশুটিক পৰি থকা দেখা পাওঁ। শিশুটিক উদ্ধাৰ কৰি বহুতকে দেখাইছিলো, কিন্তু কোনেও তাৰ বিষয়ে একো ক'ব নোৱাৰিলে।' উপায়ান্তৰ হৈ টেক্সীচালকজনে শিশুটিক নিজগৃহলৈ নি তেওঁ আৰু পত্নী ফাৰিমা ছাফিয়ে নিজৰ সন্তানৰ দৰেই প্ৰতিপালন কৰিবলৈ আৰম্ভ কৰে। যোৱা নৱেম্বৰত শিশুটিৰ ফটোসহ এক বাতৰি স্থানীয় সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। সেই বাতৰিৰ সূত্ৰৰ ভিত্তিতে পৰিয়ালৰ লোকে শিশু ছোহেইলৰ খবৰ লাভ কৰে। অৱশ্যে শিশুটিক নিজৰ জিম্মালৈ অনাৰ বাবে তেওঁলোকে যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল। কিয়নো নিজৰ সন্তানৰ দৰে প্ৰতিপালন কৰা হামেদ আৰু তেওঁৰ পত্নীয়ে শিশুটিক এৰি দিব বিচৰা নাছিল। উপায়হীন হৈ শিশুটিৰ ককাকে হামেদৰ বিৰুদ্ধে অপহৰণৰ গোচৰ দাখিল কৰে। প্ৰায় সাত সপ্তাহ ধৰি তালিবান আৰক্ষীৰ স'তে আলোচনাৰ পাছত অৱশেষত হামেদে শিশুটিক ককাকৰ হাতত অৰ্পণ কৰে। অৱশ্যে শিশু ছোহেইলে এতিয়াও লাভ কৰা নাই পিতৃ-মাতৃৰ স্নেহৰ পৰশ। কিয়নো পিতৃ-মাতৃ এতিয়াও শিশুটিৰ পৰা বহু দূৰত আছে। ছোহেইলৰ পিতৃ মিৰ্জা আলী আহমেদিয়ে কাবুলস্থিত আমেৰিকান দূতাবাসত নিৰাপত্তাৰক্ষীৰ কাম কৰিছিল। তালিবানে কাবুল দখল কৰাৰ পাছত তেওঁ পত্নী আৰু আন চাৰি সন্তানক লৈ বিমানত উঠি পলায়ন কৰে। যোৱা নৱেম্বৰত এক আন্তৰ্জাতিক সংবাদ সংস্থাক দিয়া সাক্ষাৎকাৰত মিৰ্জাই কৈছিল, 'কাবুল বিমানকোঠৰ প্ৰৱেশদ্বাৰৰ কাষত ভিৰৰ চাপ এৰাবলৈ এজন আমেৰিকান সেনাৰ হাতত ল'ৰাটোক তুলি দিছিলো। অথচ ভিৰ ঠেলি বাকী চাৰি সন্তানক লৈ ভিতৰত প্ৰৱেশ কৰিলেও আৰু ছোহেইলক বিচাৰি নাপালো।' তাৰ পাছত তেওঁলোকে কোনোমতে বিমানত প্ৰৱেশ কৰি আমেৰিকালৈ গুচি যায়। সম্প্ৰতি তেওঁলোক আমেৰিকাতে আছে। ফলত শিশু ছোহেইলে ককাকৰ কাষলৈ উভতি আহিবলৈ সক্ষম হ'লেও পিতৃ-মাতৃৰ কোলাত কেতিয়া উঠিব পাৰিব, তাৰ কোনো নিশ্চয়তা নাই।










অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com